# নাম-ধৰ্ম

## ৫৫৯ শঙ্কৰাব্দ ঃ অধিৱেশন সংখ্যা

## (ৰামায়ণ বিশেষ সংখ্যা)

সম্পাদক

**ড° প্ৰদীপ হাজৰিকা**

সপ্তপঞ্চাশত্তম বৰ্ষ ঃ দ্বিতীয় সংখ্যা

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০০৭ খ্ৰীষ্টাব্দ

**NAM-DHARMA** : *A publication of Srimanta Sankaradeva Sangha, Published by Sri Hariprashad Hazarika, General Secretary, Srimanta Sankaradeva Sangha, Head Office : Nagaon, Assam.*

Editor : Dr. Pradip Hazarika, Price Rs. 25.00 559th Sankarabda, February-2008

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মাঘ ঃ ৫৫৯ শঙ্কৰাব্দ ঃ ফেব্ৰুৱাৰী ২০০৮

**প্ৰকাশক ঃ**

শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক,
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**মুখ্য সম্পাদক ঃ**

শ্ৰীজীৱকান্ত নাথ

**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ শ্ৰীভৱেন দুৱৰী
সম্পাদক ঃ ড° প্ৰদীপ হাজৰিকা
সদস্য ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া
শ্ৰীপদ্মৰাম মহন্ত
সদস্যা ঃ শ্ৰীনিৰ্মলা দাস
শ্ৰীদীপ্তি মহন্ত

**অৰিহণা ঃ**

পঁচিশ টকা

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

শ্ৰীৰমেন মেধি
সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্ছেট প্ৰেছ
হেদায়েৎপুৰ, গুৱাহাটী-৭৮১০০৩

## প্ৰধান সম্পাদকৰ একাষাৰ

# মহাকাব্য ৰামায়ণ সম্পৰ্কে

মহাকাব্য 'ৰামায়ণ' ভাৰতীয় কাব্য সাহিত্যৰ সৰ্বপ্ৰথম সৃষ্টি বুলি প্ৰতীয়মান হৈছে। সেই মৰ্মে এই কাব্য ৰচনাৰ লগত যি গৰাকী ঋষিকবি বাল্মীকি জড়িত, তেখেতক আদিকবি আখ্যা দিয়া হৈছে আৰু ৰামায়ণকো আদি মহাকাব্য হিচাপে স্বীকৃতি দিয়া হৈছে। মহাকবি বাল্মীকিয়ে সংস্কৃত ভাষাত ৰচনা কৰা ৰামায়ণ মহাকাব্যখন বৰ্তমানলৈ পৃথিৱীৰ বহুকেইটা আঞ্চলিক, প্ৰাদেশিক কিম্বা ৰাষ্ট্ৰীয় ভাষালৈকো অনুবাদ কৰা হৈছে। ইবোৰৰ সৰহখিনিয়েই ভাবানুবাদ অথবা কল্পনা প্ৰসূত কাহিনীৰ বোজাও বহন কৰিছে। অসমীয়া ভাষাত প্ৰাক্ শঙ্কৰী যুগতে বৈষ্ণৱ কবি মাধৱ কন্দলীয়ে ৰচনা কৰা ৰামায়ণখনেই সৰ্বজনপ্ৰিয় আৰু নিৰ্ভৰযোগ্য মহাকাব্য হিচাপে আমাৰ অসমত স্বীকৃত হৈছে। কন্দলীৰ ৰামায়ণখনি সাতটা কাণ্ডত বৰ্তমান প্ৰচাৰ-প্ৰসাৰ হৈ আছে যদিও ইয়াৰ প্ৰথম কাণ্ডটি আদিকাণ্ড হিচাপে মহাপুৰুষ মাধৱদেৱে ৰচনা কৰা আৰু শেষকাণ্ডটি উত্তৰাকাণ্ড হিচাপে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ৰচনা কৰা। মাজৰ পাঁচটা কাণ্ড মাধৱ কন্দলীৰ দ্বাৰা ৰচনা কৰা হৈছে। এইকাৰ্যত থকা অন্তৰ্নিহিত কথাখিনিক সাহিত্য-গৱেষকসকলে ধাৰণা কৰিছে যে, মাধৱ কন্দলী ৰচিত ৰামায়ণখনি পূৰ্ণাঙ্গ অৱস্থাত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ দিনত পোৱা নহৈছিল অথচ গ্ৰন্থভাগিৰ মহত্ব আৰু গুৰুত্ব উপলব্ধি কৰি তাৰাসকলে কাব্যভাগি সম্পূৰ্ণ কৰি থৈ গৈছিল। চৰিত পুথিসমূহতো এই কথাৰ প্ৰমাণ পোৱা গৈছে যথা-- 'তুমি ধৰা আগে আমি ধৰো গোৰে' অৰ্থাৎ মহাপুৰুষ শঙ্কৰদেৱে নিজে উত্তৰাকাণ্ড লিখাৰ দায়িত্ব গ্ৰহণ কৰি শ্ৰীশ্ৰীমাধৱদেৱক আদিকাণ্ড লিখাৰ দায়িত্ব দিছিল। মহাপুৰুষসকলৰ এই কাৰ্যই কন্দলী ৰচিত ৰামায়ণ মহাকাব্যৰ গুৰুত্ব বৃদ্ধিত প্ৰভূত অৰিহণা যোগালে আৰু শঙ্কৰীযুগৰ পৰা শঙ্কৰোত্তৰ কাললৈ তথা অনাগত দিনলৈকো যে বৈ-বৈ থাকিব-- ই ধূৰূপ কথা।

মহাকবি বাল্মীকি ৰচিত ৰামায়ণৰ পৰৱৰ্তীকালত ৰচনা হোৱা অনেক ৰামায়ণৰ কথা পোৱা গৈছে যদিও অসমীয়া ভাষাৰ দুৰৱস্থাৰ হেতু মাধৱ কন্দলীৰ ৰামায়ণৰ দুষ্প্ৰাপ্যতাৰ বাবেই অসমত কীৰ্তিবাসী ৰামায়ণৰ প্ৰচাৰ প্ৰসাৰে অসমীয়া জনজীৱনত অধিক প্ৰভাৱ বিস্তাৰ কৰিছিল। কীৰ্তিবাসী ৰামায়ণৰ অনেক কাল্পনিক কাহিনীয়ে মানুহৰ তন-মন আচন্ন কৰি ৰামায়ণৰ প্ৰকৃত কাহিনীৰ পৰা মানুহক আঁতৰাই আনিছিল। কিন্তু ৰামায়ণ সম্পৰ্কীয় লেখা আলোচনা বৰ্তমান বৃদ্ধি পোৱাত অনেক নতুন তথ্য পোহৰলৈ আহিছে। এনে তথ্যসমূহ আমি এই লেখাত প্ৰকাশ কৰাটো উদ্দেশ্য নহয়, কিয়নো প্ৰকাশিত এই সংখ্যা 'নামধৰ্ম'খনি ৰামায়ণ বিশেষ সংখ্যা হিচাপে প্ৰকাশ কৰা হৈছে আৰু বিভিন্নজন লেখকে এই সম্পৰ্কে নিজৰ লেখাত তেনেবোৰ কথা পোহৰলৈ আনিবলৈ সক্ষম হৈছে।

প্ৰসঙ্গক্ৰমে আন এটি কথা মনলৈ আহিছে যে, অনান্য কাব্য-মহাকাব্যৰ দৰে মূল ৰামায়ণৰ কথাবোৰ কাল্পনিক হ'ব পাৰে নেকি বুলি সাধাৰণতে মানুহৰ মনলৈ যি ধাৰণা আহিব পাৰে সেই সম্পৰ্কে অনেক পৰ্যালোচনা আৰু গৱেষণাৰ আজিও অন্ত হোৱা নাই আৰু আধুনিক বিজ্ঞান প্ৰযুক্তিৰ জৰিয়তেও ইয়াৰ গৱেষণা হৈছে আৰু ফলাফলো প্ৰকাশ পাইছে। মাৰ্কিন মহাকাশ সংস্থা 'নাছা'ৰ বিজ্ঞানীসকলৰ চফট্‌ৱেৰৰ গৱেষণা মৰ্মে দশৰথ পুত্ৰ শ্ৰীৰামচন্দ্ৰই খ্ৰীষ্টপূৰ্ব ৫০১৪ চনৰ ১৪ জানুৱাৰীত জন্মগ্ৰহণ কৰিছিল। সুদীৰ্ঘ ত্ৰিশ বছৰ ধৰি কৰা গৱেষণাত এইকথা প্ৰকাশ কৰি সৰোজবাল নামৰ এগৰাকী লোকে এটি সাক্ষাতকাৰ প্ৰকাশ কৰি নতুন দিল্লীৰ পৰা ২০০5 চনৰ আগষ্ট মাহত

প্ৰকাশিত এখন  আলোচনীত এই কথা প্ৰকাশ কৰিছে যে ঋষি বিশ্বামিত্ৰৰ যজ্ঞ ৰক্ষা কৰিবলৈ তেৰ বছৰ বয়সত (খ্ৰীষ্টপূৰ্ব-৫১০১ বৰ্ষ)ত ৰামে তাৰকা ৰাক্ষসীক বধ কৰিছিল আৰু সীতাক উদ্ধাৰ কৰিবলৈ ৫০৭৬ খ্ৰীষ্টপূৰ্বত ৰাৱণক বধ কৰিছিল। ৰামৰ ৰাজ অভিষেক হৈছিল খ্ৰীষ্টপূৰ্ব ৫০৮৯ চনৰ ৫ জানুৱাৰীত। এই তথ্যসমূহ ভাৰতীয় পুৰাতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক ড° এল. এম. বহলৰ তথ্যত প্ৰকাশ। তেখেতৰ মতে এই তাৰিখসমূহ প্ৰাচীন মিলান শ্লোকৰ সৈত্যে মিলি যায়। আন এগৰাকী ড° পুষ্কৰ ভাটনাগৰে কৰা চফ্‌টৱেৰ গৱেষণাতো মিলান শ্লোকৰ মিল পোৱা বুলি উল্লেখ কৰিছে। মহাকবি বাল্মীকি ৰামায়ণতো শ্লোকৰ জৰিয়তে দিয়া দিন তাৰিখ, তিথি, বাৰ আদিৰ ঘটনা ক্ৰম মিল আছে বুলি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰাক্তন পদাধিকাৰ প্ৰয়াত দীননাথ ডেকা বাপে ‘শ্ৰীৰামচৰিত মানস আৰু দুৰ্গাপূজা প্ৰসঙ্গ’ শীৰ্ষক প্ৰবন্ধত দেখুৱাই থৈ গৈছে। এইসকলো তথ্যৰ জৰিয়তে প্ৰমাণ হয় যে, শ্ৰীৰামচন্দ্ৰ এগৰাকী কাল্পনিক পুৰুষ নহয় বৰং আজিৰ পৰা ৭০২১ (সাত হাজাৰ একৈশ) বছৰ পূৰ্বে জন্ম হোৱা এগৰাকী অতিমানৱীয় পুৰুষ, ভগৱন্তৰ অৱতাৰ। ‘শ্ৰীৰামৰূপে কশৈল্যাত অৱতৰি, বনবাস খপিলা পিতৃৰ বাক্য ধৰি।’ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও এই দাশৰথী ৰামকেই দৈৱকী নন্দন কৃষ্ণৰ সৈতে একে ভাবত গুণানুকীৰ্তন কৰি শ্ৰৱণ-কীৰ্তন ভক্তি ধৰ্মত উপাসনাৰ বাবে আদৰ্শ কৰি থৈ গৈছে।

**মুখপত্ৰ ‘নামধৰ্ম’ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ মুখপত্ৰ ‘নাম-ধৰ্ম’ৰ এই সংখ্যাটিয়ে সপ্তপঞ্চাশত্তম বৰ্ষৰ গৌৰৱ বহন কৰিছে। এই আলোচনীখনি নিয়মিয়াকৈ প্ৰকাশ কৰি (বৰ্তমান কেইবছৰমানৰ পৰা বিষয় ভিত্তিক ৰূপে) ধৰ্মীয়-কাব্য-সাহিত্য-গৱেষণা আৰু চিন্তা-চৰ্চাৰ পথটি অধিক উৎকৰ্ষতাৰে বহলাই আনিবলৈ সক্ষম হৈছে। সংশ্লিষ্ট সম্পাদনা সমিতিক ইয়াৰ বাবে কৃতজ্ঞতা জনাইছোঁ।

পাঁচশ ঊনষষ্ঠীতম গুৰু আৰ্বিভাৱ মহোৎসৱৰ অৱসৰত গুৰুজনাৰ প্ৰতি অশেষ প্ৰণতি জনাইছোঁ-- লগতে গুৰু-গুণ-গ্ৰাহী-মহাপুৰুষৰ সেৱক ভকতসকলৰ প্ৰতিও অৱনতভাৱে শিৰ দোঁৱাই গুৰু-ভকত সেৱাৰ ৰসেৰে সকলোকে সিক্ত কৰি তোলাৰ বাবে প্ৰভু পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ইতি

সেৱাৰে

কলিয়াবৰ, নগাঁও
২৮ ভাদ, ৫৫৮ শঙ্কৰাব্দ

**হৰিপ্ৰসাদ হাজৰিকা**
প্ৰধান সম্পাদক
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সম্পাদকীয়

ভাৰতবৰ্ষৰ বিশাল মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ লগত অসম তথা ভাৰতীয় জনজীৱন নিবিড়ভাৱে সংপৃক্ত হৈ আছে। ভাৰতীয় মানুহৰ ৰুচি-অভিৰুচি, আশা-আকাঙ্ক্ষা আৰু পাপ-পুণ্যৰ দৰে বিশ্বাসবোৰো ৰামায়ণ মহাভাৰতৰ পৰাই সৃষ্ট বুলি ক'লেও অতুক্তি কৰা নহয়। সেইবাবেই যুগ যুগ ধৰি জনসাধাৰণে অতি ভক্তিভাৱেৰে মহাকাব্য দুখনক শ্ৰৱণ-পঠনৰ মাজেদি হৃদয়ৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰি আহিছে। উল্লিখিত দুয়োখন মহাকাব্যৰ এনে সম্মোহনী শক্তিৰ বাবেই সাহিত্যিকসকলেও মহাকাব্য দুখনৰ বিষয়বস্তুক নানান ৰচনাশৈলীৰে জনসাধাৰণৰ কাষ চপাই নিয়াৰ প্ৰযত্ন আজিও অব্যাহত ৰাখিছে। বিশেষকৈ, পৌৰাণিক সাহিত্যৰ কথা বাদেই আধুনিক সাহিত্যতো ৰামায়ণ অথবা মহাভাৰতীয় সাহিত্যই নানান ভাৱে সাহিত্যিকসকলৰ দ্বাৰা পৰিৱেশিত হৈ আমাৰ সাহিত্যক সমৃদ্ধ কৰাটো লক্ষণীয় দিশ ৰূপেই পৰিগণিত হৈছে।

অসমবাসীৰ বাবে সৌভাগ্যৰ বিষয়ে যে, নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণখনেই প্ৰথম ৰচনা হোৱাৰ ফলস্বৰূপে ৰামায়ণী সাহিত্যৰ লগত অসমীয়া পাঠকে প্ৰায় চাৰে পাঁচশ বছৰৰ পূৰ্বেই বিশেষভাৱে পৰিচিত হৈছিল। বাংলা ভাষাৰ দৰে সমৃদ্ধিশালী ভাষাতো ৰামায়ণ সংযোজিত হৈছিল আমাতকৈ এশবছৰৰ পিছতহে, অৰ্থাৎ পোন্ধৰ শতিকাতহে! কেৱল পৰিচয়েই নহয়, 'পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলী আদি' বুলি মাধৱ কন্দলীৰ প্ৰশস্তি গাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তাৰাৰ প্ৰপন্ন শিষ্য মাধৱদেৱেও ৰামায়ণী সাহিত্যক তাৰাসকলৰ ৰচনাত অন্তৰ্ভুক্ত কৰি বিশেষ মাত্ৰা প্ৰদান কৰি গৈছে।

স্মৰ্তব্য যে, মাধৱ কন্দলীয়ে 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিৰন্ধিলো' বুলি উল্লেখ কৰিলেও গুৰুজনাৰ কালত আদি আৰু উত্তৰাকাণ্ড নথকাটো অসমৰ জাতীয় সাহিত্যৰ বাবে এক দুখজনক অধ্যায়ৰূপেই চিহ্নিত হৈছিল। এনে এক সময়ত গুৰুজনাই ঐতিহাসিক দায়িত্বৰে উল্লিখিত কাণ্ড দুটাৰ প্ৰথমটো প্ৰিয়শিষ্য মাধৱদেৱৰ হাতত ন্যস্ত কৰি শেষৰটি নিজে অনুবাদ কৰি অসমীয়া সাহিত্যৰ ভড়াল সমৃদ্ধ কৰি তোলে। উল্লিখিত তিনিওজন বিশাল প্ৰতিভাধৰ কবিয়ে ৰামায়ণক সম্পূৰ্ণ কৰি তোলাৰ পিছতো ইয়াৰ বিপুল জনপ্ৰিয়তালৈ লক্ষ্য কৰি গুৰুজনাৰ আন এজন প্ৰিয়শিষ্য অনন্ত কন্দলীয়েও মাধৱ কন্দলী প্ৰণীত ৰামায়ণকে ইফাল সিফাল কৰি আন এখন ৰামায়ণ ৰচনা কৰি অসমীয়া ৰামায়ণী সাহিত্যক অনন্য মাত্ৰা প্ৰদান কৰে। এনেদৰে মাধৱ কন্দলীৰ পৰা অনন্ত কন্দলীলৈকে সৰ্বমুঠ চাৰিজন কবিয়ে ৰামায়ণ মহাকাব্যক অসমীয়ালৈ ৰূপান্তৰ কৰাৰ অন্তৰালত প্ৰচন্ন হৈ আছে, আবাল-বৃদ্ধ বণিতাৰ মাজত মহাকাব্যখনৰ সীমাহীন জনপ্ৰিয়তা। স্মৰ্তব্য যে, কেৱল বৈষ্ণৱ কবিসকলেই নহয়, মনসা কাব্যৰ কবি দুৰ্গাবৰেও গীতি ৰামায়ণ ৰচনা কৰি অসমীয়া ৰামায়ণী সাহিত্যক জনমানসত জনপ্ৰিয় কৰি গৈছে। অন্যহাতে অসমীয়া ৰামায়ণী সাহিত্যৰ অন্য এক স্মৰণীয় দিশ হ'ল-- মাধৱ কন্দলীৰ ৰামায়ণ যিদৰে প্ৰান্তীয় ভাষাৰ প্ৰথম ৰামায়ণ, তদ্ৰূপ ওঠৰ শতিকাৰ প্ৰথম দশকত ৰঘুনাথ মহন্তৰ হাতত ৰচিত হয় প্ৰথম গদ্য ৰামায়ণ। ইয়াৰ পূৰ্বে গদ্যত ৰামায়ণ ৰচনা কৰাৰ প্ৰয়াসৰ বিষয়ে উল্লেখ পোৱা নাযায়। সেই সূত্ৰেই কথ্য ভাষাত ৰামায়ণ ৰচনা কৰাৰ কৃতিত্বও অসমীয়াই লাভ কৰাটো অন্য এক গৌৰৱৰ বিষয়।

প্ৰাক্‌শঙ্কৰী যুগৰ কবি হৰিবৰ বিপ্ৰইও ৰামায়ণৰ উত্তৰাকাণ্ডৰ বিষয়বস্তুক লৈ 'লৱ কুশৰ যুদ্ধ' শীৰ্ষক ৰচনাৰে অসমীয়া সাহিত্যত ৰামায়ণী সাহিত্যৰ বাট কাটি দিয়াৰ পিছত যোৱা প্ৰায় চাৰে পাঁচশ বছৰত মহাকাব্যখনৰ বিষয়বস্তুক লৈ অনেক বিচিত্ৰ আৰু বৰ্ণময় সাহিত্য সৃষ্টি হৈ থকাটো অসমীয়া সাহিত্যৰ এক গৰিমাময় অধ্যায়। বিগত পাঁচশ বছৰতকৈও অধিক কাল ধৰি বিশাল মহাকাব্যখনৰ বিষয়বস্তুয়ে যেনেদৰে আবাল-বৃদ্ধ বনিতাৰ হৃদয় স্পৰ্শ কৰি আহিছে, তদ্ৰুপ নানানভাৱে পল্লবিত হৈ উঠা ৰামায়ণী বিষয়বস্তুৱে অসমীয়া সাহিত্যৰ ভেটি বৰ্ণময় শোভাৰে জাতিস্কাৰ কৰি তুলিছে। অন্যহাতে প্ৰতীকৰ সু-প্ৰয়োগৰ দ্বাৰা বিষয়বস্তুক অধিক আকৰ্যণীয় কৰি তোলাৰ মানসেৰে ৰাৱণ, উৰ্মিলা, বিভীষণ, সীতা আদি স্মৰণীয় চৰিত্ৰকো লেখকসকলে অতি সফলতাৰে তেওঁলোকৰ লেখনিত অন্তৰ্ভুক্ত কৰি বিষয়বস্তুক নতুন মাত্ৰা প্ৰদান কৰিছে। ৰামায়ণী সাহিত্য কেৱল বিদ্বৎ সমাজতেই নহয়, অসমৰ গ্ৰাম্য জীৱনতো ৰামায়ণ কেন্দ্ৰীক প্ৰবাদ-পটন্তৰৰ প্ৰয়োগ মন কৰিবলগীয়া বিষয়। 'সেই ৰামো নাই, সেই অযোধ্যাও নাই', 'ৰাম নৌ উপজোতেই ৰামায়ণ', 'ফাট দিয়া বসুমতী পাতালে লুকাওঁ' আদি প্ৰবাদ-পটন্তৰৰ সাৰ্থক প্ৰয়োগো মন কৰিবলগীয়া বিষয়। আমাৰ জাতীয় জীৱনৰ সোণসেৰীয়া সম্পদ বিয়ানামৰ দৰে লোকগীততো দৰাক ৰামচন্দ্ৰৰ লগত আৰু কইনাক সীতাৰ লগত তুলনা কৰি অনেক মন পৰশা বিয়ানাম সৃষ্টি হোৱাটো লক্ষণীয় দিশ ৰূপেই স্বীকৃত হৈছে।

অসমীয়া ৰামায়ণী সাহিত্যৰ এই বৰ্ণময় প্ৰকাশ আৰু বৈচিত্ৰ্যলৈ লক্ষ্য কৰিয়েই শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাই ৰামায়ণ বিশেষ সংখ্যা নামেৰে এই সংখ্যা নাম-ধৰ্ম প্ৰকাশ কৰাৰ আঁচনি গ্ৰহণ কৰে। এইক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভক্তিভাজন শ্ৰীযুত কৰুণাকান্ত কলিতা বাপ, মাননীয় প্ৰধান সম্পাদক পৰম শ্ৰদ্ধেয় শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখাৰ সভাপতি মাননীয় শ্ৰীযুত ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী বাপ আৰু সাহিত্য শাখাৰ সম্পাদক অধ্যাপক জীৱকান্ত নাথ বাপলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা নিবেদিলোঁ। তেখেতসকলৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাই নামধৰ্মখনি প্ৰকাশত আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিছে। আমাৰ এই প্ৰয়াসৰ প্ৰতি সঁহাৰি দি সুধীজনে ৰামায়ণৰ বিভিন্ন দিশ আলোকপাত কৰি নামধৰ্মলৈ প্ৰবন্ধ প্ৰেৰণ কৰাত আমি অনুগৃহিত হৈছোঁ। অন্যহাতে কেইবাটিও প্ৰবন্ধ, বিষয়বস্তুৰ লগত সঙ্গতি ৰাখি পুনৰ মুদ্ৰণৰো দিহা কৰা হৈছে। তৎসত্বেও সংখ্যাটি সৰ্বাঙ্গসুন্দৰ কৰাৰ ক্ষেত্ৰত আমাৰ অক্ষমতা ৰৈ গ'ল বুলি বাৰে বাৰে অনুভৱ কৰিছোঁ। সুধীজনে ক্ষমাৰ দৃষ্টিৰে নিশ্চয় আমাৰ সৰ্বদোষ মৰিষণ কৰিব।

নামধৰ্মৰ এই সংখ্যাটি যুগুত কৰোঁতে যিসকল লেখক-লেখিকাই বহুমূলীয়া লেখনি প্ৰেৰণ কৰি আমাক গভীৰভাৱে অনুপ্ৰাণিত কৰিলে, সেইসকলৰ প্ৰতি অন্তৰৰ কৃতজ্ঞতা নিবেদিলোঁ। সংখ্যাটি প্ৰকাশ কৰাৰ ক্ষেত্ৰত সম্পাদনা সমিতিৰ মাননীয় সভাপতি শ্ৰীযুত ভৱেন দুৱৰী বাপৰ নিৰন্তৰ আগ্ৰহ আৰু অকুণ্ঠ সহযোগিতাই আমাক ঋণী কৰি তুলিছে। শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ সত্যসন্ধা প্ৰেছৰ কৰ্মী ৰমেন মেধিৰ লগতে মাতৃ অফ্‌ছেট প্ৰেছৰ স্বত্বাধিকাৰ কমলাকান্ত বৰা বাপে ছপা-বন্ধা কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জনালোঁ।

পৰিশেষত আমাৰ সম্পাদনা কৰ্মত হোৱা দোষ ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি সেৱা ধৰিলোঁ।

সেৱাৰে--

আপোনাসবৰ

**প্ৰদীপ হাজৰিকা**

# সূচীপত্ৰ


| | | |
|---|---|---|
| ● শ্ৰীৰাম মহিমা | ঃ শ্ৰীকৰুণাকান্ত কলিতা | ১ |
| ● অসমীয়া ৰামায়ণী সাহিত্যৰ চমু পৰিচয় | ঃ ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী | ৩ |
| ● বাল্মীকিকৃত সংস্কৃত ৰামায়ণ আৰু মাধৱ কন্দলীকৃত অসমীয়া ৰামায়ণ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ৯ |
| ● মাধৱ কন্দলীৰ ৰামায়ণৰ ছন্দবিচাৰ | ঃ শ্ৰীকৈলাস দাস | ১৮ |
| ● মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা ঃ এটি চমু দৃষ্টিপাত | ঃ শ্ৰীজীৱকান্ত নাথ | ২২ |
| ● সীতাৰ ক্ষোভ ঃ শঙ্কৰদেৱৰ উত্তৰাকাণ্ড | ঃ ড° উইলিয়াম এল.স্মিথ<br>অনু ঃ ড° সুৰেশ চন্দ্ৰ বৰা | ২৬ |
| ● শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ সীতা | ঃ ড° নৰকুমাৰ সন্দিকৈ | ৩২ |
| ● ভাষান্তৰত ৰামায়ণ কাব্য তথা অসমীয়া ৰামায়ণী সাহিত্য | ঃ শ্ৰীঅপৰাজিতা বৰকাকতী | ৩৮ |
| ● অসমীয়া ৰামায়ণী সাহিত্যত শঙ্কৰদেৱৰ উত্তৰা কাণ্ডৰ স্থান | ঃ শ্ৰীবোধেশ্বৰ কাকতি | ৪৪ |
| ● যোগবশিষ্ঠ ৰামায়ণৰ চমু পৰিচয় | ঃ শ্ৰীপ্ৰভাত চন্দ্ৰ দাস | ৪৮ |
| ● ৰামচৰিত আৰু দুৰ্গাপূজা প্ৰসঙ্গ | ঃ দীননাথ ডেকা | ৫৩ |
| ● ৰামায়ণ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ এক নিবিড় সম্বন্ধৰ সংশ্লেষণ | ঃ ড° মালিনী গোস্বামী | ৬১ |
| ● ৰামায়ণ কেন্দ্ৰীক অসমীয়া কাব্য | ঃ শ্ৰীদীপক কুমাৰ বৰা | ৭১ |
| ● সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই | ঃ শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া | ৭৫ |
| ● ৰামায়ণৰ ইতিকথা | ঃ শ্ৰীমহেন্দ্ৰনাথ হাজৰিকা | ৮১ |
| ● ৰামায়ণ জাতীয় জীৱনৰ দাপোণ | ঃ শ্ৰীমীনা নাথ | ৮৪ |
| ● শ্ৰীমন্ত শঙ্কৰদেৱৰ উত্তৰাকাণ্ড ৰামায়ণ ঃ এটি চমু আলচ | ঃ শ্ৰীৰহীন্দ্ৰ দত্ত | ৮৮ |
| ● ৰাম ঃ সৰ্বকালৰ এগৰাকী আদৰ্শ নায়ক | ঃ শ্ৰীদীপ্তি মহন্ত | ৯১ |
| ● ৰামায়ণত কপিশ্ৰেষ্ঠ হনুমান | ঃ শ্ৰীসভাৰাম ভৰালী | ৯৩ |
| ● মাধৱ কন্দলীৰ ৰামায়ণত বচনভঙ্গীৰ সুপ্ৰয়োগ | ঃ শ্ৰীমৃদুলা দাস | ৯৬ |
| ● জয়তু উৰ্মিলা | ঃ শ্ৰীনিৰ্মলা দাস | ৯৯ |
| ● পক্ষী সংবাদ | ঃ শ্ৰীভবেন দুৱৰী | ১০২ |
| ● ৰামায়ণৰ পটভূমিত অসমীয়া নাটক | ঃ ড° প্ৰদীপ হাজৰিকা | ১০৫ |

# শ্ৰীৰাম মহিমা

**শ্ৰীকৰুণাকান্ত কলিতা**
**পদাধিকাৰ,**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

দশৰথ কৌশল্যা
নন্দন
তোমাৰ চৰিত্ৰ
বিচিত্ৰ অনুপম
ৰাক্ষসী তাৰকাক
কৰিলা নিধন
ঋষি বিশ্বামিত্ৰৰ
উদ্দেশ্য কৰিলা পূৰণ
হৰধনু ভাঙ্গি
হৰতকৈ শ্ৰেষ্ঠ বুলি
কৰি প্ৰমাণ
জনক নন্দিনী সীতাক
পত্নী ৰূপে
কৰিলা গ্ৰহণ--
মাতৃসম কৈকেয়ীৰ
অভিলাষ
পূৰণৰ হেতু
পিতৃ বাক্য পালি
বনবাস কৰিলা গ্ৰহণ
ত্যাগৰ মহিমা
দেখুৱালা জগতক
কি যে দৈৱিক
দৃষ্টান্ত পৰম
পত্নী শান্তি সীতাৰ
অনুৰোধ
নকৰি প্ৰত্যাখ্যান
স্বৰ্ণ মৃগৰ
পিছে পিছে হৈ
ধাৱমান
দেখুৱালা জগতক
পত্নী প্ৰেমৰ
অপূৰ্ব নিদৰ্শন
আৰু দেখুৱালা
ভক্তৰ কাৰণে প্ৰভুৱে
কৰে সৰ্বকাম
ৰাৱণে শান্তি সীতাক
কৰিলে হৰণ
নৰ লীলা দেখুৱাই
হ'লা ম্ৰিয়মান
মহাদুখ মনে
কৰিলা অন্বেষণ
সুগ্ৰীৱৰ স'তে
অপূৰ্ব মিলন
মিত্ৰ ৰূপে কৰি
আলিঙ্গন
মিত্ৰ সুগ্ৰীৱৰ
কৰিলা উদ্দেশ্য পূৰণ
বালীক বধি
সুগ্ৰীৱক দিলা
সিংহাসন
মৈত্ৰী বন্ধনৰ
দৃষ্টান্ত পৰম
সুগ্ৰীৱ-নীল-অঙ্গদ
বীৰ হনুমান

**নাম-ধৰ্ম**

আৰু সৈন্যগণ
লগে সমে
লঙ্কাত কৰিলা প্ৰৱেশ
বধিলা ৰাৱণ
সমস্ত ৰাক্ষস কুল
কৰি নিধন মহাপৰাক্ৰমে
ভক্ত বিভীষণক
দিলা সিংহাসন
সীতাক উদ্ধাৰি
অগ্নিত পৰীক্ষা কৰি
লোক অপযশ
কৰিলা নিবাৰণ
লোক নিন্দা মৃত্যুসম
জানি প্ৰভুৰাম
অগ্নিত পৰীক্ষা পত্নীক
কিযে দৃষ্টান্ত পৰম
সাগৰত সেতু বন্ধন
সমবেত ক্ষুদ্ৰ শক্তি
বান্দৰ সৈন্য সামন্তৰ
দেখুৱালা মহাপৰাক্ৰম
একতাই পৰম বল
কি যে দৃষ্টান্ত মহান
একত্ৰিত ক্ষুদ্ৰ শক্তি
দুৰ্জয় পৰম
ৰঙ্গ মনে অযোধ্যাত
লৈ ৰাজ্যভাৰ
প্ৰজাবৰ্গৰ মনৰ
সন্দেহ ভজনৰ হেতু
সীতাক ত্যাজিলা
দিলা বনবাস--

প্ৰজা ৰঞ্জক ৰূপে
দি পৰিচয়
যগে যুগে খ্যাতি
ৰাখিলা বিদ্যমান
মহাকালৰ ইঙ্গিত
নিষ্ঠুৰ পৰম
ভ্ৰাতৃ লক্ষ্মণকো
কৰিলা বিসৰ্জন
দেখুৱাই নৰলীলা
স্বধামে কৰিলা গমন
তুমি প্ৰভুৰাম
অৱতাৰধাৰী
তুমিয়েই কৃষ্ণ ভগৱান
তোমাৰ জীৱনাদৰ্শ
উৎকৃষ্ট পৰম
যুগে যুগে--
তোমাৰ চৰিত্ৰ
উজ্বলি থাকিব
সূৰ্য দীপ্তি সম
তোমাৰ মহিমা
প্ৰকাশি থাকিব
মহাকাব্য ৰামায়ণ
ৰামায়ণ সংখ্যা
'নামধৰ্ম'ত
থাকিব ভাস্কৰ হৈ
উজ্বল ৰত্নসম
চৰণে পশিলো শৰণ
কৰা কৃপা
হে কৃষ্ণ-- প্ৰভুৰাম। ■

# অসমীয়া ৰামায়ণী সাহিত্যৰ চমু পৰিচয়

**ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী**

মহৰ্ষি বাল্মীকিকৃত ৰামায়ণ মহাকাব্য (কাব্য?) ভাৰত তথা বিশ্বৰ এখনি অন্যতম মহৎগ্ৰন্থ। এই গ্ৰন্থত ভাৰতীয় ঐতিহ্য তথা সংস্কৃতিৰ বাৰ্তা বিবৃত কৰা হৈছে। মানুহৰ জীৱনৰ বিচ্ছেদৰ বেদনা কিমান গভীৰ আৰু প্ৰাণস্পৰ্শী ৰামায়ণৰ বিভিন্ন ঘটনাৱলীৰ মাজত জীৱন্ত হৈ উঠিছে। জীৱনৰ সংগ্ৰাম, আত্ম প্ৰতিষ্ঠা, নাৰীৰ মৰ্যাদা, বিপন্ন সংস্কৃতি উদ্ধাৰৰ দুঃসাহসিক প্ৰচেষ্টা আৰু সুসংস্কৃতিৰ পত্তন আদি চিৰন্তন মানৱীয় প্ৰমূল্যবোধে ৰামায়ণক মহীয়ান কৰি তুলিছে। ৰামায়ণ সৃষ্টিটো ক্ৰৌঞ্চ বিৰহী দুখত আহত সংবেদনশীল হৃদয়ৰ স্বতঃস্ফুৰ্ত শোক-শ্লোক 'মা নিষাদ .......' সৃষ্টি। জন চিত্তক উদ্বেলিত কৰা ৰাম কথা জন মানসত ইমান প্ৰভাৱ বিস্তাৰ কৰিছিল যে ভাৰতীয় ঐতিহ্যৰ প্ৰায়বোৰ সাহিত্য কৰ্মত ৰামায়ণৰ কাহিনী বিস্তৃত অথবা সংক্ষিপ্ত ৰূপত পোৱা যায়। ড° সুকুমাৰ সেনে ৰামকথা ঋগ্বেদ, বৌদ্ধজাতক, জৈন কাব্য আদিৰ উপৰিও সংস্কৃত সাহিত্যত বিশেষকৈ পুৰাণ, মহাভাৰত, হৰিবংশ, বিষ্ণু পুৰাণ, ৰঘুবংশ, ভট্টিকাব্য অভিনন্দনৰ ৰামচৰিত আদিত প্ৰত্যক্ষ বা পৰোক্ষ ৰূপ এটি পোৱা যায় বুলি কৈছে।[১] তদুপৰি ভাৰতৰ বাহিৰৰ ইৰাণীয় খোটানী ভাষাত, তিব্বতী ভাষাত, শ্যাম-কম্বোদীয় দেশত, মালয়, ফিলিপান দ্বীপপুঞ্জত। যবদ্বীপত, লাওচ, ভিয়েটনাম আদি দেশত ৰামকথা প্ৰচলন দেখা যায়। অৱশ্যে প্ৰায়বোৰ ৰচক মুছলমান হোৱা বাবে কিছু ইছলামীয় প্ৰভাৱ দৃষ্ট হ'লেও ই বহিৰঙ্গ হে।[২] সম্ভৱতঃ প্ৰব্ৰজিত ভাৰতীয়সকলৰ লগতে ৰামায়ণৰ কাহিনীও প্ৰব্ৰজিত হৈছিল আৰু থলুৱা প্ৰভাৱত নাম, চৰিত্ৰ, ঘটনা আদিৰ পৰিৱৰ্তন ঘটিছিল। বিদেশৰ বহু চিত্ৰ-ভাস্কৰ্য শিল্পতো ৰাম কথাৰ প্ৰভাৱ দৃষ্ট হয়।

ৰামায়ণ ৰচনাৰ সময় সম্পৰ্কে সমালোচকসকলৰ মাজত মতভেদ দেখা যায়। কিছুমান সমালোচকে ক'ব খোজে যে খৃষ্টপূৰ্ব ষষ্ঠ-সপ্তম শতিকামানৰ পৰা ৰামায়ণ কাহিনী মৌখিক ৰূপত প্ৰচলিত হৈ আছিল। ভাৰতৰ প্ৰাচীনতম বৈদিক সাহিত্যত বহু শ বছৰ পিছতহে লিখিত ৰূপ পাইছিল। ইলিয়াড-ওডিচিৰ ক্ষেত্ৰটো তেনে মত পোষণ কৰা দেখা যায়। বোধকৰো লিখাৰ সঁজুলি আৱিস্কাৰ নোহোৱালৈ মৌখিক ৰূপত বহু সাহিত্য বৰ্তি আছিল। খৃষ্টপূৰ্ব চতুৰ্থ শতিকাৰ পৰা খৃষ্টীয় দ্বিতীয় শতিকাৰ ভিতৰত ৰামায়ণ ৰচনা হোৱা বুলি প্ৰাচ্য-পাশ্চাত্যৰ বহু পণ্ডিতে অনুমান কৰে। মহাভাৰত ৰচনাৰ আগেয়ে যে ৰামায়ণ ৰচিত হৈছিল সেই বিষয়ে সন্দেহ নাই। কিয়নো মহাভাৰতৰ বহু কেইটা পৰ্বত ৰামায়ণৰ উল্লেখ আছে।

প্ৰাচেতম মহৰ্ষি বাল্মীকি ৰামায়ণ স্ৰষ্টা। ড° সুকুমাৰ সেনে 'ৰামকথাৰ প্ৰাক্ ইতিহাস' শীৰ্ষক গ্ৰন্থত বাল্মীকি চ্যবনৰ বংশধৰ বুলি উল্লেখ কৰিছে-- 'বাল্মীকি চ্যবনেৰ পুত্ৰ অথবা বংশধৰ। নামটি তাৰ গোত্ৰি নাম। ব্যক্তিগত নামেৰ কোন উল্লেখ নেই। (ৰত্নাকৰ নিতান্ত আধুনিক নাম বা বিশেষণ) চ্যবন ভৃগুৰ পুত্ৰ অথবা বংশধৰ। কালিদাস ৰামায়ণ গীতিকাৰ আদিকবিকে 'প্ৰাচেতম' বলেছেন (১৫.৬৩)। প্ৰাচেতম মানে বৰুণেৰ পুত্ৰ ভৃগু অথবা বংশধৰ ভাৰ্গৱত। ৰত্নাকৰে বাল্মীকি হোৱা কাহিনী পিছৰ সংযোজন বুলি তেখেতে অনুমান কৰে। তেখেতে ক'ব খোজে যে ৰামায়ণ এজন কবিৰ ৰচনা নহয়-- 'তবে সে গাঁথুনি কোন একজন কবিৰ কণ্ঠে অথবা লেখনীতে হয় নি, বহুজনেৰ মুখে মুখে ঘুৰে ফিৰে লালিত হয়ে এসেছিল। সেইজন্যেই ৰামকথাৰ এত বিভিন্ন ৰূপ ও বিচিত্ৰ ৰস।'[৪] অৱশ্যে আদিকবি বাল্মীকিক বাদ দি ৰামায়ণক একাধিক কবিৰ ৰচনা বুলি ভৱাটো কষ্টকৰ।

বহুতে ৰামায়ণক ৰূপকধৰ্মী কাব্য বুলিও কয়। মহাভাৰতৰ দৰে ৰামায়ণত ইতিহাস সমল নগণ্য। সামাজিক দৃষ্টিকোণৰ পৰা চালে ৰামায়ণত ৰূপকতা নাই বুলি ক'ব নোৱাৰি। ড° য়াকেবি, ড° ৱেবাৰ আদি পাশ্চাত্য পণ্ডিত, ৰবীন্দ্ৰ নাথ ঠাকুৰ, অধ্যাপক প্ৰবোধ সেন, ড° সুকুমাৰ সেন আদি ভাৰতীয় পণ্ডিতসকলে ৰামায়ণ ৰূপকধৰ্মী কাব্য হিচাপে অভিহিত কৰিব বিচাৰিছে। 'সীতা মানে হ'ল ৰেখা বা নাঙলৰ সীৰলু। জনক ৰজাই হাল বাওঁতে সীতাক লাভ কৰা কথাই কৃষ্টি সম্পত্তি লাভ কৰাকে প্ৰকাৰান্তৰে ইঙ্গিত কৰিছে। নৱদুৰ্বাদল শ্যাম বৰ্ণৰ ৰাম কৃষি শস্যৰ শ্যামল ৰমনীয়তাৰ প্ৰতীক। ....... শ্ৰীৰামচন্দ্ৰই পাষানীভূত অহল্যাক উদ্ধাৰ কৰা বা সজীৱতা দান কৰা কথাই ৰূপকাৰ্যত অনুৰ্বৰ বা শিলাময় অঞ্চল কৃষি উপযোগী কৰি তোলা প্ৰক্ৰিয়াকে ইঙ্গিত কৰা যেন ধাৰণা হয়। অহল্যা শব্দৰ অৰ্থ হ'ল হলকৰ্ষণৰ অযোগ্যা। অৰ্থাৎ অহল্যা উদ্ধাৰৰ মাৰ্মিক অৰ্থ হ'ল ছন পৰি থকা ভূমিৰ আবাদীকৰণ। 'ৰাম শব্দৰ অৰ্থ হ'ল ৰমনীয়তা আৰু লক্ষ্মণ মানে কল্যাণময় সম্পদ; এক কথায় লক্ষ্মবত্তা। এই লক্ষ্মণকে রাম ও সীতার সহচর রূপে বৰ্ণনা করা হয়েছে। এটা খুবই স্বাভাৱিক যেখানে সীতা সেখানেই তার একদিকে সৌন্দৰ্য্য ও ওপরদিকে সম্পদ।'[৫] সমাজতত্ব বা ৰূপকত্ব সম্পৰ্কীয় আলোচনা চৌদ্দিক মহলতহে সীমাৱদ্ধ। সৰ্বসাধাৰণৰ বাবে ৰাম নৌওপজোতে ৰামায়ণ সৃষ্টি হে অধিক আকৰ্ষণীয়।

মূল ৰামায়ণ পঞ্চকাণ্ডী। আদি বা বালকাণ্ড আৰু উত্তৰাকাণ্ড পিছৰ সংযোজন বুলি বহু পণ্ডিতে মত দাঙি ধৰে। উক্ত কাণ্ড দুটি প্ৰক্ষিপ্তভাৱে সংলগ্ন কৰা হৈছে।[৬] মূলত বাল্মীকিয়ে ৰামক এগৰাকী আদৰ্শ মানৱ হিচাপেহে অঙ্কিত কৰিছে। ৰামৰ ঈশ্বৰত্ব আদি আৰু উত্তৰাকাণ্ডতহে বিশেষভাৱে বৰ্ণিত হৈছে। পৰৱৰ্তী সময়ত ৰামক দশাৱতাৰৰ অন্যতম অৱতাৰ হিচাপে বিষ্ণুৰ মৰ্যাদা দিয়া হৈছে। সপ্তম-অষ্টম শতিকাতে আলোৱাৰ সকলে ৰামভক্তিৰ পথ সুগম কৰে। উত্তৰ ভাৰতত ৰামানন্দ আৰু তুলসীদাসে 'ৰামায়ত' সম্প্ৰদায় গঠন কৰি ৰামভক্তি প্ৰচাৰ প্ৰসাৰ কৰে। ৰামভক্তিৰ প্ৰৱৰ্তক শ্ৰীকৃষ্ণ, বুদ্ধ, যীশুখৃষ্ট, হজৰত মহম্মদ আদিৰ দৰে ৰামচন্দ্ৰ নিজে নহয়। অসমত তেনে ৰামায়ত সম্প্ৰদায় নাই। কিন্তু ৰামৰ ঈশ্বৰত্বত সৰ্ব সাধাৰণৰ অটল বিশ্বাস আছে।

আমি আগেয়ে উল্লেখ কৰিছোঁ যে, ভাৰতীয় জনমানসত ৰামায়ণৰ প্ৰভাৱ অপৰিসীম। সেয়ে ভাৰতৰ বিভিন্ন ৰাজ্যত থলুৱা ভাষাত ৰামায়ণৰ অনুবাদ হৈছে। আকৌ মৌখিক ৰূপত গীত-পদ, নৃত্য-নাট্য, সাধুকথা আদিত সণ্টালনিকৈ প্ৰকাশ পাইছে। আদিকাব্যৰ বৈশিষ্ট্য এইখিনিতে যে ইয়াৰ কাহিনী আৰু চৰিত্ৰই থলুৱা ৰূপ পৰিগ্ৰহ কৰি লোকজীৱনৰ অধিক পৰিচিত হৈ আকৰ্ষণীয় হৈ পৰিছে। ভাৰতৰ পূব প্ৰান্তত অৱস্থিত কামৰূপ- অসমত ৰামায়ণৰ কাহিনী খৃষ্টীয় দশম-একাদশ শতিকাত ৰচিত 'কলিকা পুৰাণ'ত পোৱা যায়।[৭] খৃষ্টীয় চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকালৈ পুষ্যবৰ্মণৰ ৰাজবংশ, শালস্তম্ভৰ ৰাজবংশ আৰু ব্ৰহ্মপালৰ ৰাজবংশৰ ৰজাসকলৰ ৰাজত্বকালত আৰ্য সভ্যতাই উত্তৰ-পূব অঞ্চলত বিস্তাৰ লাভ কৰা বুলি অনুমান কৰা হয়। সেয়ে হ'লে ৰামায়ণ মহাভাৰতৰ প্ৰভাৱ এই অঞ্চলত নিশ্চয় পৰিছিল। অসমীয়া ভাষাই থলুৱা ৰূপ পৰিগ্ৰহ কৰে ত্ৰয়োদশ শতিকা মানৰ পৰাহে। চতুৰ্দশ শতিকাৰ কবিৰাজ মাধৱ কন্দলীয়ে অসমীয়া ভাষাত বাল্মীকি ৰামায়ণৰ অনুবাদ কৰে। তেতিয়াৰ পৰাই অসমত ৰামায়ণ মহাকাব্যৰ জয়যাত্ৰা আৰম্ভ হয়।

বৰাহী ৰজা মহামাণিক্যৰ (মহামানিকা?) অনুৰোধত মাধৱ কন্দলীয়ে আদিকাব্য ৰামায়ণ অনুবাদ কৰে। কন্দলী ৰামায়ণত আদি বা বাল আৰু উত্তৰাকাণ্ড অন্ততঃ শঙ্কৰদেৱৰ দিনত পোৱা নগৈছিল। অৱশ্যে মাধৱ কন্দলীৰ নিজৰ উক্তিৰ পৰা সাতকাণ্ড ৰামায়ণ ৰচনা কৰা বুলি জনা যায়-

সাতো কাণ্ড ৰামায়ণ পদৱন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো
দুগ্ধক মথিলো যেন ঘৃতে।।

এতিয়ালৈকে কন্দলীৰ উক্ত কাণ্ড দুটি উদ্ধাৰ নোহোৱা বাবে পাঁচকাণ্ড ৰামায়ণ মাধৱ কন্দলীয়ে অনুবাদ কৰা বুলি ধৰি লোৱা হয়। গুৰুচৰিত কথাৰ বিৱৰণ অনুসৰি মাধৱদেৱ আৰু শঙ্কৰদেৱে ক্ৰমে আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰি ৰামায়ণখনিক পূৰ্ণাঙ্গ ৰূপ দিয়ে। 'আৰু মাধৱ

কন্দলীৰ কবিতা ৰামায়ণ ঢাকি তুচকৈ গুচাবৰ মন দিলে অনন্ত কন্দলী এ ঃ তেহে গুৰুজনত বিপ্রে স্বপ্নতে সৰণাপন হৈ প্ৰাথিলে ৰবৰ হেতু।। পাচে গুৰুজনে বোলে বৰাপো তোমাৰ মিতাৰ শাস্ত্র কবিতা গুচাবজে খোজে ঃ য়ামি ধৰো গোৰত ঃ তুমি হোৱা আগে ঃ তেহে আদ্যে উত্তৰা কৰিছে ঃ কাপৰ গাৰি দৰে আগ গোৰ সমে ৰলঃ উপদেশ (আচু) ফুল হল ঃ আগে উপদেশ নাই শুভ শুভহে আচিল আধ্যাত (চোট আতা দিছে)।।'[৭] গুৰুচৰিত-কথাৰ এই বিৰৰণ মানি ল'লে মাধৱ কন্দলীৰ ৰামায়ণৰ পাঁচ কাণ্ডহে আছিল। শঙ্কৰদেৱ আৰু মাধৱদেৱে ক্ৰমে উত্তৰা আৰু আদিকাণ্ড যোগ দি ৰামায়ণখনি সাতকাণ্ড কৰাৰ ওপৰি উপদেশযুক্ত ভণিতা দি বৈষ্ণৱ সমাজত গ্ৰহণযোগ্য গ্ৰন্থ হিচাপে স্থান দিয়া হয়। সত্ৰ-নামঘৰ আদিত ৰামায়ণ পাঠ শ্ৰদ্ধাৰে কৰা হয়। ৰামায়ণ অনুবাদত মাধৱ কন্দলীয়ে কেইটান কথাৰ ওপৰত গুৰুত্ব দিয়া যেন লাগে। 'মহামাণিক্যৰ বোলে কাব্যৰস', 'দুগ্ধক মথিলে যেন ঘৃত', 'লম্ভা পৰিহৰি সাৰোদ্ধৃত' কবি সব নিবন্ধয় লোক ব্যৱহাৰে আদি কাব্যাংশই ৰামায়ণ অনুবাদ ৰীতি সম্পৰ্কে জানিব পৰা যায়। সম্ভৱতঃ মাধৱ কন্দলী মহামাণিক্য ৰজাৰ ৰাজকবি আছিল। মহামাণিক্য বৰাহী (কছাৰি) ৰজা হ'লেও হিন্দুধৰ্ম আৰু শাস্ত্ৰৰ প্ৰতি অনুৰক্ত আছিল। আন গ্ৰন্থ ৰচনা কৰিবলৈ নিদি ৰামায়ণ ৰচনাত পৃষ্ঠপোষকতা কৰা কথাও তাৎপৰ্যপূৰ্ণ। সেই সময়ত নিশ্চয় ৰামায়ণৰ কাহিনী উত্তৰ-পূব অঞ্চলত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু 'সৰ্বজন বোধে' ৰামায়ণ থলুৱা ভাষাত ৰচনা কৰিবলৈ ৰজাই মাধৱ কন্দলীক অনুৰোধ কৰিছিল। সংস্কৃত ভাষাৰপৰা অসমীয়ালৈ অনুবাদ কৰোতে মূলক অনুসৰণ কৰি ঠায়ে ঠায়ে আক্ষৰিক আৰু ভাৱানুবাদ কৰি ৰামায়ণৰ 'সাৰোদ্ধৃত' কৰিছে। কাব্যৰস দিয়াৰ কাৰণে কবিয়ে লৌকিকতাৰো আশ্ৰয় ল'বলগীয়া হৈছে। অসমৰ থলুৱা সমাজ, প্ৰাকৃতিক দৃশ্যাৱলী, সৰ্বসাধাৰণৰ অভিৰুচি আদিৰ প্ৰতি লক্ষ্য ৰাখি কবিয়ে অনুবাদৰ মাজেদিও স্বকীয়তা ৰক্ষা কৰিব পাৰিছে। মূল সংস্কৃতত বিশেষ ব্যুৎপত্তি থকা বাবে নিৰ্ভয়ে কন্দলীয়ে কৈছে--

পণ্ডিত লোকৰ যে অসন্তোষ উপজয়
হাত যোৰে বোলো শুদ্ধবাক।
পুস্তক বিচাৰি যেৱে তৈতে কথা নপৰাঁহা
তেবে সবে নিন্দিবা আমাক।।

-- লঙ্কাকাণ্ড

'মাধৱ কন্দলীৰ ৰামায়ণে বাস্তৱ জীৱন-পদ্ধতি, মনোৰম কথকতা আৰু সুকুমাৰ কবিতাৰে আমাৰ মনত এটি আহ্লাদৰ সৃষ্টি কৰে। তেওঁৰ ভাষাত কথ্য অসমীয়া ভাষাৰ এটি সাধু বা সাহিত্যিক ৰূপ প্ৰতিষ্ঠিতভাৱে দেখা পাওঁ। এই ভাষা সঙ্গীতেৰে মুখৰ, ৰূপক, উপমা, উৎপ্ৰেক্ষা আদি সহজ কাব্যালঙ্কাৰেৰে বিভূষিত। মাধৱ কন্দলীয়ে তেওঁৰ সুন্দৰ শব্দ-চয়ন আৰু ভাষাৰ সাঙ্গীতিক গুণেৰে এইদৰে শঙ্কৰদেৱ আদি বৈষ্ণৱ কবিসকলৰ নিমিত্তে এটি বহল প্ৰকাশিকা শক্তিপূৰ্ণ ভাৱৰ বাহন এৰি থৈ যায়।'[৮] মাধৱ কন্দলীৰ ৰামায়ণত ব্যৱহৃত শব্দাৱলীক অসমীয়া পৌৰাণিক অভিধান বুলিব পাৰি। পদ-দুলড়ী-ছবি ছন্দেৰে তেওঁৰ ৰামায়ণ সমৃদ্ধ। পৰৱৰ্তী ৰামায়ণ কবিসকলৰ ওপৰত কন্দলীৰ প্ৰভাৱ পৰিলক্ষিত হয়।

হৰিবৰ বিপ্ৰৰ 'লৱ-কুশৰ' যুদ্ধ বাল্মীকিৰ ৰামায়ণ আধাৰিত নহয়; জৈমিনী অশ্বমেধৰ পৰাহে কাহিনী গ্ৰহণ কৰিছে। পিতা-পুত্ৰৰ যুদ্ধ সম্বলিত তেওঁৰ আন এখন কাব্য হ'ল 'বব্ৰুবাহনৰ যুদ্ধ'। লৱ-কুশৰ যুদ্ধ ৰামে সীতাক বনবাস দিয়াৰ সময়ত ঋষি আশ্ৰমত আশ্ৰিতা সীতাৰ দুই পুত্ৰ জন্ম, ৰামৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা বন্ধন, শত্ৰুঘ্নৰ লগত যুদ্ধ আদিৰ বিশদ বৰ্ণনা দাঙি ধৰিছে। কবিয়ে মূলত নথকা কিছু কথা সংযোজন কৰি গ্ৰন্থখনি সৰ্বসাধাৰণৰ উপভোগ্য কৰি তুলিছে। প্ৰাক্ শঙ্কৰী যুগৰ ৰাম কাহিনী সম্বলিত এই দুখন কাব্যহে পোৱা গৈছে।

আমি আগেয়ে উল্লেখ কৰা মতে মাধৱদেৱ আৰু শ্ৰীমন্ত শঙ্কৰদেৱে আদি আৰু উত্তৰাকাণ্ড ৰচনা কৰিছিল। কোনো কোনো সমালোচকে আদিকাণ্ড মাধৱদেৱৰ ৰচনা হয় নে নহয় সেইলৈ সন্দেহ প্ৰকাশ কৰে। অনুবাদৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে কাণ্ডটি যে মাধৱদেৱৰ ৰচনা সেই বিষয়ে সন্দেহৰ অৱকাশ নাথাকে। অৱশ্যে মাধৱদেৱৰ আদৰ্শৰ পৰিপন্থী কিবা কথা তাত সন্নিবিষ্ট হোৱা বাবে আন কোনোবা মাধৱে ৰচনা কৰা বুলিও ভৱা হয়।

এনেকৈয়ো যুক্তি দাঙি ধৰিব পাৰি যে, কোনোবা নকলকাৰৰ হাতত পৰি কিছু কথাৰ প্ৰক্ষিপ্তি ঘটিছে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই আদিকাণ্ডত মূল বাল্মীকি ৰামায়ণতকৈ কৃত্তিবাসী ৰামায়ণৰ প্ৰভাৱ সুস্পষ্ট বুলি মত দাঙি ধৰিছে।[৯] আনহাতে ড° মহেশ্বৰ নেওগে মূল সংস্কৃত ৰামায়ণৰ পৰা অনুবাদ কৰা বুলি কৈছে-- 'অনুবাদটিত সংস্কৃত ৰামায়ণৰ মূল কথাখিনি কবিয়ে এনে আপোন কৰি গ্ৰহণ কৰিছে যে মনোৰম পদখিনি কবিৰ মৌলিক পদ যেন লাগে।'[১০] অৱশ্যে মাধৱদেৱে মূল বাল্মীকি ৰামায়ণৰ পৰা কিছু গ্ৰহণ-বৰ্জন ৰীতি গ্ৰহণ কৰি আন গ্ৰন্থৰো সহায় লৈছে। আদিকাণ্ড ৰামায়ণ মাধৱদেৱৰ আগ নে মধ্যম বয়সৰ ৰচনা সেই লৈয়ো বিতৰ্কৰ স্থল নথকা নহয়। কিছুমান বৈষ্ণৱ আদৰ্শৰ পৰিপন্থী কথা আদিকাণ্ডত সন্নিবিষ্ট হোৱা বাবে এই কাণ্ডটি মাধৱদেৱৰ আগ বয়সৰ ৰচনা বুলি ভাৱিবৰ থল আছে। কিন্তু গুৰুচৰিত-কথাৰ বিৱৰণ মানি চালে আগবয়সৰ ৰচনা নহয় যেন লাগে। বৈষ্ণৱ আদৰ্শৰ পৰিপন্থী কথাবোৰ পিছৰ যুগৰ নকলকাৰৰ সংযোজনো হ'ব পাৰে।

উত্তৰাকাণ্ড ৰামায়ণ মহাপুৰুষ শঙ্কৰদেৱে কোঁচৰাজ্যত থকা সময়ৰ (১৪৬৫-১৪৯০শক) ভিতৰত ৰচনা কৰা বুলি অনুমান কৰা হয়। মাধৱ কন্দলীৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু তেওঁৰ পাণ্ডিত্যত বিমুগ্ধ শ্ৰীমন্ত শঙ্কৰে ৰামায়ণক পূৰ্ণত্ব দিয়াৰ অৰ্থে উত্তৰাকাণ্ড ৰচনা কৰা বুলি ভাৱিব পাৰি। অৱশ্যে বাল্মীকিৰ উত্তৰাকাণ্ডৰ হুবহু অনুবাদ নকৰি ভাৱানুবাদহে কৰিছে। মূলৰ ছকুৰি সৰ্গ সংক্ষিপ্ত কৰি মাত্ৰ ত্ৰিশটা অধ্যায়ত উত্তৰাকাণ্ড সমাপ্ত কৰিছে। সীতাৰ বনবাস, সীতা বিচ্ছেদ আৰু ৰামৰ কাৰুণ্য, সীতাৰ ক্ষোভ আদিৰ বিষয়ে অধিক গুৰুত্ব দিছে। অপমান, অভিমান, ক্ষোভত জৰ্জৰিতা সীতাৰ মুখৰ কথাখিনি এফালে কাৰুণ্যসূচক আৰু আনফালে প্ৰতিবাদসূচক। নাৰীৰ প্ৰকৃত মৰ্যাদা স্থাপনত সীতাৰ মুখেদি শ্ৰীমন্ত শঙ্কৰদেৱে যিবোৰ উক্তি দিছে, তাৰপৰা তেওঁৰ নাৰীৰ প্ৰতি থকা দৃষ্টিভঙ্গীৰ বিষয়ে জানিব পাৰি।

কীৰ্তনীয়া বা ভকতীয়া ৰামায়ণ অনন্ত কন্দলীৰ ৰচনা। অনন্ত কন্দলীয়ে সাতকাণ্ড, পাঁচকাণ্ড, নে চাৰিকাণ্ড ৰচনা কৰিছিল সঠিক সংখ্যা এতিয়ালৈ উদ্ধাৰ হোৱা নাই। গুৰুচৰিত-কথা মতে অনন্ত কন্দলীয়ে সাতকাণ্ড ৰামায়ণ ৰচনা কৰা বুলি জনা যায়। কন্দলীয়ে বৈষ্ণৱ আদৰ্শেৰে কীৰ্তনীয়া ৰামায়ণ ৰচনা কৰিছে--

ৰামায়ণ কথা পদে নিবন্ধিলো
ভাগৱত চৰ্চ্চা কৰি।
হৰি কথা বিনে দুৰ্ঘোৰ কলিত
তৰিতে কেহ নপাৰি।।

অনন্ত কন্দলীয়ে মাধৱ কন্দলীৰ ৰামায়ণৰ পদ ইফাল সিফাল কৰি ৰামায়ণ গান ৰচনা কৰিছে। 'ৰামক উপাস্য দেৱতা, ৰাম আৰু কৃষ্ণ অভেদ, ৰামক ভজন কৰাৰ মহৎ ফল শ্ৰৱণ-কীৰ্তনৰ মাহাত্ম্য-- এইখিনিৰ বাহিৰে ভাগৱত পুৰাণৰ কোনো কাহিনী, কৃষ্ণৰ বা আন অৱতাৰৰ কোনো লীলা মাহাত্ম্য প্ৰকাশক কথা ৰামায়ণত সংমিশ্ৰণ ঘটোৱা নাই।'[১১] মাধৱ কন্দলীৰ অতি ওচৰ চাপি ৰামায়ণ পদ ৰচনা কৰা বাবে অনন্ত কন্দলীয়ে মাধৱ কন্দলীক 'ঢাকি তুচ' কৰিব খুজিছে বুলি ভাবি গুৰুজনাই অনন্ত কন্দলীৰ ৰামায়ণৰ সলনি মাধৱ কন্দলীৰ ৰামায়ণক পূৰ্ণতা দি তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰিছে।

ষোড়শ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কবি দুৰ্গাবৰে অৰণ্যকাণ্ডৰ পৰা উত্তৰাকাণ্ডলৈ-- এই পাঁচকাণ্ড সংক্ষিপ্ত কৰি গীতৰ আকাৰত ৰচনা কৰিছে। গীতসমূহত ৰাগৰ উল্লেখ আছে। ড° কাকতিয়ে গীতি ৰামায়ণক বাল্মীকি ৰামায়ণৰ 'গাঁওলীয়া তাণ্ডৱণ' বুলি কৈছে। গ্ৰন্থখনিক ৰামায়ণৰ পকেট সংস্কৰণ বুলিও ক'ব পৰা যায়। বাল্মীকি ৰামায়ণৰ উপৰি মাধৱ কন্দলী কৃত্তিবাসী ৰামায়ণৰ প্ৰভাৱৰ পৰা কবি মুক্ত নহয়। ঠাই বিশেষে নিজস্ব কথাত সন্নিবিষ্ট কৰিছে। ওজা-পালিয়ে গাব পৰাকৈ কবিয়ে গীতবোৰ সজাই তুলিছে। ৰাগ সম্বলিত ৰামায়ণৰ এইখনেই প্ৰথম পুথি। 'ৰামায়ণী সাহিত্যৰ কাহিনীৰ বিভিন্ন অসমীয়া সংস্কৰণৰ মাজত দুৰ্গাবৰী ৰামায়ণৰ এখনি স্বতন্ত্ৰ স্থান আছে গীতিকাব্য হিচাপে। 'গীতি-ৰামায়ণ'ৰ আদি ভাগৰ মাধৱ কন্দলীৰ প্ৰভাৱৰ পৰা মুক্ত অংশ অসমীয়া সাহিত্যলৈ দুৰ্গাবৰৰ ঘাই বৰঙণি। পাৰিবাৰিক জীৱনৰ সুখ-দুখৰ দ্বন্দ্ব লৈয়ে যেন এই গীতি-কাব্যখনিত কবি ব্যস্ত হৈ আছে। এইভাৱে চালে সামাজিক জীৱনত দুৰ্গাবৰৰ অনুৰাগ স্পষ্ট হৈ ওলায়।'[১২]

সপ্তদশ শতিকাৰ অনন্ত ঠাকুৰ বা হৃদয়ানন্দ কায়স্থই শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তনৰ আৰ্হিত শ্ৰীৰাম-কীৰ্ত্তন ৰচনা কৰে। তেওঁ সপ্তদশ শতিকাৰ কবি। ৰামায়ণ চন্দ্ৰিকা, মাধৱদেৱৰ আদিকাণ্ড ৰামায়ণৰ পৰা কাহিনী ভাগ গ্ৰহণ কৰিছে। সৰ্বমুঠ এঘাৰশ চাৰিটা চাৰিশৰীয়া পদ আছে।

অষ্টাদশ শতিকাৰ ৰামায়ণ কবিসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল ৰঘুনাথ মহন্ত। তেওঁ অদ্ভুত ৰামায়ণ, শত্ৰুঞ্জয় আৰু কথা ৰামায়ণ ৰচনা কৰে। গদ্যত ৰামায়ণ ৰচিয়তা প্ৰথমজন ব্যক্তি ৰঘুনাথ মহন্ত। ভট্টদেৱৰ গদ্যৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিলেও তেওঁৰ গদ্য ভট্টদেৱতকৈ শুৱলা আৰু বোধগম্য। ঠাই বিশেষে আধুনিক অসমীয়া গদ্যৰ ওচৰ চাপিছে। শত্ৰুঞ্জয় আৰু অদ্ভুত ৰামায়ণ পদ ছন্দত ৰচিত।

কোঁচ ৰজাসকলৰ ৰাজসভাৰ বহু কেইজন কবিয়ে খণ্ডিত ৰূপত ৰামায়ণ ৰচনা কৰিছে। তেওঁলোকৰ ৰচনাত কোঁচৰাজ্যৰ থলুৱা ভাষাৰ প্ৰভাৱ পৰা দেখা যায়। ৰঘুৰাম আৰু লক্ষ্মীৰাম দ্বিজৰ 'অযোধ্যাকাণ্ড' শ্ৰীনাথ আৰু ৰঘুনাথ দ্বিজৰ কিষ্কিন্ধ্যাকাণ্ড মাধৱ দ্বিজৰ বালকাণ্ড আদি গ্ৰন্থ ৰচনা কৰা দেখা যায়। অষ্টাদশ-ঊনবিংশ শতিকাৰ ভিতৰত লক্ষ্মণৰ শক্তিশেল, মহীৰাৱণ বধ, শতস্কন্ধ ৰাৱণ বধ, গণক চৰিত্ৰ, নাগাক্ষ যুদ্ধ, পাতালী কাণ্ড ৰামায়ণ, অঙ্গদ ৰায়বাৰ, সীতাৰ বনবাস আদি কাব্য ৰচিত হয়। শ্ৰীকান্ত সূৰ্য বিপ্ৰই তুলসীদাসকৃত ৰামচৰিত মানসৰ লঙ্কা আৰু উত্তৰাকান্ত ভাঙনি কৰে। মাইকেল মধুসূদন দত্তৰ অনুকৰণত ৰমাকান্ত চৌধুৰীৰ পিচতেই ভোলানাথ দাসে অমিত্ৰাক্ষৰ ছন্দত সীতাহৰণ কাব্য ৰচনা কৰে। আধুনিক অসমীয়া ভাষাৰ ৰাম বিষয়ক কাহিনীৰ আধাৰত ৰচিত এইখনেই প্ৰথম কাব্য।

ৰামায়ণৰ কাহিনীক বিষয়বস্তু হিচাপে লৈ প্ৰথমখন নাট ৰাম-বিজয় ৰচিত হয় ১৫৬৮ খৃঃত। নাট্যকাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। ৰামায়ণৰ বালকাণ্ডৰ সীতা-স্বয়ম্বৰ নাটখনিৰ মূল বিষয়বস্তু। নাটখনিত গুৰুজনাই কিছু নিজা কথা সংযোগ কৰি উপভোগ্য কৰি তুলিছে। কোঁচৰাজ্যত থকা কালত চিলাৰায় দেৱানৰ অনুৰোধ ক্ৰমে নাটখনি ৰচনা আৰু অভিনয় কৰা হৈছিল। পৰৱৰ্তী সময়ত অঙ্কীয়া নাটৰ আৰ্হিত ৰাম বিষয়ক অনেক নাট সত্ৰসমূহত ৰচিত হোৱাৰ সম্ভেদ পোৱা যায়। গোপালৰ ভণিতা থকা সীতা-হৰণ আৰু পাতালী কাণ্ড ৰামায়ণ নামৰ দুখন নাট পোৱা যায়। ৰমাকান্ত নামৰ জনৈক নাট্যকাৰৰ 'ৰাৱণ বধ' নামৰ নাট এখনি পুৰাতত্ব বিভাগত আছে আৰু অনেক নাট বিভিন্ন সত্ৰত থকা বুলি শুনা যায়। ৰোমাণ্টিক যুগৰ ৰামায়ণ আধাৰিত চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ' (১৯০৪) নাটখনকে প্ৰথম ৰোমাণ্টিক নাট বুলিব পাৰি। মাইকেল মধুসূদন দত্তৰ একে নামৰ কাব্যৰ আধাৰত গৈৰিশ ছন্দত নাটখনি ৰচনা কৰে। একে ছন্দত ৰচিত দুৰ্গেশ্বৰ শৰ্মাৰ বালীবধ নাটকেও মঞ্চত আদৰ লাভ কৰে। অতুল চন্দ্ৰ হাজৰিকাৰ 'শ্ৰীৰামচন্দ্ৰ' এখনি উল্লেখযোগ্য পৌৰাণিক নাট। আনন্দ চন্দ্ৰ বৰুৱাৰ 'বিসৰ্জন' নাটখনিও ৰামায়ণ আধাৰিত। লক্ষ্যধৰ চৌধুৰীৰ 'ৰক্ষ-কুমাৰ' বা 'তৰণীসেন বধ' আন এখনি মঞ্চসফল নাট। সাম্প্ৰতিক সময়তো ৰামায়ণৰ আধাৰত নানা ৰূপক ৰচনা হৈ আছে।

অসমৰ লোক জীৱনত ৰামায়ণৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। অনাখৰী লোকে অইনৰ মুখত ৰামায়ণ শুনি বা ৰামায়ণৰ শ্ৰোতা হিচাপে ৰামকথাৰ ওপৰত গীত-পদ, সাধু, লোকনাট্য আদি ৰচনা কৰে। নামনি অসমত বিশেষকৈ কৃত্তিবাসী ৰামায়ণৰ প্ৰভাৱ বেছি। অসমীয়া ৰামায়ণ মুদ্ৰিত হোৱাৰ আগেয়ে কৃত্তিবাসী ৰামায়ণ মুদ্ৰিত ৰূপত এই অঞ্চলত প্ৰচলিত হোৱা দেখা যায়। গোৱালপাৰাৰ পশ্চিম অঞ্চলত প্ৰচলিত লোক-নৃত্য-নাট্য কুশান গানত ইয়াৰ প্ৰভাৱ লক্ষ্য কৰা যায়। আনকি ৰাভা জনজাতিসকলৰ মাজত প্ৰচলিত 'ভাৰীগানত মুখাৰ ব্যৱহাৰ লক্ষণীয় কৰিবৰ কাৰণে ৰামায়ণত নথকা কথাও সংযোগ কৰে। ব্যাহৰ ওজাপালিয়ে পদৰ মাজৰ কথাংশত নানা লৌকিক কথা জোৰা দি আমোদজনক কৰি তোলে। আমাৰ বিয়া-বাৰু আদিত ৰাম আৰু সীতাক ক্ৰমে দৰা-কইনা কল্পনা কৰি সীতা স্বয়ম্বৰ ঘটনাৱলী আয়তীসকলে গীতৰ মাজেৰে পৰিৱেশন কৰে। এই গীতবোৰ মৌখিক ৰূপতহে পোৱা যায়।

ৰাম-কথা সম্বলিত আন এবিধ লোকগীত হ'ল 'বাৰমাহী' গীত। ৰাম-বাৰমাহী, সীতা-বাৰমাহী, কৌশল্যা-বাৰমাহী গীত জন সমাজত প্ৰচলিত হৈ আছে। এই গীতবোৰত বাৰমাহৰ প্ৰাকৃতিক অৱস্থাৰ ওপৰি বিৰহ

বেদনাপূৰ্ণ। কাতি বিহুৰ সময়ত তুলসী গছ ৰুই তাৰ তলত চাকি জ্বলাই এই গীত গোৱা দেখা যায় 'তুলসীৰ তলে মৃগপছ চৰে। তাকে মাৰিবাক লাগি ৰামে যতন কৰে।' বৰপেটা অঞ্চলৰ হোলীগীত, নাওখেলৰ গীত আদিত ৰামায়ণত উল্লেখ পোৱা যায়। এটি হোলীগীতৰ নমুনা-- 'এইযে ফাগুনৰ মাস/ ৰাম গৈল বনবাস। মৰি হায় হায় এ।' মুঠতে জন জীৱনৰ ওপৰত ৰামায়ণৰ প্ৰভাৱ ইমান ব্যাপক যে অসমৰ বিভিন্ন জনজাতিৰ মাজতো ৰামায়ণ-কথা প্ৰচলিত হৈ আছে। কাৰ্বি ৰামায়ণ 'ছাবিন আলুন' কাৰ্বিসকলৰ মাজত প্ৰচলিত ৰামায়ণ-কথা বিৱৰণমূলক গ্ৰন্থ। এই গীতত পাঁচশ চাৰিটা দুশৰীয়া পদ আছে। সংক্ষিপ্তভাৱে ৰামায়ণৰ প্ৰায় সকলো কথাকে সামৰিছে। কাৰ্বি জনজীৱনৰ লগত সঙ্গতি ৰাখি চৰিত্ৰবোৰক স্বকীয়তা প্ৰদান কৰিছে। 'চাবিন আলুন'ত কৃত্তিবাসী ৰামায়ণৰ কিছু প্ৰভাৱ পৰিছে।

তিৱাসকলৰ মাজতো ৰামায়ণ-কথা প্ৰচলিত হৈ থকা দেখা যায়। অৱশ্যে সম্পূৰ্ণ ৰামায়ণ এতিয়াও উদ্ধাৰ হোৱা নাই। কাহিনীৰ লগত তিৱাসকলৰ জনবিশ্বাসো সম্পৃক্ত হৈ আছে। টাইসকলৰ ৰামায়ণ এখন থকা বুলিও শুনা যায়। কিন্তু এতিয়াও সেই ৰামায়ণ উদ্ধাৰ হোৱা নাই। মুঠতে অসম তথা ভাৰতীয় জীৱনত ৰামায়ণৰ জনপ্ৰিয়তা অত্যধিক। শেষত ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ উক্তিৰে প্ৰবন্ধৰ সামৰণি মৰা হ'ল-- এই মাত-কথা গীতৰ বৰ্ণিত বিষয় বাল্মীকি বা পুৰাণ সমৰ্থিত বুলি প্ৰায় ক্ষেত্ৰত ক'ব নোৱাৰি, অৱশ্যে তাৰে কিছু অংশ যে ৰামায়ণ-পুৰাণৰ পৰা সংগৃহীত সেইকথাও একেবাৰে নুই কৰিব নোৱাৰি। কিন্তু লোক গাথাৰ পৰিৱেশ সম্পূৰ্ণ স্থানীয়, ৰামসীতা আদি চৰিত্ৰবোৰকো অৱতাৰবাদ আৰু অলৌকিক সু-উচ্চ বেদীৰ পৰা নমাই আনি নিজৰ মাজত স্থাপন কৰি কাহিনী আৰু চৰিত্ৰৰ লগত লোকজীৱনে সংযোগ সেতু নিৰ্মাণ কৰি লোৱা দেখা যায়।'[১৩] ■


**প্ৰাসঙ্গিক গ্ৰন্থ ঃ**

১. ড° সুকুমাৰ সেন ঃ ৰাম কথাৰ প্ৰাক্-ইতিহাস।
২. ঐ ঐ
৩. ঐ ঐ
৪. ঐ ঐ
৫. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত।
৬. ঐ ঐ
৭. ড° মহেশ্বৰ নেওগ ঃ গুৰুচৰিত কথা।
৮. ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
৯. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত।
১০. ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
১১. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত।
১২. ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
১৩. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত।

# বাল্মীকিকৃত সংস্কৃত ৰামায়ণ আৰু মাধৱ কন্দলীকৃত অসমীয়া ৰামায়ণ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

ড° ইন্দিৰা শইকীয়া বৰা

প্ৰাচীন ভাৰতীয় সাহিত্যত দুখন মহাকাব্যৰ নাম পোৱা যায়-- সেই দুখন হ'ল ৰামায়ণ আৰু মহাভাৰত। ৰামায়ণ ৰচনা কৰে মহৰ্ষি বাল্মীকিয়ে। তেওঁক 'আদিকবি' আৰু ৰামায়ণক আদিকাব্য বোলা হয়। সংস্কৃত ভাষা বুলিলে যি বুজা যায়, সেয়া দুটা পৰ্যায়ৰ আছিল। ৰামায়ণৰ ভাষাতকৈ প্ৰাচীনতৰ যি ভাষাত বেদ, ব্ৰাহ্মণ, উপনিষদ আদি ধৰ্ম আৰু দৰ্শনেৰে সৈতে পোনপটীয়াভাৱে জড়িত গ্ৰন্থসমূহ ৰচনা কৰা হৈছিল তাক 'বৈদিক ভাষা'হে বোলা হৈছিল। ৰামায়ণ, মহাভাৰত আদিত ব্যৱহাৰ হোৱা ভাষাক লৌকিক ভাষা বোলা হয়। অলঙ্কাৰ শাস্ত্ৰত যি ধৰণৰ ৰচনাক কাব্য বোলা হয় তেনে ৰচনা লৌকিক ভাষাতহে ৰচিত হৈছিল। বিষ্ণুপুৰাণত কোৱা হৈছে যে-- বাল্মীকি ভৃগুৰ বংশধৰ আৰু বৈৱস্বত মন্বন্তৰত তেওঁৱেই চতুৰ্বিংশব্যাস।

'ঋক্ষোহভূদ্ ভাৰ্গৱস্তস্মাদ্বাল্মীকিৰ্য়োহভিধীয়তে।
তস্মাদস্মৎপিতা শক্তিব্যসস্তস্মাদহং মুনে।।[১]

(চতুৰ্বিংশত ভৃগুবংশীয় ঋক্ষব্যাস, যাক বাল্মীকি বুলি কোৱা হয়, তাৰ পিছত মোৰ পিতা শক্তি ব্যাস তেওঁৰ পিছত মোৰ অৱিৰ্ভাৱ।)

ৰামায়ণৰ বালকাণ্ডত বাল্মীকি মুনিয়ে নিজেই কৈছে যে তেওঁৰ ৰচনাৰ নামকৰণ তেওঁ নিজেই কৰিছিল। ৰামায়ণ, সীতা চৰিত্ৰ, পৌলস্ত্য বধ আদি নামৰ ইঙ্গিত পোৱা যায়।

'কাব্যং ৰামায়ণং কৃত্স্নাং সীতায়াশ্চৰিতং মহত্।
পৌলস্ত্যবধমিত্যেবং চকাৰ চৰিত্ৰব্ৰতঃ।।
ৰামায়ণ-১/৪/৭

সমগ্ৰ ৰামায়ণত সীতাৰ মহৎ চৰিত্ৰ আৰু ৰাৱণ বধ আদি বাল্মীকি মুনয়েই ৰচনা কৰিছিল। কিন্তু সকলো নামৰ মাজত 'ৰামায়ণ' নামেই প্ৰসিদ্ধ হ'ল। বালকাণ্ডৰ চতুৰ্থসৰ্গৰ প্ৰথমতে পোৱা যায় যে-- শ্ৰীৰামচন্দ্ৰই বনবাসৰ পৰা ঘূৰি আহি ৰাজ্যৰ শাসন ভাৰ লয়। পিছত ভগৱান বাল্মীকি মুনিয়ে ৰামৰ সম্পূৰ্ণ চৰিত্ৰৰ আধাৰত বিচিত্ৰ পদ আৰু অৰ্থেৰে ৰামায়ণ ৰচনা কৰে। মহৰ্ষি বাল্মীকিয়ে ইয়াত চৌৱিশ হাজাৰ শ্লোক, পাঁচশ সৰ্গ আৰু উত্তৰাকাণ্ডৰ সৈতে সাতটা কাণ্ড ৰচনা কৰে--

'প্ৰাপ্তৰাজ্যস্য ৰামস্য বাল্মীকি ভৰ্গৱান ঋৰ্ষিঃ।
চকাৰ চৰিতং কৃতস্নং বিচিত্ৰপদমৰ্থৱত্।।
চতুৰ্বিংশত্ সহস্ৰানি শ্লোকানামুক্তৱান্ ঋষিঃ।
তথা সৰ্গশতান পঞ্চৱট্কাণ্ডানি তথোত্তৰম্।।[২]

ৰামায়ণত থকা শ্লোকৰ যি চৌৱিশ হাজাৰ বুলি যি সংখ্যা দিয়া হৈছে সেই সংখ্যাটো অতিশয় তাৎপৰ্যপূৰ্ণ। টীকাকাৰ ৰামভদ্ৰৰ মতে গায়ত্ৰীমন্ত্ৰৰ যি চৌবিশটা আখৰ আছে তাৰ প্ৰতিটো আখৰৰ কাৰণে এহেজাৰকৈ শ্লোক ধৰি চৌৱিশ হাজাৰ শ্লোকেৰে ৰামায়ণ ৰচনা কৰি গায়ত্ৰীমন্ত্ৰৰ দ্বাৰা প্ৰতিপাদ্য ব্ৰহ্মতত্ত্বকেই ৰামায়ণৰ দ্বাৰা প্ৰচাৰ কৰা হৈছে। বাল্মীকি মুনিয়ে প্ৰথমে এশকোটি শ্লোকেৰে ৰামায়ণখনি ৰচনা কৰে। তাৰপিছত তাৰেই সাৰাংশৰূপে চৌৱিশ হাজাৰ শ্লোকৰ ৰামায়ণখনি ৰচনা কৰি লৱ আৰু কুশৰ মুখেৰে প্ৰচাৰ কৰাইছিল।[৩]

পৰৱৰ্তীকালত কবিসকলে কাব্য ৰচনা কৰিবৰ কাৰণে নিজৰ একোটা পৃথক স্থান লৈছে। কিন্তু এই সকলোবোৰ কাব্যৰ পদ্ধতি সূচনা হয় প্ৰথমে ৰামায়ণত।

মহৰ্ষি ব্যাস, কালিদাস, ভৱভূতি, ভট্টি, কুমাৰ দাস আদি কবিসকলে ৰামায়ণক অৱলম্বন কৰি কাব্য ৰচনা কৰি যশস্বী হৈছে। খৃষ্টাব্দ একাদশ শতিকাত তামিল ভাষাত ইয়াৰ অনুবাদ হয় আৰু তাৰ পিছৰ পৰাই ভাৰতৰ প্ৰায় সকলোবোৰ আঞ্চলিক ভাষাত ৰামায়ণ ৰচিত হয়। বঙ্গদেশত কৃত্তিবাসী ৰামায়ণ, দক্ষিণ ভাৰতত কম্বৰামায়ণ, অধ্যাত্ম ৰামায়ণ, তুলসীদাসৰ হিন্দী ৰামায়ণ 'ৰামচৰিত মানস' ৰচিত হৈছে। কিন্তু এই সকলোবোৰৰ উপৰি প্ৰাদেশিক ভাষাত প্ৰথম মাধৱ কন্দলীয়ে ৰামায়ণ ৰচনা কৰে। অসমীয়া ভাষাত ৰচনা কৰা এই ৰামায়ণৰ কাল চতুৰ্দশ শতিকা। বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰে আৰু সেই কথা লঙ্কাকাণ্ডৰ শেষত উল্লেখ কৰিছে।[৪]

ভাৰতত বাল্মীকি ৰামায়ণক প্ৰাচীনতম লিখিত ৰামায়ণৰূপে স্বীকাৰ কৰা হয়। সংস্কৃত, পালি প্ৰাকৃত আৰু প্ৰান্তীয় ভাষাত ৰচনা কৰা ৰামায়ণবোৰ বাল্মীকি ৰামায়ণৰ আধাৰত ৰচনা কৰা। আনকি বিদেশত ৰচিত ৰামায়ণী সাহিত্যৰো আধাৰ গ্ৰন্থ বাল্মীকি ৰামায়ণ বুলিয়ে অনুমান কৰা হয়। অসমীয়াতো মাধৱ কন্দলীৰ উপৰি শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, দুৰ্গাবৰ, ৰঘুনাথ মহন্ত প্ৰমুখ্যে বিভিন্নজনে ৰামায়ণ ৰচনা কৰিছে। এই সকলোবোৰ ৰামায়ণৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণ বহু কাৰণত বৈশিষ্ট্যপূৰ্ণ।

মাধৱ কন্দলী ৰামায়ণৰ প্ৰথম বৈশিষ্ট্য এয়ে যে ই বাল্মীকি ৰামায়ণৰ অবিকৃত অসমীয়া ৰূপান্তৰ। কন্দলীৰ বাহিৰে প্ৰায় আটাইবিলাক কবিয়ে নিজৰ নিজৰ ৰচনাত প্ৰক্ষিপ্ত কাহিনী সংযোগ কৰিছে। কন্দলিয়ে কিন্তু প্ৰায় অবিকৃতভাৱে সংক্ষেপে সাৰ উদ্ধাৰ কৰি-- 'লম্ভা পৰিহৰি সাৰোধৃতে' অসমীয়াত ৰামায়ণ ৰচনা কৰিছে।

মাধৱ কন্দলীৰ ৰামায়ণ অসমীয়া লিখিত সাহিত্যৰ অন্যতম প্ৰাচীনতম্ নিদৰ্শনেই নহয়, পুৰণি অসমীয়া সাহিত্যৰ সৰ্বোকৃষ্ট নিদৰ্শনো। সেইকাৰণে বোধকৰো ছশ বছৰকৈও অধিক বছৰৰ আগতে মাধৱ কন্দলীয়ে অসমীয়াত মহাকাব্য ৰচনা কৰিছিল। কন্দলীৰ আগতে আন কোনোৱে বৈশিষ্ট্যপূৰ্ণ অসমীয়া ভাষাত কিবা সাহিত্যকৰ্ম লেখি উলিয়াইছিল বুলি এতিয়ালৈকে জানিব পৰা হোৱা নাই। কন্দলীৰ সমকালীন বা অলপ পিছৰ হেম সৰস্বতী, হৰিহৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী প্ৰমুখ্যে কবি সাহিত্যিকসকলেও সাহিত্য কৰ্মত মনোনিবেশ কৰিছিল আৰু জনপ্ৰিয়তাও লাভ কৰিছিল। ভাষাৰ বৈচিত্ৰ্যৰ ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে কবি মাধৱ কন্দলীৰ ৰামায়ণ সেই সকলতকৈ প্ৰাচীন।

সেইকাৰণে গুণীৰ গুণৰ মোল বুজি শ্ৰীমন্ত শঙ্কৰদেৱে সঠিকভাৱেই যথোপযুক্ত ভাৱে স্বীকৃতি দিছিল-

'পূৰ্ব্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
বিৰচিলা পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।'

উত্তৰাকাণ্ড- ১৮/৬

'আদি' শব্দই প্ৰথম স্তৰৰ অৰ্থও সূচায় আৰু 'সৰ্বশ্ৰেষ্ঠ' অৰ্থও সূচায়। মহাকবি কালিদাসেও তেওঁৰ ৰচিত নাটক আৰু কাব্যত 'আদি' শব্দটো ব্যৱহাৰ কৰিছে। কবিৰ মতে যি গৰাকী স্ৰষ্টাৰ 'আদ্যা' বা 'আদি' সৃষ্টি, তেওঁৱেই ৰূপে গুণে অতুলনীয়া শকুন্তলা (যা সৃষ্টিঃ স্ৰষ্টুৰাদ্যা- অভিজ্ঞান শকুন্তলম্-১/১) আৰু মেঘদূত কাব্যতো কালিদাসে যক্ষপত্নীৰ অসামান্য সৌন্দৰ্য বৰ্ণনা কৰিবলৈ গৈ তেওঁক বিধতাৰ 'আদ্যা' 'আদি' সৃষ্টি-- 'সৃষ্টিৰাদ্যেৱ ধাতুঃ' বুলি কৈছে। মেঘদূত উত্তৰমেঘ-২১)

কবি কন্দলীৰ প্ৰতিভা সচাকৈয়ে অতুলনীয় আৰু অপ্ৰমাদীও। তেওঁ কেৱল অসমীয়া ৰামায়ণৰে পোনপ্ৰথম ৰচক নাছিল, সমগ্ৰ উত্তৰাভাৰতৰ ভিতৰতে প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণৰো প্ৰথম কবি। তেওঁৰ কবি প্ৰতিভাত মুগ্ধ হৈয়ে তেওঁৰ সমকালীন সমাজে তেওঁক কবিশ্ৰেষ্ঠ 'কবিৰাজ' ৰূপে সন্মানিত কৰিছিল। সেইকথা তেওঁ লঙ্কাকাণ্ডৰ শেষত উল্লেখ কৰিছে।[৫]

মাধৱ কন্দলীৰ ৰামায়ণৰ মূল হৈছে- বাল্মীকি ৰচিত সংস্কৃত ৰামায়ণ। তেওঁ ৰামায়ণৰ অবিভ্ৰান্তিৰ বিষয়েও প্ৰত্যাহ্বান জনাইছে।[৬],

আদিকবি বাল্মীকি ৰচিত সংস্কৃত ৰামায়ণ আৰু মাধৱ কন্দলীৰ ৰচিত সপ্তকাণ্ড ৰামায়ণৰ তুলনামূলক অধ্যয়নত দেখা যায় যে—বাল্মীকি ৰামায়ণৰ আদিকাণ্ড বা বালকাণ্ডৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত ৰামায়ণ ৰচনাৰ প্ৰসঙ্গকথা বৰ্ণনা

আছে। এই বৰ্ণনামতে এদিন বাল্মীকিয়ে চান্দ্ৰায়নাদি ব্ৰতপালনত আৰু বেদ অধ্যয়নত ৰত মুনিশ্ৰেষ্ঠ দেৱৰ্ষি নাৰদক লগ পাই সুধিলে-- 'সম্প্ৰতি এই জগতত এনে কোনো ব্যক্তি আছে, যিজন গুণৱান, বীৰ্যৱান, ধৰ্মজ্ঞ, কৃতজ্ঞ, সত্যবাদী আৰু দৃঢ় প্ৰতিজ্ঞ।[৭] এনেকোনো ব্যক্তি আছে যিজন সদাচাৰসম্পন্ন, সকলো প্ৰাণীৰ হিতসাধনকাৰী, বিদ্বান, সামৰ্থশালী আৰু অদ্বিতীয় সুন্দৰ, জিতেন্দ্ৰিয়, ক্ৰোধজয়ী, কান্তিমান, অসূয়াৰহিত আৰু যুদ্ধক্ষেত্ৰত যাৰ ক্ৰোধ দেখিলে দেৱতাসকলেও ভয় খায়। এনে ব্যক্তিৰ বিষয়ে জানিবলৈ মোৰ কৌতুহল জন্মিছে। অনুগ্ৰহ কৰি মোক কওঁক।[৮]

তেতিয়া ত্ৰিভুবন বৃত্তান্তবিদ দেৱৰ্ষি নাৰদে আনন্দিত হৈ ক'বলৈ ধৰিলে যে-- যি সমস্ত বহুবিধ গুণৰ বিষয়ে জনালে, তেনে সকলোবিধ গুণ একেজন পুৰুষতে পোৱা দুৰ্লভ। তথাপি চিন্তা কৰি এনে গুণবিশিষ্ট পুৰুষৰ বিষয়ে ক'লে-- 'ইক্ষ্বাকুবংশত জন্মলাভ কৰা ৰাম নামেৰে যিজন পুৰুষ তেওঁ জিতেন্দ্ৰিয়, সদায় সংযত, মহাবীৰ্যশালী, কান্তিসম্পন্ন আৰু ধৈৰ্যশীল। এনেদৰে নাৰদে বাল্মীকিক ৰামৰ জন্ম কৰ্মৰ বিষয়ে কৈ শেষত ইয়াকো জানিবলৈ দিলে যে, ৰামে ৰাৱণক বধ কৰি অযোধ্যাত ৰাজত্ব কৰিছে। (বাল্মীকি ৰামায়ণ, বালকাণ্ড-১।১।৫-৮৪)

বাল্মীকি ৰামায়ণত বৰ্ণিত এই কাহিনীৰ পৰা নিশ্চিতকৈ জানিব পাৰি যে ৰামায়ণৰ কাহিনীৰ আদিবক্তা নাৰদ। নাৰদে ৰামে অযোধ্যাত ৰাজত্ব কৰিবলৈ ধৰিছে বুলি কোৱাৰ পিছতে ভৱিষ্যত কালত ক'বলৈ আৰম্ভ কৰিছে। ৰামৰ ৰাজত্বত সকলো প্ৰজা হৰ্ষান্বিত, আনন্দিত, সন্তুষ্ট আৰু অতি ধাৰ্মিক, কোনো ব্যাধি বা দুৰ্ভিক্ষজনিত ভয় নাথাকিব। কোনোলোকৰ পুত্ৰ মৰণৰ ভয় নাথাকিব। কোনো নাৰীয়ে বৈধব্য যান্ত্ৰণা ভোগ কৰিব নালাগিব, সকলো নাৰীয়েই পতিব্ৰতা হ'ব।[৯] এনেদৰে ভৱিষ্যতৰ গৰ্ভত থকা ৰামৰাজ্যৰ বৰ্ণনা দি শেষত কৈছে--

'দশবৰ্ষ সহস্ৰানি দশবৰ্ষশতানি চ।
ৰামো ৰাজ্যমুপাসিত্বা ব্ৰহ্মলোকং গমিষ্যতি।।'[১০]

ৰামচন্দ্ৰই এনেদৰে এঘাৰ হাজাৰ বছৰ ৰাজ্যশাসন কৰি ব্ৰহ্মলোকলৈ গমন কৰিব। তদুপৰি কোৱা হৈছে-- এনে পৱিত্ৰ, পাপনাশক, পৰিশুদ্ধ, বেদতুল্য ৰামচৰিত যিজনে পাঠ কৰিব তেওঁ সকলো পাপৰ পৰা মুক্ত হ'ব।

বালকাণ্ডৰ দ্বিতীয় সৰ্গত পোৱা যায় দেৱৰ্ষি নাৰদৰ মুখে ৰামৰ কাহিনী শুনি মহৰ্ষি বাল্মীকি পৰম আনন্দিত হয়। তেওঁ নাৰদক বিদায় দি প্ৰিয়শিষ্য ভৰদ্বাজৰ সৈতে তমসা নদীলৈ স্নান কৰিবলৈ যায়। নদীৰ পাৰৰ প্ৰাকৃতিক শোভা উপভোগ কৰি থাকোতে এটি বেদনাদায়ক দৃশ্য ঋষিৰ চকুত পৰে। তেওঁ দেখা পালে যে, এজন ব্যাধে মৈথুনাসক্ত ক্ৰৌঞ্চপক্ষীযুগলৰ মতা চৰাইটোক শৰেৰে নিৰ্মম ভাৱে বধ কৰে। সেই কৰুণ ঘটনাটোৱে ঋষিক শোকাভিভূত কৰি তুলিলে, লগে লগে তেওঁৰ মুখৰ পৰা স্বতঃস্ফুৰ্টভাৱে ওলাই আহিল।

'মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শ্বাশতী সমাঃ।
যৎ ক্ৰৌঞ্চ মিথুনাদেকমবধীঃ কামমোহিতম্।।[১১]

(হে নিষাদ্ (ব্যাধ)! যিহেতু তই এই কাম মোহিত ক্ৰৌঞ্চ যুগলৰ মতা চৰাইটোক বধ কৰিছ, গতিকে তই কেতিয়াও জীৱনত প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিবি।)

ঋষিৰ মুখনিঃসৃত এইটোৱেই জগতৰ ভিতৰতে আদি শ্লোক ছন্দ। ক্ৰৌঞ্চ চৰাইৰ দুখত ব্যথিত মহৰ্ষি বাল্মীকিৰ মুখেদি স্বতঃস্ফুৰ্তভাৱে প্ৰকাশ হোৱাৰ পিছত হেনো নিজেই ক'বলৈ ধৰিলে--

'শোকাৰ্তেনাস্য শকুনেঃ কিমিদং ব্যাহৃতংময়া।'

ৰামায়ণ, বালকাণ্ড-২/১৬

তাৰপিছত তেওঁৰ শিষ্যসকলেও হেনো বিস্মিত চিত্তেৰে সেই শ্লোকটো বাৰে বাৰে গাবলৈ ধৰিলে। ঋষিয়ে স্নান আদি সমাপন কৰি আশ্ৰমলৈ ঘূৰি অহাৰ পিছতো হেনো সেই আশ্চৰ্যৰ কথা পাহৰিব পৰা নাছিল। সেই সময়তে ব্ৰহ্মা আশ্ৰমত উপস্থিত হ'ল। মহৰ্ষি বাল্মীকিয়ে ব্ৰহ্মাৰ আগত সকলো কথা বিবৰি ক'লে। ক্ৰৌঞ্চ পক্ষীৰ শোকত মুখেৰে ওলাই অহা ছন্দটোৰ নাম দিলে 'শ্লোক'[১২]। নাৰদৰ মুখেৰে শুনা ৰামবিষয়ক সকলো বৃত্তান্ত সেই শ্লোক ছন্দত ৰচনা কৰিবলৈ পৰামৰ্শ দিলে।[১৩] ব্ৰহ্মাৰ পৰামৰ্শ অনুসাৰে বাল্মীকিয়ে ৰাম বিষয়ক বৃত্তান্তৰ অৱলম্বনত ৰামায়ণ ৰচনা কৰিলে।[১৪]

ৰামায়ণৰ বালকাণ্ডত থকা বৰ্ণনা অনুসৰি এনেদৰে বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰে। (ৰামস্য অয়নং = ৰামায়ণম্) লোকবিশ্বাস অনুসৰি ভাৰতৰ প্ৰাচীনতম্ ৰচনা

বেদ। পণ্ডিতসকলৰ মতে বেদত ৰামায়ণৰ উল্লেখ নাই। গতিকে, অনুমান কৰা হয় যে, ৰামায়ণ বেদ ৰচনাৰ পিছত আৰু মহাভাৰত, পুৰাণ দৰ্শন আদি ৰচনাৰ আগতে ৰচিত হৈছিল। ৰামায়ণত বেদত্ৰয়ী আছে। কিন্তু চতুৰ্বেদৰ উল্লেখ নাই। গতিকে, অথৰ্ববেদৰ ৰচনাৰ আগতে ৰামায়ণ ৰচিত হৈছে।

আৰ্যভাৰতে ৰাক্ষসৰূপে হেয় প্ৰতিপন্ন কৰা লঙ্কাবাসীসকলৰ মাজত বেদ অধ্যয়ন অব্যাহত আছিল। সুন্দৰকাণ্ডত দেখা যায় যে, হনুমানে সীতাৰ অন্বেষণত গৈ যিখন লঙ্কা দেখা পাইছিল তাৰ এঠাইত স্পষ্টভাৱে সেইকথাৰ উল্লেখ আছে।

'শুশ্ৰাৱ জপতাং তত্ৰ মন্ত্ৰান্ ৰক্ষো গৃহেষু বৈ।
স্বাধ্যায় নিৰতাংশ্চৈৰ যাতুধানান্ দদৰ্শ সঃ।।'

বাল্মীকি ৰামায়ণ, সুন্দৰ কাণ্ড-৪/১৩

বাল্মীকি ৰামায়ণৰ এই ছবি মাধৱ কন্দলীয়ে বেছি স্পষ্টকৈ চিত্ৰিত কৰিছে।[১৫] ৰামায়ণত কেৱল কৰ্ম আৰু ভক্তিমাৰ্গৰ শাস্ত্ৰৰ কথা উল্লেখ নাই। সেইকাৰণে অনুমান কৰিব পাৰি যে জ্ঞান আৰু ভক্তিমাৰ্গৰ গ্ৰন্থবোৰৰ ৰচনাৰ পূৰ্বেই ৰামায়ণ ৰচনা কৰা হৈছিল। অৱশ্যে 'যোগবশিষ্ঠ' ৰামায়ণত জ্ঞানমাৰ্গৰ কথাই ঠাই পাইছে। কিন্তু যোগবশিষ্ঠ ৰামায়ণতকৈ বাল্মীকি ৰামায়ণ বহু প্ৰাচীন। ৰামায়ণৰ কোনো ঠাইত পালি ভাষাৰ উল্লেখ নাই। কেৱল সংস্কৃত ভাষাৰহে বিপুল ব্যাপ্তি আছিল যেন অনুমান হয়। কাৰণ, ৰামায়ণত অসুৰ ইল্বলেও সংস্কৃত ভাষাতহে কথা কৈছিল।

ৰামায়ণত মনুসংহিতাৰ ভাৱ-ভাষাৰ সাদৃশ্য দেখা যায়। মনুসহিতাৰ ৮ম অধ্যায়ৰ ৰাজধৰ্ম বিষয়ক কথাখিনি ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডৰ ১৭সৰ্গৰ ২১-৩২ নং শ্লোকৰ লগত তুলনামুলকভাৱে সেইকথাৰ বিচাৰ কৰিলেও সেই সত্যৰ উমান পোৱা যায়। সমগ্ৰ ৰামায় ণত মনুসংহিতাৰ নিয়ম প্ৰতিফলিত হৈছে।

মাধৱ কন্দলীয়ে অবিকৃতভাৱে সংক্ষেপে অথচ সাৰ উদ্ধাৰ কৰি অসমীয়াত ৰামায়ণ ৰচনা কৰিছে। কবি কন্দলী কিন্তু মহাকৌশলী আছিল। তেওঁ প্ৰক্ষিপ্ত কথা অংশ সংযোগ নকৰাকৈ থকা নাই, সেই কথাত কৌশলেৰে ঘোষণা দি দায় দোষ এৰাই থৈছে ঃ

'মহামানিক্যৰ বোলে কাব্যৰস কিছু দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত।'১৬

অৱশ্যে কবি কন্দলীয়ে সংযোগ কৰা প্ৰক্ষিপ্ততাই মূল কাহিনীক ক'তো বিকৃত কৰা নাই। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে, কাহিনীৰ স্বাভাৱিকত্ব বৃদ্ধিৰ কাৰণে ঠায়ে ঠায়ে মূল ৰামায়ণৰ বহু কথা অগাপিছা কৰিছে। উদাহৰণ স্বৰূপে অযোধ্যাকাণ্ডৰ কুঁজী মন্থৰাৰ নিৰ্যাতনৰ প্ৰসঙ্গলৈ আঙুলিয়াব পাৰি। বাল্মীকি ৰামায়ণ অনুসৰি দশৰথৰ মৃত্যুৰ পিছত ভৰত-শত্ৰুঘ্ন মোমায়েকৰ ঘৰৰ পৰা আহিয়েই যেতিয়া জানিলে যে, কুঁজী মন্থৰাৰ কূট পৰামৰ্শক্ৰমেহে কৈকেয়ীয়ে ৰামক বনবাস দিয়ালে। তেতিয়া ক্ৰোধত হিতাহিত পাহৰি শত্ৰুঘ্নই কুঁজীক নিৰ্যাতন দিলে। ই সম্পূৰ্ণ স্বাভাৱিক যেন হৈছে। সেই কাৰণে মাধৱ কন্দলীৰ চিত্ৰণ বেছি মনোজ্ঞ আৰু আকৰ্ষণীয়।

আদিকবি বাল্মীকিৰ সংস্কৃত ৰামায়ণ অনুসৰি বিভীষণে লঙ্কাকাণ্ডৰ আৰম্ভণিতে ৰাৱণৰ দ্বাৰা অপমানিত আৰু লাঞ্ছিত হৈ আহি ৰামৰ ওচৰত শৰণ লয়। কন্দলীৰ ৰামায়ণত সেইকথা সুন্দৰ কাণ্ডত সংঘটিত হোৱা দেখুৱাইছে। ৰামে ভালুক আৰু বান্দৰ সৈন্যৰ সৈতে আহি লঙ্কালৈ বুলি যাত্ৰা কৰি সাগৰৰ পাৰ পোৱাত বিভীষণে ৰামৰ ওচৰত শৰণ লোৱা বুলিহে কন্দলীয়ে চিত্ৰিত কৰিছে। বোধকৰো কন্দলীয়ে গৌড়ীয় সংস্কৰণ অনুসৰণ কৰিছিল। এই কাৰণে অন্যান্য সংস্কৰণৰ কাহিনীৰ লগত কোনো কোনো অংশ অগাপিছা হোৱা দেখা যায়। আনকি ৰামৰ প্ৰতি তাৰাৰ অভিশাপ[১৭] আৰু কালনেমী অসুৰ বধ[১৮] আদি ঘটনাৰ বৰ্ণনা গৌড়ীয় সংস্কৰণৰ পৰাই গ্ৰহণ কৰিছিল। তাৰাৰ অভিশাপৰ কাহিনী কিন্তু তাৎপৰ্যপূৰ্ণ। ই বহুত অৰ্বাচীন সংযোজনো হ'ব পাৰে। এই ঘটনা উত্তৰাকাণ্ডত বৰ্ণিত সীতাৰ বনবাস আৰু পাতাল প্ৰৱেশৰ কাহিনীৰ পাৰস্পৰ্য দেখা যায়।

ভাৰতবৰ্ষত বাল্মীকি ৰামায়ণৰ তিনি প্ৰকাৰৰ পাঠ বা সংস্কৰণ দেখা যায়। (ক) গৌড়ীয় পাঠ (খ) দাক্ষিণাত্য অঞ্চলৰ পাঠ (গ) পশ্চিম-উত্তৰ অঞ্চলৰ পাঠ।

এই পাঠসমূহৰ বহুতো অংশত অমিল দেখা যায়। ড° সত্যেন্দ্ৰ শৰ্মাই বুল্কেৰ আলোচনাৰ সহায়ত তেওঁৰ বিশিষ্ট গ্ৰন্থ 'ৰামায়ণৰ ইতিবৃত্ত'ত দেখুৱাইছে যে --

ক) সীতাৰ মাতৃ মেনকাৰ বৃত্তান্ত

খ) ৰামকুশৰ পাদুকা

গ) ৰামৰ প্ৰতি তাৰাৰ অভিশাপ

ঘ) ৰাৱণে বিভীষণত গোৰ মৰা

ঙ) কালনেমীৰ বৃত্তান্ত

চ) বিভীষণে মাতৃ কৈকসী আৰু বিমাতাৰ সন্তান কুবেৰৰ লগত আগতে পৰামৰ্শ কৰিহে ৰামৰ আশ্ৰয় লোৱা আদি দাক্ষিণাত্য আৰু পশ্চিমোত্তৰ সংস্কৰণত নাই। গৌড়ীয় পাঠতহে আছে।

বাল্মীকি ৰামায়ণৰ লগত মাধৱ কন্দলীৰ ৰামায়ণৰ সাদৃশ্য বেছি। বাল্মীকি ৰামায়ণৰ ৰাম আৰু কন্দলীৰ ৰামায়ণৰ ৰাম মূলতঃ আদৰ্শ পুৰুষ। ৰামৰ চৰিত্ৰৰ মাজেদিহে যে পুৰুষৰ সকলো পুৰুষাৰ্থ ৰামায়ণত চিত্ৰিত হৈছে। অৱশ্যে ৰামক অৱতাৰী পুৰুষ ৰূপেও চিত্ৰিত হৈছে। আনকি ৰামো এই বিষয়ত সচেতন আছিল। ৰাৱণৰ মৃত্যুত বিভীষণ শোকাভিভূত হোৱাত ৰামে শান্তনা দিছে-- 'সদ্গতি ভৈলহাতে পৰিলা আমাৰ।'[১৯]

মাধৱ কন্দলীয়ে ৰামক সৰ্বজ্ঞ ভগৱান বুলি অঙ্কণ কৰোৱা নাই। আনকি ৰাৱণৰ মৃত্যু বাণ ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰিবলৈ ইন্দ্ৰৰ সাৰথি মাতলিয়েহে সোঁৱৰাই দিব লগা হৈছে।[২০] সৰ্বজ্ঞ ভগৱান হোৱাহেঁতেন ৰামে ৰাৱণৰ মৃত্যুবৰণৰ কথা আগতীয়াকৈ জানিলেহেঁতেন। এইক্ষেত্ৰত বাল্মীকি ৰামায়ণৰ লগত কন্দলী ৰামায়ণৰ সাদৃশ্য বেছি। বাল্মীকিৰ ৰামায়ণতো ৰাম অৱতাৰী পুৰুষহে। অৱশ্যে দেৱতা, ব্ৰাহ্মণ, ঋষি, বান্দৰ,ভালুক আদিয়ে ৰামক ভগৱানৰ অৱতাৰৰূপে মানি ভক্তি বা প্ৰশস্তি নিবেদন কৰিবলৈ এৰা নাই।

মাধৱ কন্দলীয়ে তেওঁৰ অসমীয়া ৰামায়ণত সীতাৰ চৰিত্ৰটো বাল্মীকি ৰামায়ণতকৈ অধিক সাহসী আৰু প্ৰগল্‌ভাৰূপে অঙ্কণ কৰিছে। বিশেষকৈ ৰাৱণে হৰণ কৰা সময়ৰ সীতা।

বাল্মীকি ৰামায়ণৰ বালকাণ্ড আৰম্ভ হৈছে বাল্মীকিয়ে নাৰদক সোধা প্ৰশ্নেৰে। কন্দলীৰ ৰামায়ণত আদিকাণ্ড পোৱা নাযায়। বাল্মীকি ৰামায়ণ বহুক্ষেত্ৰত লৌকিক, সেইদৰে কন্দলীৰ ৰামায়ণো বহুক্ষেত্ৰত বাল্মীকিতকৈ বেছি লৌকিক ৰূপতহে পোৱা যায়। বাল্মীকিৰ ৰাম, লক্ষ্মণ, ভৰত আদি চৰিত্ৰৰ প্ৰায়েই বাক্ সংযম দেখা যায়। কিন্তু মাধৱ কন্দলীয়ে চৰিত্ৰবোৰক প্ৰায়েই লোকজীৱনৰ মাজৰ স্বাভাৱিক চৰিত্ৰৰূপেহে চিত্ৰিত কৰিছে। ৰামৰ বনবাসৰ আদেশ হোৱাৰ পূৰ্বক্ষণত পিতৃ দশৰথৰ বিষাদ বিমৰ্ষতা দেখি কন্দলি ৰামায়ণত ৰামে পিতৃ দশৰথক দিয়া আশ্বাস-

'বাপৰ ইন্দ্ৰক প্ৰতি ভৈল ক্ৰোধমন।

বান্ধিয়া আগত আনি দিবো এতিক্ষণ।।[২২]

ইত্যাদি পদৰ মাজেদি ৰামৰ আত্মশ্লাঘা বা দাম্ভিকতা প্ৰকাশ পাইছে আৰু বাল্মীকিৰ ৰামায়ণত ৰামৰ আশ্বাস সম্পূৰ্ণ বিপৰীত ধৰ্মীও হৈছে। কাৰণ, বাল্মীকিৰ ৰাম বিনয়ী। অযোধ্যা কাণ্ডৰ ৩৪তম অধ্যায়ত ৰামে সীতা আৰু লক্ষ্মণৰ সৈতে বনলৈ যাবলৈ পিতৃ দশৰথৰ পৰা বিদায় ল'বলৈ যাওঁতে পিতৃক এনেদৰে বুজাইছে--

'অপগচ্ছতু তে দুঃমং মাভূৰ্বাষ্পপৰিপ্লুতঃ।

ন হি ক্ষুভ্যতি দুৰ্ধৰ্ষঃ সমুদ্ৰঃ সৰিতাংপতিঃ।।[২৩]

অৰ্থাৎ-- 'হে পিতা! আপোনাৰ দুঃখ দূৰ হওক। এনেদৰে চকুপানী টোকা উচিত নহয়। নদীসমূহৰ স্বামী সমুদ্ৰ কেতিয়াও ক্ষুব্ধ নহয় অৰ্থাৎ মৰ্যাদা ত্যাগ নকৰে। সেইদৰে আপুনিও মৰ্যাদা ত্যাগ কৰা উচিত নহয়।'

কিন্তু মাধৱ কন্দলীয়ে ৰামক লোকজীৱনৰ সাহসী আৰু আদৰ্শবান যুৱকৰূপে প্ৰতিপন্ন কৰিব বিচৰা হেতুকেহে যেন ৰামক প্ৰগল্‌ভৰূপত চিত্ৰিত কৰিলে। আনহাতে, ৰামক বনবাসৰ আদেশ দিয়া কাৰণে লক্ষ্মণে দশৰথক পৰা গালিও আচলতে লোকজীৱনৰ গালি।[২৪] লোক সমাজত আজিও বহু যুৱক আছে যি বাপেকক 'বৃদ্ধ' বুলি অৱহেলা কৰে।[২৫] আনকি সতীয়া মাকক গোসাঁনীৰ দৰে কান্ধত লৈ ঘূৰি ফুৰিব লাগে বুলি কৈ বাপেকক বিদ্ৰূপাত্মক গালি পাৰে।

লক্ষ্মণৰ চৰিত্ৰও লোক সমাজৰ স্বাভাৱিক যুৱকৰূপে অঙ্কণ কৰিছে। আনকি লক্ষ্মণে বনবাসৰ আজ্ঞা ওফৰাবৰ কাৰণে ৰামৰ অনুমতি বিচাৰি যিবোৰ উক্তি দাঙি ধৰিছে, সেইবোৰো লোক সমাজৰ বাবে একেবাৰে স্বাভাৱিক। ভৰতকো মাধৱ কন্দলীয়ে ক্ৰোধিত উদণ্ড যুৱকৰূপে অঙ্কণ কৰিছে।[২৬] মাধৱ কন্দলীয়ে গ্ৰাম্য অশিক্ষিত যুৱকৰ কঠুৱা বাক্য প্ৰয়োগ কৰিছে। ভৰত ৰজা হ'লে কুঁজীৰ গুপ্ত পটেশ্বৰী হোৱাৰ আকাঙ্খা তেনেই লৌকিক[২৭] আৰু লোক জীৱনৰ

মাজত তেনে কথাৰ প্ৰচলন তেনেই স্বাভাৱিক।

আদিকবি বাল্মীকিয়ে সীতাক লৌকিক স্বাভাৱিক ৰূপত অঙ্কণ কৰিছে। লোকজীৱনৰ বহুগৰাকী যুৱতী নাৰীৰ দৰে সীতাইও স্বামী ৰামৰ সৈতে যৌৱন উপভোগ কৰিব বিচাৰে। বাৰে বাৰে অনুৰোধ জনোৱা সত্বেও ৰামে সীতাক এৰি বনলৈ যাবলৈ ওলোৱাত সীতাৰ প্ৰতিবাদসূচক মনোভাৱ দেখা যায়।[২৮]

লোকজীৱনত এগৰাকী যুৱতী নাৰীৰ মনোভাৱ এনেকুৱাই দেখা যায়। লোকজীৱনত বহুনাৰী প্ৰতিবাদমুখৰা। প্ৰতিবাদ কৰিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। লঙ্কাকাণ্ডত সীতাক উদ্ধাৰ কৰি অনাৰ পিছত ৰামে বৰ্জন কৰিবলৈ বুলি প্ৰকাশ কৰা মনোভাৱৰ প্ৰতি সীতাই প্ৰতিবাদ জনায়।[২৯] সীতাৰ উক্তিসমূহত প্ৰতিবাদমুখৰা ছবিখন স্পষ্টভাৱে প্ৰকাশ পাইছে। এনে লোক ব্যৱহাৰৰ লগতে সমকালীন সমাজৰ অকৃত্ৰিমতাসমূহ চিত্ৰিত কৰিছে।

আদিকবি বাল্মীকিৰ ৰচিত সংস্কৃত ৰামায়ণত ভাষা উচ্চস্তৰৰ অভিজাত্যপূৰ্ণ। মাধৱ কন্দলীৰ ভাষা লৌকিক আৰু লোকৰীতিৰ যথাযথভাৱে ৰূপদান কৰিবলৈ সমৰ্থ হৈছিল। কিষ্কিন্ধ্যাকাণ্ডত সুগ্ৰীৱ আৰু বালীৰ যুদ্ধৰ বৰ্ণনাও একেবাৰে লৌকিক। অৱশ্যে বহুক্ষেত্ৰত বাল্মীকিৰ অনুগামী। কিন্তু তাৰাৰ সপোন বাল্মীকিৰ ৰামায়ণত নাই।[৩০] তাৰাৰ মতে অমঙ্গলীয়া সপোন আৰু প্ৰাকৃতিক পৰিৱেশক নগনি যুদ্ধলৈ যোৱাৰ কাৰণেহে যেন বালীৰ মৃত্যু হ'ল। এনে প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশ সৃষ্টি কৰিছে কুম্ভকৰ্ণ, ৰাৱণ আদিৰ মৃত্যুৰ আগে আগেও।[৩১] সেয়া যেন ৰাৱণৰ মৃত্যুৰ আগজাননীহে আছিল। আনহাতে সুৰভি শীতল বায়ু বৈ ৰামৰ জয়ৰ কথা ঘোষণা কৰিছিল।[৩২] বাল্মীকিৰ ৰামায়ণতকৈ মাধৱ কন্দলিয়ে লোকজীৱনৰ মাজত সপোন, অভিশাপ, লোকৰীতিৰ ওপৰত অধিক জোৰ দিয়া দেখা যায়।

বাল্মীকি ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি নিজস্ব ৰুচি আৰু অনুভূতি অনুসৰি তেওঁৰ সমকালীন অসমীয়া সমাজৰ উপযোগীকৈ ৰামায়ণৰ পদ ৰচনা কৰিছিল। তেওঁৰ ৰামায়ণ ৰচনাৰ মূল ৰীতি হ'ল-- 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে।' এই ৰীতি তেওঁ প্ৰায়ে সযতনে ৰক্ষাও কৰিছে।[৩৩]

মহৰ্ষি বাল্মীকি ৰামায়ণৰ সুন্দৰ কাণ্ডটো যথাৰ্থতে সুন্দৰ। সুন্দৰ কাণ্ডৰ তৃতীয় সৰ্গত লঙ্কানগৰীৰ পৰ্বত, পাহাৰ, সাগৰ, নগৰ, উদ্যান, অট্টালিকা আদিৰ সুন্দৰ বৰ্ণনা দিছে।[৩৪] বাল্মীকিয়ে সুন্দৰ কাণ্ডৰ প্ৰথম সৰ্গত ২১৩ টা শ্লোকত হনুমানৰ দ্বাৰা সমুদ্ৰ লঙ্ঘন, সৈন্যক পৰ্বতৰ দ্বাৰা স্বাগত, সিংহিকা বধ কৰি সমুদ্ৰ পাৰহৈ লঙ্কাৰ সৌন্দৰ্য দৰ্শন আদি বৰ্ণনা কৰিছে।

কিন্তু মাধৱ কন্দলীয়ে কেৱল ৫০টা শ্লোকত সকলো কথাৰ সাৰ সামৰি লৈছে। কন্দলীয়ে প্ৰাকৃতিক সৌন্দৰ্য বা পৰিৱেশ কথা চিত্ৰণৰ ক্ষেত্ৰত সমকালীন অসমৰ কথা মনলৈ আনিছিল। উদাহৰণ স্বৰূপে সুন্দৰ কাণ্ডত লঙ্কাৰ উদ্যানৰ যি ছবি চিত্ৰিত কৰিলে সেয়া সম্পূৰ্ণৰূপে অসমৰ গছ-গছনি আৰু ফুল ফুলৰহে চিত্ৰ। কিন্তু ৰাৱণৰ মধুবন ধ্বংস আদি বৰ্ণনাসমূহ অতিৰঞ্জিত কৰা যেনহে লাগে। মূল বাল্মীকি ৰামায়ণত ইমান বাহুল্যভাৱে পোৱা নাযায়। আনকি লঙ্কা ভস্ম কৰি কিষ্কিন্ধালৈ ঘূৰি হনুমানক লৈ অঙ্গদাদি বান্দৰবিলাকে যি আনন্দোৎসৱ কৰিলে সেয়া কবিৰ বাস্তৱ উপলব্ধিহে।

মাধৱ কন্দলীয়ে শেষত কৈছে যে বাল্মীকিৰ শাস্ত্ৰক সংক্ষেপে পদত ৰচনা কৰিলে। দৈৱবাণীক তেওঁ লৌকিক কথা বুলি কৈ সৰ্বদোষ মাৰ্জনা কৰি দিবৰ বাবে পঢুৱৈ সমাজৰ ওচৰত অনুৰোধ জনাইছে।[৩৫]

**মাধৱ কন্দলীৰ ৰামায়ণৰ মৌলিকত্ব ঃ**

কাব্যৰ ইতিহাসত বাল্মীকিৰ ৰামায়ণ আদি কাব্য ৰূপে পৰিচিত আৰু কবিজনাও আদি কবিৰূপে পৰিচিত। সময়ৰ ফালৰ পৰা চালে বৈদিক সাহিত্যৰ এইখনেই প্ৰথম কাব্য। এনে মৌলিক সাহিত্যত ৰচিত হোৱা আন এখন কাব্য হ'ল মহাভাৰত। কিন্তু মহাভাৰততকৈয়ো ৰামায়ণৰ কাব্যিক সৌন্দৰ্য অধিক। মহাভাৰতৰ কাব্যিক সৌন্দৰ্য ৰামায়ণৰ তুলনাত কম হোৱাৰ কাৰণ হ'ল এয়ে যে মহাভাৰতখন, ঘাইকৈ এখন শাস্ত্ৰহে, এই শাস্ত্ৰখনকে কাব্যৰ অনুকৰণত কাব্যৰ ছাঁ লৈ ৰচনা কৰা হৈছিল। অৱশ্যে এই কথা ঠিক যে ৰামায়ণ ৰচিত হোৱাৰ আগৰে পৰাই ৰামৰ কাহিনীটো এটি প্ৰাচীন কাহিনীৰূপে চলি আহিছিল। বৌদ্ধ দাৰ্শনিক অশ্বঘোষৰ ৰচিত 'বুদ্ধ চৰিত'ত কোৱা হৈছে যে,

চ্যৱণ নামৰ এজন মহৰ্ষিয়ে যি কাহিনীটোক লৈ এখনি সাধাৰণ গ্ৰন্থ ৰচনা কৰিছিল-- বাল্মীকিয়ে পাছত সৰ্ব প্ৰথমবাৰৰ কাৰণে সেই কাহিনীটোকে লৈ এখনি কাব্য ৰচনা কৰিছিল। 'বাল্মীকিৰাদৌ চ সমৰ্জ পদ্যং জগ্ৰন্থ যত্ৰ চ্যৱনো মহৰ্ষিঃ'-- (বুদ্ধ চৰিত-১/৪৩)

মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ সাৰভাগ সংগ্ৰহ কৰি অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰিছিল। লোক সমাজৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখিয়েই সম্ভৱতঃ তেওঁ আক্ষৰিক অনুবাদৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নাছিল। তেওঁ ইমান নিপুণভাৱে ৰামায়ণ ৰচনা কৰিছে যে, মৌলিকোপম আনন্দাদায়কৰূপে পৰিগণিত হৈছে। কবি কন্দলী বিশিষ্ট কবি প্ৰতিভাৰ অধিকাৰী নোহোৱাহেঁতেন ই সম্ভৱপৰ নহ'লহেঁতেন। তেওঁ শ্লোক ছন্দত কেবাটাও সংস্কৃত শ্লোক ৰচনা কৰিছিল।

বাল্মীকি ৰচিত সংস্কৃত ৰামায়ণৰ অযোধ্যা কাণ্ডৰ অষ্টম সৰ্গত দেখা যায় যে, মন্থৰাই ৰামক বনবাস দিবলৈ কুপৰামৰ্শ দিয়াত প্ৰথমতে কৈকেয়ীয়ে বেয়া পাইছিল। কাৰণ, ৰামৰ প্ৰতি তেওঁৰ অসীম মৰম আছিল।

'যথাবৈ ভৰতো মান্যস্তথা ভূয়োঅপি ৰাঘৱঃ।
কৌসল্যাতোতিৰিক্তং চ মম শুশ্ৰূষতে বহুঃ।।
ৰাজ্যং যদি হি ৰামস্য ভৰতস্যাপি ত্য তদা।
মন্যতে হি যথা অত্মানং যথা ভ্ৰাতৃংস্তু ৰাঘৱঃ।।'[৩৬]

উক্ত শ্লোক ফাঁকিত কন্দলীয়ে মৌলিক অনুবাদ দেখুৱাইছে।

'গুণৰ মন্দিৰ ৰাম বাপ শুদ্ধমতি।
কৌসল্যাতোধিক মোত কৰয় ভকতি।।
কতোকাল ৰাজ্যভুঞ্জি সহৰিষ মনে।
ভৰতত ৰামে ৰাজ্য সম্পিব আপনে।।'[৩৭]

হনুমানৰ লঙ্কাৰ পৰা প্ৰত্যাবৰ্তন আৰু বানৰ সৈন্যৰ পুনৰ মিলনৰ এক সুদীৰ্ঘ বৰ্ণনা মূল বাল্মীকি ৰামায়ণত পোৱা যায়। কবি কন্দলীয়ে কাহিনীখিনিও একেবাৰে চমুকথাত সামৰিছে। হনুমানৰ প্ৰত্যাগমনৰ পিছত বান্দৰ সৈন্যসকলৰ আনন্দ প্ৰকাশৰ জীৱন্ত ছবি পোৱা যায়।[৩৮]

পুনৰ মিলনৰ এইছবি কেৱল জীৱন্তই নহয় স্বাভাৱিকো। সুগ্ৰীৱৰ মধুফলৰ বাগিছাৰ মধুফল খাই বান্দৰ সৈন্যসকল ৰাম আৰু সুগ্ৰীৱৰ ওচৰলৈ আনন্দত নাচিবাগি যোৱা ছবি স্বাভাৱিক আৰু জীৱন্তৰূপত অঙ্কন কৰিছে।[৩৯]

ইয়াত 'ধিতিঙ্গালি' শব্দটো অতি স্বাভাৱিক আৰু অৰ্থপূৰ্ণ। ইয়াত কবিৰ মৌলিক প্ৰতিভা আৰু উদ্ভাৱনী শক্তিৰ অনুপম নিদৰ্শন মাথোন।

মূল ৰামায়ণত দেখা যায় যে লঙ্কা যুদ্ধত জয়লাভ হোৱাৰ পিছত ৰামৰ সন্মুখত সীতাক উপস্থিত কৰোৱাত ৰামে সীতাক অতিশয় কঠোৰ আৰু নিৰ্মম বাক্য প্ৰয়োগ কৰে।[৪০] কিন্তু অগ্নি পৰীক্ষাৰ আগত ৰামচন্দ্ৰক এজন সাধাৰণ লোকৰ দৰে চিত্ৰিত কৰিছে। পৰিৱেশ পৰিস্থিতি আৰু চৰিত্ৰ আদি চিত্ৰণৰ ক্ষেত্ৰত মাধৱ কন্দলীয়ে স্বকীয় প্ৰতিভাৰ পৰিচয় দিছে। কোনো সময়ত চিত্ৰকল্পৰো সৃষ্টি কৰিছে।[৪২]

মাধৱ কন্দলীৰ ৰামায়ণত ব্যঙ্গোক্তিৰ উদাহৰণ পোৱা যায়। কিষ্কিন্ধ্যা কাণ্ডত যেতিয়া সীতাৰ উদ্ধাৰ কৰিব বুলি সুগ্ৰীৱৰ লগত মিত্ৰতা কৰিছিল, কিন্তু সময়ত সুগ্ৰীৱে পাহৰি যোৱাত ৰামে সুগ্ৰীৱক ব্যঙ্গোক্তিৰে কৈছে--

'সাধু সাধু সখি তুমি মোৰ মহামিত্ৰ
আমাৰ কৰ্ম্মত দেখো উত্ৰাৱল চিত্ত।।'[৪৩]

বনবাসৰ আজ্ঞাৰ আগমুহূৰ্তৰ কথা ৰামৰ অভিষেকৰ আয়োজন হৈছে, সেই সময়ত আদৰ্শ গৃহী স্বৰূপ ৰামে সীতাক গৃহীকৰ্মৰ বিষয়ে দিয়া উপদেশ অযোধ্যা কাণ্ডত পোৱা যায়।[৪৪] কন্দলীয়ে কাহিনীৰ সৌষ্ঠৱ আৰু স্বাভাৱিকত্বৰ প্ৰতিও সূক্ষ্ম দৃষ্টি ৰাখিছিল। বালী সুগ্ৰীৱৰ যুদ্ধৰ কথালৈ লক্ষ্য কৰিলে সেই কথা অনুভৱ কৰিব পাৰি। বাল্মীকি ৰামায়ণৰ মতে একেদিনাই ৰামৰ পৰামৰ্শক্ৰমে সুগ্ৰীৱে দ্বিতীয়বাৰ গৈ বালীক যুদ্ধৰ কাৰণে প্ৰত্যাহ্বান জনায়। কিন্তু কন্দলীয়ে তেওঁৰ অসমীয়া ৰামায়ণত পৰিৱৰ্তন কৰিছে--

'দিন চাৰি থাকিয়োক ঘাৱসৰ পালম্পোক
পাছে সবে কিষ্কিন্ধাক যাওঁ।
ইবাৰ বালীক দেখি মৰিয়েবে নপঠাওঁ
তেবে ব্ৰহ্মবধ পাপ পাওঁ।।'[৪৫]

এয়া কন্দলীৰ নিজস্ব কল্পনা, মূল কাহিনীক বিকৃত নকৰি স্বাভাৱিক কৰি তুলিছে। প্ৰথমবাৰ বালীৰ হাতত হাৰি সুগ্ৰীৱ পলাই আহে। সুগ্ৰীৱৰ শৰীৰ ক্ষত-বিক্ষত, দেহ ৰক্তাক্ত। পিছত চাৰিদিনৰ পিছতহে যুদ্ধ কৰে। এনেদৰে কাহিনীৰ স্বাভাৱিকত্ব আৰু সৰসতা বৃদ্ধিৰ কাৰণে ঠায়ে

ঠায়ে মূলৰ কথা সম্পূৰ্ণৰূপে বাদ দিবলৈও কুণ্ঠাবোধ কৰা নাই।

চৰিত্ৰ আদি চিত্ৰণৰ ক্ষেত্ৰতো মাধৱ কন্দলীয়ে মৌলিকতাৰ পৰিচয় দিছে। বাল্মীকি ৰামায়ণতকৈ চৰিত্ৰসমূহ বেছি লৌকিক আৰু লোকজীৱনৰ ওচৰচপা। সেই কাৰণে ৰাম-সীতাৰ চৰিত্ৰকে ধৰি আন সকলো চৰিত্ৰ মূলতকৈ বেছি উজ্জ্বল আৰু লোকজীৱনৰ বেছি আদৰণীয়। ৰামক সকলোৱে উপলব্ধি কৰিব পৰাকৈ মানৱীয় প্ৰবৃত্তিসমূহেৰে মানৱ স্বৰূপেহে চিত্ৰিত কৰিছে। বনবাসৰ আদেশ মুখেৰে উচ্চাৰণ কৰিব নোৱাৰি শোকে দুঃখে বিমৰ্ষ হৈ থকা দশৰথৰ আগত ৰামৰ দম্ভোক্তি এজন লোকজীৱনৰ মাজৰ সৰল সাহসী যুৱকৰ দম্ভোক্তিৰ দৰেই চিত্ৰিত কৰিছে। সীতাক ৰামৰ ওচৰলৈ অনাৰ সময়ত বান্দৰবিলাকে বেঢ়ি লৈ সীতাক চাবলৈ হেপাহ কৰা আদি কথাসমূহ একেবাৰে স্বাভাৱিক। ৰামৰ আদৰ্শ নিষ্ঠাও বাল্মীকিতকৈ উজ্জ্বলৰূপত চিত্ৰিত হোৱা দেখা যায়। কিন্তু দুয়োখন ৰামায়ণতে ৰামক আদৰ্শবাদী আৰু দৃঢ় বুলি প্ৰতিপন্ন কৰিছে। সেয়ে ৰামে কৃত্ৰিমতাবোধ প্ৰকাশেৰে হ'লেও ভৰত আদিক উভতি যোৱাৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰালে।

সীতাৰ চৰিত্ৰৰ ক্ষেত্ৰতো কন্দলীয়ে মৌলিকতা প্ৰকাশ কৰি দেখুৱাইছে। আদিকবি বাল্মীকিৰ সীতা সম্পূৰ্ণৰূপে আদৰ্শ নাৰীৰ ৰূপত চিত্ৰিত। সমাজত নাৰী সম্পূৰ্ণৰূপে পুৰুষৰ অধীন। নাৰীৰ যৌন শুচিতাই হ'ল ঘাইকৈ সতীত্বৰ প্ৰধান সম্বল। যৌন শুচিতাৰ আশঙ্কাতে ৰামে ৰাৱণ বধৰ পিছত সীতাৰ অগ্নি পৰীক্ষা কৰিছিল, পিছৰ বনবাস দিছিল। আনকি যৌন শুচিতাৰ পৰীক্ষাৰ বাবেই সীতাই পাতালত প্ৰৱেশ কৰিছিল।

মাধৱ কন্দলীয়েও তেওঁৰ ৰামায়ণত সেইগৰাকী পতিব্ৰতা সীতাকেই অঙ্কণ কৰিছে। কিন্তু ঠায়ে ঠায়ে বাল্মীকিতকৈ প্ৰগল্‌ভাৰূপত চিত্ৰিত কৰিছে। লোক সমাজৰ প্ৰগল্‌ভা নাৰীৰ অনুকৰণত। ৰাৱণে হৰণ কৰা সময়ত সীতাক অতি সাহসী নাৰীৰ ৰূপত অঙ্কণ কৰাইছে। তেনেকৈ অগ্নি পৰীক্ষাৰ সময়ৰ সীতাও বাস্তৱত এগৰাকী প্ৰতিবাদমুখৰা আদৰ্শৱতী নাৰী।

লক্ষ্মণ, ভৰত আদি চৰিত্ৰসমূহতো মৌলিকতা দেখুৱাইছে। লৌকিকতা আদৰ্শনিষ্ঠ ভাতৃৰ পৰিচয় দিছে। মূল ৰামায়ণৰ অলৌকিক ঘটনাসমূহক বাল্মীকিয়ে লৌকিক কৰি দেখুৱাইছে। লোকজীৱনৰ উপযোগীকৈ আৰু লোকজীৱনৰ ভেটিতে ৰামায়ণ ৰচনা কৰিছে, সেই কাৰণে মানুহৰ মাজত চলি থকা অমঙ্গলৰ লক্ষণসমূহো ঠায়ে ঠায়ে দেখুৱাইছে। বালীয়ে তাৰাৰ কথালৈ মন নিদি যুদ্ধক্ষেত্ৰলৈ ওলাই যোৱা দেখা যায়।

'মাথাৰ উপৰে কাক শগুণ বৰ্ণাই।।  
বামপাশে সৰ্প যায় ডাহিনে শিয়াল।  
কাক গৃধ পাখীৰ আকাশে কোলাহল।।  
চণ্ড বায়ু বহে খোলা খাপৰৰ জাক।  
কিষ্কিন্ধাত ৰুধিতে বৰিষে জাকে জাক।।'

এনেদৰে মাধৱ কন্দলীৰ ৰামায়ণত মৌলিকতা বা নিজস্ব সংযোজন দেখা যায়। সৰ্বভাৰতীয় সংস্কৃতিৰ যোগসূত্ৰ স্থাপন মহাভাৰতৰ দিনৰে পৰা অসমত প্ৰৱেশ কৰিছিল। কিন্তু মাধৱ কন্দলীয়ে ৰামায়ণ ৰচনা কৰি যেনেকৈ সমগ্ৰ ভাৰতকে অসমীয়া ভাষাৰ মাধ্যমেৰে প্ৰতিষ্ঠা কৰিলে, তাৰ নিদৰ্শন প্ৰাক্ কন্দলীযুগৰ সাহিত্যত পাবলৈ টান। ক'বলৈ গ'লে মাধৱ কন্দলীয়েহে পোন প্ৰথমবাৰৰ কাৰণে অসমক ভাৰতৰ লগত জড়িত কৰিলে।

উক্ত তুলনামূলক আলোচনাৰ পৰা দেখা যায় যে মূল বাল্মীকি ৰামায়ণত যি কাহিনী বিস্তাৰ, অলৌকিকতা, ৰস আৰু কাব্যিক সৌন্দৰ্যৰ প্ৰাচুৰ্য দেখা যায়, তেনেদৰে মাধৱ কন্দলীয়েও মূল অংশ অবিকৃতভাৱে ৰাখি মৌলিকতাৰে সংক্ষেপে ৰামায়ণ ৰচনা কৰিছে।■

---

পাদটীকা ঃ

১. বিষ্ণু পুৰাণ - ৩।৩।১৮

২. বাল্মীকিকৃত ৰামায়ণ - ১।৪।১, ২

৩. স্বকৃত শতকোটি ৰামায়ণ সাৰভূতং চতুৰ্বিংশত্যক্ষৰ গায়ত্ৰ্যাখ্যাপৰ ব্ৰহ্মবিদ্যাবিলাসভূতং ৰামায়ণং চতুৰ্বিংশতি সহস্ৰশ্লোকৰূপং কুশলৱাভ্যামগ্ৰাহয়ৎ। বাল্মীকি ৰামায়ণ -

১।১।১ ৰ টীকা

৪. ৰামায়ণ সুপয়াৰ শ্ৰীমহামানিকে যে
বৰাহ ৰজাৰ অনুৰোধে।
সাতকাণ্ড ৰামায়ণ পদৱন্ধে নিৱন্ধিলো
লম্ভা পৰিহৰি সাৰোধৃতে।।
লঙ্কাকাণ্ড-৫৬।২৪

৫. কন্দলী ৰামায়ণ, লঙ্কাকাণ্ড - ৫৬।২৩

৬. ঐ, লঙ্কাকাণ্ড - ৫৬।২৫

৭. বাল্মীকিকৃত ৰামায়ণ - ১।১।১, ২

৮. ঐ - ১।১। ৩-৫

৯. ঐ - ১।১। ৮৫-১০০

১০. ঐ ১।৯৭, ৯৮

১১. ঐ - ১।২।১৫

১২. ঐ শোক ঃ শ্লোকত্বমাগতঃ।' ঐ ২।৪০

১৩. ঐ - বালকাণ্ড - ২।৩৭, ৩৮

১৪. ঐ - ২।৪১

১৫. মাধৱ কন্দলী ৰামায়ণ, সুন্দৰকাণ্ড - ৮।২

১৬. ঐ - লঙ্কাকাণ্ড - ৫৬।২৪

১৭. ঐ - কিষ্কিন্ধ্যা কাণ্ড, ১৬ অধ্যায়

১৮. ঐ - লঙ্কাকাণ্ড

১৯. ঐ - ৪৮।২৮০

২০. ঐ - ৪৮।২২২-২২৫, ২৩৯

২১. ঐ - অৰণ্যকাণ্ড, ১৭, ১৮ অধ্যায়

২২. ঐ - অযোধ্যা কাণ্ড- ৭।১

২৩. বাল্মীকি ৰামায়ণ, অযোধ্যাকাণ্ড - ৩৪।৪৬

২৪. মাধৱ কন্দলী ৰামায়ণ, অযোধ্যাকাণ্ড - ১০। ৬১-৬২

২৫. ঐ - ১৯।৮

২৬. ঐ - ২৬।৫৪ - ৭৪

২৭. ঐ - ২৭।১০

২৮. ঐ - ১২।১৯

২৯. ঐ - লঙ্কাকাণ্ড, ৫০। ৫০ - ৬২

৩০. ঐ - কিষ্কিন্ধ্যা কাণ্ড, ১২। ৫, ৬

৩১. ঐ - লঙ্কাকাণ্ড, ৪৮।১৫৪, ১৫৬

৩২. ঐ - ৪৮।১৬২

৩৩. ঐ - কিষ্কিন্ধাকাণ্ড - ২৬।৭৭

৩৪. বাল্মীকি ৰামায়ণ, সুন্দৰকাণ্ড - ৮।১৮।১৯

৩৫. কিষ্কিন্ধ্যাকাণ্ড - ২৬। ৭২ - ৭৮

৩৬. বাল্মীকি ৰামায়ণ, অযোধ্যা কাণ্ড- ৮। ১৮।১৯

৩৭. কন্দলী ৰামায়ণ, অযোধ্যা কাণ্ড, ৪।৩২, ৩৪

৩৮. ঐ - সুন্দৰ কাণ্ড, ৩০।৩-৫

৩৯. ঐ - ৩০।১২১, ১২২

৪০. বাল্মীকি ৰামায়ণ, যুদ্ধকাণ্ড, ১১৫, ১১৬ সৰ্গ।

৪১. কন্দলী ৰামায়ণ, লঙ্কাকাণ্ড - ৫০।২৭-২৯

৪২. ঐ অযোধ্যা কাণ্ড - ১৬।১৬,১৭

৪৩. ঐ - কিষ্কিন্ধ্যাকাণ্ড - ২০।১২

৪৪. ঐ - অযোধ্যা কাণ্ড- ৬।৪,৫

৪৫. ঐ - কিষ্কিন্ধ্যা কাণ্ড - ১০।১২

৪৬. ঐ - ১৩।১২, ১৪

**সহায়ক গ্ৰন্থ ঃ**

১. অসমীয়া সপ্তকাণ্ড ৰামায়ণ ঃ মাধৱ কন্দলী আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত, অজন্তা প্ৰকাশন, দিল্লী, চতুৰ্থ সংস্কৰণ-২০০৪

২. শ্ৰীমদ্‌বাল্মীকীয় ৰামায়ণ ঃ গীতাপ্ৰেছ, গোৰখপুৰ (প্ৰথম আৰু দ্বিতীয় ভাগ)

# মাধৱ কন্দলীৰ ৰামায়ণৰ ছন্দবিচাৰ

শ্ৰীকৈলাস দাস

‘পূৰ্বকবি’ অপ্ৰমাদী মাধৱ কন্দলী’য়ে ১৪ শতিকাত বাল্মীকিৰ ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰে-- বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধত। কবিয়ে ‘সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো’ বুলি লঙ্কাকাণ্ডৰ শেষত ক’লেও, শঙ্কৰদেৰৰ দিনতে আদি আৰু উত্তৰা কাণ্ড দুটা পোৱা নগৈছিল। গ্ৰন্থখনৰ গুৰুত্ব উপলব্ধি কৰি, শঙ্কৰদেৱে নিজে উত্তৰাকাণ্ড ৰচনা কৰিছিল আৰু মাধৱদেৱৰ হতুৱাই আদিকাণ্ড ৰচনা কৰাইছিল।

অসমীয়া সাহিত্যৰ বাবে গৌৰৱৰ কথা যে, উত্তৰ ভাৰতীয় প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণবোৰৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণেই প্ৰাচীনতম। ইয়াৰ এশ-দেৰশ বছৰৰ পিছতেই বঙালী, হিন্দী, উৰিয়া আদি ভাষালৈ ৰামায়ণ অনূদিত হয়।

মাধৱ কন্দলীৰ ৰামায়ণ বিভিন্ন দিশৰপৰা গুৰুত্বপূৰ্ণ-- ঐতিহাসিক, সামাজিক, ভাষিক, কাব্যিক ইত্যাদি। এই প্ৰতনু স্বন্ধত কেৱল ছন্দৰ দিশটোতহে আলোকপাত কৰিব খোজা হৈছে।

খ্ৰীষ্টীয় দশম শতিকামানত আন প্ৰান্তীয় ভাষাৰ লগতে অসমীয়া ভাষাৰো জন্ম হয়। চৰ্যাপদবোৰত (৮ম-১২শ শতিকা) অসমীয়া ভাষাৰ থুনুক-থানাক অমাতৰ মাত শুনা যায়। কিন্তু চতুদৰ্শ শতিকাৰ আগত অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন বুলিববলৈ, চৰ্যাপদবোৰত বাদে আন একো পোৱা নাযায়। সুখৰ কথা, অসমীয়া ছন্দৰ ইতিহাসত, চতুদৰ্শ শতিকাৰ অপ্ৰমাদী পূৰ্বকবিসকলৰ পৰিণত ৰচনা আৰু চৰ্যাপদবোৰৰ মাজত আমি পাওঁ বড়ু চণ্ডীদাসৰ ‘কৃষ্ণ-কীৰ্ত্তন’। ইয়াৰ ভাষাত অসমীয়া, বঙালী আৰু উৰীয়া ভাষাৰ ৰূপ পোৱা যায়। এই গ্ৰন্থখনে অসমীয়া ছন্দৰ ধাৰাবাহিক বিকাশৰ সাক্ষ্য বহন কৰে বুলি ছান্দসিক ড° মহেন্দ্ৰ বৰাৰ বিশ্বাস।

মাধৱ কন্দলীৰ ৰামায়ণত মুঠতে চাৰিবিধ ছন্দসজ্জা ব্যৱহাৰ কৰা হৈছে-- পয়াৰ, দুলড়ী, ছবি আৰু ঝুমুৰা-ঝুমুৰী। পয়াৰ সৰ্বাধিকভাৱে, দুলড়ী ৪০টামান স্থানত, ছবি ২২ টা স্থানত আৰু ঝুমুৰা মাত্ৰ পাঁচটা স্থানত কবিয়ে ব্যৱহাৰ কৰিছে। শঙ্কৰদেৱৰ উত্তৰাকাণ্ড পয়াৰ, দুলড়ী আৰু ছবি আৰু মাধৱদেৱৰ আদিকাণ্ড পয়াৰ, দুলড়ী, ছবি আৰু ঝুমুৰা ছন্দসজ্জাত বিধৃত হৈছে। দেখা গৈছে, কন্দলী ৰামায়ণত ছন্দসজ্জাৰ বৈচিত্ৰ্য নাই। হয়তো পূৰ্বকবিজনাৰ প্ৰতি শ্ৰদ্ধাবশতঃ শঙ্কৰদেৱ-মাধৱদেৱেও উত্তৰা আদি কাণ্ডতো ছন্দ সজ্জাৰ বৈচিত্ৰ সৃষ্টি কৰা নাই।

এতিয়া আহোঁ ছন্দৰীতিৰ (Style) কথালৈ। তাৰ আগতে অক্ষৰ আৰু মাত্ৰাৰ কথা চমুকৈ কোৱাটো সমীচীন হ’ব। বাগ্‌যন্ত্ৰৰ একেটা প্ৰয়াসৰে উৎপন্ন স্বৰাশ্ৰিত ধ্বনি (Sound) কে অক্ষৰ (Syllable) বোলে। অক্ষৰ দুবিধ। যি অক্ষৰ উচ্চাৰণ কৰোঁতে বাগ্‌তন্দ্ৰী বা নিশ্বাসৰ গতিপথ মুক্ত হৈ থাকে আৰু তাৰপৰা বাগ্‌তন্দ্ৰী সহজে অন্য অক্ষৰলৈ যাব পাৰে, তাকে মুক্ত অক্ষৰ (Open sylleable) বোলে। ইয়াৰ ভিতৰত পৰে---

(ক) সকলো মৌলিক স্বৰবৰ্ণ ঃ অ, আ, ই, ঈ, উ, ঊ, এ, ও।

(খ) সকলো স্বৰান্ত ব্যঞ্জন বৰ্ণ ঃ ক, কা, কি, কু, ...

(গ) সকলো স্বৰান্ত যুক্ত ব্যঞ্জন বৰ্ণ ঃ স্প, শ্ৰী, স্থু,.....

আকৌ যি অক্ষৰ উচ্চাৰণ কৰোঁতে বাগ্‌তন্ত্ৰী বা নিশ্বাসৰ গতিপথ ৰুদ্ধ হৈ যায়, তাকে ৰুদ্ধ অক্ষৰ (close sylleable) বোলে। ৰুদ্ধ অক্ষৰৰ ভিতৰত পৰে

(ক) যৌগিক স্বৰবৰ্ণ ঃ ঐ, ঔ

(খ) কেতবোৰ যুক্তস্বৰ ঃ আই, আউ, আও, ইউ আদিকৈ ২৩টা।

(গ) উক্ত যুক্ত স্বৰযুক্ত ব্যঞ্জনবৰ্ণ ঃ নাই, নাও, নৈ, মৌ,....

(ঘ) অখণ্ড হলন্ত অক্ষৰ ঃ আম, উট, খং, বাঃ, স্থান,......

অসমীয়াৰ তিনিটা ছন্দৰীতি পোৱা যায়। স্বৰবৃত্ত, মাত্ৰাবৃত্ত আৰু যৌগিক বা অক্ষৰবৃত্ত। স্বৰবৃত্তত মুক্ত আৰু ৰুদ্ধ দুয়োবিধ অক্ষৰত এক মাত্ৰা দিয়া হয়। মাত্ৰাবৃত্তত মুক্ত অক্ষৰত এক মাত্ৰা আৰু ৰুদ্ধ অক্ষৰত দুই মাত্ৰ দিয়া হয়। যৌগিকত মুক্ত অক্ষৰত এক মাত্ৰা দিয়া হয়। ৰুদ্ধ অক্ষৰে, শব্দৰ আদিত বা মধ্যত থাকিলে, এক মাত্ৰা আৰু শব্দৰ শেষত থাকিলে, দুই মাত্ৰা লাভ কৰে। এইখিনি অক্ষৰৰ মাত্ৰা স্থাপনৰ সাধাৰণ কথা। ৰামায়ণত যৌগিক ৰীতিৰ ছন্দসজ্জা দেখা যায়। কিয়?

যৌগিক ৰীতিৰ এক অনন্য বৈশিষ্ট্য আছে। সেয়া হ'ল-- ৰুদ্ধ অক্ষৰক শোষণ কৰাৰ শক্তি। শব্দৰ আদি আৰু মধ্যস্থানত থকা ৰুদ্ধ অক্ষৰৰ মাত্ৰা-মূল্য, 'এক' বাবেই এই শোষণ শক্তি উদ্ভৱ হৈছে। শব্দৰ আদি আৰু মধ্যস্থানত মুক্ত অক্ষৰৰ ঠাইত ৰুদ্ধ অক্ষৰ ব্যৱহাৰ কৰিলেও মাত্ৰামূল্য একে থাকে আৰু ছন্দৰ পতন নঘটে। গতিকে যৌগিক ৰীতিৰ অতিৰিক্ত ভাৱবহন ক্ষমতা থাকে। সেয়ে কবিসকলে তৎসম, অৰ্ধ-তৎসম, তদ্ভৱ প্ৰভৃতি শব্দ অনায়াসে ব্যৱহাৰ কৰিব পৰা যৌগিক ৰীতিৰ ছন্দ সজ্জাত মহাকাব্যৰ দৰে বিশাল গ্ৰন্থ ৰচনা কৰে। সেই কাৰণেই অসমীয়া ৰামায়ণৰ, ভাগৱতৰ ছন্দৰীতি যৌগিক বা অক্ষৰ বৃত্ত।

**অক্ষৰত আৰোপিত মাত্ৰাৰ প্ৰতীক ঃ**

। = স্বাভাৱিক ভাৱে ১ মাত্ৰাযুক্ত এটা মুক্ত অক্ষৰ

০ = সংশ্লিষ্টভাৱে ১ মাত্ৰাযুক্ত এটা ৰুদ্ধ অক্ষৰ

।। = বিশিষ্টভাৱে ২ মাত্ৰাযুক্ত এটা ৰুদ্ধ অক্ষৰ

ঃ = বৈকল্পিকভাৱে ২ মাত্ৰাযুক্ত এটা ৰুদ্ধ অক্ষৰ।

**পয়াৰ ছন্দসজ্জা** ঃ পয়াৰৰ চৰণত দুটাকৈ পৰ্ব থাকে। প্ৰথম পৰ্ব ৮ মাত্ৰাৰ আৰু দ্বিতীয় পৰ্ব ৬ মাত্ৰাৰ।

পয়াৰৰ নিদৰ্শন ছেগা-চোৰোকাকৈ পোৱা যায় চৰ্যাপদত --

৮ + ৬) আলি কালি ঘণ্টা / নেউৰ চৰণে//

৮ + ৬) ৰবিশশী কুণ্ডল / কিউ আভৰণে//

(কৃষ্ণাচৰ্যপদ, চৰ্যা-১১)

ইয়াত যৌগিক ৰীতি সম্পূৰ্ণকৈ মনা হোৱা নাই। মুক্ত অক্ষৰ (আ), (ক) ত দুই মাত্ৰাকৈ দিয়া হৈছে। শব্দৰ আদিত থকা ৰুদ্ধ অক্ষৰ (কুণ্)ত দুই মাত্ৰা দিয়া হৈছে।

কৃষ্ণকীৰ্ত্তনতো পয়াৰৰ শুদ্ধ ৰূপ বিৰলভাৱে ফুটি উঠা দেখা যায়।

৮ + ৬) ললাট তিলক যেহ্ন / নৱ শশীকলা।//

৮ + ৬) কুণ্ডলমণ্ডিত চাৰু / শ্ৰৱণযুগলা।।//

আন ঠাইত দেখা যায় অক্ষৰৰ হ্ৰস্ব-দীৰ্ঘ অনুসাৰেও মাত্ৰা সংস্থাপন কৰা হৈছে।

চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ ৰচনাত শুদ্ধ যৌগিক ৰীতিৰ পয়াৰ দেখা পাওঁ ঃ

৮ + ৬) হেন দেখি নাৰায়ণে / গুণে মনে মনে।//

৮ + ৬) মোক যে এনেৰা চোটে / আন সহে কুনে।।//

৮ + ৬) গিৰ গিৰ শৰদে ল/ৰিলা ভূমিচাল।//

৮ + ৬) ঘনে ঘনে কাপন্ত পৃ/থিৱী সাততাল।।//

শেহৰ দুই চৰণত, শব্দৰ মাজত যতি-চিন পৰিছে। মাধৱ কন্দলীৰ ৰামায়ণত পয়াৰৰ নিখুঁত ৰূপৰ উপৰি, ৰুদ্ধ অক্ষৰৰ সংশ্লেষণে সৃষ্টি কৰা ছন্দস্পন্দন আৰু ভাৱৰ গাম্ভীৰ্য লক্ষ্য কৰা যায়।

কিষ্কিন্ধ্যা কাণ্ডৰ শেষত কবিয়ে লেখিছে--

বাল্মীকি ৰচিলা শাস্ত্ৰ / গদ্য পদ্য ছন্দে।।
তাহাক বিচাৰ আমি / কৰিয়া প্ৰবন্ধে।।//
সমস্ত ৰসক কোনে / জানিবাক পাৰে।/
পক্ষীসৱ উৰয় যেন / পখা অনুসাৰে।।//

ইয়াৰ শেষৰ চৰণত এটা ত্ৰুটি চকুত পৰিছে। শব্দৰ অন্তত থকা (ৰয়) ৰুদ্ধ অক্ষৰত একমাত্ৰা দিব লগা হৈছে। এনে ত্ৰুটি অৱশ্যে তেনেই বিৰল।

ড° মহেন্দ্ৰ বৰাদেৱে মন্তব্য কৰিছে যে মাধৱ কন্দলীয়ে বহুক্ষেত্ৰত (৮+৬) মাত্ৰা বিন্যাসৰ সলনি (৭+৭) বিন্যাস ব্যৱহাৰ কৰিছে। উদাহৰণ হিচাপে তেওঁ দিছে--

৭ + ৭) দেখা দেখা জানকী / হৰিষ কৰি মন।//

৭ + ৭) ফল মূল মুকুত / বিবিধ তৰু বন।।//

৭ + ৭) জাই যুতি বকুল / বন্দুলি কৰ্ণিকাৰ। //

৮ + ৬) কাঞ্চন তগৰ কন্দ / শেৱালি মন্দাৰ।।//

কিন্তু আমি ভাৱো, ইয়াত (৮+৬) মাত্ৰা বিন্যাসেই

কবিয়ে ব্যৱহাৰ কৰিছে। চাক্ষুক দৃষ্টিত, ড° বৰাৰ বিন্যাস শুদ্ধ। কিন্তু শ্ৰৱণত আমি (৮+৬) বিন্যাসকেই উপলব্ধি কৰো--

দেখা দেখা জানকী হ/ৰিষ কৰি মন।
ফলমূল মুকুত বি/বিধ তৰু বন।।
জাই যুতি বকুল বন/ দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কন্দ/শেৱালি মন্দাৰ।।

অৱশ্যে ইয়াত হেম সৰস্বতীৰ ৰচনাৰ দৰে, শব্দৰ মাজতো যতি চিন পৰিছে। আচলতে সুৰ ধৰি গালে, যতি-চিন এইক্ষেত্ৰত শব্দৰ মাজতেই পৰে। ছন্দৰ আৱেদন কাণলৈ, চকুলৈ নহয়। শব্দৰ মাজত যতিচিন পৰাটো যদি দোষ হয়, তেন্তে সেই দোষ ছন্দোগুৰু শঙ্কৰদেৱৰ সৰ্বশ্ৰেষ্ঠ কৃতি কীৰ্ত্তনঘোষাতো আছে--

প্ৰথমে প্ৰণামো ব্ৰহ্ম/ ৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কা/ৰণ নাৰায়ণ।।

আমি ভাৱো, এয়া ত্ৰুটি নহয়।

**দুলৰী ছন্দসজ্জা ঃ** চৰণৰ মাত্ৰা-বিন্যাস-- ৬+৬+৮

দুলৰীৰ প্ৰেৰণাও চৰ্যাপদৰপৰাই অহা। কৃষ্ণ-কীৰ্ত্তনত দুলৰীৰ নিদৰ্শন ভালেখিনি আছে।

বেঁদ উঁদ্ধাৰিলো / ক্ৰীড়া সাগঁৰ জঁলে
লীলাত্ৰ আঁহ্মে মুৰাৰি।
দৈঁত্য দঁলিলো / অসুঁৰ সঁংহাৰিলো
শঙ্খ-চক্ৰ-গদা-ধাৰী।।

মাত্ৰা-স্থাপনত কিছু ত্ৰুটি দেখা গৈছে। শব্দৰ শেষত থকা ৰুদ্ধ অক্ষৰ (গৰ্) আৰু (সুৰ্)ত এক মাত্ৰা দিয়া হৈছে। হেম সৰস্বতীৰ হাতত দুলড়ীয়ে নিখুঁত ৰূপ লয়-

কমতা মঁণ্ডল / দুৰ্ল্লভ নাৰায়ণ/
নৃপবৰ অনুপাম।//
তাহান ৰাঁজ্যত / ৰুদ্ৰ সৰোচতি
দেৱ জাঁনি কঁন্যা নাম।।//

ইয়াত যৌগিক ৰীতিমতে মাত্ৰা স্থাপন কৰা হৈছে। মাধৱ কন্দলীয়ে দুলৰীক নিখুঁত ৰূপ দিয়ে, চৰণান্তিক মিলৰ উপৰি ঠায়ে ঠায়ে পৰ্বান্তিক মিলো সাধন কৰি, দুলৰীক মনৰ ভাৱানুভূতিৰ প্ৰকাশৰ সাৰ্থক মাধ্যম কৰি তোলে।

শুনি চলিলঁন্ত / নাহি আদি অঁন্ত/
লৰিল পদাতি যত।//
পাৰৰ প্ৰহাৰে / পৃথিৱী কঁম্পায়া/
চলে হঁস্তী ময়মঁত্ত।।//
বেগে বায়ু জিনি তেজিয়া হেসনি
চলিল যত ঘোটক।
আড়ম্বৰ কৰি খাণ্ডা বাৰু ধৰি
অসংখ্য চলে কটক।।
-- ২৩৮৪

..................................

ইটো ধ্বজদণ্ড পতাকা দেখিয়া
জানিলোহো স্বৰূপত।
আন হেতু নাই ৰাম মাৰিতে
আসিলা সাজি ভৰত।।
--২৩৮৮ খ

ইয়াত যৌগিক ৰীতিমতে অক্ষৰত শুদ্ধকৈ মাত্ৰা স্থাপন কৰা হৈছে। যুৱৰাজ হ'বলৈ যোৱা ৰামে যেতিয়া বনগমনৰ বাবে প্ৰস্তুত হ'ব লগা হ'ল-- সেই শতধা-বিদীৰ্ণ সময়ক অপ্ৰমাদী কবি মাধৱ কন্দলিয়ে যথাযথভাৱে তুলি ধৰিছে দুলৰীৰ সজ্জাত--

'সুমন্ত্ৰী মন্ত্ৰীক বুলিলন্ত ৰামে
শীঘ্ৰে ৰথখান ডাক।
শুনৰে সুমন্ত্ৰ নডাকিবি ৰথ
দশৰথে দেন্ত হাক।।
-- ১৯৬৫ খ
নযা থাক থাক ডাক ডাক ডাক
উথলিল দুই ৰোল।
সুমন্ত্ৰ মন্ত্ৰীৰ মন দোধা ভৈল
কৰয় চিত্ত আন্দোল।।
--১৯৬৬ ক

**ছবি ছন্দসজ্জা ঃ** চৰণৰ মাত্ৰা-বিন্যাস ৮+৮+১০

প্ৰাক্‌শঙ্কৰ যুগৰ কবিসকলে ছবিছন্দ কমকৈ ব্যৱহাৰ কৰিছে। ছবিৰ উৎপত্তি চৰ্যাপদত ব্যৱহৃত কমসংখ্যক ত্ৰিপদী (৮+৮+১২)ৰ পৰাই হৈছে। কৃষ্ণ কীৰ্তনত পোৱা ত্ৰিপদীয়েও (৮+৮+৮, ৮+৮+১৪, ৮+৮+১৭) ছবিৰ সৃষ্টিত প্ৰেৰণা যোগাব পাৰে।

হেম সৰস্বতীয়ে হৰ-গৌৰী-সংবাদত ব্যৱহাৰ কৰা ছবি ছন্দ নিখুঁত নহয়-- অক্ষৰত মাত্ৰা-স্থাপনৰ ক্ষেত্ৰত। কিন্তু মাধৱ কন্দলীৰ ক্ষেত্ৰত নিখুঁত ছবিৰ নিদৰ্শন বহুলভাৱে পোৱা যায়--

কবিৰাজ কন্দলি যে / আমাকেসে বুলিৱয়/
কৰিলোহো সৰ্বজন বোধে।//
ৰামায়ণ সুপয়াৰ / শ্ৰীমহামাণিক্য যে
বাৰাই ৰাজাৰ অনুৰোধে।।//
সপ্তকাণ্ড ৰামায়ণ / পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।//
মহামাণিক্যৰ বোলে /কাব্যৰস কিছো দিলো/
দুগ্ধক মথিলে যেন ঘৃতে।।//৬৭১০

স্থানান্তৰৰ ছবি ছন্দৰ ঠায়ে ঠায়ে কবিয়ে পৰ্বান্তিক মিলো সাধন কৰিছে।

**ঝুমুৰা/ঝুমুৰী ছন্দসজ্জা ঃ** চৰণৰ মাত্ৰাবিন্যাস ৪+৪ কৃষ্ণ কীৰ্ত্তনত ঝুমুৰাৰ নিদৰ্শন পোৱা যায়--

আমি দেৱ / শ্ৰী হৰি//
মথুৰাতে / অৱতৰি//
বৃন্দবন / মোৰ থানে//
বংশ বা- / জাত গানে//

এয়া যৌগিক ৰীতিৰ ঝুমুৰা। অৱশ্যে মুক্ত অক্ষৰ (বা)ত দুই মাত্ৰা পৰিছে। মাধৱ কন্দলিয়ে মাত্ৰ পাঁচ ঠাইত ঝুমুৰী ছন্দ ব্যৱহাৰ কৰিছে। অপহৃতা সীতাৰ অভিশাপ আৰু মনোভাৱ, ৰামৰ বীৰত্বসূচক প্ৰতিজ্ঞা আৰু ৰামভক্ত হনুমানৰ আত্ম প্ৰত্যয় প্ৰকাশ কৰাৰ ক্ষেত্ৰত কবিয়ে এইবিধ ছন্দসজ্জাৰ আশ্ৰয় লৈছে।

ৰামে তোক / মাৰিবিন্ত।//
মোৰ মান / সাৰিবিন্ত।।//
দুষ্টজন / নাশিবিন্ত।//
হাতে ধনু / ধৰিবিন্ত।//
হেলে সিন্ধু / তৰিবিন্ত।//
শোক পৰি / হৰিবিন্ত।।//
কৌতুকক / কৰিবিন্ত।//
শত্ৰুগণ / মাৰিবিন্ত।।//- ৩২৮০

এয়া যৌগিক ৰীতি।

ওপৰত আলোচনাৰ পৰা দেখা গ'ল, অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে কৰুণৰস-প্ৰধান আদিকাব্য ৰামায়ণৰ মাজৰ পাঁচটি কাণ্ড চাৰিটা মাত্ৰ ছন্দসজ্জাতে প্ৰকাশ কৰি গৈছে। মাত্ৰা স্থাপনৰ যৌগিক ৰীতি প্ৰয়োগ কৰি কবিজনাই এই সজ্জাকেইটাক নিখুঁতৰূপত তুলি ধৰিলে। পৰৱৰ্তী শঙ্কৰী যুগলৈকে তেওঁ থৈ গ'ল ছন্দৰ ৰীতি আৰু ৰূপৰ অনতিবিচিত্ৰ অথচ নিখুঁত এক ঐতিহ্য। শঙ্কৰদেৱ আৰু তাৰাৰ অনুগামীসকলে সেই ৰীতি আৰু ৰূপক অধিক শক্তি আৰু সৌন্দৰ্য দান কৰিলে আৰু লগতে তাত নতুনৰো সংযোগ সাধন কৰি, এক সোণালী যুগৰ পত্তন ঘটালে।■

আধাৰ গ্ৰন্থ ঃ

Dr. Mahendra Bora, Funndamentals of Assamese Metre, 1977.

# মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা ঃ এটি চমু দৃষ্টিপাত

শ্ৰীজীৱকান্ত নাথ

ব্ৰহ্মাই ৰামায়ণৰ স্ৰষ্টা বাল্মীকিৰ আগত এটি ভৱিষ্যত বাণী ঘোষণা কৰিছিল ৰামায়ণ সম্পৰ্কে। বাণীষাৰি হ'ল-

'যাবৎস্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।

তাবদ্ৰামায়ণকথা লোকেষু প্ৰচাৰষ্যতি।।'

অৰ্থাৎ যেতিয়ালৈকে এই মহীতলত নৈ-পৰ্বতবোৰৰ অস্তিত্ব থাকিব তেতিয়ালৈকে ৰামায়ণৰ কাহিনীও লোকসমাজৰ মাজত প্ৰবাহিত হৈ থাকিব। ব্ৰহ্মাৰ এইবাণী আজি ফলিয়াইছে। ধ্ৰুপদী সাহিত্য ৰামায়ণ কথাই আজি ভাৰতৰ লগতে বহুদেশৰ কলানুৰাগীসকলক আকৰ্ষণ কৰি আহিছে। ৰামায়ণ আদিকাব্য আৰু বাল্মীকিক কোৱা হয় আদি কবি। ৰামায়ণৰ দৰে মহাভাৰতো ভাৰতীয় তথা বিশ্ব সাহিত্যৰ এক অমূল্য সম্পদ। এই দুখনি মহাকাব্য তথা ইতিহাসে ভাৰতীয় সাহিত্য, সভ্যতা-সংস্কৃতি আদিৰ বিষয়ে বিস্তৃত বিৱৰণ ধৰি ৰখাৰ গৌৰৱ অৰ্জন কৰিব পাৰিছে।

বাল্মীকি ৰামায়ণৰ ৰচনাৰ কাল খৃঃপূঃ তৃতীয় অথবা চতুৰ্থ শতাব্দী হ'ব বুলি পণ্ডিতসকলৰ অনুমান। ভাৰতীয় প্ৰান্তীয় ভাষাসমূহৰ ভিতৰত তামিল ভাষাতেই প্ৰথম ৰামায়ণ ৰচনাৰ পৰম্পৰা গঢ়ি উঠে। তামিল কবি কম্বানে নৱম শতিকাতে ৰামায়ণ ৰচনা কৰি ভাৰতীয় ৰামায়ণী সাহিত্যৰ প্ৰাদেশিক ভাষাৰ প্ৰথমজন কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। উত্তৰ ভাৰতৰ নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণেই প্ৰাচীনতম। মাধৱ কন্দলীৰ ৰামায়ণৰ বহুকালৰ পিছতহে বঙলা কবি কৃৰ্তিবাসৰ 'কৃৰ্তিবাসী ৰামায়ণ' আৰু হিন্দী কবি তুলসী দাসৰ 'ৰামচৰিত মানস' ৰচিত হৈছিল।

অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন অষ্টম-দশম শতিকাৰ চৰ্যাপদৰ পৰৱৰ্তী কালত সম্পূৰ্ণ নিভাঁজ অসমীয়া ভাষাৰ আৰ্হি পোৱা যায় হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত'খনতেই। এইখনকেই প্ৰথম অসমীয়া ভাষাৰ গ্ৰন্থ বুলি পণ্ডিতসকলে স্বীকৃতি দিছে। প্ৰাক্শংকৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবিজন হ'ল বাল্মীকিৰ সংস্কৃত ৰামায়ণৰ ভাবানুবাদ কৰোঁতা মাধৱ কন্দলী। অসমীয়া কবিকুলৰ এইজন 'জাতীয় কবি'য়ে চতুৰ্দশ শতিকাতে বাল্মীকিৰ ৰামায়ণক অসমীয়া সাজ-পাৰ পিন্ধাই অসমীয়া ভাষা সাহিত্যৰ স্বৰ্ণ সৌধ নিৰ্মাণ কৰি গ'ল। মাধৱ কন্দলীয়ে পোন প্ৰথম বাৰৰ কাৰণে অসমীয়া ভাষাৰ এটি নিজস্ব শৈলী নিৰ্মাণ কৰিলে, যিটোৰ প্ৰভাৱ সেইটো যুগৰ কবিসকলৰ উপৰি পৰৱৰ্তী যুগৰ মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱকে আদি কৰি কবিকুলৰ মাজত বিদ্যমান। অৱশ্যে এওঁলোকে মাধৱ কন্দলীৰ আৰ্হি গ্ৰহণ কৰিলেও নিজস্ব প্ৰতিভা আৰু কৌশলেৰে এক প্ৰকাৰৰ বিশেষ শৈলীৰ সৃষ্টি কৰি গ'ল, যিটোক প্ৰাচীন অসমীয়া ভাষাৰ বিশেষ শৈলী বুলি ক'ব পাৰি।

মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষা বুলি এই প্ৰবন্ধটিৰ নামকৰণ কৰা হৈছে যদিও ইয়াত মাধৱদেৱে ৰচনা কৰা আদিকাণ্ড আৰু শঙ্কৰদেৱে ৰচনা কৰা উত্তৰাকাণ্ডৰ ভাষাকো সামৰি লোৱা হৈছে। প্ৰবন্ধটিত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দ সম্ভাৰৰ সম্পৰ্কতহে প্ৰধানতঃ চমু আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। ধ্বনিতত্ত্বৰ বিষয়ে আলোচনা কৰিলে দেখা যায় যে কবিয়ে অ, আ, ই, ঈ, উ, এ, আৰু ও-- এই কেইটি স্বৰধ্বনি প্ৰয়োগ কৰাৰ লগতে দ্বিস্বৰ বৰ্ণ ঐ আৰু ঔ প্ৰয়োগ কৰিছে। ব্যঞ্জন বৰ্ণৰ ভিতৰত কণ্ঠ্যবৰ্ণ-- ক, খ, গ, ঘ; তালব্য- ব, জ, ঝ; মূৰ্দ্ধণ্য- ট, ঠ, ড, ঢ; দন্ত্য- ত, থ, দ, ধ; ঔষ্ঠ্য-- প, ফ, ব, ভ; উষ্ম-- শ, ষ, স, হ; নাসিক্য-- ঙ, ঞ, ণ, ন, ম; পাৰ্শ্বিক ল; কম্পিত ৰ, ড়

আৰু প্ৰয়োগ কৰা দেখা যায়।

ৰূপতত্ত্বৰ ক্ষেত্ৰত শব্দ বিভক্তিৰ বিচাৰ কৰিলে দেখা যায় যে আধুনিক অসমীয়া ভাষাত থকা ছটা শব্দ বিভক্তিৰ বিপৰীতে ৰামায়ণত সাতটা শব্দ বিভক্তিৰ প্ৰয়োগ দেখা যায়। আধুনিক অসমীয়া ভাষাত ষষ্ঠী বিভক্তিৰ চিন- ৰ পিছতহে -- পৰা পৰসৰ্গৰ প্ৰয়োগ হোৱাৰ বাবে-- পৰা ক পঞ্চমী বিভক্তিৰ চিন হিচাপে দেখুওৱা হোৱা নাই। কিন্তু ৰামায়ণৰ ভাষাত-- হন্তে ক পঞ্চমী বিভক্তিৰ চিন হিচাপে গ্ৰহণ কৰাত আপত্তি নাই; কিয়নো- হন্তেৰ আগত কোনো বিভক্তিৰ চিন ব্যৱহাৰ নোহোৱাকৈ ই পোনে পোনে ব্যৱহাৰ হয়। অৱশ্যে কেতিয়াবা-- ৰ অৰ পিছতহে হন্তেৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তলত বিভক্তিসমূহৰ প্ৰয়োগ উদাহৰণসহ উল্লেখ কৰা হ'ল--

প্ৰথমা - ০ ঃ ইন্দ্ৰজিত বীৰ গৈয়ে ৰণত প্ৰৱেশ।
- এ ঃ ৰাৱণে বোলয় সীতা তোৰ ৰূপ সাৰ।
- য়ে ঃ সীতায়ে বোলন্ত বাপ হোস ৰামদূত।
দ্বিতীয়া - ক ঃ মহাক্ৰোধে ব্যাধক বুলিলা ঋষিৰাজ।
তৃতীয়া - এ ঃ শৰে হানি মেঘনাদে কাটিলন্ত তাক।
চতুৰ্থী - লাগি ঃ ৰামক পাঠাইল ঘোৰ বনবাস লাগি।
- ক ঃ চলি গৈল ইন্দ্ৰজিত ব্ৰহ্মাৰ পাশক।
পঞ্চমী- হন্তে ঃ গন্ধমাদন হন্তে ডেৰ কৰিলন্ত।
ষষ্ঠী- ৰ ঃ ৰামৰ চৰিত্ৰচয় অমৃত সমান।
সপ্তমী- ত ঃ দুৰ্ব্বাসাত উপদেশ পায়া মহামানী।

কন্দলী ৰামায়ণত বহুবচনৰ প্ৰত্যয় হিচাপে- চয়, -গণ, সব, জাক, সকল, বৰ্গ, দল, যূথ আদি প্ৰত্যয়ৰ প্ৰয়োগ দেখা যায়। দুটাক বুজাবৰ কাৰণে- দো, দুই আদি সংখ্যাবাচক শব্দৰ প্ৰয়োগ হৈছে। যেনে ঃ দোভাই, দুইগুটি আদি। আধুনিক অসমীয়া ভাষাৰ দৰে একেটা শব্দকে দ্বিত্বৰূপে প্ৰয়োগ কৰিও বহুবচনৰ ভাৱ কন্দলী ৰামায়ণতো কৰা দেখা যায়। তলত বহুবচনৰ প্ৰত্যবোৰৰ প্ৰয়োগ দেখুওৱা হ'ল--

- চয় ঃ ৰামৰ চৰিত্ৰচয় মহাৰত্ন আতি।
- গণ ঃ বান্ধিবা বানৰগণ ৰামৰ আদেশে।
- সব ঃ শাস্ত্ৰসব পঢ়ন্ত শুনন্ত অবিচ্ছেদ।
- বৰ্গ ঃ বানৰবৰ্গৰ ইঠাৰত কোন কাম।
-সকল ঃ দূত পঠাই আনিবন্ত ৰাজাসকলক।
-জাক ঃ শ্ৰীৰামক প্ৰশংসা কৰিব দেৱজাক।
-যূথ ঃ ৰাক্ষসযূথক দেখিলন্ত হনুমন্তে।

একেটা শব্দকে দুবাৰ উচ্চাৰণ কৰি বহুবচনৰ প্ৰয়োবোৰ এনেকুৱা-- সুবৰ্ণৰ শৰালি উৰয় জাকে জাক, ঘৰে ঘৰে ঋষিৰ আশ্ৰমে নিৰন্তৰে, আকাশৰ মেঘ খণ্ড খণ্ড যে লাঙ্গুলে আদি। মাধৱ কন্দলীৰ ৰামায়ণত বহুবচনৰ প্ৰত্যয় প্ৰয়োগৰ ক্ষেত্ৰত এটা বৈশিষ্ট্য দেখা যায় যে আধুনিক অসমীয়াৰ দৰে তুচ্চাৰ্থ বা মান্যাৰ্থ ভাৱত প্ৰত্যয় প্ৰয়োগৰ কোনো পাৰ্থক্য নাছিল। অৱশ্যে এই লক্ষণটো পুৰণি অসমীয়া সাহিত্যৰ সকলোতেই লক্ষ্য কৰা যায়। কন্দলীৰ ৰামায়ণত ৰাজাজাক, ৰাজাগণ, দেৱজাক, দেৱগণ, কপিজাক, কবিগণ আদি প্ৰয়োগ এইক্ষেত্ৰত লক্ষণীয়।

কন্দলী ৰামায়ণত নিৰ্দিষ্টতাবাচক প্ৰত্যয় হিচাপে-- খন, -খান, -খানি, -খণ্ড, -গোট, -গোটা, -গুটি, -টো, -জন, -জনী, -ভাগ আদি প্ৰত্যয়ৰ প্ৰয়োগ উল্লেখনীয়। যেনে--

- খন ঃ কুৰিখন বাহু।
- খান ঃ ৰথখান দেখিলোহোঁ গজদন্তময়।
- খানি ঃ কৈসানি দেখিবো লঙ্কাখানি পুৰি যাইব।
- খণ্ড ঃ শৰীৰৰ কান্তি প্ৰকাশিত সভাখণ্ড।
- গোট ঃ ব্যাধগোটে আসি পশিলেক যেন যম।
- গোটা ঃ মাৰিবন্ত চাৰিগোটা বীৰ ৰাৱণৰ।
- গুটি ঃ যি দেখিলা মৃগগুটি সুৱৰ্ণৰ কায়া।
- টো ঃ মৃগ নুই সিটো আই ৰাক্ষসৰ মায়া।
- জন ঃ সেৱা কৰি চলিল কামিনী কন্যাজন।
ঃ হটিলেসে নীচজন হোৱে শুদ্ধ ভাৱ।
-জনী ঃ ত্ৰৈলোক্য মোহিনী দিব্য কন্যাজনী।
-ভাগ ঃ দিবাভাগে লঙ্কাৰ গড়ক ফুৰি চাওঁ।

কন্দলীৰ ৰামায়ণত অব্যয় শব্দ বা বিশেষ্যবাচক পৰসৰ্গবোৰৰ যথেষ্ট পৰিমাণে প্ৰয়োগ দেখা যায়। চমুকৈ কেইটামানৰ প্ৰয়োগ ইয়াত দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে--

- কাৰণে ঃ চৰাচৰ জগতৰ কুশল কাৰণে।
- ৰূপে ঃ ৰামৰূপে অৱতাৰ হৈবা নাৰায়ণে।
- সহিতে ঃ নাৰদে সহিতে ব্ৰহ্মা মিলিলা তহিত।
- মতে ঃ সেহিমতে ৰামায়ণ কৰা একচিতে।

- স্বৰূপে ঃ শ্ৰীৰাম স্বৰূপে হৰি জন্মিবা সাক্ষাত।
- বুলি ঃ এহিবুলি ব্ৰহ্মা নিজ লোকে গৈলা চলি।
- নিমিত্তেঃ পুত্ৰৰ নিমিত্তে যজ্ঞ কৰিব অনেক।
- হেতু ঃ দুষ্ট বিনাশনহেতু জগত বিখ্যাত।
- ভাৱে ঃ কৰিবন্ত ভক্তিভাৱে ঋষিক অৰ্চ্চন।
- সমন্বিতে ঃ চতুৰ্দ্দশ সহস্ৰ ৰাক্ষস সমন্বিতে।
- হন্তে ঃ ঋষ্যমুখ পাইবা গই দুণ্ডকাৰ হন্তে।
- সমে ঃ সুগীৱ বানৰসমে ৰামে কৰি মিত্ৰ।
- তো ঃ আমিতো যাইবাক পাৰোঁ শতেক যোজন।
- দিকে ঃ পূৰ্বদিকে ধৱল কোকিল কাক ৰড়ে।
- পাশে ঃ চৌপাশে উপাসি পাৰিষদ যতজন।
- ভিতি ঃ চাৰৈ চতুৰ্ভিতি নৰনাৰী এক দৃষ্টি।

কন্দলীৰ ৰামায়ণত পূৰ্ব প্ৰত্যয়বোৰে নতুন নতুন শব্দ সাধনত সহায়ক হৈছে। এনে পূৰ্ব প্ৰত্যেয় কেইটামান হৈছে-- -অ, -স, -অনা, -আ, -নি আদি। পূৰ্ব প্ৰত্যয়বোৰৰ প্ৰয়োগবোৰ এনেধৰণৰ--

- অ ঃ শুনৰে অধৰ্ম কিনো কৰিলি অকাজ।
- আ ঃ যুৱৰাজে বোলন্ত আসজ ভৈল কাৰ্য।
- অনা ঃ অকাৰণে বধি সবাকো জিনিব।
- স ঃ সসৈন্য হৈবন্ত গৈয়া সিবেলাত থিত।
- নি ঃ জনক নন্দিনী হেন গৈয়া নুহিব নিলাজ।

বৰ্তমান, অতীত আৰু ভৱিষ্যত এই তিনিটা কালৰে প্ৰয়োগ কন্দলী ৰামায়ণত লক্ষ্য কৰা যায়। বৰ্তমান কালত প্ৰথম পুৰুষত-- কৰোঁ, শুনো, দেখো, যাওঁ; দ্বিতীয় পুৰুষত- শুনা, শুনিয়োক, কহ, কহিয়োক আৰু তৃতীয় পুৰুষত কৰে, কহে, ৰাখয় আদি ক্ৰিয়াৰ ৰূপৰ প্ৰয়োগ মনকৰিবলগীয়া। অতীত কালৰ প্ৰথম পুৰুষত ভৈলো, ভৈলোহোঁ, দেখিলোহোঁ, মিলিল, দ্বিতীয় পুৰুষত ভৈলে, পঠাইলে, আইলে আদি আৰু তৃতীয় পুৰুষত জ্বলিল, পুতিল, পশিলা আদি ক্ৰিয়া ৰূপৰ ব্যৱহাৰ দেখা যায়। ভৱিষ্যত কাল বুজাবৰ বাবে প্ৰথম পুৰুষৰ কহিবো, পঠাইবো, পাইবো আদি, দ্বিতীয় পুৰুষত কহিবি, পঠাবাহা আদি আৰু তৃতীয় পুৰুষত ভজিবি, নোৱাৰিবে আদি ক্ৰিয়া ৰূপৰ প্ৰয়োগ পৰিদৃষ্ট হয়।

কন্দলীৰ ৰামায়ণৰ ভাষাত প্ৰয়োগ হোৱা পুৰুষবাচক সৰ্বনামবোৰৰ প্ৰয়োগ চমুকৈ তলত উল্লেখ কৰা হ'ল। প্ৰথম পুৰুষত-- তই, তোৰ, মোক, আমাক, আমাৰ, আমৰা, আমি, মোহোৰ, আমাসাক আদি। দ্বিতীয় পুৰুষত- তই, তোৰ, তুমি, তোমাৰ, তোক, তোহোৰ আদি। তৃতীয় পুৰুষত ব্যৱহৃত সৰ্বনামবোৰ হ'ল-- তান, তাঙ্ক, তাই, তাৰা, তেসম্বে, তেসম্বো, তাহাক আদি। পুৰুষবাচক সৰ্বনামবোৰৰ প্ৰয়োগৰ উপৰি স্থানাবাচক আৰু কালবাচক সৰ্বনাম কিছুমানৰ প্ৰয়োগো ৰামায়ণত পৰিদৃষ্ট হয়। স্থানবাচক সৰ্বনাম কিছুমান হ'ল-- তহিত, তথাত, তথা, তৈতে, কৈকে, কোথেৰ আদি। কালবাচক সৰ্বনাম কেইটামান হ'ল-- তাৰক্ষণে, তেখনে, এখন, এতিখন, যেতিখন, এভো আদি।

কন্দলীৰ ৰামায়ণত নঞাৰ্থক ক্ৰিয়াপদবোৰত 'ন'ৰ কেতিয়াবা পৰিৱৰ্তন ঘটিছে আৰু কেতিয়াবা অপৰিৱৰ্তিত ৰূপত ব্যৱহৃত হৈছে। যেনে-- নমাতি, নজানিয়, নজানো, নুহি, নাহিকে, নেদিল, নিজিনি, নকৰিল, নজানিল আদি। সংযোগাত্মক স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ-- এৰ, এৰে. এৰো আদিৰ ব্যৱহাৰ মাধৱ কন্দলীৰ ৰামায়ণত পৰিদৃষ্ট হয়; যেনে ঃ কৰি এৰ, হানি এৰে, গুচাই এৰো আদি।

ৰামায়ণখনিত অনুৰূপ আৰু অনুকাৰ আদি শব্দৰাজিয়ে কবিৰ কাব্যিক প্ৰতিভা উজ্বলাই তোলাৰ লগতে অসমীয়া ঘৰুৱা মাত-কথাৰ আৰ্হিয়েও প্ৰকাশ লাভ কৰিছে। কিছুমান অনুৰূপ শব্দ এনেধৰণৰ-- অস্ত্ৰ শস্ত্ৰ, স্তুতি নতি, ফলমূল, বাকলি বসন, ৰঙ্গে চঙ্গে, খুজিলুৰি, কাউবাউ, দোঙ্গাদুঙ্গি, আজোৰপিজোৰ, ভাঙ্গিমুৰি, আসুটি কুসটি, ৰণ্ড ভণ্ড, তোলবোল আদি। অনুকাৰ শব্দৰ উদাহৰণ হ'ল-- টলবল, খলখলি, ধলমল, টাবটুব, চটপট, ভকভক, আতাস বিতাস, চিওঁ চিওঁ, ঢপ ঢপ, খলমলি, ৰমমৰিয়া আদি। ৰামায়ণত ব্যৱহৃত সংখ্যাবাচক শব্দবোৰ এনেধৰণৰ-- এক, দুই, দো, তিনি, ত্ৰিদশ, চাৰি, সত্তৰি, শত, চতুৰ্দশ, সহস্ৰ, শতবাৰ, কৌটি, দশ যোজন, দুতী আদি।

মাধৱ কন্দলী সংস্কৃত ভাষাৰ এগৰাকী বিদগ্ধ পণ্ডিত হোৱাৰ বাবে ৰামায়ণত যথেষ্ট পৰিমাণে তৎসম শব্দৰ প্ৰয়োগ হৈছে। অৱশ্যে ইয়াৰ লগে লগে অৰ্দ্ধ তৎসম আৰু তদ্ভৱ শব্দৰাজিয়েও কন্দলীৰ ভাষাক মধুৰ আৰু ওজস্বী কৰি তুলিছে। তৎসম শব্দ কিছুমানৰ উদাহৰণ

হ'ল-- ক্ৰৌঞ্চ, পক্ষী, বৃক্ষ, হস্তী, ঋষি, কল্যাণ, কৃপা, সঙ্গম, ব্যাধ, ক্ৰোধ, সংহাৰ, চৰাচৰ, জগত, দুৰ্জ্জন, নৃপতি, যজ্ঞ, ধৰ্ম্ম, চন্দ্ৰ, দিবাকৰ, গগণ, পুত্ৰ, ৰাক্ষস, স্বৰ্গ আদি। সংস্কৃত ভাষাৰ সংযুক্ত ব্যঞ্জন বৰ্ণবোৰ স্বৰভক্তি বা বিপ্ৰকৰ্ষৰ ধ্বনি পৰিবৰ্তনৰ সূত্ৰেৰে সৰলীকৰণ কৰি কন্দলীয়ে জটিল সংস্কৃত শব্দৰাজিক কোমল কৰি তুলি অসমীয়াত্ব প্ৰদান কৰিছে বুলি ক'ব পাৰি। এনে অৰ্দ্ধতৎসম শব্দ কিছুমানৰ উদাহৰণ হ'ল-- হৰিষ (হৰ্ষ), উতপন (উৎপন্ন), পৰাণ (প্ৰাণ), অগনি (অগ্নি), শকতি (শক্তি), গিয়াতি (জ্ঞাতি), মগন (মগ্ন), বিঘিনি (বিঘ্নি) শবদ (শব্দ), ৰকত (ৰক্ত), তৃপিতি (তৃপ্তি), ভকতি (ভক্তি), ভকত (ভক্ত) দৰশন (দৰ্শন) আদি। সংস্কৃত ভাষাৰ পৰা পালি, প্ৰাকৃত, অপভ্ৰংশ আদি ভাষাৰ মাজেদি ক্ৰমবিকাশ লাভ কৰি তদ্ভৱজাতীয় শব্দই অসমীয়া ভাষাত নিজস্ব ৰূপ পৰিগ্ৰহ কৰি অসমীয়া ভাষাৰ ভৰাঁল চহকী কৰাৰ লগতে সৌষ্ঠৰ বৃদ্ধি কৰিছে। তদ্ভৱ শব্দৰ উদাহৰণ অলেখ দিব পাৰি। মাথোন কেইটামান উদাহৰণ স্বৰূপে ইয়াত উল্লেখ কৰা হ'ল। যেনেঃ জিউ, সপোন, লখাই, থান, হাত, আতাস, আগ, আজি, কপাল, ভাই আদি শব্দ। সংখ্যাত তাকৰ হ'লেও কন্দলী ৰামায়ণত দোকান, বজাৰ, কাপৰ আদি পাৰসীয় শব্দ আৰু 'পয়দা' আদিৰ দৰে হিন্দী ভাষাৰ শব্দও লক্ষ্য কৰা যায়। বিভিন্ন উৎসৰ পৰা অহা এনে শব্দৰাজিয়ে কবিৰ ৰচনাৰ ভাৰসাম্য ৰক্ষা কৰি এক সহজ সৰল সৰ্বজনবোধ্য এক বিশেষ ভাষা শৈলীৰ সৃষ্টি কৰিছে।

কন্দলীৰ ৰামায়ণৰ ভাষাক এক বিশেষ মৰ্যদা আৰু মাত্ৰা প্ৰদান কৰিছে ইয়াত ব্যৱহৃত হোৱা জতুৱা ঠাঁচ আৰু যোজনা পটন্তৰ আদিয়ে। জতুৱা কথ্য ৰূপ আৰু সহজ-সৰল ঘৰুৱা প্ৰকাশভঙ্গী কন্দলীৰ ৰচনাৰ এটি বিশেষ বৈশিষ্ট্য। এনেধৰণৰ কিছুমান উদাহৰণ হ'ল-- মূষকে চাচৰি কৰে বিড়ালৰ আগে, বটালী নকাটে যেন বিনা হাঠুৰীয়ে, তপত খোলাত দিলে যেন মৎস্য মৰে, অলপ পানীৰ মাছ দদৰা-দদৰি, নিশ্বাস জোকাৰে যেন ঠঠাৰিৰ ভাটি, লঙ্কাপুৰিখন কাঁস পৰিজিম গৈল, ঘৰলগা ধান যেন বৰিষণ জ্বলে, বৰশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি আদি।

কম কথাৰে একোটি ভাৱ ফুটাই তুলিব পৰাটো মাধৱ কন্দলীৰ ভাষাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। উপযুক্ত শব্দ চয়ন, ঘৰুৱা উপমা, ৰূপক পটন্তৰ আদিয়ে কবিৰ ভাষাক এক ঐশ্বৰ্য দান কৰিছে। দুই এটি উদ্ধৃতি চয়ন কৰিলে কবিৰ ভাষাৰ এনে বিশেষত্ব পৰিলক্ষিত হ'ব--

'তুলা নিবে নোৱাৰয় ভাৰ বান্ধে শিলে।
গুগুকুৰি পৰুৱায়ে হাতী গোট গিলে।।
ঢোল হেন ডিমা পাৰে চুঙ্গাৰ বাদুলি।
পিপিয়া চটকে পৰ্ব্বতক লৰে তুলি।।'

আকৌ--

'ৰাক্ষসৰ কোলে দেৱী পৰম নিৰ্ম্মল।
মেঘক ফেৰিয়া যেন চন্দ্ৰৰ মণ্ডল।।
স্তন মাজ হন্তে আসি পৰি গৈল হাৰ।
গগণৰ হন্তে যেন গঙ্গা অৱতাৰ।।'

মুঠৰ ওপৰত মাধৱ কন্দলীৰ ৰামায়ণৰ ভাষাই এক মনোৰম কথকতা আৰু সুকুমাৰ কবিত্বৰ মায়াজালে পাঠক-শ্ৰোতাৰ মনোজগতত এক বিশেষ আহ্লাদ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।■

# সীতাৰ ক্ষোভ ঃ শঙ্কৰদেৱৰ উত্তৰাকাণ্ড

**ড° উইলিয়াম এল. স্মিথ**

**অনু ঃ ড° সুৰেশ চন্দ্ৰ বৰা**

বাল্মীকিৰ ৰামায়ণৰ সাতকাণ্ডৰ ভিতৰত উত্তৰাকাণ্ডই হৈছে আটাইতকৈ বৈষম্যপূৰ্ণ। মূলতঃ অনুবোধক বা উত্তৰকালিক চিন্তাৰ ফলশ্ৰুতিৰূপে সংযোজন কৰা এই উত্তৰ কাণ্ডটিয়ে অনুলেখ আৰু প্ৰস্তাৱনা-- এই দুই ধৰণেই উদ্দেশ্য সাধন কৰিছে। কাৰণ, ই এহাতে যিদৰে বিজয়ী ৰামচন্দ্ৰৰ অযোধ্যা প্ৰত্যাৱৰ্তনৰ পৰা আৰম্ভ কৰি তেওঁৰ দেহাৱসন পৰ্যন্ত ঘটা ঘটনাপ্ৰৱাহ বিবৃত কৰিছে সেইদৰে ৰাৱণৰ জীৱনৰ প্ৰথমছোৱা আৰু হনুমানৰ শৈশৱকালৰ বিৱৰণো দাঙি ধৰিছে। বাল্মীকি বিৰচিত ৰামায়ণ মূল সংস্কৰণত[১] সম্পূৰ্ণ এশটা সৰ্গ আছে। ইয়াৰে প্ৰথম ৪৭টা সৰ্গ সমাঞ্জস্যহীন বৰ্ণনাৰে ভৰা (সৰ্গ ঃ ১-৩৬, ৬৮-৭২, ৭৫-৮১), পৰৱৰ্তী বিশটা সৰ্গত সীতাৰ দ্বিতীয় বনবাসৰ কাহিনী বৰ্ণিত হৈছে আৰু শেষত সীতাই কিদৰে মাতৃ বসুমতীৰ কোলাত আশ্ৰয় লৈছে তাক দেখুৱা হৈছে (সৰ্গ ঃ ৫২-৫৭, ৫৯-৬৩, ৯০-৯২) আৰু একেবাৰে শেষৰ আঠটা সৰ্গত ৰামৰ স্বৰ্গাৰোহণ বৰ্ণিত হৈছে (সৰ্গ ঃ ৯৩-১০০)। যিহেতু এই সৰ্গৰ বিষয়বস্তুৰ অধিকাংশই পৰৱৰ্তী সংযোজনহে সেয়েহে পিছৰ যুগৰ কবিসকলে এই কাণ্ডটি নানা ধৰণে ৰূপায়িত কৰাৰ সুবিধা পাইছে। তাৰে ভিতৰত কোনো কোনো কবিয়ে কাণ্ডটিৰ বিশেষ পৰিৱৰ্তন নকৰি একেখিনি ঘটনাৰে পুনৰাবৃত্তি কৰিছে,আন কোনোৱে হয়তো নতুন বিষয়ৰ সংযোজন ঘটাই কাণ্ডটো আওকাণ কৰিব পৰা নাই। এই কাণ্ডটিৰ অন্তৰঙ্গ আৰু কেন্দ্ৰীয় বিষয় বস্তু হ'ল সীতাৰ দ্বিতীয় বনবাস আৰু ৰামৰ সৈতে শেষ বিচ্ছেদ। নিৰ্বাসিতা সীতাৰ বিননিৰে কাৰুণ্যময় হৈ পৰা এই কাহিনীটোৱে পৰৱৰ্তী কবিসকলক কৰুণ ৰসৰ অভিব্যঞ্জনাৰ ক্ষেত্ৰত স্বকীয় পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ বাবে সুযোগ দিছে। একে সময়তে সীতা-প্ৰত্যাখানৰূপ কাৰ্য তোষামোদ বিহীনভাৱেই বৰ্ণনা কৰা দেখা যায়। সেয়েহে হেনো ৰামক দোষ মুক্ত কৰাটো সমীচীন বুলি ভাবি তাৰ কাৰণে নানা উপায়ৰ অন্বেষণ কৰিছে। এই কাহিনীটো সম্পূৰ্ণভাৱে বাদ দিয়াটোৱেই হৈছে আটাইতকৈ সহজ উপায় যিটো তুলসীদাসে কৰিছে। ৰামৰ উক্ত কাৰ্যৰ বৰ্ণনা আনধৰণে দিও তেওঁক দোখমুক্ত ৰূপত দেখুৱাব পৰা যায় আৰু অধ্যাত্ম-ৰামায়ণত তাকেই কৰা হৈছে। কিন্তু এই প্ৰসঙ্গত এক সুকীয়া অসাধাৰণ পথ অৱলম্বন কৰিছে কবি মহাপুৰুষ শঙ্কৰদেৱে।

বাল্মীকিৰ মতে, পাপমতি দুৰ্জনে প্ৰজাৰ মাজত সীতাৰ সতীত্বৰ বিষয়ে যি সন্দেহৰ বীঁজ সিঁচি দিছিল তাৰে ভিত্তিতে ৰামে সীতাক নিৰ্বাসিত কৰিছিল। দুৰ্জনৰ কথা শুনি ৰামৰ প্ৰজাসকলে সীতাই যে লম্পট ৰাক্ষস ৰাৱণৰ বন্দিনী হৈ বহু মাহ কটাইছিল সেই কথা বাৰে বাৰে সুঁৱৰিব ধৰিলে। সীতাই আনকি দেৱতাসকলৰ মনৰপৰা আঁতৰি গ'ল। সেয়েহে লোক অপবাদৰ ভয়ত (অপবাদ ভয়ভীতঃ) ৰামে নিজ মুখেৰে সীতাক এটাও কথা নোকোৱাকৈ লক্ষ্মণৰ হতুৱাই নিৰ্বাসন দিয়ে। গৰ্ভৱতী সীতাই তেতিয়া মহৰ্ষি বাল্মীকিৰ আশ্ৰমত আশ্ৰয় লয় আৰু তাতেই লৱ আৰু কুশ নামৰ দুই যমজ পুত্ৰক জন্ম দিয়ে (৭.৪২-৪৯)। বাল্মীকিৰ পৰৱৰ্তী যুগত ৰচিত ৰামায়ণসমূহৰ ভিতৰত বোধহয় অধ্যাত্ম-ৰামায়ণেই[২] আটাইতকৈ বেছি প্ৰভাৱশালী। এই ৰামায়ণে ৰামৰ জীৱনৰ অন্যান্য কাৰ্যাৱলীৰ দৰে বিতৰ্কিত ৰহস্যময়ভাৱে, অথচ পৰিপাটিকৈ উপস্থাপন কৰিছে। ইয়াত ৰামৰ সমগ্ৰ পাৰ্থিৱ জীৱদ্দশা ঈশ্বৰৰ লীলা মাত্ৰ বুলি প্ৰতিপাদন কৰা হৈছে। নিজৰ একান্ত ভক্তসকলৰ কল্যাণৰ অৰ্থে ৰাম আৰু সীতাই স্বেচ্ছাই নিজৰ নিজৰ ভূমিকা পালন কৰিছে। উত্তৰাকাণ্ডত

ৰাম-সীতাৰ এই পাৰ্থিৱ লীলাৰ পৰিসমাপ্তি ঘটাব খোজা হৈছে। সেই মৰ্মে ইয়াত ঘটনাৱলী এনেদৰে সজোৱা হৈছে, লীলা অন্তত সীতা বৈকুণ্ঠলৈ উভতি যাব আৰু ৰামে তেওঁক অনুসৰণ কৰি বৈকুণ্ঠত তেওঁৰ লগত মিলিত হ'বগৈ। ৰাম সামান্য মানুহৰ দৰে সংসাৰ বন্ধনত আৱদ্ধ হৈ পৰিব আৰু লোক অপবাদৰ ভয়ত সীতাক নিৰ্বাসন দিব। নিৰ্বাসিত সীতাই বাল্মীকি মুনিৰ আশ্ৰমত আশ্ৰয় ল'ব আৰু তাতে তেওঁ দুটি যমজ পুত্ৰৰ জন্ম দিব। অৱশেষত সীতাই মাতৃ বসুমতীক সাক্ষী কৰি নিজৰ সতীত্ব সম্পৰ্কে শপত খাই বসুমতীৰ ফাঁটেদি প্ৰৱেশ কৰি ইহসংসাৰ ত্যাগ কৰিব। এই প্ৰসঙ্গত ৰামে সীতাক এই বুলি কৈছে--

'ভূমোৰ্ৰ্বিৰৰমাত্ৰেণবৈকুণ্ঠং যাস্যতিদ্ৰুম্।
পাশ্চাদহংগমিষ্যামি এয এৱ সুনিশ্চয়ঃ।।
(৭/৪/৪৪)

(অৰ্থাৎ হে সীতা, তুমি দ্ৰুতবেগে পৃথিৱীৰ ফঁটেদি বৈকুণ্ঠলৈ গুছি যাবা আৰু মই তোমাক অনুসৰণ কৰিম-এয়ে মোৰ সিদ্ধান্ত।)

এই ভক্তিমূলক প্ৰয়াসৰ অব্যক্ত সুৰ, লক্ষ্মণে বনত এৰি থৈ অহাৰ পিছত সীতাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ যি দোষ স্বীকাৰ কৰিছে, তাৰ মাজেদি পৰিস্ফুট হৈছে। কবিয়ে মাথোন কৈছে যে সীতাই অত্যন্ত হতবুদ্ধি হৈ বিলাপ কৰিবলৈ ধৰিলে (বিলাপ অতিমুগ্ধহৎ, ৭/৪/৬০)। সীতাৰ বিৰহৰ এই সংক্ষিপ্ত অথচ হৃদয়বিদাৰক, করুণ বৰ্ণনাৰ ক্ষেত্ৰত ভাৰতীয় কাব্য-পৰম্পৰাৰ উদাসীনতা বিশেষ মন কৰিবলগীয়া। কিন্তু ইয়াৰ বিপৰীতে হঠাৎ আৰু একেধৰণে কৃষ্ণৰ দ্বাৰা প্ৰত্যাখ্যাত হোৱা ৰাধাৰ করুণ বিৰহ বিননিসমূহে শঙ্কৰ ভিন্ন ভক্তিমাৰ্গী কবিসকলক বিশেষ আকৃষ্ট কৰা দেখা গৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ (পৰম্পৰা অনুসৰি ১৪৪৯ - ১৫৬৮ খৃঃ) বল্লভাচাৰ্য আৰু চৈতন্যৰ প্ৰায় সমসাময়িক আছিল। তেওঁ যি একশৰণ ধৰ্মমত প্ৰতিষ্ঠা কৰিলে, সি তেওঁৰ দিনৰেপৰা আৰম্ভ কৰি অসমৰ বৈষ্ণৱ সম্প্ৰদায়ত সামগ্ৰিকভাৱে প্ৰাধান্য লাভ কৰি আহিছে। তেওঁ এজন অতিশয় নিপুণ, প্ৰতিভাশালী কবি আছিল আৰু মৈথিলী, অসমীয়া আৰু সংস্কৃত ভাষাৰ অনৱদ্য সাহিত্যৰাজি ৰচনা কৰিছিল। এই ৰচনাৱলীৰ ভিতৰত অসমীয়া ভাষাত প্ৰণীত গ্ৰন্থই সৰহ। ইয়াৰ ভিতৰত ভাগৱত পুৰাণৰ কেইটামান স্কন্ধৰ অসমীয়া অনুবাদ, হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য আৰু সংস্কৃত ভাষাৰ অন্যান্য গ্ৰন্থৰ অনুবাদ বিশেষ উল্লেখযোগ্য। মাধৱ কন্দলীয়ে খৃষ্টীয় ১৪ শতিকাতে বাল্মীকি প্ৰণীত ৰামায়ণখন অসমীয়ালৈ অনুদিত কৰে। (ঘটনাক্ৰমে আধুনিক ভাৰতীয় ভাষাত ৰচিত ৰামায়ণসমূহকৰ ভিতৰত এইখনেই সবাতোকৈ প্ৰাচীন। শঙ্কৰদেৱে তেওঁৰ পূৰ্বকবি মাধৱ কন্দলীৰ কাব্য প্ৰতিভাৰ ভূয়সী প্ৰশংসা কৰিছে। সেয়ে হ'লেও মাধৱ কন্দলী ৰামায়ণত দুটা ডাঙৰ খুঁট থাকি গ'ল। সেয়া হৈছে, ইয়াত প্ৰথম আৰু শেষত কাণ্ড দুটা নাই। তাতকৈ ডাঙৰ দোষটো হৈছে, ইয়াত ভক্তিধৰ্মৰ কোনো পৰিচৰ্চা ঘটা নাই। সেয়েহে প্ৰচলিত লোকবিশ্বাস অনুসৰি মাধৱ কন্দলীয়ে এবাৰ সপোনত আহি শঙ্কৰদেৱক দৰ্শন দিয়ে আৰু তেওঁ (মাধৱ কন্দলীৰ) দ্বাৰা ৰচিত ৰামায়ণখন (অৰ্থাৎ পাঁচ কাণ্ড) যাতে বিস্মৃতিৰ গৰ্ভত বিলুপ্ত হৈ নাযায়, তাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। সেয়েহে ঘৰুজনাই মাধৱ কন্দলীৰ ৰামায়ণত ভক্তিমূলক উপদেশ বাণীৰ সংযোজন ঘটায়, যাতে বৈষ্ণৱ ভক্ত সমাজত গ্ৰন্থখনে অধিক সমাদৰ লাভ কৰে। সেই মৰ্মে তেওঁ নিজে উত্তৰাকাণ্ড প্ৰণয়ন কৰে আৰু নিজৰে শ্ৰেষ্ঠ ভক্ত আৰু সৰ্বপ্ৰধান উত্তৰাধিকাৰী মাধৱদেৱৰ দ্বাৰা আদিকাণ্ড (যাক উত্তৰ-ভাৰতত বালকাণ্ড বুলি জনা যায়) ৰচনা কৰায়।

শঙ্কৰদেৱে তেওঁৰ উত্তৰাকাণ্ড বাল্মীকিৰ ৰামায়ণৰ ভিত্তিতে ৰচনা কৰিছিল। ভাৰতীয় প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণসমূহ এইদৰেই বাল্মীকি ৰামায়ণৰ ভেটিতে হৈ অহা ৰামৰ আখ্যানসমূহৰ পৰা মুকলিমূৰীয়াকৈ বিষয় বস্তু গ্ৰহণ কৰিছিল। কিন্তু ইয়াৰ বিপৰীতে শঙ্কৰদেৱে উত্তৰাকাণ্ড ৰচনা কৰোঁতে স্পষ্ট ৰূপত কেৱল বাল্মীকিকহে অনুসৰণ কৰিছিল। শঙ্কৰদেৱৰ পৰৱৰ্তী কবিসকলে প্ৰান্তীয়ভাৱে ৰামায়ণ ৰচনা কৰোঁতে অসমত বহুলভাৱে প্ৰচলিত ৰামৰ অলৌকিক কাহিনীবোৰ মুকলিমূৰীয়াকৈয়ে উপজীব্য স্বৰূপে গ্ৰহণ কৰিছিল।[৩] আনকি মাধৱদেৱেও তেওঁৰ আদিকাণ্ডত অনেক অলৌকিক উপাখ্যান সন্নিবিষ্ট কৰিছে। এনেস্থলত শঙ্কৰদেৱে বিষয়বস্তুৰ দিশত কিছু পৰিৱৰ্তন

সাধন কৰিছে আৰু তেওঁ নিজে কৰা উদ্ভাৱনসমূহে এক নতুন দিশ উন্মোচন কৰিছে, যিটো সমগ্ৰ ৰামায়ণী সাহিত্যৰ এক অসাধাৰণ কথা।

শঙ্কৰদেৱৰ পৰম্পৰাগত ৰীতি অনুসৰিয়েই এটি মঙ্গলাচৰণেৰে নিজৰ উত্তৰকাণ্ডৰ ৰামায়ণ আৰম্ভ কৰিছে। ইয়াত ৰাম-নামৰ মহিমা এনেদৰে ঘোষণা কৰিছে--

'ৰাম নাম বিনে নাহি সংসাৰ নিস্তাৰ।
হেন জানি ৰামৰ চৰিত কৰা সাৰ।।
ৰাম নাম প্ৰমত্ত সিংহৰ মহানাদে।
পলায় পাপহস্তীযুথ পৰম বিষাদে।। (পৃঃ ৪৭৭)[৪]

বাল্মীকি ৰামায়ণৰ উত্তৰাকাণ্ডৰ প্ৰথম ৩৬টা সৰ্গ ঋষি অগস্ত্যই বৰ্ণনা কৰা উপ-আখ্যানেৰে পৰিপূৰ্ণ। শঙ্কৰদেৱে সেইসমূহ পৰিহাৰ কৰি এক অমঙ্গলজনক সূচনাৰে কাণ্ডটোৰ আৰম্ভ কৰিছে। ইয়াত আমি পাওঁ যে যি সময়ত সীতা অন্তঃসত্বা হোৱা দেখি গোটেই অযোধ্যা ৰাজ্যত আনন্দৰ জোৱাৰ উঠিছে সেই সময়তে বিধাতাৰ কু-দৃষ্টিবশতঃ এক অবাঞ্চনীয় অঘটন ঘটিছে (মিলিল পাচে বিধিৰ বিপাকে)। তাৎপৰ্যপূৰ্ণভাৱে ইয়াত শঙ্কৰদেৱে ৰামৰাজ্যৰ স্বৰ্ণময় যুগৰ কোনো উল্লেখ কৰা নাই। অথচ আন সকলো কবিয়ে ৰামৰ জীৱন চৰিতৰ পাতনি স্বৰূপে এই ৰামৰাজ্যৰ গৌৰৱময় যুগৰ কথা বৰ্ণনা কৰিছে। শঙ্কৰদেৱে হয়তো আসন্ন অঘটনাৰ প্ৰতি দৃষ্টি ৰাখিয়েই ইয়াৰ উল্লেখ নকৰাটোকে সমীচীন বুলি ভাবিলে।

ঘটনাক্ৰমে দেখা যায় যে সীতাই পূৰ্বে বনবাসৰ কালত থাকি অহা আশ্ৰমবিলাক ভ্ৰমণ কৰিবলৈ জন্মা নিজৰ অভিলাষৰ কথা ৰামৰ আগত ব্যক্ত কৰিছে। কেইফাঁকিমান পদ যোৱাৰ পাছত ৰামে প্ৰজাৰ মাজত সীতাৰ বিষয়ে প্ৰচাৰিত হোৱা কলঙ্কৰ কথা শুনিবলৈ পায় আৰু তেতিয়া তেওঁ লক্ষ্মণক মাতি আনি নিৰলে, সীতাক বনলৈ লৈ যাবলৈ আৰু সেই অজুহাততে নিৰ্বাসন দিবলৈ কয়। ৰামৰ চকুৰ চাৱনি দেখি ভয়ত লক্ষ্মণে প্ৰতিবাদৰ এটাও শব্দ উচ্চাৰণ কৰিব নোৱাৰিলে।[৫] নিৰুপায় হৈ তেওঁ সীতাক ৰথত তুলি নি বনত বিসৰ্জন দিয়েগৈ। কিন্তু লক্ষ্মণে সীতাক জানিবলৈ দিয়ে যে ৰামৰ আদেশমতেই তেওঁ এই নিষ্ঠুৰ কাৰ্য কৰিবলগীয়া হয়। নিজৰ স্বামীয়ে এইদৰে বনৰ মাজত মৰিবলৈ এৰি দিয়া কাৰ্যৰ কথা ভাবি সীতা অতিশয় বিস্মিত হ'ল। শঙ্কৰদেৱে সীতাৰ এই মনস্তাত্ত্বিক দিশটোৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াত মন কৰিবলগীয়া বিষয় হ'ল এয়ে যে ৰামে সীতাক কেৱল প্ৰত্যাখ্যানেই কৰা নাই, তেওঁক মৃত্যুৰ গৰালৈ ঠেলি দিছে, অৰ্থাৎ পৰোক্ষভাৱে তেওঁ হত্যাকাৰীৰ ভূমিকা গ্ৰহণ কৰিছে। এনেদৰে ভবাটো অতিৰঞ্জিত নহয়, কিয়নো ভাৰতীয় সাহিত্যত অৰণ্যক সদায় 'ভীষণ' বা 'ঘোৰ' বুলি বৰ্ণনা কৰি অহা হৈছে। হিংস্ৰ জন্তু আৰু বৰ্বৰ লোকেৰে সমাকীৰ্ণ এই অৰণ্য প্ৰচণ্ডতাৰে নামান্তৰ মাথোন।[৬]

ইতিমধ্যে অযোধ্যাৰ দৃশ্যপটলৈ চালে দেখা যায় যে ৰামচন্দ্ৰ নিজৰ পাপৰ কাৰণে অতিশয় অনুতপ্ত হৈছে--

'কৰিলো পাতকী গৰ্ভৱতী স্ত্ৰীৰ বধে,
তেজিলো পাতকী মঞি নিদাৰুণ মনে।
সীতা বিনা ৰামৰ নুগুচে হৃদিখেদ। (পৃঃ ৪৬৯)

শঙ্কৰদেৱে অৱশ্যে ৰামৰ এই অনুশোচনাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা নাই, তেওঁ সীতাৰ প্ৰত্যাখ্যানৰ বৰ্ণনা অতি সংক্ষেপে মাত্ৰ ৩৪ ফাঁকি পদৰ ভিতৰতে সম্পূৰ্ণ কৰিছে।

সীতাক ত্যাগ কৰাৰ কিছুদিনৰ পিছত ৰামে এটা অশ্বমেধ যজ্ঞ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত কৰে। ইতিমধ্যে আশ্ৰমস্থা সীতাৰ গৰ্ভত লৱ আৰু কুশ নামৰ দুই পুত্ৰৰ জন্ম হয়। তেওঁলোক ক্ৰমে ডাঙৰ-দীঘল হৈ গুৰু বাল্মীকিৰপৰা ৰামায়ণ অধ্যয়ন কৰে। পৰিব্ৰাজক চাৰণ (গায়ক) ৰূপে ৰামৰ জীৱন চৰিত গাই ফুৰা এই লৱ-কুশ এটা সময়ত ৰামৰ যজ্ঞভূমিত উপস্থিত হয়হি। সমবেত অযোধ্যাৰ প্ৰজাসকলে এই দুই কুমাৰৰ মুখত সমগ্ৰ ৰামায়ণৰ গায়ন বা আবৃত্তি শুনি বিস্ময় আৰু আনন্দত অভিভূত হৈ পৰিল। শঙ্কৰদেৱে তেওঁৰ উত্তৰাকাণ্ডত লৱ আৰু কুশই কৰা ৰামায়ণ গায়নৰ এক চমু সাৰাংশ অন্তৰ্ভুক্ত কৰিছে। এই গোটেই খণ্ডটি ৰামৰ স্তুতিৰে পৰিপূৰ্ণ। ৰামায়ণ আবৃত্তিৰ শেষৰফাল লৱ-কুশই ঋষি অগস্ত্যৰ দ্বাৰা বৰ্ণিত ৰাৱণৰ বৃত্তান্ত আৰু হনুমানৰ শৈশৱৰ কাহিনী বৰ্ণনা কৰিছে। আমি ওপৰত উল্লেখ কৰিছোঁ যে অগস্ত্যৰ দ্বাৰা বৰ্ণিত এই আখ্যানবোৰ বাল্মীকি ৰামায়ণৰ উত্তৰাকাণ্ডত পোৱা যায় যদিও শঙ্কৰদেৱে সেইখিনি পৰিহাৰ কৰিছে। এইদৰে

মূল আখ্যানভাগ স্থানান্তৰিত কৰি আগবঢ়াই নি তেওঁ মূল কাণ্ডটিৰ জটিল গাঁঠনিটোৰ পুনৰ্বিন্যাস কৰি ইয়াক এটা অখণ্ড আখ্যানৰ ৰূপত সজাই তুলিছে। অগস্ত্যৰ দ্বাৰা বৰ্ণিত আখ্যানকেইটা আৰম্ভণিতে কদাকাৰভাৱে ওলোমাই ৰখাৰ পৰিৱৰ্তে শঙ্কৰদেৱে সেইকেইটা মূল আখ্যানৰ মাজত অতি সংক্ষিপ্ত ৰূপত সুমুৱাই দিছে। তেওঁ যি সুৰত উত্তৰাকাণ্ড আৰম্ভ কৰিছে, সেই একে সুৰতে লৱ আৰু কুশইও ৰামায়ণৰ গায়ন শেষ কৰিছে--

মিলিল দুৰ্য্যোগ পাচে পাইলেক বিপাকে।
জনবাদে দিল ৰামে নিৰ্বাস সীতাকে।।
তাহাঙ্ক বধিবে ৰাঘৱৰ ভৈল মতি।
ভৈলা ৰাম স্বামী জানকীৰ যমকালে।।'

(পৃঃ ৪৮৩)

সীতা ত্যাগৰ এই সংবাদ পাই সমবেত শ্ৰোতাসকলে শোকত চকুলো টুকিলে আৰু ৰাম মূৰ্চিত হৈ পৰিল। সংজ্ঞা লাভ কৰাৰ পিছত ৰামে বুজি পালে যে ৰামায়ণ গায়ন কৰা ল'ৰা দুটা প্ৰকৃততে তেওঁৰে পুত্ৰ। তেতিয়া তেওঁ সীতাৰ লগত পুনৰ মিলিত হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু ৰামে এটা স্বত্বৰ কথা ভাবিলে যে সীতাই তেওঁৰ প্ৰজাৰ সন্তুষ্টিৰ কাৰণে নিজৰ নিষ্কলঙ্ক চৰিত্ৰ এবাৰ পুনৰ প্ৰমাণ কৰি দেখুৱাব লাগিব। মূল সংস্কৃত ৰামায়ণৰ মতে ৰামে কেইজনমান দূতক বাল্মীকিৰ ওচৰলৈ পঠাইছিল, সীতাৰ ওচৰলৈ পঠোৱা নাছিল। ইয়াৰ যোগেদি ৰামে পৰোক্ষভাৱে সীতাক বাল্মীকিৰ অনুমতিক্ৰমে এক নতুন পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আদেশ কৰিছে (অনুমানয় মহামুনিম্) ৰামে প্ৰেৰণ কৰা সংবাদ বাল্মীকিক জনোৱাত, ঋষিয়ে সন্মতি প্ৰকাশ কৰিলে। তেতিয়া সীতাৰ পূৰ্বৰ আৰু বৰ্তমান অভিভাৱকৰ মাজত আলোচনা অনুষ্ঠিত হ'ল। বাল্মীকিৰ আশ্ৰমত থকাৰ বাবে হয়তো সীতাই এই আলোচনাৰ পৰা নিজক আঁতৰাই ৰাখিলে। একে কাৰণতে বোধহয় সীতাই তেওঁৰ ক্ষেত্ৰত ল'ব খোজা ব্যৱস্থাবোৰৰ বিষয়ত কোনো মাত নামাতিলে। পিছদিনা বাল্মীকি সীতাৰ লগত উপস্থিত হ'ল। তেওঁ সমবেত প্ৰজাৰ সন্মুখত তলমূৰ কৰি থিয় হৈ ৰ'ল। তেতিয়া দেখা গৈছে, ৰামে নিজৰ আচৰণৰ বাবে বাল্মীকিৰ ওচৰতহে ক্ষমা ভিক্ষা কৰিছে, সীতাৰ ওচৰত কৰা নাই।

সেয়াংলোকভয়াদ্ ব্ৰাহ্মণ ন পাপাপি পুৰা সতী।
পৰিত্যক্তা ময়া সীতা তদ্ভাৱন ক্ষন্তুমহৰ্সি।।

৭/১০৪/৪

(অৰ্থাৎ হে ব্ৰাহ্মণ, এই সীতা নিষ্পাপ হোৱা সত্বওে লোক অপবাদৰ ভয়ত মই তেওঁক ত্যাগ কৰিলোঁ। তাৰ বাবে আপুনি মোক ক্ষমা কৰক।)

শঙ্কৰদেৱৰ বিৰচিত আখ্যানতভাগত কিন্তু ইয়াৰ বিপৰীতে সীতাক ত্যাগৰ কৰাৰ অপৰাধত ৰাম বিহ্বল হৈ পৰিছে।

'হেনয় প্ৰিয়াক মই তেজিলো কমনে।
চণ্ডাল বুলিয়া গৰ্হিবে যিবা শুনে।।
এহি বুলি ৰামচন্দ্ৰ কৰন্ত বিলাপ। পৃঃ ৪৮৪

তেতিয়া কুলগুৰু বশিষ্ঠৰ উপদেশ অনুসৰি ৰামে বাল্মীকিৰ পৰিৱৰ্তে স্বয়ং সীতাৰ লগতে আলোচনা কৰিবলৈ চাৰিজন দূত পঠালে। তেওঁলোক হৈছে-- ৰামৰ ভাতৃ শত্ৰুঘ্ন, ধৰ্মপ্ৰাণ বিভীষণ, বান্দৰৰ বৈদ্য সুষেণ আৰু হনুমান। তেওঁলোক আহি সীতাক অতি দুঃখাৰ্ত অৱস্থাত দেখা পায়।

অৰণ্য বিষয়ক কাব্যত গতানুগতিক ৰীতিত সন্ন্যাসী জীৱন বৰ্ণনা কৰা হয়। কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীতে শঙ্কৰদেৱৰ উত্তৰাকণ্ডত সীতাৰ নিৰ্বাসনৰ ফলত হোৱা শাৰীৰিক নিৰ্যাতনৰ বাস্তৱ চিত্ৰ দাঙি ধৰা হৈছে। হাবিৰ মাজত বিপদসঙ্কুল দুৰ্বহ জীৱন-যাপন কৰিবলৈ সীতাক প্ৰাসাদৰ লাহ-বিলাহৰ পৰা নিষ্ঠুৰভাৱে আঁতৰাই ৰখা হৈছে।

মলিন বসন বেশ ক্লেশ দেহা ক্ষীণ।
ধূলিয়ে ধুসৰ তনু তাপসীৰে চীন।।
ফল-মূল ভক্ষণ শুখাইলা শৰীৰ। পৃঃ ৪৮৭

সীতাক এনে অৱস্থাত দেখা পাই ৰামৰ ভক্ত চাৰিওজন দূৰেত মূৰ্চিত হৈ পৰিল। সংজ্ঞা লাভ কৰাৰ পিছত তেওঁলোকৰ মাজৰপৰাই হনুমানে সীতাক তেওঁলোকৰ আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰি ক'লে--

'মৰষিয়ো দোষ মাৰ প্ৰভু ৰাঘৱৰ।।
সুমৰিতে তোমাক ৰামৰ হৃদিখেদ।
দিনে ৰাত্ৰি নেত্ৰৰ লোতক নাহি ছেদ।।
হা সীতা সীতা বুলি তেজন্ত নিশ্বাস।
বনতো অধিক টান সিটো গৃহবাস।। পৃঃ ৪৮৭

যদিও ৰাম এই সময়ত সীতাৰ সমানেই বেদনাক্লিষ্ট, তথাপি সীতাই তেওঁৰ প্ৰতি কোনো সহানুভূতি প্ৰকাশ নকৰিলে--

'জানো মোৰ মনে ৰাম স্বামী যমকাল।
মযি যেবে জানো ৰাম এনুৰা নিৰ্দয়।
লঙ্কাতে তেজিলো হন্তে প্ৰাণক নিশ্চয়।।
পৃঃ ৪৮৭

সীতাৰ এনে বিৰূপ প্ৰতিক্ৰিয়া দেখি হনুমান আৰু তেওঁৰ লগত কেইজনমানৰ মুখৰ মাত হৰিল। তেওঁলোকে সীতাক বুজাবলৈপুনৰ চেষ্টা নকৰিলে। তাৰ পৰিৱৰ্তে হনুমানে বাল্মীকিৰ ওচৰলৈ গৈ সীতাই যে তেওঁলোকৰ কথা নামানিলে, সেই কথা জনালেগৈ। বাল্মীকিয়ে তেতিয়া সীতাক ৰামৰ পূৰ্বৰ সকলো দোষ (পূৰ্ব যত দোষ) মৰিষণ কৰিবলৈ অনুৰোধ কৰে। সীতাই কিন্তু মুখেৰে একো নামাতিলে, মাত্ৰ চকুলোহে টুকিলে। তেতিয়া বাল্মীকিয়ে ৰামৰ দূত কেইজনক আশ্বাসি ক'লে যে তেওঁ পিছদিনা নিজেই সীতাক প্ৰজাৰ আগত আনি উপস্থিত কৰাবহি।

বাল্মীকি ৰামায়ণৰ শেষৰ দৃশ্যত সীতাই তেওঁৰ স্বামীক সম্বোধন কৰি এটা শব্দও উচ্চাৰণ কৰা নাই। তাত তেওঁ নিজৰ সতীত্ব প্ৰমাণ কৰিবলৈও শপত খাইছে আৰু মাতৃ বসুমতীক ফাঁট এটা দিবলৈ অনুৰোধ কৰিছে, যাতে সেই ফাঁটেদি সোমাই মাতৃৰ গৰ্ভত আশ্ৰয় ল'ব পাৰে, কাৰণ সীতাই ৰামৰ বাহিৰে আন কোনো পুৰুষক জীৱনৰ পতিৰূপে গ্ৰহণ কৰা নাই।[৮] অৱশেষত সেয়ে ঘটিল। সীতা আনন্দমতে পৃথিৱীৰ গভীৰ কোলালৈ সোমাই গ'ল।

কিন্তু শঙ্কৰদেৱৰ উত্তৰাকাণ্ডত সীতা বেচ্ প্ৰগল্‌ভা; তেওঁৰ ইয়াত ক'বলগীয়া কথা তুলনামূলকভাৱে অনেক বেছি। তেওঁ ইয়াত কেৱল অপমানিতেই নহয়, প্ৰজাৰ সন্মুখত দ্বিতীয়বাৰ নিজৰ সতীত্ব প্ৰমাণিত কৰিবলগীয়া হোৱাত অতিশয় ক্ৰুদ্ধাও হৈছে। সেয়ে প্ৰজাসকলে সীতাক স্বাভাৱিকতে ক্ৰুদ্ধৰূপতে দেখা পাইছে --

দুখশব্দ সুমৰি জ্বলিল আতি সতী।
মহাশোকে কোপে অতি কম্পামানে কায়।।
জাজ্বল সমান অগনিৰ শিখা প্ৰায়।
অন্তৰ্গতে ৰামৰ মিলিল মহাভয়।
আৰকত আখি মুখ কোপে অপমান।
ৰামৰ ভিতিক পিঠি ক্ৰোধভাৱে।
চাই সমজ্যাক লাজ এৰি জগমাৰে।। পৃঃ ৪৯২

এইদৰে সীতাই সমৱেত প্ৰজাগণক নিৰুৎসাহ কৰি অৱশেষত নিজৰ অগতানুগতিক আৱেগপূৰ্ণ আৰু দীঘলীয়া (যিটো আচলতে তেওঁৰ নিৰ্বাসনৰ কাহিনীতকৈও বেছি দীঘলীয়া) উক্তিৰ মাজত সোমাই নিশ্চিহ্ন হৈ পৰিছে। এই উক্তিৰ মাজত সোমাই বৰং তেওঁৰ বিৰক্তি আৰু অনীহাই স্পষ্টৰূপত প্ৰকাশ পাইছে। তাৰ পিছত সীতাই বাল্মীকি ৰামায়ণৰ দৰেই ইয়াতো একেই শপত খাইছে, পৃথিৱীয়ে এই শপত মন দি শুনিছে আৰু লগে লগে এটা ফাঁটৰ সৃষ্টি কৰি সীতাক নিজৰ বুকুত সুমুৱাই লৈছে। সীতা এইদৰে গুছি গ'ল আৰু ৰাম বিৰহৰ শোকত ভাগি পৰিল।

ড° মহেশ্বৰ নেওগৰ মতে শঙ্কৰদেৱে দিয়া বৰ্ণনাৰ 'ৰামৰ গাত সকলো ঐশ্বৰিক গুণ থকা সত্বেও আত্ম-অনুশোচনাৰে নিপীড়িত হোৱা এজন দুৰ্বল মানুহৰূপেহে চিত্ৰিত হৈছে আৰু সীতাৰ বাবে তেওঁ হৈছে এক বন্ধ্যা প্ৰেমৰ প্ৰতিনিধি স্বৰূপ।'[৯] এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰামক এজন দুৰ্বল আৰু দোষ পৰায়ণ মানৱৰূপে চিত্ৰিত কৰাটো প্ৰান্তীয় ভাষাৰ ৰামায়ণ সাহিত্যৰ ক্ষেত্ৰত, আনকি ভক্তিমূলক সংস্কৰণবিলাকৰ ক্ষেত্ৰতো বিৰল ঘটনা নহয়। অৰ্থাৎ এই বিষয়ত শঙ্কৰদেৱ অকলশৰীয়া নহয়। কিন্তু তথাপি তেওঁৰ উত্তৰকাণ্ড ৰামায়ণত ৰামৰ দুৰ্বলতাতকৈ কৰ্তব্যপৰাণতাইহে অধিক গুৰুত্ব লাভ কৰা যেন লাগে। তদুপৰি সতী সীতাক নিৰ্বাসন দিয়াৰ ক্ষেত্ৰতো তেওঁ ক্ষত্ৰিয় আদৰ্শকে অনুসৰণ কৰিছে। আচলতে এজন আদৰ্শ ৰজাই শ্ৰদ্ধাৰ অপাত্ৰ হোৱা নিজৰ পত্নীক আশ্ৰয় দিয়া অনুচিত আৰু সেই কাৰণেই ক্ষত্ৰিয়ৰূপে প্ৰজাৰ ইচ্ছা অনুসৰি আচৰণ কৰাই ৰামৰ কুলধৰ্ম আছিল। এজন একছত্ৰী সম্ৰাটৰ পত্নী সদায় সন্দেহৰ উৰ্দ্ধত থকা বাঞ্ছনীয়। সেয়েহে ৰামে নিজৰ ব্যক্তিগত আৱেগ-অনুভূতিৰ ওপৰত গুৰুত্ব দিয়াতকৈ সেই পৰিস্থিতিত নিজৰ যি কৰ্তব্য তাক নিৰূপণ কৰি সেইমতেই কাম কৰিছে। এয়া কৰ্মযোগহে, দৌৰ্বল্য নহয়। ৰাম প্ৰকৃততেই ধৰ্মনিষ্ঠ আৰু ৰামায়ণৰ প্ৰতিপাদ্য বিষয়ো ৰামৰ এই ধৰ্মনিষ্ঠতাই।

ৰামায়ণৰ চৰিত্ৰসমূহে পুনঃ পুনঃ এই শোকবহ ঘটনাটো কৰ্ম-ত্যাগৰ ফল বুলি অভিহিত কৰিছে। অৰ্থাৎ নৰ-অৱতাৰ ধাৰণ কৰা ৰাম আৰু সীতাও এই কৰ্ম আৰু ত্যাগৰ ভাতৃসকলে তাকেই এনেদৰে কৈছে।

'অসাৰ সংসাৰ ইটো সৱে মায়াময়।।
পুত্ৰ দ্বাৰা বান্ধৱ যতেক পৰিকৰ।
হেন জানা সৱে শোক সন্তাপৰ ঘৰ।।
ক্ষণেকে সংযোগ হৱে ক্ষণেকে বিয়োগ।
মিছা বিষয় কিছু নাহি সুখভোগ।। পৃঃ ৪৮৪

উত্তৰাকাণ্ডৰ আৰম্ভণিতে শঙ্কৰদেৱে তেওঁৰ উদ্দেশ্য ব্যাখ্যা কৰি কৈছে-- 'বিৰচিবো উত্তৰাকাণ্ড সাৰ', অৰ্থাৎ মই উত্তৰাকাণ্ডৰ সাৰভাগ ৰচনা কৰিম। (পৃঃ ৪৬)[১০] আৰু তেওঁ প্ৰকৃততে তাকেই কৰিছে। তেওঁ বাল্মীকিৰ প্ৰতি এইক্ষেত্ৰত একান্ত অনুগত হৈয়েই ক্ষান্ত থকা নাই। আদি কবিজনাৰ ৰামায়ণৰ মহৎ প্ৰয়োজনৰ প্ৰতিও সততে সচেতন। সেয়েহে তেওঁ এহাতে যিদৰে অধ্যাত্ম-ৰামায়ণ আৰু হিন্দী, কানাড়ী, তেলেগু, মালায়লম আৰু মাৰাঠী ৰামায়ণৰ বিপৰীতে নিজৰ উত্তৰাকাণ্ডত কল্পনা প্ৰসূত বিষয়বস্তুৰ উদ্ভাৱনৰ পৰা নিজকে বিৰত ৰাকিছে, আনহাতে সেইদৰে বাংলা আৰু উড়িয়া ৰামায়ণত প্ৰচুৰ পৰিমাণে উপলব্ধ অথচ প্ৰমাণশূন্য আখ্যানসমূহ নিজৰ কাব্যৰ অন্তৰ্ভুক্ত কৰা নাই। এইদৰে দেখা যায়, কেৱল অসমীয়া ৰামায়ণৰ উত্তৰাকাণ্ডটোহে সৰ্বতোভাৱে ঋণমুক্ত ৰূপত সজোৱা হৈছে। অৰ্থাৎ শঙ্কৰদেৱেকেই কেৱল মূল ৰামায়ণৰ প্ৰতি সম্পূৰ্ণ অনুগত হোৱা দেখা যায়। ৰামায়ণৰ আখ্যানৰ লগত গুৰুজনাই ভক্তিমূলক টিপ্পনী সংযোজিত কৰিলেও সেয়া অপ্ৰাসঙ্গিক বা অবাঞ্চনীয় হোৱা নাই। ইয়াৰ যোগেদি তেওঁ ভক্তিপ্ৰধান ৰামায়ণসমূহত সচৰাচৰ ঘটা এটা দোষৰ পৰা হাত সাৰিব পাৰিছে। কাৰণ ভক্তিপ্ৰধান ৰামায়ণ আখ্যানত মানৱীয় স্বাৰ্থ বা প্ৰয়োজনৰ অভাৱ ঘটে। 'মানৱীয় স্বাৰ্থ'ই ইয়াত নাটকীয় স্বাৰ্থকো বুজাইছে। আচলতে শঙ্কৰদেৱে উত্তৰাকাণ্ডৰ বিষয়বস্তুৰ ক্ষেত্ৰত যি সামান্য সালসলনি ঘটাইছে, সেয়া মানৱীয় স্বাৰ্থ ৰক্ষাৰ কাৰণেই কৰিছে।

নিৰ্বাসন দৰাচলতে নৃশংস কাৰ্য নহ'লেও শঙ্কৰদেৱৰ কাব্যত সীতাৰ মুখেদি ই এক নৃশংস কাৰ্য বুলি বৰ্ণিত হৈছে, যিটো নৃশংসভাৱে সম্পন্ন হৈছে বুলিও কোৱা হৈছে। অন্যান্য ৰামায়ণত সীতাৰ এই নিৰ্বাসন সাধাৰণতে এক দুঃখজনক প্ৰয়োজনীয়তা বুলি বৰ্ণিত হৈছে। শঙ্কৰদেৱৰ ৰচনাত ব্যতিক্ৰম বিষয়টো হৈছে সীতাৰ প্ৰতি তেওঁৰ সহানুভূতি অসীম। সেয়েহে বাল্মীকিৰ কাব্যত সীতাক যিদৰে নিষ্ক্ৰিয় বলিৰূপে চিত্ৰিত কৰা হৈছে। তাৰ বিপৰীতে সেইদৰে শঙ্কৰদেৱে প্ৰকৃত মানুহৰ বাস্তৱ কাহিনী ৰচনা কৰিছে, লীলাময় দেৱতাৰ ভ্ৰমময় প্ৰহেলিকা বৰ্ণনা কৰা নাই। তেওঁ যিটো তত্ত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে সি হৈছে দয়া, সহানুভূতি অনস্বীকাৰ্য, কিন্তু বিৰহিনী সীতাৰ অসহ্য বেদনাৰ প্ৰতি তেওঁৰ সহানুভূতি সৰ্বাধিক। সঁচাকৈয়ে তেওঁ সীতাৰ প্ৰতি বিগলিত চিত্ত। কাৰণ ভক্তি অবিহনে ৰামৰ আখ্যানৰ অৰ্থ ক'ত আৰু দয়া অবিহনে ভক্তিৰ সাৰ্থকতা ক'ত?■

*(পুনৰ মুদ্ৰিত)*

---

টোকা ঃ

(১) মূল সংস্কৰণ, ডি.এইছ. ভাট, বৰোদা, ১৯৬০-৭৫। উত্তৰাকাণ্ডৰ গৌড়ীয় সংস্কৰণত ১১৫টা সৰ্গ দক্ষিণীয় সংস্কৰণত ১১১টা সৰ্গ আছে। (২) গোৰখপুৰ, সংবৎ ২০০১ (৩) এই প্ৰসঙ্গত দ্ৰষ্টব্য ঃ ডব্লিউ.এল. স্মিথৰ *The Ramayana in Eastern India, Assam, Bengal, Orissa, Stockholm, Studies in Indian Language and culture. 1988. p.-27 ff.* (৪) এই সকলো উদ্ধৃতি হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত 'সপ্তকাণ্ড ৰামায়ণ'ৰ পৰা কৰা হৈছে। ঐ, তৃতীয় সংস্কৰণ, গুৱাহাটী ১৯৭২। (৫) 'ৰামৰ কটাক্ষ দেখি লক্ষ্মণৰো দৰ' (পৃঃ ৪৬৮) (৬) মূল সংস্কৃত ৰামায়ণত লক্ষ্মণক ৰামে সীতাক বাল্মীকিৰ আশ্ৰমৰ ওচৰত এৰি থৈ আহিবলৈ আদেশ দিছে। অৱশ্যে সীতাৰ অৱস্থাৰ বিষয়ে তেওঁ অৱগত নহয়। (৭) ৭/১০২/৯ এতিয়াৰ পৰা আমি পূৰ্বীয় বা গৌড়ীয় সংস্কৰণৰ উল্লেখ কৰিম। কাৰণ শঙ্কৰদেৱে এই সংস্কৰণকে আধাৰ স্বৰূপে গ্ৰহণ কৰা সম্ভৱ। (সম্পাদনা, *Gaspare Gorressio*, মাদ্ৰাজ পুনৰ্মুদ্ৰণ (১৮৬৮-১৯৮২) (৮) যথাহং ৰাঘৱদন্যং মনসাপি ন চিন্তায়ে। তথা মে মাধৱী দেৱী বিৱৰাং দাত্তুমৰ্হতি (৭/১০৪/১২) (১৯) *Early History of the Vishnava faith and Movement in Assam : Sankardeva and His Times,* দিল্লী (১৯৬৫) পুনৰ্মুদ্ৰণ ১৯৮৫। (১০) অসমীয়া ৰামায়ণত 'উত্তৰাকাণ্ড' বুলি উচ্চাৰণ কৰা হয়। (১১) দ্ৰষ্টব্য স্মিথ, উপৰি উক্ত গ্ৰন্থ, পৃঃ ১০২।

# শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ সীতা

ড° নৰকুমাৰ সন্দিকৈ

শঙ্কৰদেৱ সুনিপুণ হাতৰ পৰশত কেইবা গৰাকীও নাৰী চৰিত্ৰ অসমীয়া সাহিত্যত অজৰ-অমৰ হৈ জিলিকি আছে। ৰুক্মিণী, দৈৱকী, যশোদা, শশী, সত্যভামা, বিন্ধ্যাৱলী আদি চৰিত্ৰ এইক্ষেত্ৰত উল্লেখযোগ্য। ৰুক্মিণীকে ধৰি গোপনাৰীসকলো আছে। চৰিত্ৰবিলাক নাৰীসুলভ কমনীয়তা, ৰমনীয়তা, চাৰিত্ৰিক বিশুদ্ধতা, সতীত্ব আদি গুণেৰে বিভুষিতা। লগতে নাৰীৰ জীৱন যৌৱনৰ উপভোগী, মায়াবিনী, কামসিক ৰূপ আৰু হিংসা, ঈৰ্ষা, দ্বেষ আদিৰে জৰ্জৰিত সাধাৰণ ৰূপটোও অঙ্কণ কৰিছে শঙ্কৰদেৱে। ৰাসলীলাৰ গোপিনীসকলৰ চিত্ৰ আৰু হৰমোহনৰ মোহিনী ৰূপ কামসিকতাৰ আৰু শশী, সত্যভামাক দ্বিতীয়বিধৰ উদাহৰণ হিচাপে দেখুৱাব পাৰি।

এই চৰিত্ৰবিলাকৰ লগত সংযুক্ত কাহিনীবোৰ কাব্যই হওক, নাটকেই হওক প্ৰায়বোৰ শঙ্কৰদেৱৰ নিজা নহয়, অনুবাদহে। কিন্তু অনুবাদক হিচাপে কবিজনাই পূৰ্ণ স্বাধীনতা লৈছে। কেৱল কাহিনী বা পৰিৱেশ ৰূপায়নতহে তেখেত মূলৰ পৰা ফালৰি কাটি অহা নাই, চৰিত্ৰ চিত্ৰাঙ্কণটো আঞ্চলিকতাৰ সাঁচ বহুৱাইছে। এই স্থানীয়কৰণৰ ফলতে চৰিত্ৰবোৰ অসমীয়া পাঠক সমাজৰ বেছি আপোন হ'ব পাৰিছে। এনে আঞ্চলিকতাৰ পূৰ্ণ প্ৰতিৰূপ পাওঁ গুৰুজনাৰ দ্বাৰা অনুদিত 'উত্তৰাকাণ্ড' সীতাৰ চৰিত্ৰটোত। এই বিশেষ 'কাণ্ড'টোত একক আৰু অনন্য ৰূপত অঙ্কণ কৰা সীতাৰ চৰিত্ৰটোৰ বিশ্লেষণেই এই লেখনীৰ উদ্দেশ্য।

মাধৱ কন্দলীৰ পঞ্চকাণ্ড যুক্ত ৰামায়ণখন গুৰু দুজনাই আগে গুৰিয়ে আঁচুফুল[১] বাছি সপ্তকাণ্ড কৰি পূৰ্ণ ৰূপ দিলে। সেইৰূপে মাধৱদেৱে 'আদিকাণ্ড' আৰু শঙ্কৰদেৱে 'উত্তৰাকাণ্ড'[২] অনুবাদ কৰিলে বুলি কোৱা হয়। অপ্ৰমাদী পূৰ্বকবি মাধৱ কন্দলীৰ প্ৰতি গুণমুগ্ধ শঙ্কৰদেৱে এই প্ৰসঙ্গত 'বিৰচিবো উত্তৰাকাণ্ডৰ কথা সাৰ'[৩] বুলি উল্লেখ কৰিছে। গতিকে দেখাদেখিকৈয়ে বাল্মীকি ৰামায়ণৰ 'উত্তৰাকাণ্ড'ৰ বহু কথা, বহু ঘটনা, বহু উপঘটনা অনুবাদকে বাদ দিছে। বিশেষকৈ ৰামৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্ক নথকা কাহিনীবোৰ অসমীয়ালৈ ৰূপান্তৰ কৰা হোৱা নাই। ফলত সংস্কৃত ৰামায়ণৰ ছকুৰি সৰ্গৰ কাহিনী শঙ্কৰদেৱে ত্ৰিশটা অধ্যায়তে সামৰণি পেলাইছে আৰু 'সীতাৰ বনবাস, সীতা বিচ্ছেদ আৰু ৰামৰ কৰুণ অৱস্থাৰ ওপৰত প্ৰাধান্য দিছে।'[৪] গতিকে শঙ্কৰদেৱৰ 'উত্তৰাকাণ্ড'ৰ আৰম্ভণি ঘটিছে সীতাৰ বনবাসেৰে, যিটো মূলত ত্ৰিচত্বাবিংশ (৪৩) সৰ্গৰ পৰাহে আৰম্ভ হৈছে। তাৰ পাছত বাল্মীকি আশ্ৰমত সীতাক এৰি অহালৈকে অৰ্থাৎ একোন-পঞ্চাশ (৪৯) সৰ্গলৈকে বৰ্ণনা কৰি নৱতিতম (৯০) সৰ্গৰে আৰম্ভ কৰিছে য'ত অশ্বমেধ যজ্ঞ পতাৰ কথা কোৱা হৈছে।

কিন্তু ক্ষেত্ৰ বিশেষে কথাভাগ বহল কৰিবলৈও মহাপুৰুষ জনাই কুণ্ঠাবোধ কৰা নাই। বিশেষকৈ, সীতাৰ চৰিত্ৰ পৰিস্ফুট আৰু পৰিবৰ্দ্ধনৰ বিষয়ত আমাৰ কবি বিশেষ তৎপৰ। ফলত বাল্মীকিৰ সীতা আৰু শঙ্কৰদেৱৰ সীতাৰ চাৰিত্ৰিক বৈশিষ্ট্য বেলেগে বেলেগে ৰূপত দেখা পোৱা গৈছে। মূলৰ সীতা প্ৰতিব্ৰতা, সংযতা আৰু মিতভাষিণী। অকাৰণতে পৰিত্যাগ কৰাত অপমানিত বোধ কৰিলেও স্বামীক কোনো ধৰণৰ অভিযোগ, কোনো ধৰণৰ অভিমান কৰা নাই। যজ্ঞসভাত 'ৰামচৰিত'ৰ গান গোৱা কুশ-লৱ নামৰ বালক দুটিৰ পৰিচয় জনাৰ পাছত ৰামে

সীতাক আনিবৰ বাবে শুদ্ধস্বভাৱা দূতগণক বাল্মীকিৰ ওচৰলৈ পঠালে। দূতে গৈ মুনিক ক'লেগৈ যে সীতাই যেন মহামুনিৰ আদেশ লৈ কাইলৈ পুৱা যজ্ঞভূমিত সকলোৰে সন্মুখত শপত গ্ৰহণ কৰেহি। বাল্মীকিয়ে সন্মতি জনালত ৰামে সভাসদসকল, ঋষিগণ আৰু ৰাজবৃন্দক ক'লে, 'কাইলৈ পুৱা আপোনালোকে সীতাৰ শপত লোৱা দেখা পাব। লগতে আৱশ্যক হ'লে অন্য পৰীক্ষাও দেখা পাব।'

পিছদিনা পুৱা যজ্ঞশালাত বশিষ্ঠ, কামদেৱ, জাবালি, কাশ্যপ, বিশ্বামিত্ৰ, দুৰ্বাসা, পুলস্ত্য, মাৰ্কণ্ডেয়, ভৰদ্বাজ, নাৰদ, গৌতম আদি ঋষিসকল গোট খালে। ৰাক্ষস, বানৰ আদিৰ লগতে নানা ঠাইৰ পৰা অহা হেজাৰ হেজাৰ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ সীতাৰ পৰীক্ষা চাবলৈ সমবেত হ'ল। বাল্মীকিৰ পিছে পিছে সীতা বাষ্পাকুল নয়নে ৰামকে ধ্যান কৰি অধোবদনে সভাৰ মাজত উপস্থিত হ'লহি। সভাঘৰ কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। সকলোৰে অন্তৰ শোকানলত দগ্ধ হ'ল। মহামুনিয়ে জানকীক সভাৰ মাজলৈ আনি ৰামক ক'লে, 'হে ৰাম! তুমি এই প্ৰতিব্ৰতা, ধৰ্মচাৰিণী সীতাক অপবাদৰ ভয়ত মোৰ আশ্ৰমৰ ওচৰত পৰিত্যাগ কৰিছিলা। তুমি লোকাপবাদত ভীত। এতিয়া আদেশ কৰা-- সীতাই তাৰ প্ৰত্যয় উৎপাদন কৰিব। জানকীৰ এই দুই পুত্ৰ তোমাৰেই সন্তান। মই প্ৰচেতাৰ (ধৰ্মশাস্ত্ৰকাৰ ঋষিবিশেষ) দশম পুত্ৰ। কেতিয়াও মিছা কথা কোৱা মনত নপৰে। বহু বছৰ তপস্যা কৰিছোঁ। এই মৈথিলী যদি দোষযুক্তা হয়, সেই তপস্যাৰ ফল যেন মই ভোগ কৰিব নোৱাৰোঁ। মই পঞ্চজ্ঞানেন্দ্ৰিয় আৰু মনেৰে সীতাক শুদ্ধচাৰিণী, পতিব্ৰতা বুলি আশ্ৰমত ঠাই দিছিলোঁ। লোকাপবাদত তোমাৰ মন কলুষিত হৈছে, সেয়েহে শুদ্ধ চৰিত্ৰযুক্তা বুলি জানিও তুমি তোমাৰ প্ৰিয়তমাক পৰিত্যাগ কৰিছা।

ৰামে কৃতাঞ্জলি কৰি ধৰ্মজ্ঞ বাল্মীকিক ক'লে, 'আপুনি কোৱা সকলো কথাকে বিশ্বাস কৰোঁ। পূৰ্বতে লঙ্কাত দেৱগণৰ সাক্ষাততে বৈদেহীয়ে শপত গ্ৰহণ কৰিছিল বাবেই ঘৰলৈ আনিছিলো। কিন্তু জনাপবাদ ইমান প্ৰৱল যে পাপহীনা বুলি জানিও পুনৰ পৰিত্যাগ কৰিছিলোঁ। আপুনি মোক ক্ষমা কৰক। লৱ-কুশ মোৰেই সন্তান বুলি জানিছোঁ। সকলোৰে সন্মুখত মৈথিলীৰ প্ৰতি মোৰ প্ৰীতি উৎপন্ন হওক। (অৰ্থাৎ সকলোৰে বিশ্বাস কৰক যে সীতা শুদ্ধ স্বভাৱা আৰু পুনৰবাৰ গ্ৰহণ কৰিবৰ বাবে মোক যেন সকলোৰে অনুমতি দিয়ে।)

সেই সময়তে ব্ৰহ্মাক আগত লৈ আদিত্য, বসু, ৰুদ্ৰ, বিশ্বদেৱ, মৰুৎ প্ৰভৃতি দেৱগণৰ লগতে সিদ্ধ আৰু নাগগণো সভাত উপস্থিত হ'লহি। তেওঁলোকক দেখা পাই ৰামে পুনৰ ক'লে, 'মহৰ্ষি বাল্মীকিৰ পবিত্ৰ বাক্য শুনি মোৰ প্ৰত্যয় জন্মিছে। সকলোৰে সন্মুখতে মৈথিলীৰ প্ৰতি মোৰ প্ৰীতি উৎপন্ন হওক।'

তেতিয়া দিব্যগন্ধযুক্ত মনোৰম পৱিত্ৰ বায়ু প্ৰবাহিত হ'ল। সকলোৰে আনন্দত বিস্ময় মানিলে আৰু অনুভৱ কৰিলে যেন সত্য যুগ পুনৰ ঘূৰি আহিল। সকলোকে সমাগত দেখি কাষায় বসনধাৰিণী সীতাই কৃতাঞ্জলি কৰি অধোবদনে তললৈ চাই ক'বলৈ ধৰিলে--

'যথাহং ৰাঘৱদন্যং মনসাপি ন চিন্তয়ে।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
মনসা কৰ্মণা ৱাচা য়থা ৰামং সমৰ্চয়ে।
তথা মে মাধৱী ৱিৱৰং দাতুমৰ্হতি।।
য়থৈতৎ সত্যমুক্তং মে ৱেদ্মি ৰামাৎপৰং ন চ।
তথা মে মাধৱী ৱিৱৰং দাতুমৰ্হতি।।'

—৭/৮৭/১৫-১৭

('মই ৰামৰ বাদে আন কাকো মনেৰেও ভৱা নাই, যদি ই সত্য হয়, তেতিয়া হ'লে মাধৱী দেৱীয়ে (ভগৱতী পৃথিৱীয়ে) বিদীৰ্ণ হৈ মোক আশ্ৰয় দিয়ক। ৰামৰ বাদে মই আন কাকো নাজানো-- এই কথাষাৰ যদি মই সঁচাকৈ কৈছোঁ, তেতিয়া হ'লে মাধৱী দেৱী বিদিৰ্ণ হৈ মোক আশ্ৰয় দিয়ক।')

বৈদেহীয়ে এনেকৈ শপত লোৱা সময়তে ভূতলৰ পৰা এখন দিব্য সিংহাসন উঠি আহে। দিব্যৰত্ন ভূষিত, দিব্যদেহধাৰী নাগবিলাকে লৈ অনা সিংহাসনতে ভাগৱতী পৃথিৱীয়ে সীতাক সাৱটি ধৰি ভূগৰ্ভলৈ লৈ গ'ল। সভাসদসকলে বিস্ময়ত 'সাধু, সাধু' বুলি চিঞৰিবলৈ

ধৰিলে। তেতিয়া বাষ্পাকুল নয়নে, দীনভাৱে দণ্ডকাষ্ঠত (যজ্ঞদণ্ড) ভৰ দি বহু সময় ৰামে কান্দি থাকিল।

এনেদৰে চিৰদুখিনী, পতিপৰায়ণা, অথচ পতিৰ দ্বাৰাই বাৰে বাৰে অপমানিতা সীতাক আদৰ্শনীয় ৰূপত ৰসেৰে ৰসসিক্ত কৰি অঙ্কণ কৰিছে সংস্কৃত কবিয়ে। আত্ম-সংযম, বিনয়, শুদ্ধাচাৰ, কৰ্তব্যপৰায়ণ আৰু পতিৰ প্ৰতি ঐকান্তিক নিষ্ঠা আৰু ভালপোৱা সীতা চৰিত্ৰৰ বৈশিষ্ট্য। স্বাৰ্থত্যাগ আৰু কষ্ট সহিষ্ণুতাই তেওঁক মহীয়সী নাৰীৰ ৰূপত প্ৰতিষ্ঠা কৰিছে। স্বামী ৰামৰ অমানুষিক ব্যৱহাৰত তেওঁ ক্ষুণ্ণ হ'লেও নিৰ্বিবাদে আৰু নীৰৱে এই অত্যাচাৰ গ্ৰহণ কৰিছে। কিন্তু অৱশেষত চূড়ান্ত অপমান সহ্য কৰিব নোৱাৰি নিজকে মাতৃগৰ্ভত বিলীন হোৱাই শ্ৰেয় বুলি বিবেচনা কৰিলে। এই কাৰ্যই প্ৰকাৰন্তে স্বামী হিচাপে ৰামৰ গৰিমামণ্ডিত মহিমা বহু পৰিমাণে ম্লান কৰি থৈ গ'ল। যদিও শোক তাপত দগ্ধ হৈ ৰামে বসুধাক বিদীৰ্ণ কৰিবলৈ উদ্যত হৈছিল ব্ৰহ্মাৰ কথাত তেওঁ শান্ত হ'ব লগা হ'ল। স্বামীৰ অপমানৰ পোতক সীতাই যেন এনেদৰে দি গ'ল।

শঙ্কৰদেৱে এই সীতাৰ চৰিত্ৰটো অধিক উজ্জ্বল আৰু বেলেগ ৰূপ দিবলৈ যাওঁতে যথেষ্ট স্বাধীনতা লৈছে। মূলত তিনিটা মাত্ৰ শ্লোকেৰে নিজৰ মনোভাৱ ব্যক্ত কৰা সীতাই অসমীয়া ৰামায়ণত শোক-দুখত জৰ্জৰিতা, অপমানিতা হৈ দুবাৰকৈ নিজৰ খং, ৰাগ, অভিমান আদি প্ৰকাশ কৰিছে। প্ৰথমবাৰ প্ৰকাশ কৰিছে বাল্মীকিৰ আশ্ৰমতে। লৱ-কুশক নিজৰ পুত্ৰ বুলি জানি সীতালৈ মনত পৰি স্বকৃতকৰ্মৰ বাবে অনুতাপত দগ্ধ হ'ল ৰাম আৰু আশ্ৰমৰ পৰা জানকীক বঢ়াই-বুজাই লৈ আনিবলৈ শত্ৰুঘ্ন, বিভীষণ, সুষেণ আৰু হনুমন্তক পাচিলে। সেই মৰ্মে তেওঁলোকে সীতাক বিচ্ছেদজনিত দুখ-কষ্টৰ কথা কয়গৈ। ৰামৰ অপৰাধ মাৰ্জনা কৰি অযোধ্যালৈ ঘূৰি যাবলৈ চাৰিওফালে সীতাক কাতৰ প্ৰাৰ্থনা জনালে। বৈদেহীয়ে প্ৰাণসম স্বামীৰ নিষ্ঠুৰতাৰ কথা সুঁৱৰি চাৰি দূতক ক'বলৈ ধৰিলে--

'কিসক আমাক আউৰ কৰা উতপাত।
পাসৰি আছিলো দুনাই অগ্নিজাল গাত।।
আৰো অযোধ্যাত ভুঞ্জিবোহো ৰাজসুখ।
দেখিবো দুনাই আউৰ ৰাঘৱৰ মুখ।।
বোলাইবো ধৰণী আৰো ৰাঘৱৰ ঘৰে।
নাই তেবে নাৰী নিলাজিনী মোত পৰে।।
আমাক নিবেক আৰে ৰামে কোন গন্ধে।
গৰ্ভ সমে তেজিলেক মাৰিবে প্ৰৱন্ধে।।'

-- ৰামায়ণ, উত্তৰাকাণ্ড-৭০১৬-৭০১৮

অন্তৰৰ খং-ৰাগ, মান, অভিমান সকলোবোৰ উজাৰি স্বামী ৰামক 'যমকাল' বুলি কৈছে--

'দুৰ্জনৰ বোলে মোক কিৰলা নিকাল।
জানো মোৰ মনে ৰাম স্বামী যমকাল।।'

--উত্তৰাকাণ্ড-৭০২০

সীতাই ক'বলৈ ধৰিলে-- বনত ৰাঘৱে তেওঁক নামাৰিলে। এইবাৰ নিশ্চয় তেওঁক খাণ্ডা ধৰি দুচেও কৰিব। ৰামৰ এনেকুৱা নিৰ্দ্দয় স্বভাৱৰ কথা জনা হ'লে তেওঁ লঙ্কাতেই প্ৰাণ বিসৰ্জন দিলেহেঁতেন। এতিয়া ৰামক বিশ্বাস কৰা মানেই নিলাজিনী হোৱাহে।

সীতাৰ স্থিৰ আৰু নিশ্চিত সিদ্ধান্ত শুনি চাৰিদূত বাল্মীকিৰ শৰণাপন্ন হ'ল। ঋষিয়ে সীতাক বঢ়াই বুজাই পিছদিনা পুৱা লৈ যোৱাৰ আশ্বাস দি তেওঁলোকক ঘূৰাই পঠালে।

বাল্মীকিৰ শুদ্ধাচাৰী দূতৰ ঠাইত শত্ৰুঘ্নহঁতক পঠাই শঙ্কৰদেৱে সীতাৰ প্ৰতি থকা ৰামৰ অপৰিসীম স্নেহ আৰু ভালপোৱা প্ৰকাশ কৰাৰ লগতে সীতাৰ চৰিত্ৰটো গুৰুত্ব আৰোপ কৰিছে। মূলৰ অধোবদনা, লজ্জাৱনতা, পৰিমিতি বাকযুক্তা সীতা অসমীয়া কবিৰ হাতত আত্মাভিমানিনী প্ৰগল্‌ভা ৰূপ এটা প্ৰকাশ পাইছে।

কিন্তু প্ৰথমবাৰতকৈ দ্বিতীয়বাৰ সীতাৰ ছবিটো বেছি উজ্বল হৈ উঠিছে। ৰাজসভালৈ বুলি সীতাক মহামুনিয়ে লৈ আনিছে। ৰাজঅন্তেষপুৰ আৰু অযোধ্যা নগৰ উখল-মাখল লাগিল। প্ৰজাবৰ্গই 'আই শান্তি সীতা'ক দেখা পাই অধোবদনে নিশৱদে কান্দিবলৈ ধৰিলে। ৰাজসভাত সভাসদ, পাত্ৰমন্ত্ৰী, ঋষিমুনি, ৰাক্ষস বানৰ সকলো বহি আছে। বাল্মীকিৰ পিছে পিছে আহি সীতাদেৱী সভাত প্ৰৱেশ

কৰিলে। ৰাঘৱে আসনৰ পৰা উঠি ঋষিবৰক প্ৰণাম জনাই বহিবলৈ আসন দিলে। তেতিয়া মুনিয়ে জনক জীয়াৰী সীতা যে নিষ্কলঙ্ক, পতিব্ৰতা আৰু নিষ্পপা তাক সমজুৱাৰ আগত নিজৰ শপত বাক্যৰে ব্যক্ত কৰিলে। লগে লগে সমজুৱাই জয়ধ্বনি দিলে; দেৱবাদ্য বাজি উঠিল আৰু পুষ্পবৃষ্টি হ'বলৈ ধৰিলে। ৰঘুনাথে তেতিয়া ক'লে--

'মইতো জানো শান্তি সীতা পৰম নিষ্পাপ।
দুৰ্জ্জনৰ অপবাদে দেওঁ হৃদি তাপ।।
সম্বৰিবো সীতা তেৱে সভাৰ সন্মতে।
লক্ষেক পৰীক্ষা ভৈল তোমাৰ শপতে।।
ত্ৰিজগতে জানিলে সীতাত শঙ্কা নাই।
আৰে শৰে দুষ্টৰে পৰিল মুখে ছাই।।'

-- ৰামায়ণ, উত্তৰাকাণ্ড-৭০৬৫-৭০৬৬

কিন্তু ৰাম পত্নীৰ তাপসীৰ বেশ আক কৃশ শৰীৰ দেখি শঙ্কাকুল হৈ উঠিল। দুখত অন্তৰ দহিবলৈ ধৰিলে। ধৈৰ্য ধৰি চকুলো বন্ধ কৰি ৰাখিলে। ভৰতে জানকীক বহিবলৈ আসন দিয়া সত্বেও থিয় হৈ ৰ'ল। কৌশল্যা আদিয়ে তেওঁক বুজাবলৈ ধৰিলে। ইপিনে সীতাৰ অন্তৰ খং, বিৰাগ, দুখ-বেদনাই জৰ্জৰিত কৰি তুলিলে। শোক আৰু কোপত শৰীৰ কঁপিবলৈ ধৰিলে। ক্ৰোধত তেওঁ জ্বলি উঠিল। কুৰ কটাক্ষই স্বামীক যেন ভস্মীভূত কৰি তুলিব। জানকীৰ এনুৱা ৰূপ চাব নোৱাৰি ৰঘুনাথ লাজে অপমানে সঙ্কুচিত হৈ বহি থাকিল। সীতাই দুই দণ্ডমান বিমাতে থাকি স্বামীলৈ পিঠি দি সমজুৱাক উদ্দেশ্যি ক'বলৈ ধৰিলে, 'যে ৰাম তেওঁৰ স্বামী, বনবাসৰ লগৰী। অকলশৰীয়াকৈ পাই ৰাৱণে হৰণ কৰি লৈ গ'ল। লাজ অপমানত তেওঁ লঙ্কাতেই মৰিব খুজিছিল, কিন্তু হনুমানৰ কথা মতে যেনিবা জীয়াই থাকিল। ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰাৰ পিচতো তেওঁ অগ্নিৰ দ্বাৰা পৰিশুদ্ধ হ'ব লগা হ'ল। কেৱল সিমানেই নহয়, পিতা দশৰথৰ কথাতেহে ৰামে পতিয়ন গৈ পত্নী হিচাপে তেওঁক গ্ৰহণ কৰিলে। সীতাই কৈছে--

'একচিতে কৰিলোহো আহাঙ্কেহে সেৱ।
মইতো জানো স্বামীসে পৰম মোৰ দেৱ।।
স্বামী তপ, জপ, যজ্ঞ, স্বামী যোগ ধ্যান।
স্বপনে সচিতে মই নিচিন্তিলো আন।।
তথাপি আমাত আন চিত্ত বিহৰিল।
চুমাতে কামোৰ যেন ওলগতে কিল।।'

-- উঃ কাঃ - ৭০৮১-৭০৮২

সীতাই পুনৰ অভিযোগ কৰি ক'বলৈ ধৰিলে যে অতি কৌশলেৰে তেওঁক পুনৰবাৰ বিসৰ্জন দিলে। স্বামীৰ পৰা তেওঁৰ তেনেকুৱা মৰ্যাদাই প্ৰাপ্য আছিল নেকি? সন্তানসম্ভৱা সীতাক পৰিত্যাগ কৰি প্ৰকাৰান্তে জানো সন্তানসহ মৃত্যুৰ মুখলৈ ঠেলি দিয়া নাই? এনেদৰে কৈ কৈ জানকী দুখত কান্দি উঠিল।

কান্দোন সামৰি কটাক্ষ দৃষ্টিৰে ৰামলৈ চাই নিষ্ঠুৰ স্বামীৰ নিদাৰুণ স্বভাৱৰ কথা পুনৰ ক'বলৈ আৰম্ভ কৰিলে। ৰামচন্দ্ৰ এনেকুৱা দুৰ্জন যি আনৰ অপবাদতো প্ৰিয়া পত্নীক বিসৰ্জন দিব পাৰে। স্বামী হিচাপে ৰামে তেওঁক অশেষ কষ্ট দিছে। আকৌ সেইজনকে যদি পতি বুলি পুনৰ গ্ৰহণ কৰে তেতিয়াহ'লে তেওঁৰ সমান নিলাজীনি আৰু সংসাৰত কোনো নোলাব। তেওঁ আছিল জনক ৰজাৰ জীয়ৰী, দশৰথৰ জ্যেষ্ঠ বোৱাৰী আৰু ৰজা ৰামচন্দ্ৰৰ মহাৰাণী-- আজি সেই জানকীৰে এনুৱা অৱস্থা। এইবুলি কৈ পুনৰ কান্দিবলৈ ধৰিলে। তেনেকুৱা ৰাঘৱৰ মুখকে নাচাওঁ বুলি বসুমতীক কৰযোৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে--

'আউ যেন নুশুনো ৰামৰ ইটো নাউ।
ফাট দিয়া বসুমতী পাতালে লুকাওঁ।।
স্বৰূপত শান্তি পুণ্য যেৱে আছো ৰাখি।
চন্দ্ৰ সূৰ্য্য বায়ু বসুমতী হুইবা সাক্ষী।।
ৰামৰ পাৰত জানা মোৰ চিত্ত ডাঠ।
তেবে বসুমতী মোক জাণ্ট দিয়া বাট।।
হওঁ যেৱে আমি পতিব্ৰতা নিৰঙ্কুশ।
ৰাম বিনে আন যেৱে নজানো পুৰুষ।।
গুচোক আমাৰ ইটো কলঙ্ক ললাট।
ৰাঘৱৰ মুখ নাচাওঁ মাৰ মেলা ফাট।।
কায়বাক্যমনে যেৱে ৰামক আৰাধো।
স্বপ্নত ৰামৰ বিনে আনক নাসাধো।।

তেৱে বসুমতী মোক জান্তে দিয়া বাট।
নাচাওঁ ৰামৰ মুখ মাৰ মেলা ফাট।।
কৰিলো সুদৃঢ় চিত্তে ৰামকেসে সেৱ।
স্বামী ব্যতিৰেকে নাজানিলো আন দেৱ।।
তথাপি এনুৱা মোৰ মিলল ললাট।
ৰাঘৱৰ মুখ নাচাওঁ মাৰ মেলা ফাট।।
বিগুতি বিগুতি ৰামে মাতিলন্ত মোক।
আউৰ মই নাথাকো নাথাকো ইটো লোক।।
লাগিল বৈৰাগ্য মনে মিলিল বিচাট।
দিয়া দিয়া দিয়া বসুমতী ঝান্তে বাট।।'

-- উত্তৰা কাণ্ড-৭০৯৯-৭১০৮

আৰু নেতিয়া বসুমতী দুফাল হ'ল চাৰিগৰাকী নাগকন্যাই সুবৰ্ণময় সিংহাসন একন ধৰি আনিলে। ৰাম, লক্ষ্মণ, ভৰত, শত্ৰুঘ্ন আৰু অন্যান্য সভাস্থিত সকলোলোকৰে ভয় আৰু বিস্ময়ত চেতনা হৰিল।

বাল্মীকিয়ে পাতাল প্ৰৱেশৰ আগতে সীতাৰ মুখত কেৱল তিনিটা শ্লোক দিছিল। কিন্তু মহাপুৰুষৰ হাতত ই বেছি বিস্তৃতি লভি সীতাৰ মহিয়সী আৰু কাৰুণিক ৰূপটো ফুটাই তুলিছে। কেৱল ইমানেই নহয়, মূলত জানকীক বসুমতীয়ে ধৰি নি ৰথত বহুৱাই লৈ গুচি গৈছে। কাৰোপৰা তেওঁ বিদায় লোৱা নাই, কাৰো ওচৰত অভিমানো প্ৰকাশ কৰা নাই। নিজৰ সন্তান দুটিকো মাত এষাৰ লগোৱা নাই। কিন্তু বিদায় বেলাৰ বিশেষ ক্ষণটো অত্যন্ত মাৰ্মিক আৰু গোটেই পৰিৱেশটো শোকাকূল কৰি তুলিবলৈ অসমীয়া কবি যথেষ্ট পৰিমাণে বহল মনৰ। সীতাৰ মৌন আৰু সংযতমুখী স্বভাৱটো যেন শঙ্কৰদেৱৰ সহ্য নহ'ল। সীতাৰ প্ৰতি প্ৰকাশ পালে মহাপুৰুষৰ অপৰিসীম সহানুভূতি। সেয়েহে জানকীৰ মুখেৰে কিছুমান বিদায়ৰ বাণী শুনোৱাইছে। অকাৰণতে লাঞ্ছিতা অপমানিতা হোৱা সীতাৰ ধৈৰ্য ভাঙি ছিঙি গৈছে। হৃদয় উজাৰি এই কথাবোৰ ওলাই আহিছে। বিনা দোষত স্বামী আৰু সমাজে পৰিত্যাগ কৰা এগৰাকী বিবাহিতা নাৰীৰ অনুভূতিবোৰ যেন স্বামী, দেৱৰ, শাহু আৰু অন্যান্য সুধীজনে মৰ্মে মৰ্মে উপলব্ধি কৰে। যেন সেই নাৰী গৰাকীৰ সীমাহীন বেদনাৰ অংশীদাৰ তেওঁলোকো হ'ব পাৰে।

গোটেই বৰ্ণনাটো শঙ্কৰদেৱে কাৰুণ্যৰে ৰসসিক্ত কৰি তুলিছে। ৰথত উঠি সীতাই ব্ৰহ্মা আদি দেৱগণক প্ৰণাম কৰি, বশিষ্ঠ-বাল্মীকি প্ৰভৃতি ঋষিকুলৰ কৃতাঞ্জলি কৰি ক'বলৈ ধৰিলে--

'জন্মে জন্মে হৈবা জনেকেসে বাপ
সাধো মই পৰবাসু।
দশৰথ ৰাজা হুইবন্ত শশুৰ
কৌশল্যা হুইবন্ত শাশু।।
দুখৰ সহায় ভালুক বানৰ
হুইব পুত্ৰ সমসৰ।
ভৰত লক্ষ্মণ বীৰ শত্ৰুঘন
তিনিসি হুইব দেৱৰ।।
স্বপনে সচিতে আন নাবাঞ্চোহো
ৰামেসে হুইবন্ত পতি।
তাহান এহিসে দুখানি চৰণ
জন্মে জন্মে হুইবাা গতি।।
হুইবেক তনয় মহা শুভনয়
এহি লৱ-কুশ দুই।
হেনয় কলঙ্ক কদৰ্থনা যোনো
আউৰ দুনাই মোৰ নুই।।'

-- উত্তৰাকাণ্ড-৭১১১-৭১১২

ইয়াৰ পাছত আৰু সীতাই একো মাতিব নোৱাৰিলে। অলপ পিছতে বসুমতীয়ে তেওঁক গ্ৰাস কৰি লৈ গ'ল।

সীতাৰ মুখত দিয়া এই নাতিদীৰ্ঘ বিদায় বাণী শঙ্কৰদেৱৰ স্বকীয় কবি প্ৰতিভাৰ নিদৰ্শন। যি আছিল পতিৰ একান্ত অনুগত্য, ৰাজকাৰেঙতে হওক বা বনতে হওক, যি আছিল নিত্য সহচৰী, যাৰ সতীত্ব আৰু সাধুতা গুণ বিশ্বই বন্দনা কৰে, যাৰ পতি প্ৰেম আছিল অন্যান্য আৰু একক; সেই সীতাই প্ৰিয়তম পতিৰ পৰা অপমান, লাঞ্ছনা-গঞ্জনা আৰু নিৰ্বাসন ভুগিবলগীয়া হ'ল। গতিকে শোকে-তাপে, অপমানে-বেজাৰে জৰ্জৰিতা হৈ আৱেগ বিহ্বল হৈ পৰিছে। আৱেগত অন্তৰ খোল খাই গৈছে। ফলত তিক্ততাপূৰ্ণ হ'লেও অন্তৰ উজাৰি কথাবোৰ কৈ গৈছে। অৱশ্যে অন্তিম

মুহূৰ্তত তেওঁ ৰামৰ পৰা ক্ষমা ভিক্ষাও মাগিছে। মূল ৰামায়ণত এই সকৰুণ দৃশ্যটো নাথাকিলেও অসমীয়া কাব্যৰ এই দৃশ্যটি অতি মৰ্মদাহী আৰু হৃদয় বিদাৰক হৈছে।

মুঠ কথা, বাল্মীকিৰ 'উত্তৰাকাণ্ড'ৰ সীতা পতিব্ৰতা সংযতমুখী আৰু পৰম ধৈৰ্যশীলা। কাৰো প্ৰতি কোনো ধৰণৰ অভিযোগ, অভিমান নাই। বিধিৰ অলঙ্ঘনীয় নিৰ্দেশ নতশিৰে মানি লৈছে। শঙ্কৰদেৱে কিন্তু নাৰী অবলা হ'লেও নিজত্ব তথা ব্যক্তিত্ব হেৰুৱাবলৈ এৰি দিয়া নাই। তেওঁৰ সীতাই অভিমান কৰিছে; মিছাতে কলঙ্কৰ বোজা জাপি দিয়াৰ বাবে অভিযোগ আনিছে। ৰামৰ হাতৰ পুতলা হ'বলৈ নিজকে এৰি দিয়া নাই। নিজৰ আত্ম মৰ্যাদা, আত্ম সন্মান পৰিত্যাগ কৰা নাই। যদিও বাৰে বাৰে অপমান পাইছে। শেষ মুহূৰ্তত হ'লেও যুক্তিপূৰ্ণ আৰু সাৰুৱা কথাৰে নিজৰ বিশুদ্ধতা আৰু গুণাৱলী ৰাজহুৱাভাৱে প্ৰকাশ কৰি থৈ গৈছে। আৰু অৱশেষত এই সকলোবোৰ লঘু লাঞ্ছনাৰ মূল ব্যক্তি স্বামী ৰামচন্দ্ৰ নিশ্চল নিস্পন্দ হৈ বহি থকাৰ বাদে বিশেষ একো প্ৰতিবাদ কৰিব নোৱাৰিলে।

শেষত ইয়াকে ক'ব পাৰি যে বাল্মীকিৰ সীতা শঙ্কৰদেৱৰ হাতত বেছি তেজস্বিনী, বেছি উজস্বিনী আৰু মহিয়সী ৰূপ এটা লাভ কৰিবলৈ সমৰ্থ হ'ল।■

*(পুনৰ মুদ্ৰিত)*

---


<u>সহায় লোৱা পুথি</u> ঃ

১. ড° মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰু চৰিত কথা, পৃঃ-১০১

২. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃঃ-২৫১

৩. হৰিনাৰায়ণ দত্ত বৰুৱা (সম্পাঃ) ঃ শ্ৰীশঙ্কৰদেৱৰ ব্যাকামৃত, পৃঃ-৯৯৮

৪. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, পৃঃ-৩২১

<u>সন্দৰ্ভ গ্ৰন্থ</u> ঃ

১. পণ্ডিত শিৱৰাম শৰ্মা (সম্পাঃ) ঃ শ্ৰীমদ্বালমীকী ৰামায়ণম্, ৱাসিষ্ঠঃ চৌখাম্বা বিদ্যাভৱন, বাৰাণসী।

২. হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সপ্তকাণ্ড ৰামায়ণ, দত্তবৰুৱা পাব্লিচিং কোম্পানী প্ৰাঃ লিঃ, গুৱাহাটী।

৩. ড° মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰুচৰিত কথা, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী।

৪. হৰিনাৰায়ণ দত্ত বৰুৱা (সম্পাঃ) ঃ শ্ৰীশঙ্কৰ বাক্যামৃত, দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী।

৫. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ ৰামায়ণৰ ইতিবৃত্ত, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়।


**স্বভাৱে কলিৰ লোক ভৈল মন্দমতি।**
**কিমতে সাধিবে আন ধৰ্ম্মে আউৰ গতি।।**
**কলিৰ ভয়ত ধৰ্ম্মে কৈত নপাই ঠাই।**
**হৰিৰ নামত ৰৈলা শৰণ সোমাই।।**

*উত্তৰাকাণ্ড ৰামায়ণ- ৫৬-৫৭*

# ভাষান্তৰত ৰামায়ণ কাব্য তথা অসমীয়া ৰামায়ণী সাহিত্য

**শ্ৰীঅপৰাজিতা বৰকাকতী**

মহৰ্ষি বাল্মীকি আদিকবি আৰু তেওঁৰ ৰচিত অমৰ কাব্য 'ৰামায়ণ' আদি মহাকাব্য। বিষ্ণু পুৰাণত এওঁক ভৃগুঋষিৰ বংশধৰ আৰু বৈবস্বত মন্বন্তৰত চতুৰ্বিংশ ব্যাস বুলি ধৰিছে। এইখনি মহাকাব্য ভাৰতীয় জাতীয় জীৱনৰ লগত গভীৰভাৱে সংপৃক্ত আৰু পৰিচিত আৰু যুগে যুগে এইকাব্যই ভাৰতবাসীৰ চিন্তাধাৰা আৰু সাহিত্যত যি প্ৰভাৱ বিস্তাৰ কৰিছে, পৃথিৱীৰ আন কোনো গ্ৰন্থই কোনো জাতিৰ জীৱনৰ ওপৰত ইমান প্ৰভাৱ পেলাব পৰা নাই। এহালি ক্ৰৌঞ্চচৰাইৰ এটি ব্যাধৰ শৰত বিদ্ধ হৈ ঠাঁচকৰে মাটিত বাগৰি পৰাত ইটি চৰায়ে শোকাৰ্ত্ত হৈ কৰুণ সুৰে বিনাবলৈ ধৰিলে, ইয়াকে দেখি ঋষিকবি বাল্মীকিৰ মনত যি কৰুণাৰ ভাৱ উদ্বেলিত হ'ল সেয়া অভিশাপৰ শ্লোক ছন্দৰূপে মুখহন্তে নিঃসৰিত হ'ল এইদৰে--

> 'মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শ্বাশতী সমাঃ।
> যৎ ক্ৰৌঞ্চমিথুনাদেকমধীঃ কামমোহিতম্।।'

তমসা নদীৰ পাৰৰ এই ঘটনা তেওঁ পৰমেশ্বৰৰ দুৰ্বোধ্য লীলাৰ অংশৰূপে গ্ৰহণ কৰিলে আৰু ধ্যানমগ্ন হৈ অনেক কাল থাকোঁতে চতুৰ্মুহ্য ব্ৰহ্মা ঋষিৰ সন্মুখত দেখা দি ক'লে যে 'শোকৰ পৰা শ্লোক উদ্ভৱ হোৱা গতিকে এই ছন্দতে ৰামৰ কাহিনী লিপিবদ্ধ কৰা।' ব্ৰহ্মাৰ আশীৰ্বাদত ধ্যানস্থ ঋষিৰ ৰামৰ জীৱনৰ আদি আৰু শেষছোৱা প্ৰত্যক্ষ হ'ল, তেওঁ দিব্যদৃষ্টি লাভ কৰি ধন্য হ'ল। 'ৰামায়ণ'ৰ মহত্ব বখানি ব্ৰহ্মাদেৱে আৰ্শিস বাণী শুনালে-- 'পৃথিৱীত যিমান দিন পৰ্যন্ত পৰ্বত, নদীসমূহ থাকিব, সিমান দিন ৰামায়ণৰ কথা জনগণৰ মাজত প্ৰচাৰ হৈ থাকিব।' পিতামহ ব্ৰহ্মাৰ আশিস বাণী সফল হ'ল। পূৰ্বতে নাৰদ মুনিয়ে ঋষিৰ আগত ৰামৰ চৰিত্ৰ বৰ্ণনা কৰোঁতে বালকাণ্ড বা আদিকাণ্ড আৰু উত্তৰকাণ্ডৰ ঘটনাৱলী বৰ্ণোৱা নাছিল। ব্ৰহ্মাৰ কৃপাত দিব্যদৃষ্টি সম্পন্ন হৈ এই দুয়োটা কাণ্ড ৰচিবলৈ ল'লে। বালকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰকাণ্ড, লঙ্কাকাণ্ড আৰু উত্তৰকাণ্ড-- এই সাতোটা কাণ্ডত ঋষিজনাই ৰাম-সীতাৰ কাহিনী প্ৰাঞ্জল, সুশ্ৰাব্য, গাম্ভীৰ্য আৰু মনোগ্ৰাহীকৈ অঙ্কণ কৰি শ্ৰোতা আৰু পাঠকক ৰসাপ্লুত কৰিছে।

এই আদিকাব্য ৰামায়ণেই সংস্কৃত কাব্য-মহাকাব্যৰ ৰচনা পদ্ধতিৰ যে মূল উৎস সেয়া সৰ্বজন স্বীকৃত। কেৱল ধৰ্মীয় সাহিত্য ৰূপে যি মৰ্যাদা বাল্মীকি ৰামায়ণে লাভ কৰিছে তাতোকৈ অধিক উত্তম কাব্য কলাৰ আৰ্হিৰূপে পৰিচয় পাইছে। পিছৰ যুগৰ বা ৰামায়ণৰ উত্তৰ কালত ৰচিত অমৰ কাব্যসমূহে ৰামায়ণৰ পৰা পাইছে অফুৰন্ত সম্ভাৰ আৰু অনুপ্ৰেৰণা। কেইবাশ শতিকাৰ পিছতো মহাকবি কালিদাস, ভৱভূতি, ভাস আদিয়ে এই ৰামায়ণকে অৱলম্বন কৰি অনেক অমৰ কাব্য, নাট ৰচনা কৰি যশবিস্তাৰ কৰি থৈ গৈছে। কালিদাসৰ হাতত যি সংস্কৃত কাব্যই পৰম পৰিণতি লাভ কৰিছে, ৰামায়ণেই তাৰ সূত্ৰপাত। ঊনৈশটি (১৯টি) সৰ্গত বিভক্ত কৰা কালিদাসৰ সৰ্বশ্ৰেষ্ঠ কাব্য বুলি স্বীকৃত 'ৰঘুবংশ'ত নৃপতি দিলীপৰ পৰা আৰম্ভ কৰি কেইজনমান ৰঘুবংশীয় নৃপতি কাহিনীৰে পূৰ্ণ কৰিছে। এটি সম্পূৰ্ণ সৰ্গত ৰামচন্দ্ৰৰ কৈশোৰ লীলা বৰ্ণনা কৰি কালিদাসে শ্লোক-ছন্দত সমগ্ৰ ৰামায়ণৰ ঘনীভূত ৰূপ উপস্থাপন কৰিছে। কাব্যৰ প্ৰথম অংশত ৰঘু নৃপতিৰ (দিলীপ ৰজাৰ পিছৰজনা) প্ৰধান চৰিত্ৰ বৰ্ণন, পাৰ্শ্বচৰিত্ৰ ৰূপত দিলীপ আৰু অজ। দ্বিতীয় অংশত ৰামৰ চৰিত্ৰ মুখ্য ৰূপত, পাৰ্শ্বচৰিত্ৰ দশৰথ আৰু কুশ। সীতা বিসৰ্জন, লৱ-কুশৰ জন্ম, শম্বুক বৃতান্ত, লক্ষ্মণ বৰ্জন আদি ঘটনা বিৱৰণৰ পৰা কালিদাসৰ বাল্মীকিৰ ৰামায়ণৰ সম্বল গ্ৰহণৰ

পৰিচয় পোৱা যায়।

ভট্টিয়ে প্ৰায় খৃষ্টীয় ষষ্ঠ বা সপ্তম শতিকাত 'ৰাৱণ বধ' বা ভট্টিকাব্যত বাইছটা (২২টা) সৰ্গত মূল ৰামায়ণৰ পৰা কিছু পৰিৱৰ্তন কৰি ছটা কাণ্ডৰ ঘটনাৱলী বৰ্ণাইছে। দশৰথৰ চৰিত্ৰৰ কিছু সাল-সলনি কৰি 'শৈব্য' ৰূপত দেখুৱাইছে। পুত্ৰেষ্টি যজ্ঞত দেৱতাৰ অনাগমন, যজ্ঞৰ আহুতি অৱশেষ লৈ দশৰথে পত্নীসকলক ভোজন কৰাইছে। চাৰিজন ভাতৃৰ ভিতৰত ৰাম-সীতাৰ বিবাহৰহে বৰ্ণনা কৰিছে। অষ্টম শতিকাত 'জানকী হৰণ মহাকাব্য' ৰচনা কৰা কুমাৰ দাসে বাল্মীকি ৰামায়ণৰ ওপৰত আধাৰিত আৰু কালিদাসৰ 'ৰঘুবংশ'ৰ দ্বাৰা প্ৰভাৱিত। ইয়াৰ উপৰি চতুৰ্দশ শতিকাত মল্লাচাৰ্যৰ 'উদাৰ ৰাঘৱ', 'ধনঞ্জয়'ৰ ৰাঘৱ পাণ্ডবীয় আদি ৰামায়ণমূলক সংস্কৃত কাব্য সপ্তদশ, অষ্টদশ শতিকালৈকে ৰচনা কৰা হৈছে জনা যায়। ৰামায়ণৰ কাহিনী নিত্য নতুন যি ভাষাতে ৰচনা। মহাকবি কালিদাসে বাল্মীকিক আদিকবি আৰু ৰামায়ণক কবি প্ৰথম পদ্ধতি উপাধি প্ৰদান কৰি আত্মসন্তুষ্টি লাভ কৰিছে। কেৱল তেওঁৰ অমৰ কাব্য 'ৰঘুবংশ'তেই নহয়, মহাভাৰতৰ পৰা লোৱা কাহিনীৰ 'অভিজ্ঞানশকুন্তলম্'ৰ অঙ্গুৰীয় ঘটনাটি ৰামায়ণৰ 'সুন্দৰকাণ্ড'ৰ অঙ্গুৰীক ঘটনাৰ লগত মিল আছে। সংস্কৃত সাহিত্যৰ দূতকাব্যৰ পথিকৃৎ কালিদাসৰ 'মেঘদূত'ৰ ছাঁ পৰিছে হনুমানে যেতিয়া ৰামৰ ওচৰৰ পৰা সীতাৰ ওচৰলৈ গৈছিল, সেইসময়ত আকাশত ভাঁহি থকা মেঘক হনুমানক তুলনা কৰা হৈছে। 'কুমাৰসম্ভৱ'ৰ তৃতীয় সৰ্গৰ বসন্তকালৰ বৰ্ণনা ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডৰ প্ৰথম অধ্যায়ৰ বসন্ত বৰ্ণনাৰ লগত সাদৃশ্য লেখত ল'বলগীয়া।

ৰামায়ণৰ বিষয়বস্তুৰে কেৱল সংস্কৃত ভাষাতেই কাব্য, মহাকাব্যয়েই ৰচিত হৈছিল এনে নহয়। ৰামায়ণৰ বিষয় লৈ বহুতো অনুপম নাট-সাহিত্যৰো সৃষ্টি হৈছিল, এইনাট ৰচনাত নাট্যকাৰ সকলে যথেষ্ট স্বাধীনতা গ্ৰহণ কৰিছে। কালিদাসৰ বিখ্যাত 'অভিজ্ঞান শকুন্তলম্'ত ৰামায়ণৰ কিছু ছাঁ পৰিছে যদিও, নাটকৰ বিষয়বস্তু সুকীয়া। কালিদাসৰ পূৰ্বৱৰ্তী 'ভাস' এজনা পথিতযশা নাট্যকাৰ আছিল। বানভট্টই নাট্যকাৰ ভাসক প্ৰশংসা কৰি কৈছে যে সূত্ৰধাৰৰ দ্বাৰা আৰম্ভ কৰি বহু চৰিত্ৰৰ সমাৱেশত নাটক ৰচনা কৰি নাট্যকাৰজন যশো লাভ কৰিছে। যশস্বীজনে ৰচিত তেৰখন নাটকৰ ভিতৰত দুখনৰ বিষয়বস্তু ৰামায়ণ কাহিনীত আধাৰিত। 'প্ৰতিমা নাটক' আৰু 'অভিষেক নাটক'। প্ৰথমখনিত ৰামৰ বনবাস আৰু পিতৃ দশৰথৰ মৃত্যুৰ কাহিনী বৰ্ণনা কৰিছে। প্ৰতিমাগৃহৰ (দেবগৃহ বা মাতুলগৃহ) পৰা আহি পিতৃৰ মৰণৰ কথা আৰু জ্যেষ্ঠভাতৃ ৰামচন্দ্ৰৰ নিৰ্বাসনৰ কথা শুনি ভৰত মৰ্মাহত হ'ল। অৰণ্যলৈ গৈ ৰামৰ খৰমযোৰ শিৰত লৈ আহি ৰামৰ অভিষেক কৰিলে। তাৰ পিছত সীতাহৰণ, ৰাম আৰু ৰাৱণৰ যুদ্ধ, ৰাৱণৰ পৰাজয়, সীতা উদ্ধাৰ কৰি ৰামচন্দ্ৰৰ নিজ ৰাজ্যলৈ উভটনি, এইখিনিয়েই নাটকৰ মূল বস্তু। ইখনি নাটকত ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰকাণ্ড আৰু যুদ্ধকাণ্ডক অৱলম্বন কৰি ৰচনা কৰিছে। বালিৰ সৈতে ৰামৰ যুদ্ধ আৰু লঙ্কা ধ্বংস, ৰাৱণ বধ, সীতাৰ অগ্নি পৰীক্ষা পৰ্যন্ত নাটকৰ বিষয় বস্তু সংগ্ৰহ। ভাসৰ এই নাটকক অভিষেক নাটক বুলিছে যেতিয়া ৰামৰ অভিষেক অনুষ্ঠানো ইয়াৰ অন্তৰ্গত।

কালিদাসোত্তৰ প্ৰসিদ্ধ সংস্কৃত নাট্যকাৰৰ নাম ভৱভূতিৰ নাট্য সাহিত্যত চিৰ পৰিচিত। এওঁৰ তিনিখন নাটকৰ ভিতৰত দুখন নাটকে বিষয়বস্তুৰ বাবে বাল্মীকিৰ ৰামায়ণৰ ওচৰত ঋণী। মহাবীৰ চৰিত আৰু উত্তৰ ৰাম চৰিতত যথাক্ৰমে ৰামচন্দ্ৰৰ আদি বা পূৰ্ব আৰু উত্তৰ জীৱন বৰ্ণিত হৈছে। দুয়োখন নাটকেই সপ্তকাণ্ডৰ। কিন্তু নাটক দুখনিৰ নানা ঠাইত বৈচিত্ৰপূৰ্ণৰূপে দাঙি ধৰা বিৱৰণ 'ৰামায়ণ'ৰ পৰা আঁতৰি গৈছে, মিল দেখা পোৱা নাযায়। উত্তৰ ৰামচৰিতত সীতাৰ বিসৰ্জনৰ পৰা আৰম্ভ হৈ লৱ কুশৰ জন্মৰ কাহিনী, ৰামৰ যজ্ঞৰ ঘোঁৰাৰ কাৰণে লৱ-কুশই ৰামৰ সেনাৰ যুদ্ধ আৰু শেষত ৰাম আৰু সীতাৰ মিলন হোৱা দেখুৱাইছে। বিয়োগান্ত নাটকৰ ঠাইত মিলনান্ত নাটৰূপে দেখুৱাই সীতাৰ অবৰ্ণনীয় দুখ শোক সন্তাপৰ ভাৰখন শ্ৰোতা পাঠকৰ মানস সমুদ্ৰৰ পৰা লাঘৱ কৰিছে। কিন্তু কৰুণ ৰস চিত্ৰণত ভৱভূতি নিঃসন্দেহে শ্ৰেষ্ঠ নাট্যকাৰ কালিদাসকো অতিক্ৰম কৰিছে।

সংস্কৃত সাহিত্যৰ উপৰি বৌদ্ধ আৰু জৈন সাহিত্যত ৰামকথা বা ৰামায়ণৰ কাহিনী পঢ়িবলৈ পোৱা যায়। প্ৰায় তৃতীয় শতিকাত চীন ভাষালৈও বৌদ্ধ সাহিত্যৰ 'অভিধৰ্ম মহা বিভাষা' নামৰ গ্ৰন্থখন অনুবাদ কৰিছে, য'ত বাৰ হাজাৰ শ্লোক আছে আৰু চীন ভাষাত গ্ৰন্থখনিক 'ৰামায়ণ'

বুলিয়েই উল্লেখ কৰিছে। শ্লোকখিনিৰ বিষয়বস্তু হ'ল ৰাৱণৰ দ্বাৰা সীতা হৰণ আৰু ৰামে সীতাক পুনৰুদ্ধাৰ আৰু নিজৰ ৰাজ্য অযোধ্যালৈ প্ৰত্যাগমন। তাৰ উপৰি তিনিটা জাতকত ৰাম কথা পোৱা যায়। দশৰথ জাতক, অনামত জাতক আৰু দশৰথ কথানম্। প্ৰথমখন জাতকত ৰামৰ কাহিনী আছে যদিও অনেক ঠাইত ৰামায়ণৰ পৰা আঁতৰি আহিছে। জাতকখন মূল সিংহলী ভাষাৰ পৰা পালিলৈ অনুবাদ কৰিছে। যোল্ল হাজাৰ বছৰ ৰাজত্ব কৰা ৰামে এটা জন্মত গৌতম বুদ্ধ ৰূপে জন্ম হ'ল বুলি গ্ৰন্থখনিয়ে সামৰিছে। ইদুখন জাতকতো ৰামৰ কাহিনী কিছু সাল-সলনি কৰি বৰ্ণাইছে যদিও দুয়োখন চীনা ভাষালৈ অনুবাদ কৰি চীনাবাসীক ৰামায়ণৰ স্বাদ গ্ৰহণ কৰাইছে।

বৌদ্ধ সাহিত্যই ৰামকথা জাতকৰ সাধুৰ মাজেৰে জনাইছে, কিন্তু জৈন সাহিত্যত ৰামায়ণৰ কাহিনী পুৰাণ কাব্যত ৰূপ গ্ৰহণ কৰিছে। 'পউম চৰিয়ং' নামৰ গ্ৰন্থত পোনপ্ৰথমে ৰাম কাহিনীৰে সুন্দৰ কাব্য ৰচনা কৰিলে জৈনসন্ত বিমল সূৰিয়ে। এওঁ প্ৰাকৃত ভাষাত 'পদ্মচৰিত' নাম দি ৰামোপাখ্যানৰ লগত জৈন ধৰ্মৰ সঙ্গতি বজাই ৰখাই চেষ্টা কৰিছিল।

ভাৰতীয় কাব্য সাহিত্যৰ আনখনি শ্ৰেষ্ঠতৰ মহাকাব্য বুলি স্বীকৃতি প্ৰাপ্ত 'মহাভাৰততো' মহৰ্ষি বেদব্যাসে অনুপম ৰাম চৰিত্ৰৰ উপাখ্যান অন্তৰ্ভুক্ত কৰি সেই যুগৰ বুদ্ধিজীৱী, বিদগ্ধ কবিসকলক তেওঁলোকৰ লেখনীৰ বাবে অমূল্য সম্পদ যোগাইছে। নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ মাজেৰে এই মহাকাব্যৰে দ্ৰোৰ্ণ পৰ্বত অভিমন্যুবধৰ বাবে শোকাতুৰ হোৱা যুধিষ্ঠিৰক ব্যাসদেৱে যোল্লজন ৰজাৰ উদাহৰণ দিওঁতে ৰামৰ জীৱনৰ কৰুণ অংশ বৰ্ণাইছে। শান্তি পৰ্বতো ভগৱান শ্ৰীকৃষ্ণই যুধিষ্ঠিৰক ৰামৰ চৰিত্ৰৰ স্থিতপ্ৰজ্ঞতা, ধৈৰ্যৰ পৰকাষ্ঠা উনুকিয়াই প্ৰবোধ দিছে। মহাভাৰতৰ ৰামোপাখ্যানত ব্ৰহ্মাই ৰাম অৱতাৰ হ'ব বুলি কৈ ৰামৰূপী বিষ্ণুৰ সহায়ৰ বাবে দেৱতাসকলক বানৰ, ঋক্ষ আদি ৰূপত জন্ম ল'বলৈ কৈছে। অযোধ্যা কাণ্ডতো ৰাম-সীতাৰ ঘটনাৱলীৰ বহল বিৱৰণ আছে। বিৰাধ, সুতীক্ষ্ণ, অগস্ত্য ঋষি, শবৰী আদিৰ কাহিনী পঢ়িবলৈ পোৱা নাযায়। ৰাম অযোধ্যালৈ প্ৰত্যাবৰ্তন আৰু ৰাজ অভিষেকৰ বৰ্ণনাৰে ৰামৰ উপাখ্যান সামৰিছে। প্ৰকৃততে শ্ৰীৰামচন্দ্ৰৰ অনুপম গুণৰাজি আৰু ৰাম ৰাজ্যৰ মহিমাই ভৱিষ্যতৰ মানৱ সমাজক চৰিত্ৰ সংস্কৰণ, বিশুদ্ধ ৰাজ্য শাসনৰ অনুসৰণৰ অনুপ্ৰেৰণাক উদ্দেশ্য আগত ৰাখি গ্ৰন্থকাৰে বৃহৎ কলেৱৰ মহাকাব্য 'মহাভাৰত'ৰ কিছু অংশৰ পৰিসৰ বৃদ্ধি কৰিলে। মহাভাৰতত ৰামক বিষ্ণুৰ অৱতাৰ বুলি সভক্তিৰে ঠায়ে ঠায়ে বৰ্ণনা কৰিছে।

পুৰাণসমূহতো ৰামকথা, ৰাম অৱতাৰ ৰাম ভক্তিৰ প্ৰৱাহ বোৱা দেখা যায়। হৰিবংশ, মৎসপুৰাণ, ব্ৰহ্মাণ্ড পুৰাণকে ধৰি মহৰ্ষি ব্যাসদেৱৰ শেহতীয়া অথচ শ্ৰেষ্ঠতম ৰচনা, পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱততো ৰামক বিষ্ণুৰ অৱতাৰ ৰূপে গ্ৰহণ কৰা হৈছে।

'আমাক প্ৰসাদ দিত ভূমি ভাৰ সংহাৰিত
কৃপাময় জগত আধাৰ।
ৰামচন্দ্ৰ লক্ষ্মণ ভৰত আৰু শত্ৰুঘ্ন
চাৰিৰূপে হৈব অবতাৰ।।'৫৩৩

-- ভাগৱত, ২য় স্কন্ধ

মহৰ্ষি বাল্মীকিয়ে যি স্বকীয় মহতী প্ৰতিভাৰ তুলিকাস্পৰ্শত মহাকাব্যখনত ভাৰতীয় হিন্দু জীৱনৰ বিভিন্ন স্তৰৰ মহান আদৰ্শৰ আলেখ্য অঙ্কণ কৰিছে, সেয়া কালজয়ী, আজি বহু বছৰ ধৰিও তাৰ দীপ্ত অম্লান হৈ আছে। ৰামায়ণ কাব্য যে ভাবীকালৰ সমস্ত কবিসকলৰ উপজীব্য হ'ব সেয়া বাল্মীকিৰ কাব্যত এই ভৱিষ্যৎবাণী আখৰে আখৰে সত্য হৈছে। 'যোগবশিষ্ঠ' ৰামায়ণ 'অধ্যাত্ম ৰামায়ণ' বা অদ্ভুত ৰামায়ণ আদিয়ে তত্ত্ব প্ৰধান বিষয় বস্তুও এই মহাকাব্যৰ পৰা সংগ্ৰহ কৰিছে। বশিষ্ঠ আৰু ৰামচন্দ্ৰ সংবাদ' উপস্থাপনত ছটা বিভাগত যোগ আৰু বেদান্তৰ তত্ত্বহে প্ৰতিপাদন কৰিছে। 'অধ্যাত্ম ৰামায়ণ' চতুৰ্দশ শতিকাত ৰামানন্দই ৰচিত বুলি ধৰিলৈ ৰামাৱত সম্প্ৰদায়ৰ এইখনিৰ স্থান গুৰুত্বপূৰ্ণ। ৰামভক্তি প্ৰচাৰৰ বাবে এই তত্ত্বগধুৰ কাব্যখনি ৰচনা কৰিছে বুলি ক'ব পাৰি।

বাল্মীকিৰ এইখনি অমৰ কাব্যই কেৱল স্বদেশতে আদৰ, সুখ্যাতি আৰু জনপ্ৰিয়তা অৰ্জন কৰিছে যে সেৱা নহয়, সুদূৰ চীন, জাপান, জাভা, সুমাত্ৰা, শ্ৰীলঙ্কা, কম্বোদিয়া, তিব্বত, ইন্দোচীনৰ অনান্য অংশত, লাওচ আদি দক্ষিণ-পূব এচিয়াৰ বিভিন্ন দেশত ৰচিত ৰামায়ণী সাহিত্যৰ বিষয়ে একো একোটি সাৰুৱা আলোচনা আগবঢ়াইছে। পাশ্চাত্য

দেশত ইংৰাজী, জাৰ্মান, ফৰাচী, ইটালীয়ান, গ্ৰীক আনকি ৰুছ ভাষালৈও ৰামায়ণ অনুদিত হৈছে। ১৯৩৮ খ্ৰীষ্টাব্দত ব্ৰুছেলছ নগৰীত বহা আন্তৰ্জাতিক প্ৰাচ্য সন্মিলনত ইটালীৰ ৰামায়ণী কৰি 'কাৰ্লো ফৰ্মিচিয়ে ইটালী ভাষাত ভাৰতৰ মহাকাব্য দুখনৰ ওপৰত গধুৰ ভাৱ আৰু তত্ত্বপূৰ্ণ ৰচনা পাঠ কৰে। এই বিশিষ্ট কবিজনৰ মতে ৰামায়ণ আৰু মহাভাৰতত যি পৰিমাণে গভীৰ মানৱীয়তা আৰু নৈতিক, আধ্যাত্মিক মানদণ্ডৰ চিত্ৰাঙ্কণ পোৱা যায় ইউৰোপৰ কাব্যসমূহত তেনে চিত্ৰ পোৱা নাযায়। বাল্মীকিৰ ভাষা প্ৰাঞ্জল, মধুৰ আৰু প্ৰৱাহিত নিজৰাৰ নিৰ্মল পানীৰ দৰে সুস্পষ্ট।

ভাৰতীয় ভক্তি আন্দোলনৰ সুপ্ৰভাৱৰ ফলশ্ৰুতি স্বৰূপে ৰামভক্তি আৰু কৃষ্ণভক্তিক কেন্দ্ৰ কৰি ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহৰ পৰা কথাবস্তু লৈ বা সেইবিলাকৰ আধাৰত অনেক কাব্য ৰচিত হয়। ভাৰতীয় আঞ্চলিক ভাষাত প্ৰায় নৱম বা দশম শতিকাত দক্ষিণৰখ তামিল কবি কম্বনে ৰচনা ৰামায়ণ (ইৰামাৱদমেই) কেই সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰাচীন।

অসমীয়া ৰামায়ণী সাহিত্যৰ শুভাৰম্ভ হৈছে চতুৰ্দশ শতিকাত। বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধ বা পৃষ্ঠপোষকতাত সৰ্বজনৰ বোধগম্য হোৱাকৈ মাধৱ কন্দলীয়ে অসমীয়া ৰামায়ণ ৰচনা কৰে। উত্তৰ ভাৰতৰ, সংস্কৃতমূলৰ পৰা উদ্ভৱ হোৱা প্ৰাদেশিক আৰ্যভাষা গোষ্ঠীৰ ভিতৰত সৰ্বপ্ৰথম অসমীয়া ভাষাতেই ৰামায়ণ ৰচিত হৈছিল। কবিজনাই নিজেই লেখিছে বৰাহীৰজাৰ কথামতে কিছু কাব্যৰস দি ৰজাক শ্ৰৱণ কৰাইছে 'মাধৱে ভনন্তি মহামানিয়ে শুনন্তি)।

'ৰামায়ণ সুপয়াৰ        শ্ৰীমহামানিক্য যে
বৰাহ ৰজাৰ অনুৰোধ।।
সাত কাণ্ড ৰামায়ণ        পদ বন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোধৃত।
মহামানিক্যৰ বোলে        কাব্য ৰস কিছো দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত।।'২৪

(লঙ্কাকাণ্ড, পৃঃ ৪১৮)

কবিজনাই 'লঙ্কাকাণ্ড'ৰ সামৰণিতে নিজৰো পৰিচয় দিছে আৰু কাব্যৰস দিওঁতে মূলৰ কিছু সাল-সলনি কৰোঁতে পণ্ডিতসকলে যাতে অসন্তোষ নকৰে তাৰ বাবে হাতযোৰ কৰি ক্ষমা প্ৰাৰ্থনা বিচাৰিছে--

'পণ্ডিত লোকৰ যেবে        অসন্তোষ উপজয়
হাতযোৰ বোলোঁ শুদ্ধ বাক।
পুস্তক বিচাৰি যেবে        তৈত কথা নপাবাহা
তেৱে সৱে নিন্দিবা আমাক।।'২৫

কন্দলীয়ে মূল বাল্মীকি বিৰচিত মহাকাব্যখনিক বেদৰ মৰ্যাদা দিছে আৰু কবিৰ অন্যতম নাম কবিৰাজ কন্দলীযে, সেয়াও লঙ্কাকাণ্ডতে জনাইছে। মূলৰ কথাবোৰ প্ৰয়োজনবোধেহে সালসলনি কৰিছে। গতিকে মূল পুস্তকৰ পৰা অনান্য ভাষাৰ ৰামায়ণী কবি যেনে বাংলাৰ কীৰ্তিবাস বা হিন্দী ভাষাৰ প্ৰথিতযশা কবি তুলসীদাসৰ দৰে আমাৰ কবিগৰাকী আঁতৰি যোৱা নাই। হিন্দী, উড়ীয়া, বাংলা ভাষাতকৈ কন্দলীৰ কাব্য প্ৰায় এশবছৰতকৈ অধিক প্ৰাচীন যদিও কন্দলীৰ ৰামায়ণখনিত পিছৰ যুগৰ কবিসকলৰ বাবে প্ৰেৰণাৰ স্থলী। কাব্যচেতনাত নিবিড় প্ৰভাৱ পেলাইছে চতুৰ্দশ শতিকাৰ কাব্যখনিয়ে। ৰচনাৰ শৈলীত ভাৱ প্ৰকাশৰ সৰলতা আৰু সতেজভাৱ প্ৰকাশ পাইছে। এটি পৰিপাটী, পৰিপূৰ্ণ সাহিত্যিক ঠাঁচ কন্দলীৰ ৰামায়ণত পোৱা যায়। শ্ৰীমন্ত শঙ্কৰদেৱে কন্দলীৰ পাণ্ডিত্যক স্বীকৃতি দি শ্ৰীমদ্ভাগৱতৰ অষ্টম স্কন্ধত 'পূৰ্বকবি অপ্ৰমাদী' বুলি প্ৰশংসা কৰিছে। সেইবাবে হয়তো কন্দলীৰ সাতোটা কাণ্ডৰ আদি আৰু উত্তৰ কাণ্ডভাগি বিচাৰি নোপোৱাত মহাপুৰুষে শ্ৰদ্ধাবশতঃ নিজে উত্তৰকাণ্ড আৰু বড়াৰপো মাধৱক আদিকাণ্ড ভাঙনি কৰিবলৈ অসম্পূৰ্ণ কাব্যখন সম্পূৰ্ণ কৰি অসমীয়া ৰামায়ণী সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়ালে। অযোধ্যাকাণ্ডৰ পৰা লঙ্কাকাণ্ডলৈকে প্ৰাপ্ত পদ পয়াৰখিনিত মূল ৰামায়ণৰ সৌন্দৰ্যপূৰ্ণ আৰু অপৰিহাৰ্য শ্লোকবোৰ মধুৰভাৱে ভাঙনি কৰিছে। অযোধ্যাৰ ৰাজপ্ৰসাদৰ বৰ্ণনাত ফুটি উঠিছে নিজ মাতৃভূমিৰ ঘৰ-বাৰীৰ সৌষ্ঠৱ, লঙ্কা নগৰীত যেন অসমৰ তেতেলী, আম, জাম, নাগেশ্বৰ, গুৱা আদিহে ফলমূলে জকমকাই আছে। অসমীয়া মানুহৰ অতি চিনাকি ফুলৰ কথাৰে অঙ্কিত লঙ্কানগৰীৰ উদ্যানবোৰ-

'কদম্ব গুলাল পাৰিজাতক অশেষ।
সেউতী মালতী গুটিমালী যে বিশেষ।।১৮

নাৰী চৰিত্ৰ অঙ্কনতো কন্দলীয়ে সু-সংস্কৃতিবান

কবিৰূপে পৰিচয় দিছে। সঙ্গীতৰ মধুৰ ৰাগিনী সদৃশ স্বভাৱৰ জনক নন্দিনীয়ে অযোধ্যাৰ অন্তেষপুৰত তেওঁৰ অকৃত্রিম সৌন্দর্য, মধুৰ ভাষণ, আচাৰ-ব্যৱহাৰে সকলোৰে প্রিয়পাত্রী হৈ পৰিছে।

উপমা, ৰূপক, উৎপেক্ষা, যোজনা, পটন্তৰ আদিৰ প্রয়োগে কন্দলীৰ কাব্যখনিৰ সৌন্দৰ্যৰ সোণত সুৱগা চৰাইছে। যোজনা পটন্তৰত লেখিছে-- 'আমি ভৈলো / কৈকেয়ীৰ অষ্টমীৰ / ছাগ। আমি আপুতিৰ / আন্ধলীৰ লাঠি / তই /। মৰিবাক লাগি / কোনে / বাঘ হাল / বায় /। সুন্দৰ উপমা দি লেখিছে--

'আখি মুখ পখালিয়া ৰামে দিলা জল।
শিশিৰ প্ৰকাশে যেন ৰকত কমল।।'

কৈকেয়ীৰ / বচনত / হৃদয় / ভেদিল / বাঘিনীক দেখি / যেন মৃগ চমকিল। ৫৮ (অযোধ্যা কাণ্ড) মাধৱ কন্দলীৰ 'ৰামায়ণ বৈশিষ্ট' সম্পৰ্কত অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুয়ে ঠিকেই যে এই গ্ৰন্থখনি অসমীয়া সাহিত্যৰ দৃঢ়ভেটি সংগঠক, অসমীয়া সমাজৰ শিক্ষা, সাধনা আৰু আদৰ্শৰ দাপোণ।'

অসমীয়া ৰামায়ণী সাহিত্যত মহাপুৰুষ দুজনাৰ 'দুটা কাণ্ড'ৰ সংযোজনে সপ্তকাণ্ডী ৰামায়ণ'ত এটি অভিলেখ স্থাপন কৰিছে। বহুতো আঞ্চলিক ৰামায়ণত 'উত্তৰ কাণ্ড' ভাগটি দেখিবলৈ পোৱা নাযায়। যুগৰ জনগণৰ অভিৰুচি সাপেক্ষে বহুতো অনুবাদকে 'সীতাৰ বিসৰ্জন' আৰু পাতাল প্ৰৱেশ কাহিনীয়ে হৃদয়ত বিষাদৰ সাঁচ বহুৱাব বুলিয়েই সেই কাণ্ডটিৰ ওচৰ চপা নাই। কিন্তু গুৰু শঙ্কৰে এই কাণ্ডটিত এফালে শ্ৰীৰামচন্দ্ৰৰ পৰিপূৰ্ণতম অৱতাৰ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক লীলাৰ সমসৰ কাৰ্য লীলা দৰ্শন কৰিছে আৰু আনফালে মানৱতাবাদৰ এক সুকীয়া স্বীকৃতি উপস্থাপন কৰিছে। সেয়েহে গুৰুৰচিত উত্তৰকাণ্ডই যাক উত্তৰা কাণ্ড বুলি অভিহিত কৰিছে; যুগৰ, সময়ৰ পাঠকৰ এটি আৱেগিক অন্তৰঙ্গতা অব্যাহত কৰি ৰাখিছে।

শিশুলীলা প্ৰেমিক মাধৱদেৱক কৃষ্ণৰেই পূৰ্ব অৱতাৰ ৰামৰ জন্ম শৈশৱ লীলা, পৰাক্ৰমী যোদ্ধাৰূপ আৰু যুৱাকালৰ মনোৰম ৰূপ-লাৱণ্য বৰ্ণনাই বাল্মীকিৰ 'বালকাণ্ড'ক আদিকাণ্ডৰূপে অনুবাদ কৰিবলৈ প্ৰেৰণা দিলে। দশৰথৰ গৃহতে নাৰায়ণৰ চাৰি অংশ স্থিতি লৈছে সেয়াও বৰ্ণনা দিবলৈ পাহৰা নাই। স্বয়ম্বৰত হৰধনু ভঙ্গ কৰি অনুপমা সীতাক বিবাহ কৰে আৰু পৰশুৰামৰ লগত সংঘৰ্ষৰ পাছত মহিমাৰ সীমা যাৰ নাই সেইজনা ৰামে মনুষ্যৰ ব্যৱহাৰ দৰ্শাই দশৰথ নৃপতিক সন্তুষ্ট কৰি সীতাৰ মনত আনন্দৰ সঞ্চাৰ কৰাৰ চিত্ৰখনি প্ৰত্যক্ষ কৰাই আদিকাণ্ডই আঁৰ কাপোৰ টানিছে।

মূল ৰামায়ণৰ 'উত্তৰকাণ্ড'ক উত্তৰাকাণ্ড বুলি গুৰু শঙ্কৰে 'সাৰ' বুলি কোৱাৰ কাৰণ এয়ে হ'ব পাৰে যে ৰামায়ণৰ অন্য কোনো কাহিনীৰ লগত প্ৰত্যক্ষভাৱে ইয়াৰ কাহিনী জড়িত নহয়। মঙ্গলাচৰণেৰে উত্তৰাকাণ্ড আৰম্ভ কৰি শঙ্কৰে সীতাৰ বনবাস, বাল্মীকিৰ আশ্ৰমলৈ সীতাক আনয়ন, লৱ কুশৰ জন্ম, সীতাক অযোধ্যালৈ আনিবলৈ হনুমন্তাদিক প্ৰেৰণ, বাল্মীকিৰ সহিতে সীতাৰ আগমন, বাল্মীকিৰ শপথ-কাব্য, সীতাৰ পাতাল প্ৰৱেশ, পৃথিৱীৰ প্ৰতি ৰামৰ ক্ৰোধ, ভৰত শত্ৰুঘ্নৰ পুত্ৰসকলক ৰাজ্যদান, শ্ৰীৰামৰ ওচৰলৈ ছদ্মবেশী কালৰ প্ৰৱেশ, লক্ষ্মণ বৰ্জন, লৱ-কুশৰ ৰাজ্যভিষেক, লক্ষ্মণৰ অন্বেষণ আৰু প্ৰেতকাৰ্যকৰণ, শেষত শ্ৰীৰামচন্দ্ৰৰ স্বৰ্গগমন। প্ৰত্যেকটি বিষয় যেন চলচ্চিত্ৰৰ দৰে এটি এটি ক্ৰমগতিৰে আমাৰ সন্মুখত প্ৰত্যক্ষ কৰাইছে।

মূলত থকা এশ বিশটা অধ্যায় শ্ৰীশঙ্কৰে ত্ৰিশটা অধ্যায়তে সামৰিছে। যিখিনি ভক্তি বিৰোধী তেনেখিনি অপ্ৰয়োজনীয় বুলি তাৰাৰ ৰচনাত স্থান দিয়া নাই। অত্যন্ত সৰল, সদ্য প্ৰস্ফুটিত শুভ্ৰপুষ্পৰ দৰে পৱিত্ৰ সীতাৰ অহৈতুক বনবাস, সীতাক সুমিত্ৰানন্দনে মহাৰণ্য একেশ্বৰে এৰি থৈ যোৱাত অযোধ্যা ৰাজবোৱাৰীৰ অন্তৰৰ পৰা নিগৰিছিল হিয়া ভগা ক্ৰন্দন, কবিৰ ভাষাত এইদৰে প্ৰকাশ পাইছে-- 'কোন দিশ / যাওঁ /এনে /নপাওঁ / উদ্দিশ /কাম্পন্ত / কন্দলী /যেন /প্ৰচণ্ড বতাসে। মুৰ্চ্চা গৈয়া /পৰিলন্ত /বনত হতাশে।২৫।। বন্যজনে /সবো কান্দে /সীতাক আৱৰি। /কতোজনে /বিঞ্চে শিৰে /পখীছায়া কৰি।।'২৫।।

সীতাৰ কৰুণ কাহিনী, পুত্ৰদ্বয় লৱ-কুশৰ মুখৰ শুনি হনুমন্তাদিক প্ৰেৰণ কৰিলে ৰামে বাল্মীকিৰ আশ্ৰমলৈ। ধূলিৰে ধুসৰিত তাপসীৰ বেশত জনক নন্দিনীক দেখি বীৰসকলৰ অন্তৰে হাঁহাকাৰ কৰিলে। ৰামৰ নিষ্ঠুৰতা বচন

সুঁৱৰি সুঁৱৰি পুত্ৰসম আগন্তুকসকলক স্নেহসিক্ত কাব্যৰে অযোধ্যালৈ পুনৰ উভটি নোযোৱাৰ সিদ্ধান্ত জনালে। বাল্মীকিতকৈ অধিক কৰুণ সুৰত কবিয়ে বৰ্ণালে-- 'মোক /কৰিবাক আৰ /নৰৈল ৰামৰ। আৰো /নুবুলিবা /কাৰো /সবাকে কাতৰ।২৯৯ গৰ্ভে সমে /তেজিলেক মাৰিবে প্ৰবন্ধে।।' বাল্মীকিৰ আশ্বাসত সীতাৰ ৰাজপ্ৰসাদলৈ আহিল যদিও কাৰুণ্যৰ প্ৰতিমূৰ্তি নাৰীগৰাকীয়ে স্বামীৰ অভাৱনীয় আচৰণ সহ্য কৰিব নোৱাৰি আই বসুমতীৰ কোলাত আশ্ৰয় ল'লে।

গুৰু শঙ্কৰে জীৱনৰ অন্তিম কালত 'ৰামবিজয়' নাটত ৰাম-সীতাৰ আদি জীৱনৰ নাটকীয় ৰূপ দি উত্তৰাকাণ্ডত পদ-পয়াৰত ত্ৰিভুৱন পতি ৰামক জগতৰে গতি, পূৰ্ণব্ৰহ্মৰ এক ৰমনীয় ৰূপত বৰ্ণাই শ্ৰোতা পাঠকৰ হৃদয়স্পৰ্শ কৰি ৰামায়ণ সামৰিছে। দুষ্টক দমন আৰু সন্তক পালন কৰি শ্ৰীকৃষ্ণই বৈকুণ্ঠ প্ৰয়াণ কৰাৰ দৰে শ্ৰীৰামকো আদৰ্শনীয় ৰামৰাজ্য স্থাপন কৰি স্বৰ্গৰোহণ বা সন্তান স্থানলৈ গতি কৰা দেখুৱাইছে।

মহাপুৰুষসকল বা মহৰ্ষিসকলে সদা সৰ্বদায় জগতবাসীৰ কল্যাণৰ অৰ্থে হাতত তুলিকা লয়। দুয়োজনা মহাপুৰুষে যে অসম্পূৰ্ণ অসমীয়া ৰামায়ণখন সম্পূৰ্ণ কৰিছিল যে সেয়াই নহয়। ৰামভক্তিলৈ অধিককৈ ভক্তি-বৰ্দ্ধন, সত্য পৰায়ণতা, বিশ্বৰ এজন আদৰ্শ ৰজা, প্ৰজাবৎসলতা আদি গুণাৱলীলৈ জনসমাজক আকৰ্ষণ কৰাত এক উদ্দেশ্য নিহিত আছে। তাতে তাৰোপৰি মানৰ দৰদী মহাপুৰুষদ্বয়ে ৰামায়ণৰ চৰিত্ৰবোৰ মানৱীয় দৃষ্টিভঙ্গীৰে বিচাৰ বিশ্লেষণ কৰিছে। উত্তৰাকাণ্ডত ৰামৰ নিষ্ঠুৰতা তথা অমানৱীয় আচৰণ আৰু নাৰীজাতিৰ প্ৰতি যেন অমৰ্যাদা পূৰ্বক ব্যৱহাৰ প্ৰদৰ্শনত সীমা চেৰাই গৈছে। সেয়া গুৰু শঙ্কৰ মানসত যিদৰে প্ৰতিক্ৰিয়া কৰিছে তাকে পদ ভাঙনিত ব্যক্ত কৰিছে। সীতাৰ বচন যেন জলন্ত অগ্নিশিখা স্বৰূপ--

'ছলবাদে দিলা নিয়া নিৰ্ব্বাসক মনে।
আকস্মিতে তেজে যেন ভাৰ্য্যাক টেণ্টনে।।৪৩
ৰাক্ষসতোধিক ইটো তোমাৰ কুমতি।
নাই একো তিলো তিৰিবধ পাপভীতি।।৪৪

সতী সীতা যেন যুগ-যুগান্তৰৰ নাৰীসকলৰ অন্তহীন, নিৰ্বাক যন্ত্ৰণাৰ প্ৰতিভূ। কিন্তু মৰ্যাদাসম্পন্না সতী নাৰীগৰাকী বিশেষ পৰিস্থিতিত প্ৰগল্‌ভা বহুভাষিনী, ক্ষোভ আৰু অপমানৰ দ্বাৰা আক্ৰান্ত হৈ স্বামীৰ প্ৰতিবাদিনী, পতিৰ অনৌচিত বিচাৰত ক্ষুণ্ণ আৰু মৰ্মাহত। 'ৰাক্ষসতোধিক' স্বামীৰ মুখ দৰ্শন 'নকৰো' বুলি ৰাজদুহিতা অনাদৃতা মহীষীগৰাকী চিৰকালৰ বাবে সৰ্বস্ব ত্যাগ কৰি 'পাতাল প্ৰৱেশ'ৰ নিচিনা প্ৰতিবাদ দৰ্শন কৰায়। সীতাৰ অন্তৰ্দাহী বিষাদৰ চকুলো ৰামায়ণী কবিৰ তুলিকাতে যতি পৰা নাই। সমগ্ৰ ভাৰতীয় বেদনাহত নাৰীৰ জীৱন পৰিক্ৰমাত বিভিন্ন সূতিৰে সেই শোকাশ্ৰু অধুনাও ধাৱমান হৈ আছে।■

**প্ৰসঙ্গ পুথি ঃ**

১. কেশদা মহন্ত ঃ অসমীয়া ৰামায়ণী সাহিত্য
২. চক্ৰৱৰ্তী ৰাজাগোপালচাৰী ঃ ৰামায়ণ (অসমীয়া অনুবাদ)
৩. ড° বিমানচন্দ্ৰ চট্টোপাধ্যায় ঃ সংস্কৃত সাহিত্যেৰ ৰূপকথা
৪. মাধৱ কন্দলী ঃ সপ্তকাণ্ড ৰামায়ণ ঃ (প্ৰকাশক- দিল্লী অজন্তা প্ৰকাশন)

# অসমীয়া ৰামায়ণী সাহিত্যত শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ স্থান

**শ্ৰীবোধেশ্বৰ কাকতি**

অসমীয়া সাহিত্যত এক বিশাল অংশ ৰামায়ণৰ প্ৰভাৱপুষ্ট সাহিত্যই অধিকাৰ কৰি আছে। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত বিষ্ণুভক্তি মাহাত্ম্যসূচক সাহিত্যৰ পিছত ৰামায়ণ সাহিত্যই হ'ল একেটা ধাৰাৰ ওপৰত ৰচিত হোৱা বিস্তৃত অসমীয়া কাব্য সাহিত্য। অসমীয়া ৰামায়ণী সাহিত্যৰ ভিতৰত প্ৰাক্ শঙ্কৰী যুগৰ কবি মাধৱ কন্দলীৰ ৰামায়ণৰ বাদেও মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা উত্তৰাকাণ্ড আৰু আদিকাণ্ড, ৰঘুনাথ মহন্তৰ কথা ৰামায়ণ, শত্ৰুঞ্জয় কাব্য, অদ্ভুত ৰামায়ণ, অনন্ত ঠাকুৰ বা হৃদয়ানন্দ কায়স্থৰ শ্ৰীৰাম কীৰ্ত্তন, দুৰ্গাবৰৰ গীতি ৰামায়ণ আৰু অনন্ত কন্দলীৰ ৰামায়ণৰ নাম ল'ব পাৰি। ইয়াৰ বাদেও মহাপুৰুষ শঙ্কৰদেৱৰ ৰামবিজয় নাট আৰু সাময়িকভাৱে প্ৰচলিত নানা ধৰণৰ গীত-মাত, ৰামায়ণৰ বিভিন্ন আখ্যানৰ অনুবাদ আৰু ৰাম কথা আলমত সৃষ্টি হোৱা কিছুমান কাহিনীৰ নাম ল'ব পাৰি। এই আটাইবোৰৰ ভিতৰত জিলিকি আছে মাধৱ কন্দলীৰ ৰামায়ণখন। ইয়াৰ লগত সংযোগ কৰা মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা কাণ্ড দুটিয়ে মাধৱ কন্দলীৰ ৰামায়ণখনিৰ শোভা বঢ়াইছে।

মহাপুৰুষ শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ বেছি ভাগ ক্ষেত্ৰতে তাৰাই মূলৰ উপকাহিনীসমূহ হয় বাদ দিছে নহয় সংক্ষেপতে বৰ্ণাইছে। এই অংশটি মূলতকৈ অধিক গভীৰ, সুৰুচিপূৰ্ণ আৰু শান্ত কৰুণ ৰসেৰে ভৰা। কোনো কোনো অংশত দুটা এটা বৰ্ণনা অধিক দীঘল কৰিলেও সমগ্ৰ উত্তৰা কাণ্ডৰ মাজত গুৰুজনাৰ অতুলনীয় কবি প্ৰতিভাৰ উমান পোৱা যায়। শঙ্কৰদেৱৰ উত্তৰাকাণ্ড বাল্মীকিৰ যথাযথ অনুবাদ নহয়। কবিৰ নিজৰ কথাৰেই 'কথাসাৰ' হে উত্তৰা কাণ্ডৰ ৰচনাশৈলী। বাল্মীকিৰ ৰামায়ণৰ বিষয়ক্ৰমৰ লগত ৰিজালেই অসমীয়া কবিৰ ৰচনাৰ চুম্বকত্ব প্ৰতীয়মান হ'ব।

(ক) **মূল ৰামায়ণৰ বিষয়ক্ৰম** ঃ অগস্তমুনিৰ ৰামচন্দ্ৰৰ ৰাজসভালৈ আগমন, কুবেৰৰ উৎপত্তি, তপস্যা আৰু বৰপ্ৰাপ্তি, ৰাক্ষস বংশৰ বৰ্ণনা, ৰাৱণৰ জন্ম, তপস্যা আৰু ৰাৱণৰ প্ৰতি অভিশাপ, দেৱতাৰ লগত যুদ্ধ, শিৱৰ আৰাধনা, সীতাৰ অপবাদ, সীতা বনবাস, ৰজা নৃগৰ কথা, বশিষ্ঠৰ কাহিনী, যযাতিৰ যৌৱন লাভ, চাৱন ঋষিৰ ৰামৰ ৰাজসভালৈ আগমন, লৱন দৈত্য বধ, শত্ৰুঘ্নৰ ৰাজ্য অভিষেক, শত্ৰুঘ্নৰ দ্বাৰা মথুৰাত নগৰ স্থাপন, শ্ৰীৰামচন্দ্ৰৰ শম্বুক বধ, ৰাম-অগস্ত্য সংবাদ আৰু অশ্বমেধ যজ্ঞৰ পৰামৰ্শ, বৃত্তাসুৰ বধৰ প্ৰসঙ্গ, ৰজা ইন্দ্ৰৰ কাহিনী, ৰামৰ যজ্ঞলৈ বাল্মীকিৰ আগমন আৰু লৱ-কুশৰ গান, সীতাৰ শপত গ্ৰহণ, পাতাল প্ৰৱেশ প্ৰভৃতি।[১]

(খ) **শঙ্কৰদেৱৰ বিষয়সূচী** ঃ সীতাৰ বনবাস, লৱ-কুশৰ জন্ম, শ্ৰীৰামচন্দ্ৰ অশ্বমেধ যজ্ঞ, লৱ-কুশৰ ৰামায়ণ গান আৰু যজ্ঞত প্ৰৱেশ, লৱ-কুশৰ পৰিচয়, সীতাক আনিবলৈ হনুমানৰ গমন, সীতাক ৰামচন্দ্ৰৰ সভালৈ আনয়ন, সীতাৰ ক্ৰোধ আৰু পাতাল প্ৰৱেশ, শ্ৰীৰামৰ পৃথিৱীৰ প্ৰতি ক্ৰোধ আৰু ব্ৰহ্মাৰ প্ৰবোধ দান, ভৰত আদিৰ পুত্ৰক ৰাজ্য দান, ৰামৰ ওচৰলৈ কালৰ আগমন, লক্ষ্মণ বৰ্জন, লৱ-কুশৰ ৰাজ্যাভিষেক আৰু ৰামৰ লক্ষ্মণ অন্বেষণ, লক্ষ্মণৰ শৱ দাহ আৰু শ্ৰীৰামৰ স্বৰ্গ গমন।

মূল ৰামায়ণৰ উত্তৰাকাণ্ড ৪৫ অধ্যায়ৰ পৰা গুৰুজনাই অনুবাদৰ পাতনি তৰিলেও ৯৮ অধ্যায়ৰ (অশ্বমেধ যজ্ঞ) অগ্ৰৱৰ্তী অধ্যায়বোৰ একেবাৰে চমু। লৱ-কুশৰ গানৰ প্ৰসঙ্গত মহাপুৰুষে প্ৰথমৰ পৰা পঞ্চাশ অধ্যায়ৰ কথাবস্তুক চমুকৈ পৰিৱেশন কৰাৰ প্ৰযত্ন

১। বাপ চন্দ্ৰ মহন্ত ঃ মহাপুৰুষ শঙ্কৰদেৱ, পৃঃ-১৫৯

প্ৰণিধানযোগ্য।

উত্তৰাকাণ্ডৰ বৰ্ণনা অনুসৰি ৰামায়ণ গীতৰ গায়ক আৰু প্ৰচাৰক সীতাৰ যমজ সন্তান লৱ আৰু কুশ। লৱ-কুশৰ জন্মৰ কাহিনী উত্তৰাকাণ্ডৰ কাহিনীৰ মাজতে নিহিত আছে। তেওঁলোকক ৰামায়ণ গীতি শিকাইছে স্বয়ং বাল্মীকিয়ে। অনুসৰি তেতিয়ালৈকে প্ৰকাশ নোহোৱা অৰ্থাৎ ভৱিষ্যতৰ বুকুত নিহিত থকা কাহিনীও ৰচনা কৰিছিল আৰু লৱ-কুশক সম্পূৰ্ণ ৰামায়ণৰ শিক্ষা দিছিল। পণ্ডিতসকলৰ মতে ভৱিষ্যতৰ বুকুত নিহিত ৰূপে চিত্ৰিত কাহিনী ভাগ প্ৰক্ষিপ্ত; পৰৱৰ্তী কালৰ আন কোনোৱে ৰচনা কৰি ইয়াত সংযোগ কৰি দিছে মাথোন। প্ৰাপ্ত তথ্য মতে বাল্মীকিয়ে ৰামায়ণৰ কাহিনী শুনিছিল নাৰদৰ মুখে আৰু ব্ৰহ্মাৰ নিৰ্দেশক্ৰমে এই কাহিনীত কল্পনাৰ ৰহণ চৰাই ৰামায়ণ ৰচনা কৰিছিল। কিন্তু উত্তৰাকাণ্ডত সংযোজিত ৰাক্ষস আদিৰ কাহিনীৰ বক্তা ঋষি অগস্তি, শ্ৰোতা স্বয়ং ৰাম। সম্ভৱ অগস্তিৰ মুখে শুনা কাহিনীভাগ প্ৰক্ষিপ্ত আছিল। সেয়ে প্ৰক্ষিপ্তৰূপে বিবেচিত হোৱা কাহিনী অংশ অসমীয়া উত্তৰাকাণ্ড ৰচনা কৰাৰ সময়ত মহাপুৰুষ শঙ্কৰদেৱে অসমীয়ালৈ ভঙাৰ আৱশ্যকতা অনুভৱ নকৰিলে।

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত অসমীয়া উত্তৰাকাণ্ড ৰামায়ণৰ কাহিনী সীতাৰ বনবাসেৰে আৰম্ভ হৈছে। তেতিয়া ৰাম অযোধ্যাৰ ৰজা। সীতা গৰ্ভৱতী। এনে অৱস্থাতে সীতাৰ জীৱনলৈ নামি আহিছিল দুৰ্যোগ। প্ৰজাৰ মাজত চলা আলাপ-আলোচনা ৰামে শুনিলে--

‘সীতাক নিলেক হৰি ৰাৱণ ৰাক্ষস।।  
একেশ্বৰী নাৰী সীতা আছিল লঙ্কাত।  
কিমতে গৈলন্ত তাত ৰাঘৱ সঞ্জাত।।’

প্ৰজাৰ মাজত হোৱা তেনে সন্দেহে ৰামক বিষন্ন কৰি তুলিলে। ৰামে কোনো সঠিক সিদ্ধান্ত ল’ব নোৱাৰাত পৰিল। কিন্তু ৰামে লোক অপবাদৰ ভয়ত লক্ষ্মণক মাতি আনি সীতাৰ নিৰ্বাসন আদেশ দিলে ঃ

‘ছলবাদে দিয়ো নিয়া নিৰ্বাস সীতাক।’

লক্ষ্মণে তেনে কাম কৰিবলৈ দ্বিধা সন্দেহ ভাৱ প্ৰকাশ কৰাত ৰামে বিষণ্ণ মনেৰে ক’লে--

‘সীতাক ৰাখিবি যেবে আগে মোক কাট।’

লক্ষ্মণ নিৰুপায়ত পৰিল। অৱশেষত ৰামৰ আদেশ মতে লক্ষ্মণে সীতাক ছলনাৰে ৰথত তুলি নি বাল্মীকিৰ আশ্ৰমৰ ওচৰত গৰ্ভৱতী সীতাক অকলশৰীয়াভাৱে এৰি থৈ আহিল। সীতাৰ কান্দোনে বাল্মীকিক আকৰ্ষণ কৰিলে, তেওঁ সশিষ্যে আহি সীতাক আশ্ৰমলৈ নি আশ্ৰয় দিলে। তাতেই জন্ম হ’ল যমজ সন্তান লৱ আৰু কুশৰ। আশ্ৰমতে লৱ-কুশ ডাঙৰ-দীঘল হ’ল। বাল্মীকিয়ে লৱ-কুশক শিক্ষা-দীক্ষাৰো ব্যৱস্থা কৰিলে আৰু তেওঁ নিজে ৰচনা কৰা ৰামায়ণ গীতিও বাদ্য-যন্ত্ৰৰ লগত সুললিত কণ্ঠে গাবলৈ শিকালে। বাল্মীকিৰ আদেশক্ৰমে ‘নগৰ গ্ৰাম সকলোৰে ৰঞ্জি চিত্ত’ লৱ-কুশে ৰামায়ণ গীতি গাই ফুৰিবলৈ ধৰিলে।

সেই সময়তে ৰামে আয়োজন কৰা অশ্বমেধ যজ্ঞলৈ ব্ৰাহ্মণ পণ্ডিত, ঋষি-মুনি, ৰজা-মহাৰজাসকলৰ লগতে দেৱতাসকলো আহিছিল। বাল্মীকিৰ আদেশক্ৰমে যজ্ঞলৈ লৱ আৰু কুশও আহে আৰু তাত ৰামায়ণ গীতি পৰিৱেশন কৰে। তাতে ৰামে লৱ-কুশক পুত্ৰৰূপে আদৰি ল’লে। তাৰ পৰিণতি স্বৰূপে ৰামে সীতাক অনাবলৈ বুলি শত্ৰুঘ্ন, বিভীষণ, সুচেন আৰু মাৰুতি হনুমানক পঠালে।

মহাপুৰুষ শঙ্কৰদেৱে এই প্ৰসঙ্গতো সম্ভৱ মহা নাটকৰ অনুকৰণত কাব্যৰূপ দিছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ সীতা অভিমানিনী আৰু ব্যক্তিত্ব সম্পন্না নাৰী। সীতাই স্বামী ৰামৰ অন্যায় আচৰণ মানি লোৱা নাই; বিদ্ৰোহিনী ৰূপতহে সীতা অৱতীৰ্ণা হৈছে। সেয়ে আনিবলৈ যোৱা হনুমান আদিক স্পষ্ট ভাষাত জনাই দিলে--

‘কিসক আমাক আউৰ কৰা উৎপাত।  
পাসৰি আছিলো দুনাই অগ্নি জ্বাল গাত।।  
আৰো অযোধ্যাত ভুঞ্জিবোহো ৰাজসুখ।  
দেখিবো দুনাই আউৰ ৰাঘৱৰ মুখ।।৭০১৬  
বোলাইবো ঘৰণী আৰো ৰাঘৱৰ ঘৰে।  
নাই তেৱে নাৰী নিলাজিনী মোত পৰে।।  
মোক কৰিবাৰ আৰো নৰৈল ৰামৰ।  
আৰো নুবুলিবা কৰো সবাকে কাতৰ।।৭০১৭

সীতাই কোনোপধ্যে অযোধ্যালৈ ঘূৰি যাবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। কিন্তু বাল্মীকিয়ে তেওঁলোকক আশ্বাস দি পঠালে।

'চাৰিও বীৰক বুলিলা বাল্মীকি
ৰামৰ বচন পালি।
প্ৰবোধি সীতাক নিবো সমজ্যাক
আমি প্ৰভাততে আসি।।'৭০৩২

বাল্মীকিৰ সৈতে গৈ সীতা অযোধ্যাত উপস্থিত হ'ল। উপস্থিত সভাসদ আৰু ৰামৰ আগত সীতাৰ নিষ্কলঙ্ক জীৱনৰ কথা কৈ বাল্মীকিয়ে সত্য শপত খালে। ৰাম আস্বস্ত হৈ সীতাক পুনৰ গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল যদিও সীতাই নিজৰ মনৰ ক্ষোভ প্ৰকাশ কৰি সামাজিকভাৱে ঘোষণা কৰিলে--

'কোন শত্ৰু তোমাৰ কৰিলো কিবা হানি।
কৰিলা এনুৱা উগ্ৰদণ্ড কিবা জানি।।
ছলবাদে দিলা নিয়া নিৰ্বাসক মনে।
আকস্মিতে তেজৈ যেন ভাৰ্য্যাক টেণ্টনে।।'

সীতাই আই বসুমতীক কাতৰ প্ৰাৰ্থনা কৰিব ধৰিলে--

'তুমি মোৰ মাৰ জন্ম লভিলো তোমাৰে।।
আউৰ যেন নুশুনো ৰামৰ ইটো নাউ।
ফাট দিয়া বসুমতী পাতালে লুকাওঁ।।'

সীতাই এইদৰে তিনিবাৰ কাতৰ প্ৰাৰ্থনা কৰাৰ পিছত- 'ঠাৎকৰে শৰদে মেদিনী দিলা ফাট। উঠিল সুৱৰ্ণময় সিংহাসন খাট।।' সেই সিংহাসনত উঠি সীতা পাতাললৈ গুচি গ'ল। সীতাৰ পাতাল প্ৰৱেশ ৰামে সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। পাতালৰ পৰা উলিয়াই দিবলৈ বাৰে বাৰে বসুমতীক অনুৰোধ কৰা সত্বেও কোনো ধৰণৰ সঁহাৰি নাপাই ৰাম ক্ৰোধাক্ত হৈ উঠিছিল আৰু বসুমতীক শৰ মাৰি ক্ষত-বিক্ষত কৰিবলৈ সাজু হৈছিল। পাতালী বাণীয়েহে ৰামক সংযত কৰিবলৈ সমৰ্থ হ'ল--

'তুমি নতো হন্তে সিটো শাস্ত্ৰ ভৈল আগে।
অৱশ্যে হুইবেক যেন যেন হৈবে লাগে।।
পাতাল পুৰৰ পৰা নিকলিল বাণী।
শুনি ৰামচন্দ্ৰে তাক মনে অনুমানি।।'

ইয়াৰ পিছত ৰামে লৱ-কুশৰ মুখে আকৌ ৰামায়ণ গীতি শুনিবলৈ ল'লে। এই গীতৰ পৰা জানিলে যেন ৰামায়ণ গীতিকাৰ বাল্মীকিয়ে ৰামৰ জীৱনত ঘটিব লগা সকলো ঘটনাকে দিব্য দৃষ্টিৰ সহায়ত ভৱিষ্যত বাণী স্বৰূপে বৰ্ণনা কৰি গৈছে। তাৰ ফলত ৰামে ধৈৰ্য ধৰিবলৈ সমৰ্থ হ'ল। কিন্তু সীতাৰ বিৰহজনিত দুখ পাহৰিব নোৱাৰিলে।

ইয়াৰ পিছত অযোধ্যালৈ ক্ৰমে নামি আহে শোকাৰহ পৰিণতি। এনে পৰিণতিৰ মাজেদি প্ৰকাশ পাইছে যে ৰাম অৱতাৰী পুৰুষ পৰমব্ৰহ্ম ভগৱান। ৰাক্ষসকুল ধ্বংস কৰি জগতৰ বুকুত শান্তি প্ৰতিষ্ঠাৰ কাৰণে মানৱ ৰূপত শ্ৰীৰামৰ অৱতাৰ হৈছিল। ৰামে সেই কৰ্তব্য পালন কৰিলে। গতিকে ৰামৰ মানৱীয় জীৱনৰ লীলা অন্ত পৰিব লাগে।

এদিন স্বয়ং কালে সুৰুতি নামে ব্ৰহ্মৰ্ষিৰ ভেশ ধৰি ৰামৰ ওচৰত উপস্থিত হ'ল। সুৰুতিয়ে অত্যন্ত গোপনীয় ভাৱে ৰামৰ লগত কথা পাতিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তেওঁলোকৰ কথা পতাৰ সময়ত যদি আন কোনো আহি তাত ওলায়, তেনেহলে ৰামে তাক হত্যা কৰিব লাগিব।

'ঋষিয়ে বোলন্ত তেবেসে কহিবো
কৰা আগে অঙ্গীকাৰ।
তুমি আমি কথা কহন্তে যি দেখে
সেহিসে বধ্য তোমাৰ।।'

'ৰামে সেই মৰ্মে অঙ্গীকাৰ কৰিলে আৰু দুৱাৰত স্বয়ং লক্ষণক দুৱৰী পাতিলে। ইফালে সশিষ্যে দুৰ্বাশা আহি ৰামক দেখা কৰিবলৈ ৰাজ দুৱাৰত উপস্থিত হ'ল। উপস্থিতিৰ গুৰুত্ব বুজি লক্ষ্মণে কিছুসময় জিৰণি ল'বলৈ দুৰ্বাসাক অনুৰোধ জনালে। কিন্তু দুৰ্বাসা কোনো পধ্যে পতিয়ন নাযায়। তুৰন্তে ৰামৰ লগত সাক্ষাৎ হোৱাৰ সুবিধা নিদিলে সবংশে শাপি ধ্বংস কৰিব বুলি ভাবুকি দেখুৱালে। বংশ ধ্বংস হোৱতকৈ নিজৰ ধ্বংস শ্ৰেয় বুলি ভাবি লক্ষ্মণ গৈ ৰামৰ ওচৰত উপস্থিত হ'ল। কালৰ আগত কৰা প্ৰতিজ্ঞা অনুসৰি লক্ষ্মণক বৰ্জন কৰিবলৈ ৰাম বাধ্য হ'ল। মনৰ দুখত জৰ্জৰিত লক্ষ্মণে যোগৰ বলত আত্ম বিজৰ্সন দিলে।

বিভিন্ন ৰাজ্য জয় কৰাই ৰামে সেইবোৰ ৰাজ্যত ভৰত, শত্ৰুঘ্ন আৰু লক্ষ্মণৰ পুতেহঁতক ৰাজত্ব কৰিবলৈ দিলে। অযোধ্যাত লৱ আৰু কুশক অভিষিক্ত কৰিলে। শেষত সংসাৰৰ প্ৰতি নিৰাসক্ত হৈ সেই যুগৰ ৰীতি মতে ৰামে সৰযুত দেহ ত্যাগ কৰিবলৈ সাজু হ'ল। ৰামৰ লগত আত্মহুতি দিবলৈ ভৰত, শত্ৰুঘ্ন আৰু ৰজা-প্ৰজা আনকি ব্ৰাহ্মণ-পুৰোহিত, ৰাক্ষস, বানৰসকল আগবাঢ়ি আহিল। মহাপুৰুষ শঙ্কৰদেৱে অলৌকিকতা সংযোগ কৰি

উত্তৰাকাণ্ডত ৰামৰ মাহাত্ম্য প্ৰকাশ কৰিছে যেন ৰামৰ লগত মৃত্যুবৰণ কৰি সকলোৱে অক্ষয় স্বৰ্গহে লাভ কৰিলে। স্বৰ্গৰ পৰা বিমান আহি যেন তেওঁলোকক স্বৰ্গলৈ আদৰি নিলে।

শ্ৰীমন্ত শঙ্কৰদেৱ অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক ৰূপে সন্মানিত। গতিকে শঙ্কৰদেৱৰ উত্তৰা কাণ্ড ৰামায়ণত কৃষ্ণ-ভক্তি মাহাত্ম্য প্ৰকাশ হোৱা স্বাভাৱিক কথা। উত্তৰাকাণ্ডত ৰাম আৰু কৃষ্ণ একাকাৰ হৈ পৰিছে। শ্ৰীৰামচন্দ্ৰ যে এগৰাকী অৱতাৰী পুৰুষ সেই কথা গুৰুজনাই প্ৰকাশ কৰিছে--

‘এভো আপোনাক কিয় নিচিনাহা
তুমি সনাতন হৰি।
সৃষ্টিৰ পূৰ্বত স্ৰজিলা জগত
মায়াক সহায় কৰি।।’

অসমীয়া কবি শঙ্কৰদেৱ আছিল পৰম কৃষ্ণ ভক্ত। সেই কাৰণে শঙ্কৰদেৱৰ উত্তৰাকাণ্ড বৈষ্ণৱ মাৰ্গৰ প্ৰধান কাব্য হৈ পৰিছে। তেওঁ বাল্মীকিৰ ৰামায়ণৰ কাহিনী বিকৃত কৰা নাই। কিন্তু সুযোগ পালেই ভক্তিধৰ্মৰ ৰহণেৰে ৰঞ্জিত কৰিবলৈ প্ৰয়াস কৰিছে। অসমীয়া ৰামায়ণৰ উত্তৰাকাণ্ড এখন বৈষ্ণৱ কাব্যৰ শাৰীত স্থান দিব পাৰি।■

**সহায়ক গ্ৰন্থ ঃ**

১. হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ সপ্তকাণ্ড ৰামায়ণ
২. শ্ৰীশশী শৰ্মা ঃ মাধৱ কন্দলীৰ ৰামায়ণ
৩. নাৰায়ণ দাস ঃ শঙ্কৰী সাহিত্যৰ ভূমিকা
৪. কৰবী ডেকা হাজৰিকা (সম্পাঃ) ঃ অসমীয়া ৰামায়ণৰ চানেকি

**একচিত্তে কৰিলোহো আহাঙ্কেসে সেৱ।
মইতো জানো স্বামীসে পৰম মোৰ দেৱ।।
স্বামী তপ জপ যজ্ঞ স্বামী যোগ ধ্যান।
স্বপনে সচিতে মই নিচিন্তিলো আন।।**

*ৰামায়ণ, উত্তৰাকাণ্ড-৩৬৩-৬৪*

# যোগবশিষ্ঠ ৰামায়ণৰ চমু পৰিচয়

**শ্ৰীপ্ৰভাত চন্দ্ৰ দাস**

বিশ্বৰ মহাকাব্যিক সাহিত্য জগতত আমি কেবাখনো মহাকাব্য নাম পাওঁ; যেনে আদিকবি বাল্মীকিৰ দ্বাৰা বিৰচিত ৰামায়ণ, ব্যাসদেৱৰ দ্বাৰা বিৰচিত মহাভাৰত আৰু হোমাৰৰ দ্বাৰা প্ৰণিত ইলিয়াড আৰু ওডিচি। বাল্মীকিৰ সপ্তকাণ্ড ৰামায়ণৰ উপৰি সংস্কৃত ভাষাত ৰচিত আন দুখন গুৰুত্বপূৰ্ণ ৰামায়ণ হ'ল অধ্যাত্ম ৰামায়ণ আৰু যোগৱাশিষ্ঠ ৰামায়ণ। শেষৰখনক জ্ঞান বশিষ্ট ৰামায়ণ বা চমুকৈ বশিষ্ঠ বুলি জনা যায়। কিন্তু জনপ্ৰিয়তাৰ ফালৰ পৰা সপ্তকাণ্ড ৰামায়ণ উৰ্দ্ধত। সংস্কৃত ভাষাত ৰচিত আৰু বাল্মীকি প্ৰণিত যোগৱাশিষ্ঠ ৰামায়ণখন প্ৰকৃতাৰ্থত শ্ৰীৰামচন্দ্ৰৰ গুৰু বশিষ্ঠ মুনিয়ে শিষ্য ৰামচন্দ্ৰক দিয়া নীতি শিক্ষাৰে ভৰপূৰ। অনন্ত জ্ঞানৰ ভঁৰাল এই ৰামায়ণৰ পাতত সিঁচৰতি হৈ থকা সকলো প্ৰকাৰৰ জ্ঞানৰ সামান্য অংশ নহয়, তাৰ বাবে সংস্কৃত ভাষা জ্ঞান অতীব প্ৰয়োজন। তদুপৰি ভাৰতীয় ধৰ্ম আধ্যাত্মিকতা আৰু জড়দৰ্শনক সম্যক উপলব্ধি অবিহনে যোগবশিষ্ঠ ৰামায়ণৰ পাতত নিহিত থকা আধ্যাত্মিক, পাৰমাৰ্থিক আৰু দাৰ্শনিক জ্ঞান লাভ কৰাটো সহজ নহয় বুলি পণ্ডিতসকলে মন্তব্য কৰিছে। কিয়নো এইখন ৰামায়ণৰ ৰচকে নিজেই তাক সকলো দৰ্শনৰ সাৰ বুলি অভিহিত কৰিছে। অদ্বৈতবাদ দৰ্শনৰ পৃষ্ঠপোষক সকলৰ বাবে ই এখন অতি গুৰুত্বপূৰ্ণ গ্ৰন্থ। অৱশ্যে অদ্বৈতবাদী শঙ্কৰৰ শাৰীৰিক ভাষ্যৰ লগত বশিষ্ঠৰ দাৰ্শনিক তত্ত্বৰ সামান্য অমিল পোৱা যায়। উদাহৰণ স্বৰূপে যি স্থানত শঙ্কৰে শ্ৰুতিকে জ্ঞানৰ শেষ প্ৰমাণ বুলি ঠিৰাং কৰিছে, বশিষ্ঠই অভিজ্ঞতাকে জ্ঞানৰ শেষ প্ৰমাণ বুলি মত দাঙি ধৰিছে। এইগ্ৰন্থৰ দাৰ্শনিক দৃষ্টিভঙ্গী আৰু ৰহস্যবাদী ধাৰণাৰ বাবে বেদান্তবাদীসকলে ইয়াক উচ্চ মান্যতা দি আহিছে। কেৱল নিৰস দাৰ্শনিক তত্ত্বৰ বাবেই নহয়, বৰং তাৰ কাব্যিক আৰু সাহিত্যিক অলঙ্কাৰ আৰু সৌন্দৰ্যৰ বাবেও ই এখন মহত্বপূৰ্ণ গ্ৰন্থ। আনকি বাল্মীকিয়ে নিজেই বশিষ্ঠৰ মহত্ত্ব, গুৰুত্ব, সৌন্দৰ্য, দাৰ্শনিক গভীৰতা আদিৰ প্ৰশংসা কৰিবলৈ পাহৰা নাই।

যোগবশিষ্ঠ ৰামায়ণত মুঠ ছয়টা 'প্ৰকৰণম্' আছে; যেনে বৈৰাগ্য প্ৰকৰণম্, মুমুক্ষ ব্যৱহাৰ প্ৰকৰণম্ উৎপত্তি প্ৰকৰণম্ স্থিতি প্ৰকৰণম্, উপশম প্ৰকৰণম্ নিৰ্বাণ প্ৰকৰণম্ (পূৰ্বভাগ আৰু উত্তৰভাগ)। দ্বিতীয় প্ৰকৰণমৰ ১৭ শ সংখ্যক সৰ্গত পোৱা যায়-

'মোক্ষোলয়াভিধানেয়ং সংহিতা সাৰসন্মিতা।
ত্ৰিংশদ্বে চ সমস্ৰানি জ্ঞাতা নিৰ্বান দায়িনী।।

অৰ্থাৎ যোগবশিষ্ঠ ৰামায়ণত ৩২ হাজাৰ শ্লোক বা ৬৪ হাজাৰ পদ আছে। এইবিলাক অনেক পটন্তৰ আৰু দৃষ্টান্তৰে ভৰা। একে প্ৰকৰণমৰ ১৮শ সৰ্গৰ ৩৩নং শ্লোকত কোৱা হৈছে--

'শাস্ত্ৰং মুবোধমেবেদৎ সালঙ্কাৰবিভূষিতম্।
কাব্যং ৰসময়ং চাৰ দৃষ্টান্তৈঃ প্ৰতি পাদিতম্।।

অৰ্থাৎ গ্ৰন্থখনৰ ৰচনা ৰীতি অতি প্ৰাঞ্জল, ছন্দোময়, সাহিত্যিক সৌন্দৰ্য আৰু অলঙ্কাৰেৰে পৰিপূৰ্ণ এই গ্ৰন্থৰ ৰচকে নিজে তাৰ হাতত প্ৰতিষ্ঠা কৰিব বিচৰা দৰ্শন প্ৰতিষ্ঠাৰ বাবে তাত নানান প্ৰকাৰৰ ব্যাখ্যাও সন্নিবিষ্ট কৰিছে। ৰামায়ণখনৰ অধ্যয়নৰ আৰশ্যকতা সম্পৰ্কে তাত সুন্দৰকৈ উল্লেখ কৰা হৈছে--

'যাস্মিন্ শ্ৰুতে মাত জ্ঞাতে তযোধ্যানজআদিকম্।
মোক্ষপ্ৰা প্তৌ নৰম্যেহ ন কিঞ্চিদুপযুজ্যতে।।'
২/১৮/৩৫

অৰ্থাৎ-- যোগবশিষ্ঠ ৰামায়ণৰ অধ্যয়ণ, শ্ৰৱণ, মনন আৰু উপলব্ধিৰ দ্বাৰা মানুহে মোক্ষ প্ৰাপ্তিৰ বাটত অগ্ৰস্থৰ

হ'ব পাৰে। তাক শ্ৰৱণ কৰাৰ পাছত মোক্ষপ্ৰাপ্তিৰ বাবে আন গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজন নাথাকে। কিয়নো এই গ্ৰন্থই নিৰ্দেশ কৰা মুক্তি প্ৰাপ্তিৰ পথ শিশুৰ বাবেও সহজে বোধগম্য; এই গ্ৰন্থ অধ্যয়নৰ ফলত মানুহৰ সকলো সঞ্চিত পাপ মষিমূৰ হৈ হৃদয়ক শান্ত সমাহিত কৰি তোলে। মুক্তি লাভৰ বাদেও এই শাস্ত্ৰ নিতেই অধ্যয়ন কৰা ৰাম ভক্তসকলে অনায়াসে ভগৱন্ত পুৰুষৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়-- (৩/১৮/১৩)

এই সংসাৰত মানুহে সুখতকৈ দুখেই পায় বেছি। নগণ্য সংখ্যক লোকৰহে শান্তিৰ লগত সহবাস কৰাৰ সৌভাগ্য ঘটে। গৰিষ্ঠসংখ্যকৰে জীৱনবোৰ নানান প্ৰকাৰৰ দুখ-বেদনা বিষাদেৰে ভৰা, যিবিলাকৰ নিৰাময়ৰ অনেক পথ থাকিলেও যোগবশিষ্ঠৰ মতে কেৱল এই শাস্ত্ৰ শ্ৰৱণৰ দ্বাৰাই মানুহে দুখ, শোক সাগৰৰ পৰা অনায়াসে পাৰ হ'ব পাৰে--

'প্ৰন্থেনানেন লোকোৎয়মস্কাৎ সংসাৰ সঙ্কটাৎ।
সমুত্তয়িষ্যাতি ক্ষিপ্ৰং পোতেনেবাদ্য সাগৰাৎ।।
১/২/১৪

কিন্তু কোনোৱে যদি বশিষ্ঠ ৰামায়ণক কেৱল মোক্ষপ্ৰাপ্তি বা সংসাৰৰ দুখ-ক্লেশ বিনাশক শাস্ত্ৰ বুলি ভাৱে তেন্তে ভুল কৰা হ'ব। কিয়নো ই অনন্ত জ্ঞানৰ ভঁৰাল আৰু অন্যান্য শাস্ত্ৰত থকা সকলো মহৎ শিক্ষাখিনি ইয়াতো সন্নিৱিষ্ট হৈছে। যোগবশিষ্ঠ আৰম্ভ হৈছে পৰমপুৰুষ সনাতন ব্ৰহ্মাৰ প্ৰতি জনোৱা প্ৰণামৰ দ্বাৰা যাক আমি মঙ্গলাচাৰণ বুলিক ক'ব পাৰো। প্ৰণাম বা নমস্কাৰ এনেধৰণৰ--

'যতঃ সৰ্ব্বানি ভূতানি প্ৰতিভান্তি স্থিতানি চ,
যত্ৰৈবো পশমং যান্তি তস্মৈ মত্যাত্মনে নমঃ।।
১/১/১

জ্ঞাতা জ্ঞানং তথা জ্ঞেয়ং দ্ৰষ্টা দৰ্শন দল্যভূঃ।
কৰ্তা হেতুঃ ক্ৰিয়া যস্মাৎ তস্মৈ জ্ঞাপ্ত্যাত্মনে নমঃ।।
১/১/২

সকুৰন্তি শীকৰা যস্মাদানন্দয্যান্ববেৎ বনৌ।
সৰ্ব্বেষাং জীৱনং তস্মৈ ব্ৰাহ্মানন্দাত্মনে নমঃ।।'
১/১/৩

আৰম্ভণিৰ দৰে গ্ৰন্থৰ সামৰণিত কৰা হৈছে ভগৱৎ বিষয়ক স্তুতি পাঠেৰে--

'ব্ৰহ্মানন্দাং পৰম সুখদং কেৱলং জ্ঞানমূৰ্ত্তিং দ্বন্দ্বাতীতং গগনসদৃশং তত্ত্বযস্যাদিলক্ষমে। একে নিত্যং বিমলমচলং সৰ্ব্বধাৰসাক্ষিভূতাং ভাবাতীতং ত্ৰিগুণৰহিতং শ্ৰীবশিষ্ঠং নতাঃ স্মঃ।।'
৬/২১৩/২৬

ভাৰতীয় চিন্তা, আধ্যাত্মিকতা আৰু দৰ্শন জগতত যোগবশিষ্ঠৰ স্থান বহুত ওপৰত। ইতিমধ্যে উল্লেখ কৰা হৈছে যে, অদ্বৈতবাদ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই গ্ৰন্থত ভূমিকা আৰু প্ৰভাৱ অপৰিসীম। আনকি কেবাখনো উপনিষদৰ অনেক শ্লোক পদ ৰচিত হৈছে যোগবশিষ্ঠৰ আধাৰতে। সেয়ে কোৱা হয় ভাৰতীয় দৰ্শনৰ ত্ৰিপাদ হ'ল-- উপনিষদ, গীতা আৰু বশিষ্ঠ। পিছে এনে এখন মহত্তম গ্ৰন্থৰ ৰচনা কাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ থকা দেখা যায়। একাংশ পণ্ডিতৰ মতে এয়া ত্ৰেতাযুগৰ ৰচনা, কিয়নো গ্ৰন্থভাগিত বৰ্ণিত ৰাম কথাৰ নায়ক শ্ৰীৰামচন্দ্ৰ ত্ৰেতাযুগৰহে। কিন্তু মূল পাঠত অৰ্জুনৰ নাম উল্লেখ থকালৈ চাই তাৰ ৰচনাকাল সম্পৰ্কে সন্দেহৰ থল থাকি যায়। আন একাংশ পণ্ডিতৰ মতে যোগবশিষ্ঠ অৰ্বাচীন? কালৰ ৰচনাহে। জে. এন. কাৰ্কুৰাৰ মতে-- *'The Yogavasistha Ramayana is one of the many Sanskit poems written in the thirteenth and the fourteenth Centuries' (Religious literature of India P.-228)*। যোগবশিষ্ঠ ৰামায়ণ অৰ্বাচীন কালৰ ৰচনা বোলাৰ যুক্তি উৰি যায় আমি যেতিয়া এক শতিকাকে যোগবশিষ্ঠ ৰামায়ণক বাল্মীকিৰৰ গৌড় অভিনন্দই সংক্ষেপে ৬০০০ শ্লোকত ৰচনা কৰা 'যোগবশিষ্ঠসাৰ' বা 'লঘু যোগবশিষ্ঠ' পঢ়িবলৈ লওঁ। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল ৭ম-৮ম শতিকাত জন্ম গ্ৰহণ কৰা শঙ্কৰে তেওঁৰ কেবাখনো গ্ৰন্থত যোগবশিষ্ঠৰ প্ৰভাৱ পৰাটো মন কৰিবলগীয়া। বিশেষকৈ বিবেক চূড়ামণি, শতশ্লোকী আদি গ্ৰন্থৰ অনেক লগত যোগবশিষ্ঠৰ শ্লোকৰ সাদৃশ্য এনেধৰণৰ--

'শান্ত সংসাৰকলনঃ কালাৱানমি নিষ্কলঃ।

যঃ সচিতোৎমি নিশ্চিত্তঃ ম জীৱন্মুক্ত উচ্যতে।।

-- যোগঃ ৩/৯/১১

বিবেক চূড়ামণিত উক্ত শ্লোক সাদৃশ্য এনেধৰণৰ-

শান্ত সংসাৰ কলনঃ কলাৱানমি নিষ্কলঃ।

যস্য চিত্তং বিনিশ্চিত্তং স জীৱন্মুক্তয়িষ্যতে।। ৪৩০

এনে ধৰণৰ ৫০টাৰো অধিক শ্লোকৰ মিল পোৱা যায়। বিবেক চূড়ামণিৰ উপৰি শঙ্কৰৰ অন্যান্য গ্ৰন্থতো যোগবশিষ্ঠৰ অদ্ভুত সাদৃশ্য মন কৰিবলগীয়া। শঙ্কৰৰ পূৰ্বসূৰী ভৰ্তৃহৰিৰ (৬৫০ খৃষ্টাব্দ) দ্বাৰা বিৰচিত 'বাক্য পদীয়'ৰ লগতো যোগবশিষ্ঠৰ অনেক শ্লোক একে ধৰণৰ। এটা উদাহৰণ তুলি দিয়া হ'ল। যোগবশিষ্ঠত পাওঁ-

'দ্যৌ ক্ষমো বায়ুৰাকলং পৰ্ব্বতা সৰিতো দিলঃ।

অন্তঃকাৰণতত্ত্বস্যভাগা বহিৰিবস্থিতাঃ।।'

৫/৫৬/৩৫

'বাক্যপদীয়'ত তাৰ ৰেঙনি এনেদৰে পোৱা যায়--

'দ্যৌঃ ক্ষমা বায়ুৰাদিত্যঃ সাগৰঃ সৰিতো দিশঃ।

অন্তঃকৰণতত্ত্বস্য ভাগা বহিৰিবস্তিতাঃ।।'

৩/৭/৪১

ওপৰ উক্ত উদ্ধৃতিটো এটা নমুনাহে; এনে উদ্ধৃতি অনেক আছে।

যোগবশিষ্ঠৰ সম্প্ৰতি উদ্ধাৰ হোৱা পাণ্ডুলিপিৰ পৰা এইটো প্ৰমাণ কৰিব পাৰি যে, এই শাস্ত্ৰখন বাল্মীকিৰ দ্বাৰা বিৰচিত। অৱশ্যে সপ্তকাণ্ড ৰামায়ণৰ পৰৱৰ্তী কালৰ ৰচনা। কিন্তু যোগবশিষ্ঠৰ প্ৰথম প্ৰকৰণমৰ ৪নং শ্লোকৰ পৰা এনেদৰে পোৱা যায়--

'সূতীক্ষ্ণো ব্ৰাহ্মণঃ কশ্চিৎ সংশয়াকৃষ্টমানস্ঃ।

অগস্তেৰামশ্ৰম্ গত্বা মুনিং পপ্ৰচ্ছ সাদৰম্।।

১/১৪

সূত্ৰীক্ষ্ণো উবাচ! ভগৱন ধৰ্ম্মতত্ত্বজ্ঞ সৰ্ব্বশাস্ত্ৰ বিনিশ্চত

সংশয়োৎস্তি মহানেকস্ত্বমেত্বাং কৃময়া বদ।।৫

মোক্ষস্য কাৰণং কৰ্ম্ম জ্ঞানং বা মোক্ষসাধনম্।

উভয়ং বা বিনিশ্চিত্য একং কথয় কাৰণম্।।৬ ইত্যাদি

অৰ্থাৎ- সূতীক্ষ্ণ নামেৰে এজন ব্ৰাহ্মণ আছিল। এবাৰ তেওঁৰ মনত সংশয় এটা উপজিল। এই সংশয় দূৰীকৰণৰ বাবে তেওঁ অগস্তিৰ সমীপত উপস্থিত হ'ল। অগস্তিৰ পৰা সূতীক্ষ্ণ ব্ৰাহ্মণে মুক্তিৰ উপায় জানিব বিচৰাত অগস্তিয়ে তেওঁক কাহিনী এটা বৰ্ণনা কৰি শুনায়। এসময়ত অগ্নিবেশে তেওঁৰ এজন পুত্ৰই চিন্তাক্লিষ্টভাৱে বহি থকা দেখি পিতৃয়ে চিন্তাৰ কাৰণ সুধিলে। পুতেকৰ মনত এটা সংশয় উদয় হৈছিল, কৰ্ম আৰু জ্ঞান কোনটো পথেৰে মানুহে মুকুতিৰ দুৱাৰ দলিত উপনীত হ'ব পাৰে। অগ্নিবেশে পুত্ৰক শুদ্ধ মাৰ্গ দৰ্শনৰ বাবে কাহিনী এটা কৈছিল-- এসময়ত সুৰুচি নামেৰে অপেশ্বৰী এজনীয়ে হিমালয় পৰ্বতত শৃঙ্গ এটাৰ ওপৰত বহি থাকোতে ইন্দ্ৰৰ দূত এজনে তেওঁৰ ওচৰেৰে পাৰ হৈ যোৱা দেখিলে। সুৰুচিয়ে দূতক ক'ৰপৰা আহিছে সোধাত দূতে ক'লে যে তেওঁ বাল্মীকিৰ আশ্ৰমৰ পৰা আহিছে আৰু তেওঁ তেওঁৰক গৰাকী ইন্দ্ৰৰ নিৰ্দেশমৰ্মে অৰিষ্টনেমী নামৰ ৰজা এজনক পহৰা দি আছিল। অৰিষ্টনেমীয়ে বাল্মীকিৰ পৰা মুক্তি প্ৰাপ্তিৰ উপায় সম্পৰ্কে জ্ঞান লাভ কৰি আছিল। তেতিয়া বাল্মীকিয়ে অৰিষ্টনেমীক তেওঁ পূৰ্বে ৰচনা কৰা শাস্ত্ৰ এখনকে আবৃত্তি কৰি শুনাইছিল। উক্ত সাস্ত্ৰখনত বশিষ্ঠই শ্ৰীৰামচন্দ্ৰক দিয়া উপদেশৰ বিষয়ে লিপিবদ্ধ কৰা আছিল। শাস্ত্ৰখনৰ ৰচনা সমাপ্ত কৰি গ্ৰন্থকাৰে ভৰদ্বাজৰ আগত তাক আবৃত্তি কৰি শুনাইছিল। এনে কাহিনী আৰু উদ্ধৃতিৰ পৰা জনা যায় যে যোগবশিষ্ঠ ৰামায়ণখন প্ৰাচীন কালতে ৰচিত।

প্ৰতিখন শাস্ত্ৰৰে অধিকাৰী ভিন্ ভিন্ হ'ব পাৰে। যোগবশিষ্ঠ ৰামায়ণৰ অধিকাৰীত্ব সম্পৰ্কে ৰচকে নিজেই কৈছে-- তেওঁ সেই শাস্ত্ৰ অধ্যয়নৰ বাবে যোগ্যৱান, কিয়নো সংসাৰ বন্ধন, মুক্তি আদি পাৰমাৰ্থিক জ্ঞান সম্পৰ্কে তেওঁ ভালদৰেই জ্ঞাত। অৱশ্যে বশিষ্ঠৰ ছাত্ৰ শ্ৰীৰামচন্দ্ৰই কৈছে-

'কিং নামেদং যত মুখং যেয়ৎ সংসাৰ সন্ততিঃ।

জায়তে মৃতয়ে লোকো ম্ৰিয়তে জননায় চ।।১/১২/৭

অৰ্থাৎ-- এই সংসাৰত মৰণশীল মানৱৰ কি সুখ থাকিব পাৰে? ইয়াৰ পাছতে ৰামে পুনৰ কৈছে-- যে এই পৃথিৰীখন যেন এটা পক্ষীৰ জিৰণীয়া বাঁহহে। কেইদিনমানৰ বাবে ইয়ালৈ আহে কিছুদিন জিৰণি লৈ পুনৰ আঁতৰি

যায়। মানুহৰ সুখ-স্বাচ্ছন্দ ক্ষণিক, প্ৰগতিৰ অৰ্থ হ'ল আন এক প্ৰকাৰৰ দুখ বেদনাৰ লগত মুখামুখি হোৱা পথহে। আনন্দই বেদনাৰ পথ প্ৰশস্ত কৰি তোলে--

'আপদঃ সম্পদঃ সৰ্ব্বাঃ মুকং দুখায় কেৱলম্।
জীৱিতং মৰণাযৈব যত মায়াবিজুহিম্।।৬
(খ)/৯৩/৭৩

এই মায়াময় বেদনাৰে ভৰা পৃথিৱীত আমি কিমান মূৰ্খৰ দৰে আচৰণ কৰোঁ। আমি কিমান নিঃসহায়। ৰামে ইয়াকো কৈছে যে পৃথিৱীৰ বা মানৱ জীৱনৰ অনিত্যতাৰ বিষয়ে আমি জানিও তাক উপলব্ধি কৰিব নোৱাৰো; মূৰ্খৰ দৰে আমি ধন-সম্পত্তি আহৰণতে ব্যস্ত থাকো। ইয়াতেই (মূৰ্খামিতেই) আমাৰ ধ্বংসৰ বীজ নিহিত হৈ থাকে। আমাৰ জীৱনটো হ'ল শৰৎ কালৰ আকাশত দেখিবলৈ পোৱা এচপৰা মেঘৰ দৰে ক্ৰমে অস্তিত্ববিহীন হৈ পৰে। ই তেলবিহীন শলিতাৰ দৰে উজ্জ্বলতাবিহীন আৰু পানীৰ বুৰবুৰণিৰ দৰেই ক্ষণভঙ্গুৰ পিঞ্জৰাবদ্ধ সিংহৰ দৰে আমাৰ জীৱন অস্থিৰ আৰু আমাৰ বাসনা হ'ল বান্দৰৰ দৰেই চঞ্চল, হাতলৈ অহা সম্পত্তিৰ লগত কেতিয়াও সন্তুষ্ট নাথাকে। নোপোৱাটোৰ বাবে দৌৰ মাৰো। আমি যিমানেই ঐশ্বৰ্য-বিভূতিৰ গৰাকী নহওঁ কিয় তাকলৈ আমি কোনোদিনেই সুখী নহওঁ, বৰং আনৰখিনিৰ প্ৰতিও আক্ৰোশী হৈ পৰো। এই সংসাৰত যিমানবোৰ 'বেয়া' আছে, সকলোৰে ভিতৰত অসন্তুষ্ট কামনাই বেছি বেদনাদায়ক ই মানুহৰ জীৱনলৈ বেদনা কঢ়িয়াই আনে (১/১৭/৩২)। এই জীৱনটো জড়া ৰোগেৰে ভৰা, এই জীৱনত ভাল বুলিবলৈ একোৱেই নাই। জীৱনটো হ'ল ৰোগ ব্যাধিৰ মন্দিৰ আৰু সকলো প্ৰকাৰৰ দুখৰ উৎস (১/১৮/৩৮)। আমাৰ শৈশৱটো দুৰ্বল, জ্ঞানহীন। নোপোৱাটোক পাবলৈ কৰা কামনাযুক্ত, কিন্তু পাবলৈও সক্ষম নহয়। বিজুলীৰ চিক্‌মিকনিৰ দৰেই ক্ষন্তেকীয়া ডেকাকালটোত বা কি সুখ আছে? বৰং ডেকা কালৰ বিজুলী গাজনিয়ে বৃদ্ধত্বৰ আগজাননী দিয়ে। নাৰী সম্পৰ্কে ৰামচন্দ্ৰই কৈছে--

'আপাতৰমনীয়ত্বৎ কালতে কেৱলং স্ত্ৰিয়াঃ।
যম্যেতদপি নাস্ত্যেত্ৰ সুখে মোহৈককাৰণম্।।
১/১২/৮

অৰ্থাৎ নাৰীৰ সৌন্দৰ্য দুদিনীয়াহে আৰু এই সৌন্দৰ্যৰ উদয় হয় মানুহৰ মনত। বাস্তৱিকতে নাৰীৰ দেহত সৌন্দৰ্য বুলিবলৈ একো নাই। তথাপিও আমি নাৰীদেহত যি সৌন্দৰ্য দেখো সেয়া আচলতে অজ্ঞানতাৰ বাবে সৃষ্টি হোৱা সৌন্দৰ্যহে আৰু অজ্ঞানতাৰ বাবেই আমি নাৰীৰ প্ৰতি আসক্ত হৈ পৰো। নাৰীৰ এই মিছা আৰু চলনাময়ী সৌন্দৰ্যই সৰ্পক মন্ত্ৰই বান্ধি পেলোৱাৰ দৰে অজ্ঞানীজনকো বান্ধি পেলায় (১/১২/২৯)। যিটো মানৱ শিশুৱে দুদিন পিছত জড়তা আৰু মৃত্যুক সাৱটি ল'বই লাগিব তেনে জীৱন ধাৰণৰে বা কি প্ৰয়োজন থাকিব পাৰে? জড়তা আৰু বৃদ্ধত্বই কাকো ৰেহাই নিদিয়ে। মুকলি বতাহত ৰখা চাকিৰ শিখাৰ দৰেই ই অস্থিৰ আৰু সকলো সাংসাৰিক সামগ্ৰী বা মানৱীয় সম্বন্ধৰ পৰা সৃষ্টি হোৱা সুখ বিজুলী চিক্‌মিকনিৰ দৰেই ক্ষন্তেকীয়া (১/২৮/১১)। দুখ কান্দোন, বেদনা-বিহীনভাৱে আমি এই সংসাৰত এটা দিনো অতিবাহিত কৰা নাই। এয়া হ'ল জগত জীৱন সম্পৰ্কে ৰামৰ উপলব্ধি। তেওঁ গুৰুৰ চৰণত শিৰ নত কৰি পুনৰ সুধিলে-- এনে জীৱনৰ কিবা অস্তিত্ব আছে নেকি যিটো জীৱনত কেৱল চিৰন্তন সুখভোগকে পোৱা যায়? এই সংসাৰত কি মন্ত্ৰই মানুহৰ সাংসাৰিক বন্ধন মোচন কৰিব পাৰে? (১/৩০/২৯)। মানুহে কেনেদৰে অনাবিল সুখৰ অধিকাৰী হ'ব পাৰে? (১/৩০/২৫)। তাৰ মাধ্যম কি? বিজ্ঞান কি? এই জীৱনটোক জড়া ৰোগৰ পৰা মুক্ত কৰাৰ উপায় কি (১/৩১/৬)? মানুহে সংসাৰত থাকিও কেনেদৰে বন্ধনমুক্ত হৈ জীৱন কটাব পাৰে হে গুৰুদেৱ? জীৱনৰ সকলো দুখ-কষ্ট ভোগৰ উৰ্দ্ধলৈ মই কেনেকৈ বগাব পাৰো তাৰ উত্তম পথটো বুজাই দিয়ক (১/৩১/১৭)।

উপৰি উক্ত প্ৰশ্নবিলাকৰ যথাযথ উত্তৰ দি গৈছে বশিষ্ঠই। বশিষ্ঠই শ্ৰীৰামচন্দ্ৰক কৈছে-- সকলো দুখ-ভোগৰ গুৰি হ'ল সাংসাৰিক কামনা। এই বাসনা এনে বস্তু যে ই

মানুহক বিষাক্ত সৰ্পৰ দৰে দংশন কৰে; চোকা তৰোৱালৰ দৰে কাটি দুছেও কৰে, যাঠীৰ দৰে বিন্ধিব পাৰে, ৰচীৰ দৰেই বান্ধি পেলায়। অগ্নিৰ দৰে দাহন কৰে, ঘোপ মৰা অন্ধকাৰ নিশাৰ দৰে ভয়াৰ্ত কৰি তোলে আৰু নিঃসহায় ভুক্তভোগীসকলক যঁতৰৰ দৰেই খুন্দি গুড়ি কৰি পেলায়। ই মানুহৰ প্ৰজ্ঞাক বিনষ্ট কৰে আৰু মনৰ ভাৰসাম্য হেৰুৱাই পেলায়। পিছে, এই সাংসাৰিক বাসনাৰ উৎস ক'ত? এই বিষয়ে বশিষ্ঠই সঠিকভাৱেই উত্তৰ দি কৈছে-- এই বিশ্ব প্ৰপঞ্চ আৰু আত্মা সম্পৰ্কে অজ্ঞানতাই হ'ল সকলো দুখৰ কাৰণ। জ্ঞানৰ অভাৱেই হ'ল সকলো অজ্ঞানতাৰ গুৰি। সেয়ে সকলো দুখৰ অন্ত পৰিব জ্ঞানৰ সাধনাতেই। তেওঁ পুনৰ কৈছে-- জ্ঞানীজনৰ ওচৰলৈ দুখ যাব নোৱাৰে। ভৱসাগৰ পাৰ হ'বৰ একমাত্ৰ উপায় হ'ল জ্ঞান অৰ্থাৎ ভগৱৎজ্ঞান। এই জ্ঞান লাভ হ'ব ভগৱৎ পুৰুষত কৰা ভকতিৰ জৰিয়তে।■


**সহায় লোৱা গ্ৰন্থৰ তালিকা ঃ**

১. শ্ৰীপঞ্চানন ভট্টাচাৰ্য (সম্পাঃ) ঃ যোগবশিষ্ঠ ৰামায়ণম্ (মূল সংস্কৃত) মহৰ্ষি বাল্মীকি প্ৰণিতম্, কলিকতা, শকাব্দ১৮২০

২. B.L. Atreya : Procudings of the first Indian Philosophical Congres, philosophy of Vasistha at cal.1925

৩. B.L. Atreya : Procudings of the 2nd Indian philosophical Congres, Divine Imagination of Vasistha Banaras1926.

৪. B.L. Atreya : Procuding of the 3rd Indian Philosophical Congres, Complete survery of thier philosophy; Bombay 1927

৫. B.L. Atreya : Yogavasistha and ...... philosophy, The Indian Theosophist vol. 85, No-6-7


পুত্ৰ দাৰাৰ বান্ধৱ যতেক পৰিকৰ।
হেন জানা সৱে শোক সন্তাপৰ ঘৰ।।
ক্ষেণেকে সংযোগ হৱে ক্ষেণেকে বিয়োগ।
মিছা বিষয়ত কিছু নাহি সুখভোগ।।
যেন ফেনচয় আসি হোৱে একঠাই।
জলৰ বেগত বাজি তিলেকে মিলাই।।
বান্ধৱৰ সমাগম তেহ্নয় অথিৰ।
ধৈৰ্য্যেসে ঔষধ দদা আপদ ব্যাধিৰ।।

*ৰামায়ণ, উত্তৰাকাণ্ড-২৪২-৪৩*

# ৰামচৰিত আৰু দুৰ্গাপূজা প্ৰসঙ্গ

**দীননাথ ডেকা**

*(শ্ৰীৰামচৰিতৰ বিষয়ে প্ৰামাণিক গ্ৰন্থ, মহৰ্ষি বাল্মীকি প্ৰণীত সংস্কৃত ৰামায়ণ। পাছৰ কালত ৰচিত আন গ্ৰন্থবোৰত থকা ৰামচৰিতৰ বৰ্ণনা বাল্মীকি ৰামায়ণৰ কাহিনীৰ আনুকুল্য আৰু প্ৰামাণ্য সাপেক্ষেহে গ্ৰহণীয়।)*

পদ্মপুৰাণ পাতালখণ্ডৰ (গুৰুমণ্ডল গ্ৰন্থমালা প্ৰকাশিত) ৩৬ অধ্যায়ত সীতাহৰণৰ পৰা শ্ৰীৰামচন্দ্ৰৰ অযোধ্যা প্ৰত্যাৱৰ্তনলৈ প্ৰধান ঘটনাবোৰৰ সময় তালিকা, মাহ আৰু তিথি অনুযায়ী দিয়া আছে। বাল্মীকি প্ৰণীত সংস্কৃত ৰামায়ণত উল্লিখিত সময়ৰ লগত সেই সময়সূচীৰ মিল আছে। অৱশ্যে বাল্মীকি ৰামায়ণত সকলো ক্ষেত্ৰতে তিথিবোৰৰ উল্লেখ নাই।

শ্ৰীৰামচন্দ্ৰই পিতৃবাক্য পালন কৰি চৈধ্য বছৰ বনবাস খাটিছিল, এইটো সকলোৰে জনা কথা। তাৰে ত্ৰয়োদশ বছৰত ৰামে দণ্ডকাৰণ্যৰ পঞ্চৱটী বনত বাস কৰিছিল।

অথ ত্ৰয়োদশে বৰ্ষে পঞ্চবট্যাং মহামুনে।
ৰামো বিৰূপয়ামাস শূৰ্পণখাং নিশাচৰীম্।।

-- পদ্মপুৰাণ, পাতালখণ্ড-৩৬/২১

অৰ্থাৎ-- 'ৰামে বনবাসৰ ত্ৰয়োদশ বচৰত পঞ্চৱটী বনত নিশাচৰী শূৰ্পনখাক নাক-কাণ কটাই বিৰূপা কৰিছিল।' এই ঘটনা হেমন্ত কালত (বেদমতে আঘোণ আৰু পুহ মাহ হেমন্তকাল) ঘটিছিল। বাল্মীকি ৰামায়ণৰ অৰণ্যকাণ্ডৰ ১৬শ আৰু ১৭শ সৰ্গত এই বিষয়ে উল্লেখ আছে। তাৰ পাছত খৰ-দূষণৰ লগত যুদ্ধ আৰু ৰাৱণৰ সীতাহৰণৰ উদ্যোগ আদিত কিছুদিন অতিবাহিত হয়। মাঘ মাহৰ কৃষ্ণপক্ষৰ অষ্টমী তিথিত ৰাৱণে সীতাক হৰণ কৰে। যথা-

ততো মাঘাসিতাষ্টম্যাং মুহূৰ্তে বৃন্দসংজ্ঞিতে।।
ৰাঘৱাভ্যাং বিনা সীতাং জহাৰ দশস্কন্ধৰঃ।।

-- পদ্মপুৰাণ, পাতালখণ্ড-৩৬/২৩$^{১}/_{২}$

অৰ্থাৎ-- 'মাঘ মাহৰ কৃষ্ণাষ্টমী তিথিত ৰাম-লক্ষ্মণ নথকা অৱস্থাত ৰাৱণে সীতাক হৰণ কৰে।' সীতাক হৰণ কৰি লঙ্কালৈ নি ৰাৱণৰ অঙ্কশায়িনী হ'বলৈ ১২মাহ সময় দিয়ে আৰু এই ১২মাহৰ ভিতৰত তেওঁৰ বশ্যতা স্বীকাৰ নকৰিলে বধ কৰাৰ ভাবুকি দিয়ে। যথা--

শৃণু মৈথিলি মদ্বাক্যং মাসান্ দ্বাদশ ভামিনি।
কালেনানেন নাভ্যেষি যদি মাং চাৰুহাসিনি।।
ততস্ত্বাং প্ৰাতৰাশাৰ্থং সুদাশ্চেৎস্যন্তি লেশশ।

-- বাল্মীকি ৰামায়ণ, অৰণ্যকাণ্ড-৫৬/২৪-২৫

অৰ্থাৎ-- 'হে মৈথিলি। তুমি মোৰ কথা শুনা। তুমি যদি এবছৰৰ ভিতৰত মোৰ অনুগত্যা নোহোৱা, তেনেহ'লে ৰান্ধনিবোৰে মোৰ ৰাতিপুৱাৰ আহাৰৰ বাবে তোমাক টুকুৰা-টুকুৰকৈ কাটিব।'

জটায়ুক লগ পোৱাৰ পিছত কবন্ধ বধ কৰি ৰাম-লক্ষ্মণে বসন্তকালৰ (চ'ত-ব'হাগ মাহ) চ'ত মাহত ঋষ্যসক্ পৰ্বতৰ ওচৰৰ পম্পা সৰোবৰৰ আশে-পাশে বিচৰণ কৰে। ৰামে বসন্ত ঋতুৰ বিষয়ে কৈছে--

হিমান্তে পশ্য সৌমিত্ৰে বৃক্ষাণাং পুষ্পাসম্ভৱম্।
পুষ্পমাসে হি তৰবঃ সঙ্ঘৰ্য্যাদিব পুষ্পিতাঃ।।

-- বাল্মীখি ৰামায়ণ, কিষ্কিন্ধ্যা কাণ্ড১/৯১,

অৰ্থাৎ-- 'হে লক্ষ্মণ। হিমৰ (শীত ঋতুৰ) পাছথ বসন্ত ঋতুৰ আগমনত গছবোৰত কিদৰে ফুল ধৰিছে চোৱা। চ'ত মাহত গছবোৰে যেন পৰস্পৰে জিদ্ ধৰিছে ফুল ধৰিছে।'

ৰামে বসন্তকালৰ ভিতৰতে সুগ্ৰীৱৰ লগত মিত্ৰতা কৰি বাৰিষা আৰম্ভ হোৱাৰ লগে লগে বালীক বধ কৰি কিষ্কিন্ধ্যা ৰাজ্যত সুগ্ৰীৱক ৰজা পাতে। বাৰিষাৰ চাৰিমাহ অৰ্থাৎ শাওণ, ভাদ, আহিন, কাতি মাহ সীতা অন্বেষণৰ

বাবে সুবিধাজনক সময় নহয় কাৰণে সুগ্ৰীৱক নিজ ৰাজ্যত বিশ্ৰাম ল'বলৈ দি ৰাম-লক্ষ্মণে কিষ্কিন্ধ্যাৰ ওচৰৰ মাল্যবান পৰ্বতত বাস কৰিবলৈ লয়। ৰামে সুগ্ৰীৱক কৈছে--

পূৰ্ব্বোয়ং বাৰ্ষিকো মাসঃ শ্ৰাৱণঃ সলিলাগমঃ।
প্ৰবৃত্তাঃ সৌম্য চত্বাৰো মাসা বাৰ্ষিক সংজ্ঞিতাঃ।।
নায়মুদ্যোগসময়ঃ প্ৰৱিশ ত্বং পুৰীং শুভাম্।
অস্মিন্ বৎস্যাম্যহং সৌম্য পৰ্ব্বতে সহলক্ষ্মণঃ।।
কাৰ্তিকে সমনু প্ৰাপ্তে ত্বং ৰাৱণবধে যত।
এষ ন সময়ঃ সৌম্য প্ৰৱিশ ত্বং স্বমালয়ম্।।

*-- বাল্মীকি ৰামায়ণ, কিষ্কিন্ধ্যাকাণ্ড-২৬/১৪,১৫,১৭*

অৰ্থাৎ-- 'হে সুগ্ৰীৱ! চাৰিমাহ বাৰিষাকাল বুলি কথিত আছে। তাৰে প্ৰথম মাহ শাওণ (১) আৰম্ভ হৈছে। এতিয়া সীতা উদ্ধাৰৰ বাবে উদ্যোগৰ সময় নহয়। গতিকে তুমি এই সময়খিনি তোমাৰ মনোৰম পুৰীত প্ৰৱেশ কৰা। মই লক্ষ্মণৰ সৈতে এই পৰ্বততে বাস কৰোঁ।'

আহিন মাহৰ শুক্লপক্ষৰ অৱসানত হনুমানৰ প্ৰেৰণাত বানৰবোৰলৈ সুগ্ৰীৱে দূত পঠায়। কাতি মাহৰ শুক্লপক্ষত (টীকাকাৰ তিলকৰ মতে) সুগ্ৰীৱে এমাহৰ ভিতৰত সীতাৰ খবৰ আনিবলৈ আদেশ দি বানৰবোৰক সীতা অন্বেষণৰ বাবে পঠায়। এমাহৰ ভিতৰত খবৰ লৈ ঘূৰি আহিব নোৱাৰিলে প্ৰাণদণ্ড দিব বুলি শুনাই দিয়ে। বানৰবোৰৰ প্ৰতি সুগ্ৰীৱৰ আদেশ--

অৱগম্য তু বৈদেহীং নিলয়ং ৰাৱণস্য চ।
অস্তং পৰ্ব্বতমালাসাদ্য পূৰ্ণে মাসে নিবৰ্ত্তত।।
উৰ্দ্ধং মাসান্ন বস্তব্যং বসন্ বধ্যো ভবেন্মম।

*--বাল্মীকি ৰামায়ণ, কিষ্কিন্ধ্যা কাণ্ড- ৪২/৫২-৫৩*

অৰ্থাৎ-- 'তোমালোকে অস্তাচল পৰ্যন্ত গৈ ৰাৱণৰ বাসস্থান আৰু জনকনন্দিনী সীতাৰ বৃতান্ত অৱগত হৈ এমাহৰ ভিতৰত ঘূৰি আহিব লাগিব। এমাহৰ বেছি থাকিব নোৱাৰিবা। থাকিলে তোমালোকৰ প্ৰাণদণ্ড হ'ব।'

দক্ষিণ দিশলৈ সীতা অন্বেষণৰ বাবে যোৱা দলটোত হনুমান, অঙ্গ, জাম্বৱন্ত, নল, নীল আদি মুখ্য মুখ্য বানৰ বীৰবোৰ আছিল। তেওঁলোক গৈ এসময়ত ভোক-পিয়াসত আতুৰ হৈ পৰ্বতৰ গুহা এটাত প্ৰৱেশ কৰি ওলাব নোৱাৰি তাৰ ভিতৰত থাকোতেই সুগ্ৰীৱৰ নিৰ্দিষ্ট এমাহ সময় অতীত হৈ যায়। এই বিষয়ে হনুমানৰ বাক্য--

যঃ কৃতঃ সময়োঽস্মামু সুগ্ৰীৱেণ মহাত্মনা।
স তু কালো ব্যতিক্ৰান্তো বিলে চ পৰিৰ্ৱৰ্ততাম্।।

*--বাল্মীকি ৰামায়ণ, কিকিষ্কন্ধ্যা কাণ্ড-৫২/২২*

অৰ্থাৎ-- 'মহাত্মা সুগ্ৰীৱে আমাৰ প্ৰতি যি সময় সীমা (এমাহ) বান্ধি দিছিল, আমি এই গুহাত থাকোতেই সেই সময় অতীত হৈ গৈছে।' তেতিয়া বানৰবোৰ সীতাৰ সন্ধান নোপোৱাকৈ পুনৰ সুগ্ৰীৱৰ ওচৰলৈ ঘূৰি গৈ মৃত্যুবৰণ কৰাতকৈ প্ৰায়োবেশন অৰ্থাৎ আমৰণ অনশন কৰাৰ সিদ্ধান্ত লয়। সেই সময়তে আঘোণ মাহৰ শুক্লা দশমী তিথিত জটায়ুৰ ককায়েক সম্পাতিক লগ পায় আৰু সম্পাতিৰপৰা সীতা, ৰাৱণৰ লঙ্কানগৰীৰ অশোকবনত থকা বুলি জানিবলৈ পায়।' এইবিষয়ে পদ্মপুৰাণৰ শ্লোক--

'মাৰ্গশুক্লনবম্যাং তু বসন্তীং ৰাৱণালয়ে।
সম্পাতিদশমে মাস আচখৌ বানৰেষু তাম্।।'

*-- পদ্মপুৰাণ, পাতাল খণ্ড-৩৬/২৭-২৮*

আঘোণৰ শুক্লা একাদশীৰ দিনা হনুমানে মহেন্দ্ৰ পৰ্বতৰ পৰা লঙ্কা অভিমুখে গমন কৰি সেইদিনাই শেষ নিশা সীতাক দেখিবলৈ পায়। দ্বাদশীৰ দিনা অশোকবনৰ শিংশপা গছত অৱস্থান কৰি সেই নিশাতে সীতাৰ সৈতে আলাপ কৰে। এই বিষয়ে পদ্ম পুৰাণত আছে--

'একাদশ্যাং মহেন্দ্ৰাদ্ৰে পুপ্লুবে শতযোজনম্।
হনুমান্নিশি তস্যাং তু লংকায়াং পৰ্য্যকালয়ৎ।
তদ্ৰাতিশেষে সীতায়া দৰ্শনং হি হনুমতঃ।।
দ্বাদশ্যাং শিশংপাবৃক্ষে হনুমান্ পৰ্য্যবস্থিতঃ।
তস্যাং নিশায়াং জানক্যাং বিশ্বাসালাপসংকথা।।'

*--পুদ্ম পুৰাণ, পাতালখণ্ড-৩৬/২৮-৩০*

হনুমানক অশোক বনত প্ৰথম লগ পাওঁতেই সীতাই কৈছে যে ৰাৱণে তেওঁক হৰণ কৰি আনিয়েই তেওঁৰ বশীভূত হ'বলৈ যি ১২মাহৰ সময় দিছিল, তেতিয়া অৰ্থাৎ আঘোণৰ শুক্লা দ্বাদশী তিথিত তাৰে দশম মাহ চলি আছিল আৰু মাত্ৰ দুমাহ বাকী। এই সম্বন্ধে বাল্মীকি ৰামায়ণত সীতাৰ বাক্য--

বৰ্ত্ততে দশমো মাসো দ্বৌ তু শেষৌ প্লৱঙ্গম।
ৰাৱণেন নৃশংসেন সময়ো যঃ কৃতৌ মম।।

*-- বাল্মীকি ৰামায়ণ, সুন্দৰকাণ্ড-৩৭/৮*

অৰ্থাৎ-- 'হে বানৰ। ৰাৱণে মোক নিৰ্দিষ্ট কৰি দিয়া সময়ৰ এতিয়া দশম মাহ চলি আছে। দুমাহ মাত্ৰ বাকী।'

আঘোণৰ শুক্লা ত্ৰয়োদশীত অক্ষ আদি ৰাক্ষসবোৰৰ লগত হনুমানৰ যুদ্ধ হয়। পাছদিনা চতুৰ্দশীত ইন্দ্ৰজিতৰ হাতত হনুমানৰ বন্ধন হয়। সিদিনাই নেজৰ জুইৰে লঙ্কা দাহ কৰে। পূৰ্ণিমাৰ দিনা পুনৰ সাগৰৰ উত্তৰ পাৰলৈ অৰ্থাৎ মহেন্দ্ৰ পৰ্বতলৈ ঘূৰি আহে। সেই সম্বন্ধে পদ্ম পুৰাণ পাতাল খণ্ডৰ ৩৬ অধ্যায়ৰ শ্লোক--

অক্ষাদিভিস্ত্ৰয়োদশ্যাং ততো যুদ্ধমবৰ্ত্তত।
ব্ৰহ্মাস্ত্ৰেণ চতুৰ্দ্দশ্যাং বন্ধং শত্ৰু জিতা কপিঃ।।৩১
বহ্নিনা পুচ্ছাযুক্তেন লঙ্কায়া দহনং কৃতম্।
পূৰ্ণিমায়াং মহেন্দ্ৰাদ্ৰৌ পুনৰাগমনং কপেঃ।।৩২

শ্লোকৰ অৰ্থ ওপৰত লিখামতে। এনেকৈ তিথিৰ উল্লেখ কৰি পদ্মপুৰাণৰত প্ৰত্যেক ঘটনাৰে ধাৰাবাহিক বৰ্ণনা দি গৈছে। যথা--

মাৰ্গসিত প্ৰতিপদঃ পঞ্চভিঃ পথি বাসৰৈঃ।
পুনৰাগত্য যষ্ঠেহহ্নি ধ্বস্তং মধুবনং কিল।।
সপ্তম্যাং প্ৰত্যভিজ্ঞানদানং সধনি বেদনম্।
অষ্টম্যুত্তৰফল্গুন্যাং মুহূৰ্তে বিজয়াভিধে।।
মধ্যং প্ৰাপ্তে সহস্ৰাংশৌ প্ৰস্থানং ৰাঘৱস্য চ।
ৰামঃ কৃত্বা প্ৰতিজ্ঞাং তু প্ৰয়াতো দক্ষিণাং দিশম্।।
তীৰ্ত্বাহং সাগৰমপি হসিষ্যে ৰাক্ষসেশ্বৰম্।
দক্ষিণাশাং প্ৰয়াতস্য সুগ্ৰীবোঽপ্যভবৎ সখা।।
বাসৰৈঃ সপ্তভিঃ সিন্ধোঃ স্কন্ধাবাৰনিবেশনম্।
পৌষশুক্ল প্ৰতি-পদস্তৃতীয়া যাবদম্বুধেঃ।।
উপস্থানং সসৈন্যস্য ৰাঘৱস্য বভূবহ।।

--*পদ্মপুৰাণ, পাতালখণ্ড*-৩৬/৩৩-৩৭১/২

অৰ্থাৎ-- 'আঘোণৰ কৃষ্ণা প্ৰতিপদৰ পৰা পঞ্চমীলৈ ৫দিন পথত অতিবাহিত হয়। কৃষ্ণা ষষ্ঠীত বানৰবোৰে মধুবন ধ্বংস কৰে। কৃষ্ণা সপ্তমীত মাল্যবান পৰ্বতত থকা শ্ৰীৰামচন্দ্ৰৰ ওচৰ পাই সীতাই দিয়া প্ৰতি অভিজ্ঞান দি সকলো বৃত্তান্ত জনায়। আঘোণৰ কৃষ্ণা অষ্টমী তিথিত উত্তৰ ফাল্গুনী নক্ষত্ৰত মধ্যাহ্ন সময়ৰ অভিজিৎ মুহূৰ্তত (দিনৰ দুপৰ সময়ক অভিজিৎ মুহূৰ্ত বোলে আৰু সেই সময়কে বিজয় মুহূৰ্তও বোলে) ৰামে, সাগৰ পাৰ হৈ ৰাক্ষসপতি ৰাৱণক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰি, দক্ষিণ দিশলৈ প্ৰস্থান কৰে। সেই সময়ত তেওঁৰ সখা সুগ্ৰীৱো তেওঁৰ লগত যায়। আঘোণৰ কৃষ্ণা নৱমী তিথিৰপৰা অমাৱস্যা পৰ্যন্ত সাতদিনত সাগৰৰ পাৰত উত্তীৰ্ণ হয়। পুহ মাহৰ শুক্ল প্ৰতিপদ তিথিৰপৰা অমাৱস্যা পৰ্যন্ত সাতদিনত সাগৰৰ পাৰত উত্তীৰ্ণ হয়। পুহ মাহৰ শুক্ল প্ৰতিপদ তিথিৰপৰা তৃতীয়া তিথিলৈ ৰামে সসৈন্যে সাগৰৰ পাৰত অৱস্থান কৰে।'

বিভীষণশ্চতুৰ্থ্যাং ৰামেণ সহ সঙ্গতঃ।
সমুদ্ৰতৰণাৰ্থায় পঞ্চম্যাং মন্ত্ৰ উদ্যতঃ।।
প্ৰায়োপৱেশনং চক্ৰে ৰামোই দিন-চতুষ্টয়ম্।
সমুদ্ৰবৰ লাভশ্চ সহোপায়প্ৰদৰ্শনম্।।
ততো দশম্যামাৰব্ধস্ত্ৰয়োদশ্যাং সমাপনম্।
চতুৰ্দ্দশ্যাং সুবেলাদ্ৰী ৰামঃ সৈন্যং ন্যবেশয়ৎ।।
পৌৰ্ণমাস্যাদ্বিতীয়ান্তং ত্ৰিদিনৈঃ সৈন্যতাৰণম্।
তীৰ্ত্বা তোয়নিধিং ৰামো বানৰেশ্বৰসৈন্যবান্।।
ৰুৰোধ চ পুৰীং লঙ্কাং সীতাৰ্থং সহলক্ষ্মণঃ।।

--*পদ্ম পুৰাণ, পাতালখণ্ড*-৩৬/৩৮-৪২

অৰ্থাৎ-- 'পুহৰ শুক্লা চতুৰ্থীত বিভীষণ আহি ৰামৰ লগ লাগে। পঞ্চমীত সাগৰ পাৰ হ'বলৈ মন্ত্ৰণা কৰে। ষষ্ঠী তিথিৰপৰা চাৰিদিন অৰ্থাৎ নৱমীলৈ ৰামে সাগৰৰ পাৰত প্ৰায়োপবেশন কৰে। তেতিয়া সাগৰে, সেতুবন্ধ কৰি, সাগৰ পাৰ হ'ল উপায় কৰি দিয়ে। পুহৰ শুক্লা দশমীৰপৰা ত্ৰয়োদশীলৈ চাৰিদিনৰ ভিতৰত সেতু নিৰ্মাণ সমাপ্ত হয়। চতুৰ্দশীত ৰামে লঙ্কাৰ সুবেল পৰ্বতত সৈন্য অৱতৰণ কৰোৱায়। পূৰ্ণিমাৰপৰা কৃষ্ণা দ্বিতীয়া পৰ্যন্ত সৈন্য চালনা কৰি সাগৰ পাৰ হৈ ৰামে লক্ষ্মণেৰে সৈতে সুগ্ৰীৱৰ বানৰ সৈন্যবোৰ সহ সীতা উদ্ধাৰৰ বাবে লঙ্কাপুৰী অৱৰোধ কৰে।'

তৃতীয়াদি দশম্যন্তং নিবেশশ্চ দিনাষ্টকম্।
শুকমাৰণয়োস্তত্ৰ প্ৰাপ্তিৰেকাদশে দিনে।।
পৌষাসিতাখ্য দ্বাদশ্যাং সৈন্যসংখ্যানমেব চ।
শাৰ্দূলেন কপীন্দ্ৰাণাং সহসা সৈন্যবৰ্ণনম্।।
ত্ৰয়োদশ্যা অমাৱস্যাং লঙ্কায়াং দিৱসৈস্ত্ৰিভিঃ।
ৰাৱণঃ সৈন্যসংখ্যানং ৰণোৎসাহং তদাকৰোৎ।।

প্ৰযযাবঙ্গদো দৌত্যং মাঘশুক্লাদ্যবাসৰে।
সীতায়াশ্চ ততো ভৰ্তুৰ্মায়ামূৰ্দ্ধাদিদৰ্শণম্।।

*--পুদ্ম পুৰাম, পাতালখণ্ড-৩৬/৪৩-৪৬*

অৰ্থাৎ-- 'পুহৰ কৃষ্ণা তৃতীয়াৰপৰা দশমীলৈ আঠদিন তেনেকৈ অৱস্থান কৰে। কৃষ্ণা একাদশীৰ দিনা শুক আৰু সাৰণক লগ পায়। পুহ মাহৰ কৃষ্ণা দ্বাদশীত শাৰ্দুলে ৰাৱণৰ আগত বানৰ সৈন্যবল আৰু বীৰগণৰ পৰিচয় দিয়ে। পুহৰ কৃষ্ণা ত্ৰয়োদশীৰ পৰা অমাৱস্যালৈ তিনিদিন ৰাৱণে সৈন্যসকলক ৰণৰ বাবে উৎসাহিত কৰে। মাঘৰ শুক্লা প্ৰতিপদ তিথিত অঙ্গদক ৰাৱণৰ সমীপলৈ দূত হিচাপে পঠোৱা হয়। সিদিনাই ৰাৱণে সীতাক ৰামৰ মায়া ছিন্ন শিৰ দেখুৱায়।'

মাঘদ্বিতীয়াদি দিনৈঃ সপ্তভিৰ্য্যাবদষ্টমী।
ৰক্ষসাং বানৰাণাং চ যুদ্ধমাসীচ্চ সঙ্কুলম্।।
মাঘ শুক্লনৱম্যাং তু ৰাত্ৰবিন্দ্ৰজিতা ৰণে।
ৰাম লক্ষ্মণয়োনাগপাশ বন্ধঃ কৃতঃ কিল।।
আকুলেযু কপীশেযু নিৰুৎসাহেযু সৰ্ব্বশঃ।
নাগপাশবিমোক্ষাৰ্থং দশম্যাং পৱনোহজগৎ।।
কণেস্বৰূপং ৰামস্য গৰুড়াগমনং ততঃ।
একাদশ্যাং চ দ্বাদশ্যাং ধূম্ৰাক্ষস্য বধঃ কৃতঃ।।
ত্ৰয়োদশ্যাং তু তেনেবৈ নিহতঃ কম্পনো ৰণে।
মাঘশুক্লচতুৰ্দশ্যাং যাবৎ কৃষ্ণাদিবাসৰম্।।
ত্ৰিদিনেন প্ৰহস্তস্য নীলেন বিহিতো বধঃ।
মাঘকৃষ্ণদ্বিতীয়ায়াশ্চতুৰ্থ্যন্তং ত্ৰিভিৰ্দিনৈঃ।।
ৰামেণ তুমূলে যুদ্ধে ৰাৱণো দ্ৰাবিতো ৰণাৎ।

-- পদ্মপুৰাণ, পাতাল খণ্ড৩৬/৪৭-৫২

অৰ্থাৎ-- 'মাঘৰ শুক্লা দ্বিতীয়া তিথিৰপৰা শুক্লা অষ্টমীলৈ সাতদিন ধৰি ৰাক্ষস আৰু বানৰবোৰৰ মাজত ঘোৰ যুদ্ধ হয়। মাঘৰ শুক্লা নৱমীৰ দিনা ৰাতি ইন্দ্ৰজিতে ৰাম-লক্ষ্মণক নাগ পাশেৰে বন্ধন কৰে। মাঘৰ শুক্লা দশমীত গৰুড়ে নাগপাশ বন্ধন মোচন কৰে। একাদশী আৰু দ্বাদশীৰ যুদ্ধত ধূম্ৰাক্ষ নিহত হয়। ত্ৰয়োদশীত কম্পনক বধ কৰে। মাঘৰ শুক্লা চতুৰ্দশীৰ পৰা কৃষ্ণা প্ৰতিপদলৈ তিনিদিনৰ যুদ্ধত নীলে প্ৰহস্তক বধ কৰে। মাঘৰ কৃষ্ণা দ্বিতীয়াৰপৰা চতুৰ্থী পৰ্যন্ত তিনিদিনৰ তুমুল যুদ্ধত ৰামৰ হাতত পৰাস্ত হৈ ৰাৱণে যুদ্ধক্ষেত্ৰ ত্যাগ কৰে।'

পঞ্চম্যা অষ্টমী যাবদ্ ৰাৱণেন প্ৰবোধিতঃ।।
কুম্ভকৰ্ণস্তদা চক্ৰেহভ্যবহাবং চতুৰ্দ্দিনম্।
কুম্ভকৰ্ণো দিনৈঃ যড়্‌ভিৰ্ণবম্যাস্তু চতুৰ্দশীম্।।
ৰামেণ নিহতো যুদ্ধে বহুবানৰ ভক্ষকঃ।
অমাৱস্যাদিনে শোকাদবহাৰো বভূব হ।।
ফাল্গুণাদি প্ৰতিপদশ্চতুৰ্থন্তং চতুৰ্দিনৈঃ।
পঞ্চম্যাঃ সপ্তমীযাবদতি-কায়বধস্তথা।।
অষ্টম্যা দ্বাদশীযাবন্নিহতৌ দিন পঞ্চকাৎ।।
নিকুম্ভকুম্ভাদূৰ্দ্ধং তু মকৰাক্ষস্ত্ৰিভি ৰ্দিনৈঃ।
ফাল্গুনাসিত দ্বিতীয়ায়াং দিনে শত্ৰুজিতাজিতম্।।
তৃতীয়াদিসপ্তম্যন্তং দিন পঞ্চকমেব চ।
ওষধি আনয়নব্যগ্ৰাদবহাৰো বভূবহ।।
ততস্ত্ৰয়োদশী যাৱদ্দিনৈঃ পঞ্চভিৰিন্দ্ৰজিৎ।
লক্ষ্মণেন হতো যুদ্ধে বিখ্যাতবলপৌৰুষঃ।।

*-- পদ্মপুৰাণ, পাতাল খণ্ড-৩৬/৫৩-৬০*

অৰ্থাৎ-- 'অৰ্থাৎ মাঘৰ কৃষ্ণা পঞ্চমীৰ পৰা অষ্টমীলৈ চাৰিদিন কুম্ভকৰ্ণৰ নিদ্ৰাভঙ্গ আৰু বিশ্ৰাম। মাঘৰ কৃষ্ণা নৱমীৰ পৰা কৃষ্ণা চতুদৰ্শীলৈ ছদিন বহু বানৰ ভক্ষক কুম্ভকৰ্ণৰ লগত যুদ্ধ কৰি ৰামে তাক বধ কৰে। মাঘৰ অমাৱস্যাৰ দিনা যুদ্ধ বিৰতি। ফাগুনৰ শুক্ল প্ৰতিপদৰ পৰা চতুৰ্থীলৈ চাৰিদিনত বিসতন্ত্ত প্ৰভৃতি পাঁচজন ৰাক্ষস নিহত হয়। ফাগুণৰ শুক্লা-পঞ্চমীৰপৰা শুক্লা-সপ্তমীলৈ আৰু কুম্ভ নিহত হয়। ফাগুনৰ শুক্লা অষ্টমীৰ পৰা শুক্লা-দ্বাদশীলৈ পাঁচদিনৰ যুদ্ধত নিকুম্ভ আৰু কুম্ভ নিহত হয়। ফাগুনৰ শুক্লা ত্ৰয়োদশীৰ পৰা পূৰ্ণিমালৈ তিনিদিনৰ যুদ্ধত মকৰাক্ষক বধ কৰে। ফাগুনৰ কৃষ্ণা দ্বিতীয়াত ইন্দ্ৰজিতৰ যুদ্ধত ৰাম-লক্ষ্মণৰ মূৰ্চ্ছা। ফাগুনৰ কৃষ্ণা তৃতীয়াৰপৰা সপ্তমীলৈ পাঁচ দিন ঔষধ আনয়ন আদিৰ বাবে যুদ্ধ বিৰতি। কৃষ্ণা ত্ৰয়োদশী পৰ্যন্ত পাঁচদিন লক্ষ্মণৰ লগত যুদ্ধত বিখ্যাত বল আৰু পৌৰুষশালী ইন্দ্ৰজিৎ নিহত হয়।'

চতুৰ্দ্দশ্যাং দশগ্ৰীৱো দীক্ষাং প্ৰাপাবহাৰতঃ।
অমাৱস্যাদিনে প্ৰয়াদ্ যুদ্ধায় দশকন্ধৰঃ
চৈত্ৰ শুক্ল প্ৰতিপদঃ পঞ্চমীদিন-পঞ্চকৈঃ।
ৰাৱণে যুদ্ধমানে তু প্ৰচুৰো ৰক্ষসাং বধঃ।।
চৈত্ৰযষ্ঠ্যাষ্টমী যাবন্মহাপাশ্বাদি মাৰণম্।
চৈত্ৰশুক্লনৱম্যাং তু সৌমিত্ৰেঃ শক্তিভেদনম্।।

কোপাবিষ্টেণ ৰামেণ দ্ৰাবিতো দশকন্ধৰঃ
দ্ৰোণাদ্ৰিৰাঞ্জনেয়েন লক্ষ্মণাৰ্থমুপাহৃতঃ।।
দশম্যামবহাবোঽ ভূদ্ৰাত্ৰৌ যুদ্ধে তু ৰক্ষসাম্।
একাদশ্যাং তু ৰামায় ৰথং মাতলি সাৰথিঃ।।
প্ৰেৰিতো ৰামবেনাজাবৰ্পয়ামাস ভক্তিতঃ।
কোপবানথ দ্বাদশ্যাং যাবৎ কৃষ্ণ চতুৰ্দশী।।
অষ্টাদশদিনৈ ৰামো ৰাৱণং দ্বৈবথেঽ বধীৎ।।
সংগ্ৰামে তুমূলে জাতে ৰামো জয়মবাপ্তবান্।।

*--পদ্মপুৰাণ, পাতাল খণ্ড-৩৬/৬১-৬৭*

অৰ্থাৎ-- 'ফাগুনৰ কৃষ্ণ চতুৰ্দশীৰ দিনা যুদ্ধ বিৰতি। অমাৱস্যাৰ দিনা ৰাৱণ যুদ্ধলৈ যায়। চ'তৰ শুক্লাপ্ৰতিপদৰপৰা শুক্লাপঞ্চমীলৈ যুদ্ধত বহুত ৰাক্ষস নিহত হয়। চ'তৰ শুক্লা ষষ্ঠীৰপৰা অষ্টমীলৈ তিনিদিনৰ যুদ্ধত মহাপাৰ্শ্ব আদি নিহত হয়। চ'তৰ শুক্লা নৱমীত লক্ষ্মণৰ শক্তিলে আৰু ক্ৰুদ্ধ শ্ৰীৰামচন্দ্ৰৰ দ্বাৰা ৰাৱণৰ পৰাভৱ। দ্ৰোণ পৰ্বতৰ পৰা ঔষধ আনি লক্ষ্মণৰ জীৱন ৰক্ষা। শুক্লা দশমীত যুদ্ধ বিৰতি। শুক্লা একাদশীত ইন্দ্ৰই ৰথসহ সাৰথি মাতলিক ৰামৰ সহায়ৰ বাবে প্ৰেৰণ কৰে। চ'তৰ শুক্লা একাদশীত ইন্দ্ৰই ৰথসহ সাৰথি মাতলিক ৰামৰ সহায়ৰ বাবে প্ৰেৰণ কৰে। চ'তৰ শুক্লা দ্বাদশীৰপৰা একেৰাহে ওঠৰ দিন ৰাম-ৰাৱণৰ মাজত দ্বৈৰথ যুদ্ধ হয়। চ'তৰ কৃষ্ণ চতুৰ্দশীৰ দিনা ৰামে ৰাৱণক বধ কৰে আৰু এই তুমুল সংগ্ৰামত জয়লাভ কৰে।'

মাঘশুক্লদ্বিতীয়ায়াশ্চৈত্ৰ কৃষ্ণ-চতুৰ্দ্দশীম্।
সপ্তাশীতি দিনেস্বেৰমধ্যং পঞ্চদশাহকম্।।
যুদ্ধাবহাৰঃ সংগ্ৰামো দ্বাসপ্ততিদিনান্যভূৎ।
সংস্কাৰো বাৰণাদীনামমাৱস্যাদিনেঽভৱৎ।।
বৈশাখাদি-তিথৌ ৰাম উবাস ৰণভুমিষু।
অভিষক্তো দ্বিতীয়ায়াং লঙ্কাৰাজ্যে বিভীষণঃ।।
সীতাশুদ্ধিস্তৃতীয়ায়াং দেৱেভ্যো বৰলম্ভনম্।
হত্বাঽচিৰেণ লঙ্কেশং লক্ষ্মণাগ্ৰজ এৱ সঃ।।
গৃহীত্বা জানকীং পুণ্যাং দুঃখিতাং ৰাক্ষসেন তু।
আদায় পৰয়া প্ৰীত্যা জানকীং স ন্যবৰ্ত্তত।।
বৈশাখস্য চতুৰ্থ্যাং তু ৰামঃ সুষ্পকমাশ্ৰিতঃ
বিহায়সা নিবৃত্তুস্তু ভূয়োঽযোধ্যাং পুৰীং প্ৰতি।।

*--পদ্মপুৰাণ, পাতালখণ্ড-৩৬/৬৮-৭৩*

অৰ্থাৎ-- 'মাঘৰ শুক্লা দ্বিতীয় তিথিৰ পৰা চ'ত মাহৰ কৃষ্ণা চতুৰ্দশী পৰ্যন্ত সপ্তশী দিনৰ ভিতৰত যুদ্ধ বিৰতিৰ ১৫দিন বাদ দি ৭২ দিন যুদ্ধ হৈছিল। চ'ত মাহৰ অমাৱশ্যাৰ দিনা ৰাৱণ আদিৰ সংস্কাৰ কৰা হয়। বহাগৰ শুক্লা প্ৰতিপদ তিথিৰ দিনটো ৰামে ৰণস্থলীতে কটায়। শুক্লা দ্বিতীয়া তিথিত বিভীষণক লঙ্কা ৰাজ্যত অভিষেক কৰে। শুক্লা তৃতীয়াৰ দিনা সীতাৰ অগ্নি পৰীক্ষা কৰা হয়। ৰামে এনেদৰে অচিৰে ৰাৱণক বধ কৰি পৱিত্ৰা জানকীক লৈ ব'হাগ মাহৰ শুক্লা চতুৰ্থীৰ দিনা পুষ্পকবিমানত আৰোহণ কৰি অযোধ্যা অভিমুখে গমন কৰে।'

পূৰ্ণে চতুৰ্দ্দশে বৰ্ষে পঞ্চম্যাং মাধৱস্য তু।
ভৰদ্বাজাশ্ৰমে ৰামঃ সগনাঃ সমুপাৱিশৎ।।

*--পদ্মপুৰাণ, পাতালখণ্ড-৩৬/৭৪*

অৰ্থাৎ-- 'ব'হাগ মাহৰ শুক্লা পঞ্চমীৰ দিনা বনবাসৰ ১৪ বছৰ কাল পূৰ্ণ হয় আৰু সিদিনা ৰাম সদলবলে ভৰদ্বাজ ঋষিৰ আশ্ৰমত উপস্থিত হয়।' এই কথা বাল্মীকি ৰামায়ণেও কৈছে--

যথা পূৰ্ণে চতুৰ্দ্দশে বৰ্ষে পঞ্চম্যাং লক্ষ্মণাগ্ৰজ।
ভৰদ্বাজাশ্ৰমং প্ৰাপ্য ববন্ধে নিয়তো মুনিম্।।

*-- বাল্মীকি ৰামায়ণ, যুদ্ধকাণ্ড-*[১২৪/১]

অৰ্থাৎ- 'এইদৰে চতুৰ্দশ বছৰ পূৰ্ণ হোৱাত পঞ্চমী তিথিত শ্ৰীৰাম ভৰদ্বাজ মুনিৰ আশ্ৰমত উপস্থিত হৈ সংযতচিত্তে মুনিক প্ৰণাম কৰিলে।'

ওপৰৰ শ্লোক দুটাৰ পৰা বুজিব পাৰি যে ব'হাগ মাহৰ শুক্লা ষষ্ঠীৰপৰা শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ কাল আৰম্ভ হৈছিল। ইয়াৰ পাছত পদ্মপুৰাণে কৈছে--

নন্দিগ্ৰামে তু ষষ্ঠ্যাং স ভৰতেন সমাগতঃ।
সপ্তম্যামভিষিক্তোৎঽসাৱাৰযোধ্যায়াং ৰঘূদ্বহঃ।।
দশৈকাধিকমাসাংস্তু চতুৰ্দ্দশাহনি মৈথিলী।
উবাস ৰামৰহিতা ৰাৱণস্য নিৱেশনে।।
দ্বিচত্বাৰিংশকে বৰ্ষে ৰামো ৰাজ্যমকাৰয়ৎ।
সীতায়াশ্চ ত্ৰয়স্ত্ৰিংশ দ্বৎসৰশ্চ সতাঽভৱন্।।

*--পদ্মপুৰাণ, পাতালখণ্ড ৩৬/৭৫-৭৭*

অৰ্থাৎ-- 'ব'হাগৰ শুক্লা ষষ্ঠীৰ দিনা ৰাম নন্দী গ্ৰামত ভৰতৰ সৈতে লগ লাগে। পাছদিনা শুক্লা সপ্তমীত অযোধ্যাৰ ৰাজসিংহাসনত অভিষিক্ত হয়। বনবাসৰ ত্ৰয়োদশ

বছৰত সীতা হৰণ হোৱা সময় মাঘৰ কৃষ্ণ অষ্টমী তিথিৰপৰা পুনৰ মাঘ পাৰ হৈ চতুৰ্দশ বছৰৰ শেষত ব'হাগৰ শুক্লা তৃতীয়াত অগ্নি পৰীক্ষা কৰাৰ সময়লৈকে চৈধ্য মাহ দহ দিন সীতা ৰামৰহিত অৱস্থাত ৰাৱণৰ পুৰীত বাস কৰিছিল। ৰাম ৪২ বছৰ বয়সত অযোধ্যাৰ ৰজা হয়, সেই সময়ত সীতাৰ বয়স ৩৩বছৰ।

ৰামায়ণৰ টীকাৰকাৰ মহামতি তিলকেও ওপৰত লিখা সময় তালিকাকে সমৰ্থন কৰিছে। অৱশ্যে তেখেতে সীতাহৰণৰ সময় মাঘৰ কৃষ্ণা অষ্টমীৰ সলনি, কোনো তিথিবাৰ উল্লেখ নকৰাকৈ নকৰাকৈ ফাগুন মাহ বুলি কৈছে আৰু বাৰিষাৰ ৪ মাহ বোলোতে শাওন, ভাদ, আহিন, কাতিৰ সলনি আহাৰ শাওণ, ভাদ আহিন বুলি কৈছে। কিন্তু আদিৰপৰা অন্তলৈ তালিকাখন বিশ্লেষণ কৰি চালে ওপৰত লিখা সময়সূচী সম্বন্ধে কোনো সন্দেহৰ অৱকাশ নাথাকে। তিলকৰ মতে 'ফাগুন মাহত সীতা হৰণ; বাৰিষাৰ আগতে ৰামে সুগ্ৰীৱক লগ পাই মিত্ৰতা কৰে। বাৰিষা হোৱাৰ লগে লগে বালিক বধ কৰি সুগ্ৰীৱক ৰজা পাতে। আহাৰ, শাওণ, বাদ, আহিন এই চাৰিমাহ বাৰিষাৰ বাবে বিশ্ৰাম। আহিনৰ শুক্লপক্ষ অৱসানত হনুমানৰ প্ৰেৰণাত বানৰগণৰ প্ৰতি সুগ্ৰীৱৰ দূত প্ৰেৰণ। কাতি মাহৰ শুক্লপক্ষত সীতা অন্বেষণৰ বাবে বানৰবোৰৰ গমন। আঘোনৰ শুক্লাদশমীত সম্পাতিৰ লগত সাক্ষাতকাৰ। তেতিয়া সুগ্ৰীৱকৰ নিৰ্দিষ্ট এমাহ সময় অতীত হোৱা বুলি বানৰবোৰৰ কথন। একাদশীত হনুমানৰ লঙ্কালৈ গমন। ৰাতিৰ শেষত সীতাৰ দৰ্শন। দ্বাদশীৰ দিনটো থাকি ৰাতি সম্যক সীতা সন্দৰ্শন। শেষ ৰাতি সীতাৰ ওচৰলৈ ৰাৱণৰ আগমন। সেই সময়ত ৰাৱণে সীতাক দিয়া ১২মাহ সময়ৰ প্ৰায় দুমাহ বাকী। ত্ৰয়োদশীৰ পুৱা সীতাৰ লগত হনুমানৰ আলাপ। সেইদিনাই অশোকবন ভঙ্গ। চতুৰ্দশীত অক্ষ প্ৰভৃতি ৰাক্ষস বধ আৰু লঙ্কাদাহ অথবা পূৰ্ণিমাত লঙ্কাদাহ।' *(দ্ৰষ্টব্য ঃ পাদটীকা পৃষ্ঠা ১২৬২ আৰ্যশাস্ত্ৰ প্ৰকাশিত সংস্কৃত ৰামায়ণ, কিষ্কিন্ধ্যা কাণ্ড,৫৩ সৰ্গ।)*

বাল্মীকি ৰামায়ণ আৰু পদ্মপুৰাণত থকা সময় তালিকাৰ পৰা স্পষ্টকৈ দেখা যায় যে, শৰৎ কালত অৰ্থাৎ আহিন, কাতি মাহত ৰাম-ৰাৱণৰ যুদ্ধই হোৱা নাছিল। সেই সময়ত সীতাৰ অন্বেষণৰ বাবে বানৰবোৰক প্ৰেৰণ কৰা হৈছিল যদিও সীতা ক'ত আছে সেই বিষয়ে একো সম্ভেদ পোৱা হোৱা নাছিল। আঘোণৰ শুক্লা দশমী তিথিত জটায়ুৰ ককায়েক সম্পাতিৰ মুখে হনুমন্ত, অঙ্গদ আদি বানৰবোৰে ৰাৱণৰ লঙ্কাৰ অশোকবনত সীতা থকা বুলি জানিব পাৰে। যুদ্ধ আৰম্ভ হয় মাঘ মাহৰ শুক্লা দ্বিতীয়া তিথিৰপৰা আৰু ৰাৱণ বধ হয় চ'ত মাহৰ কৃষ্ণা চতুৰ্দশী তিথিত।

গতিকে কৃত্তিবাসী বঙ্গালী ৰামায়ণত লিখা মতে শৰৎ কালত ৰাম-ৰাৱণৰ মাজত হোৱা যুদ্ধত ৰাৱণৰ স্তুতিত দেৱী আবিৰ্ভাৱ হৈ ৰাৱণৰ ৰথত বহি ৰাৱণক কোলাত লৈ থকা, ব্ৰহ্মাই ৰামক যুদ্ধ জয়ৰ বাবে দুৰ্গাপূজা কৰিবলৈ উপদেশ দিয়া, সেই যুদ্ধক্ষেত্ৰতে ৰামে অকালবোধন কৰি ষষ্ঠীৰ পৰা দশমীলৈ দেৱীৰ পূজা কৰা আৰু ৰামৰ প্ৰতি সন্তুষ্ট হৈ দেৱীয়ে আশ্ৰিত ৰাৱণক এৰি গুচি যোৱা, বিজয়াৰ দিনা ৰামে ৰাৱণক বধ কৰা আদি কাহিনী সত্য হ'ব নোৱাৰে। ই কৃত্তিবাসৰ স্বকল্পিত কাহিনী। দেৱী মাহাত্ম্য প্ৰচাৰ কৰি শাক্তমতৰ প্ৰাধান্য স্থাপন কৰিবলৈ শাক্ত কৃত্তিবাসে উদ্দেশ্য প্ৰণোদিতভাৱে তেওঁৰ বঙ্গালী ৰামায়ণত এই কল্পিত কাহিনী সুমুৱাই দিছে। ৰামায়ণৰ মূল, সংস্কৃত ভাষাত লিখা বাল্মীকি ৰামায়ণ। ভাৰতবৰ্ষত তথা পৃথিৱীত বাল্মীকি প্ৰণীত সংস্কৃত ৰামায়ণৰ চাৰিটা পাঠ প্ৰচলিত আছে। ইয়াৰ কোনোটো পাঠতে ৰামে দুৰ্গাপূজা কৰা কথা নাই। পাছৰ কালত প্ৰায়বোৰ ভাৰতীয় ভাষা আৰু অনেক বিদেশী ভাষালৈও বাল্মীকি ৰামায়ণৰ অনুবাদ হৈছে। কৃত্তিবাস ৰচিত বঙ্গালী ভাষাৰ ৰামায়ণৰ বাহিৰে আন কোনো ভাষাৰ অনুবাদতো ৰামে দুৰ্গাপূজা কৰা কথা নাই। মূলত নোহোৱা কথা অনুবাদত থাকিব নোৱাৰে; থাকিলে সি স্বকল্পিত হ'ব লাগিব। ৰামায়ণৰ বহুকাল পাছত ৰচিত দেৱী পুৰাণ, কালিকা পুৰাণ, বৃহন্নন্দীকেশ্বৰ পুৰাণ আদি কেইখনমান উপ-পুৰাণত শাক্তমতৰ প্ৰাধান্য স্থাপন কৰিবলৈ একশ্ৰেণী স্বাৰ্থ জড়িত লোকে ৰামচৰিতৰ প্ৰসঙ্গত উদ্দেশ্য প্ৰণোদিতভাৱে বাল্মীকি ৰামায়ণত নথকা, দুৰ্গাপূজাৰ সমাৱেশ ঘটাইছে। দুই-এখন ৰাজস আৰু তামস পুৰাণতো সেই উদ্দেশ্যেৰেই এই বিষয়ে ইঙ্গিত কৰিছে। ৰামচৰিত সম্পৰ্কে এইবোৰ প্ৰামাণিক গ্ৰন্থ নহয় কিন্তু পুৰাণৰ কাহিনীৰ লগতো কৃত্তিবাসে বৰ্ণোৱা

কাহিনীৰ স্থান পৰিৱেশ, কাল আৰু আন বহুকথাৰ মিল নাই। সাহিত্য-ৰত্ন হৰিনাৰায়ণ দত্তবৰুৱাদেৱে সম্পাদনা কৰা অসমীয়া পদ-ৰামায়ণৰ মুখবন্ধত কৃত্তিবাসৰ বঙ্গলা ৰামায়ণ আৰু বাল্মীকি ৰামায়ণৰ বিষয়ে স্বৰ্গীয় সোণাৰাম চৌধুৰীদেৱে ১৮৫১ শকৰ (১৯২৯খৃঃ) শাওন মাহৰ বাঁহীত লিখা সাৰুৱা প্ৰবন্ধ এটিৰ পৰা তলত লিখা কথাখিনি তুলি দিছে--

'কৃত্তিবাসী ৰামায়ণত বহুত পুৰাণ আৰু উপপুৰাণৰ কথা সোমাইছে। আচলকৈ ক'বলৈ গ'লে কৃত্তিবাসে বাল্মীকি ৰামায়ণৰ ছাঁহে লৈছে; ক'তো বা নোহোৱা নোপোজা অতিৰঞ্জিত নিজে গঢ়া কথা সুমুৱাইছে। কৃত্তিবাসৰ গোলোক বৰ্ণন নাৰায়ণৰ চাৰি অংশ অৱতাৰৰ কথা। কৃত্তিবাসৰ ৰত্নাকৰৰ উপাখ্যান, 'মৰা', 'মৰা' বুলি পৰিত্ৰাণ পোনা আদি কথা বাল্মীকিত নাই। কৃত্তিবাসৰ চন্দ্ৰবংশ সূৰ্যবংশ এনেকি হৰিশ্চন্দ্ৰ উপাখ্যান পৰ্যন্ত বাল্মীকিত নাই। ভগীৰথে বোলে গঙ্গা আনোতে বঙ্গদেশৰ কিছুমান গাঁৱৰ নাম মেভাটনা, নৱদ্বীপ, আকনা, মহেশ প্ৰভৃতি এইবোৰ কৃত্তিবাসৰ তেনেই জোৰা দিয়া কথা। ইপিনে আকৌ বাল্মীকিত থকা কিছুমান কথা কৃত্তিবাসত নাই। কাৰ্তিকৰ জন্ম, শৰলা লৈ বশিষ্ঠ বিশ্বামিত্ৰৰ বিৰোধ, ত্ৰিশঙ্কুৰ স্বৰ্গাৰোহন, অম্বৰীষৰ যজ্ঞ, শুনঃ শেফৰ উদ্ধাৰ ইত্যাদি কথা কৃত্তিবাসত নাই। ৰাক্ষসী ৰূপধাৰিণী লঙ্কাৰ অধিষ্ঠাত্ৰী দেৱীৰ পৰাজয়ৰ কথা বাল্মীকিত আছে, কৃত্তিবাসত নাই। কৃত্তিবাসত হনুমন্তৰ প্ৰাৰ্থনাত দেৱী উগ্ৰচণ্ডাৰ লঙ্কা ত্যাগৰ কথা আছে, বাল্মীকিত নাই। কৃত্তিবাসে ৰাৱণে বিভীষণক লাঠি মৰাত ৰামৰ পক্ষলৈ অহা বুলি লিখিছে, বাল্মীকিত নাই। কৃত্তিবাসে ৰাৱণে বিভীষণক লাঠি মৰাত ৰামৰ পক্ষলৈ অহা বুলি লিখিছে, বাল্মীকিত লাথ মৰা বুলি নহয়; তাত গালি পৰাতহে বিভীষণ অহা বুলি উক্তি। তৰণীসেনৰ বধ আৰু তাৰ কটামূৰে 'ৰাম, ৰাম' বোলা কথা কৃত্তিবাসে ক'ত পালে তাকো ক'ব নোৱাৰি। বীৰবাহু বধ, মহীৰাৱণ বধ আদিও বাল্মীকিত নাই। লক্ষ্মণ শক্তিশেলত পৰাত হনুমন্তে ঔষধ আনিবলৈ গৈ কালনেমীক বধ কৰা, সূৰ্যক কাষলতিৰ তলত অনা, ভৰতৰ বাটলুগুটিৰ আঘাতত হনুমন্তৰ পতন ইত্যাদি কথা বাল্মীকিত নাই। দুৰ্গোৎসৱৰ কথাটো পুৰাণৰ ভেজা। কিন্তু বাল্মীকিত নাই। বাল্মীকি ৰামায়ণত ৰাৱণ বধৰ সময়ত অগস্ত্যৰ কথামতে ৰামৰ আদিত্যস্তৱৰ পাঠ আৰু মাতলিৰ কথামতে ব্ৰহ্মাস্ত্ৰ মাৰি ৰাৱণক বধ কৰাৰ কথা আছে। কৃত্তিবাসত হনুমন্তই গণক বেশ ধৰি মন্দোদৰীৰ ওচৰলৈ যোৱা, মন্দোদৰীৰপৰা ৰাৱণৰ মৃত্যুবাণ অনা, মাখি হৈ ৰাৱণৰ ৰাজনীতি শিক্ষা দিয়া কথাও তেনেই অমূলক। ৰাৱণে স্বৰ্গলৈ জখলা সজা কথাও কৃত্তিবাসৰ ৰামায়ণতহে দেখা যায়।

অসমীয়া ৰামায়ণত কিন্তু কৃত্তিবাসৰ অলীক ঘটনাৰ সমাবেশ নাই।'

এই প্ৰসঙ্গত ইচ্‌কনৰ (*ISKCON*) প্ৰতিষ্ঠাতা শ্ৰীমৎস্বামী এ.চি. ভক্তি বেদান্ত আৰু কলিকতা বিশ্ববিদ্যালয়ৰ বঙ্গালী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক পণ্ডিত দীনেশ চন্দ্ৰ সেনৰ অভিমত প্ৰণিধানযোগ্য।

শ্ৰীমৎস্বামী এ.চি. ভক্তিবেদান্তদেৱে তেখেতৰ 'ভগৱৎদৰ্শন' (৩য় বছৰ, ৫ম সংখ্যা) নামৰ পুস্তিকাৰ ৬৩-৬৪ পৃষ্ঠাত লিখিছে--

'কল্পনাপ্রবণ কিছুলোক প্রচার করে যে শরৎকাল যুদ্ধ জয়ের পক্ষে উপযুক্ত সময়বলে শ্রীরামচন্দ্র রাৱণ বধ করার জন্য এই অসময়ে দুর্গাদেৱীর বোধন করেছিলেন। কিন্তু এই ধরণের ইতিহাস শ্রীরাম চরিত্রের পরম প্রমাণিক গ্রন্থ বাল্মীকি কৃত মূল রামায়ণে নেই। অপ্রমাণিক ও আধুনিক কল্পিত কালিকা নামক উপপুরাণে ও শাক্ত কৃত্তিবাসের স্বকপোকলঙ্কিত রামায়ণে ঐ ইতিহাস কেবল বাংলাদেশেই প্রচলিত। বাংলাদেশের রাজসাহী জেলার অন্তর্গত তাহিরপুরের রাজা কংস নারায়ণ ১৫৮০ খৃষ্টাব্দে সর্বপ্রথম এই দুর্গোৎসব বাংলাদেশে প্রচার করেন। ....... রাজা কংস নারায়ণ সাড়ে আট লক্ষ টাকা ব্যয়ে সর্বপ্রথম বাংলাদেশে অকালে দুর্গোৎসব করেছিলেন।

আধুনিক দুর্গোৎসৱ সেই রমেশ শাস্ত্রীর (রাজা কংসনারায়ণের পুরোহিত) প্রবর্তিত। তা কোনও প্রামাণিক শাস্ত্রের দ্বারা অনুমোদিত নয়।' (ভগবৎ দর্শন, পৃষ্ঠা ৬৩-৬৪ শ্রীমৎ স্বামী এ.চি. ভক্তিবেদান্ত।)

কলিকতা বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° দীনেশ চন্দ্ৰ সেনে ১৯২০ চনত প্ৰকাশ কৰা '*The Bengali Ramayanas*' শীৰ্ষক গ্ৰন্থত লিখিছে-- '*The Chandi Puja by Rama*

*which forms no part of the origonal epic was introduced evidently by the Shaktas in order to prove the superiority of their creed over that of the Vaishnavas.'* অৰ্থাৎ- - মূল মহাকাব্য (ৰামায়ণ) খনৰ কোনো অংশত নথকা, ৰামে চণ্ডীপূজা কৰা বুলি কোৱা কাহিনীটো শাক্তসকলে বৈষ্ণৱসকলৰ মততকৈ তেওঁলোকৰ মতৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰাৰ উদ্দেশ্যৰেই যে ৰামচৰিতত সুমুৱাই দিছে, ই স্পষ্ট কথা।'

পণ্ডিত গৰাকীৰ এই দৃঢ়তাপূৰ্ণ উক্তি, ৰামচৰিতত দুৰ্গাপূজাৰ সমাৱেশ ঘটোৱা আন শাস্ত্ৰবোৰৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য।

ওপৰৰ আলোচনাবোৰৰ পৰা এইটো প্ৰমাণিত হয় যে ৰামে দুৰ্গাপূজাৰ সমাৱেশ ঘটোৱা আন শাস্ত্ৰবোৰৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য।

ওপৰৰ আলোচনাবোৰৰ পৰা এইটো প্ৰমাণিত হয় যে ৰামে দুৰ্গপূজা কৰা বুলি প্ৰচাৰ কৰা কাহিনীটো সত্য নহয়। ই উদ্দেশ্য প্ৰণোদিতভাৱে কল্পিত কাহিনী।■

*(পুনৰ মুদ্ৰিত)*

**সত্য যুগে পূজে বিষ্ণু ধৰিয়া সমাধি।**
**মহা মহা যজ্ঞে ত্ৰেতা যুগত আৰাধি।।**
**যেন গতি দ্বাপৰত পূজি ভক্তিভাৱে।**
**কলিত কীৰ্ত্তন কৰি সৱে ফল পাৱে।।**

*ৰামায়ণ, উত্তৰাকাণ্ড- ৬৭৩*

# ৰামায়ণ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ ঃ এক নিবিড় সম্বন্ধৰ সংশ্লেষণ

ড° মালিনী গোস্বামী

পৰিণতপ্ৰজ্ঞ কবি শ্ৰীমন্ত শঙ্কৰদেৱৰ অন্তিম ৰচনা শ্ৰীৰামবিজয় নাটকৰ বাবে কথাবস্তু আদিকবি বাল্মীকি বিৰচিত ৰামায়ণৰ পৰা চয়ন কৰা হৈছিল। শঙ্কৰদেৱৰ গুণমুগ্ধ বেহাৰ ৰাজ্যৰ প্ৰধান সেনাপতি চিলাৰায় দেৱানৰ অনুৰোধত এই নাট ৰচনা কৰা হৈছিল বুলি গুৰুচৰিত কথাত পোৱা যায়-- 'আৰু চোট দেৱানে প্ৰাৰ্থনা কৈলে ৰামায়ণৰ নাট কৰিবলৈ ঃ একে নিশা নাট সূত্ৰ গীত ভটিমা কথা কৰি সুনাছি ৰজাক..... গুৰুজনে তাতে কাপকাঠি এৰিছে।' (ছেদ ৩৮৪) ৰামায়ণৰ কথাৰে কাপকাঁঠি এৰাৰ আগতেও ৰামায়ণৰ পৰা সমল আহৰণ কৰি তেখেতে বিশালায়তন সাহিত্য সৃষ্টি কৰি থৈ গৈছে। এই কথা স্বীকাৰ্য যে শঙ্কৰদেৱৰ বাবে সাহিত্য সৃষ্টি প্ৰয়োজন সাপেক্ষ আৰু যুগ-সাপেক্ষ আছিল। মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষ চৌৰাই যোৱা ভক্তি আন্দোলনৰ প্ৰতিটো তৰঙ্গই ভিন ভিন ৰূপেৰে ভাৰতীয় মানুহৰ জীৱন প্ৰণালীৰ বিভিন্ন দিশ প্লাৱিত কৰি গৈছিল। তাৰে সবাতোকৈ শক্তিশালী জোৱাৰটো আহিছিল সাহিত্য ৰূপে। নৱম শতিকাত ভাৰতীয় ইতিহাসৰ এক সন্ধিক্ষণত সৃষ্টি হোৱা ভাগৱত পুৰাণৰ বক্তব্য আৰু আদৰ্শই ভাৰতীয়সকলৰ চলন-ফুৰণ, ধৰ্ম-দৰ্শন, খাদ্যাখাদ্য, পোছাক-পৰিচ্ছদ, উৎসৱ-পাৰ্বণ, বিশ্বাস-অন্ধবিশ্বাস আদি সকলোতে প্ৰভাৱ পেলাইছিল। প্ৰান্তীয় দেশসমূহে তেনে সৰ্বভাৰতীয় আদৰ্শক স্থানীয় সংস্কৃতিৰ লগত খাপখুৱাই নিজৰ বাবে উপযুক্ত কৰি প্ৰস্তুত কৰি লৈছিল যদিও ভাগৱতৰ আদৰ্শক সদায় মান্যতা দিছিল। ভাগৱত পুৰাণৰ অন্যতম প্ৰত্যয় অৱতাৰবাদকো তদানীন্তন আধ্যাত্মিক চিন্তানায়কসকলে ধৰ্মীয় বিশ্বাসত স্থান দিছিল। ভাগৱতোক্ত সকলো অৱতাৰৰ ভিতৰত ৰামাৱতাৰক বিষয়ৰূপে লৈ ইতিপূৰ্বে প্ৰাচীন যুগৰ ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন গ্ৰন্থ ৰচিত হৈছিল। সেই সকলোবোৰ গ্ৰন্থৰ উৎস হ'ল ৰামকথাৰ প্ৰৱৰ্তক বাল্মীকি বিৰচিত আদিকাব্য ৰামায়ণ। দশম শতিকাৰ আগতে ৰচিত প্ৰায় সকলোবোৰ পুৰাণতো বিষ্ণুৰ অৱতাৰৰূপে ৰামৰ দেৱত্ব প্ৰতিপন্ন কৰা হৈছিল। চতুৰ্দশ শতিকাৰ ৰামানন্দ আৰু কবীৰ, ৰবিদাস, দাদু সৈন, পিপা আদি তেওঁৰ শিষ্যসকলে তথা তুলসীদাসৰ ৰামচৰিত মানসে ৰামক উপাস্যৰূপে গ্ৰহণ কৰি ৰামধৰ্ম প্ৰচাৰ কৰিলে আৰু তাৰ সমান্তৰালভাৱে বিকাশ লাভ কৰা কৃষ্ণমাৰ্গৰ প্ৰচাৰকসকলে কৃষ্ণ আৰু ৰামৰ অভেদত্ব কল্পনা কৰি দুয়োকে একেজন বিষ্ণুৰ দুটা ৰূপ বুলি ভক্তি ভজনা আৰম্ভ কৰিলে। বৈষ্ণৱ ভক্তিমাৰ্গীসকলৰ বাবে ৰাম আৰু কৃষ্ণৰ মৰ্যাদা সমান হৈ পৰিল। ফলত কৃষ্ণকথা আৰু ৰামকথাৰ ধাৰা দুটাই একেটা আধাৰকে আশ্ৰয় কৰি বৈষ্ণৱ সাহিত্যৰ বৃহৎ সম্ভাৰটি গঢ়ি তোলাত সহায়ক হৈ পৰিল। সেই সাহিত্যৰাজিৰ প্ৰণেতাসকলে ৰামায়ণক বেদৰ মান্যতা প্ৰদান কৰিলে। ৰামায়ণৰ উত্তৰাকাণ্ডৰ অন্তিম অধ্যায়ত ফলশ্ৰুতি প্ৰসঙ্গত পোৱা যায়, 'ইদমাখ্যানমায়ুষ্যং সৌভাগ্যং পাপনাশনম্ ৰামায়ণং ৱেদসমং শ্ৰাদ্ধেষু শ্ৰাৱয়েদ বধুঃ।। শঙ্কৰদেৱেও ৰামায়ণৰ প্ৰতি একে অভিমত পোষণ কৰিছিল। উত্তৰাকাণ্ডত পোৱা যায়--'বাল্মীকিৰ কৃত ৰামায়ণ যেন বেদ/ তাৰ কথা শুনি সৱে পাইবা পৰিচ্ছেদ// শঙ্কদেৱৰ আধ্যাত্মিক আদৰ্শত ৰামায়ণে এনে এক উচ্চ স্থান অধিকাৰ কৰি লৈছিল যে তেখেতৰ শ্ৰব্য, দৃশ্য, পাঠ্য, পৰিবেশ্য, ৰৈখিক আৰু ফলিত-- এই সকলো বিধ কলাত ৰামায়ণৰ উপাদান ভূৰি ভূৰি পোৱা যায়। শঙ্কৰদেৱৰ সাহিত্যৰাজিত ৰামায়ণ আৰু শঙ্কৰদেৱৰ নিবিড় সম্পৰ্ক প্ৰতিভাত হৈ পৰিছে। সেই সম্পৰ্কৰ স্বৰূপ নিৰূপণ কৰিবলৈ তলৰ

ছেদবোৰত এক বিনম্ৰ প্ৰয়াস কৰা হৈছে।

গুণমালাৰ সংক্ষিপ্ত পৰিসৰতো শঙ্কৰদেৱে ৰাম-মাহাত্ম্য কীৰ্ত্তন কৰিছে। ভগৱান বিষ্ণুৰ অৱতাৰ বৰ্ণন প্ৰসঙ্গত জমদগ্নি ৰাম আৰু হলধৰ ৰামৰ পৰা পৃথককৈ বুজাবৰ বাবে শ্ৰীৰামৰ বিষয়ে শঙ্কৰদেৱে এনেদৰে উল্লেখ কৰিছে-- 'ভৈলা কৌশল্যাত শ্ৰীৰাম জাত' 'ৰাৱম বিঘাত কৰিলা লঙ্কাত' ইত্যাদি। ৰামাৱতাৰৰ উল্লেখো দীঘলীয়াকৈ পোৱা যায়।

শঙ্কৰদেৱে ৰচনা কৰি থৈ যোৱা পয়ত্ৰিশটা বৰগীতৰ ভিতৰত দহোটিতে ৰামকথা আধিকাৰিক অথবা প্ৰাসঙ্গিক বিষয়বস্তুৰূপে গৃহীত হৈছে। তাৰ ভিতৰত 'শুন শুন ৰে সুৰ বৈৰী প্ৰমাণা' গীতটিত ৰামায়ণত বৰ্ণিত লঙ্কাযুদ্ধৰ ভয়াবহতা বিশেষ দক্ষতাৰে ফুটাই তুলিছে ধ্বনি-ব্যঞ্জনা প্ৰয়োগ কৌশলেৰে। দশস্কন্ধ ৰাৱণৰ দৰে ভীষণাকৃতিৰ ৰাক্ষসৰাজক বধ কৰিবৰ বাবে ৰামচন্দ্ৰৰ 'সন্ত্ৰাস সমৰ' দেখি 'সুৰ নৰ কিন্নৰ/ ফনধৰ থৰথৰ/ মহীধৰ তৰসি প্ৰকেম্প।' দৰ্পান্ধ ৰজনীচৰ ৰাৱণক যি ৰামচন্দ্ৰই বাহুবলেৰে বধ কৰি জানকীক প্ৰাণ দিছিল সেই 'ৰঘুপতি পদ বৰ'হে সংসাৰ সাগৰৰ পৰা উত্তৰণৰ একমাত্ৰ উপায়। আন এক বৰগীততো একে আহ্বানকে দি শঙ্কৰদেৱে কৈছে, 'বোলহু ৰাম নামেসে মুকুতি নিদানা।' আকৌ কৈছে 'ৰাম চৰণ চিন্তা চিত্ত মৃত্যু তৰণ উপায়।' বিষয়-বাসনা পৰিত্যাগ কৰি 'ৰাম চৰণে শৰণ লেহু' বুলি ভগৱান ৰামতে আশ্ৰয় বিচাৰিবলৈ শঙ্কৰদেৱে বাৰে বাৰে উপদেশ দিছে। ৰাম নাম নলৈ বিষয় নিকাৰ ভোগাসকলৰ কথাও শঙ্কৰদেৱে মনত পেলাই দিছে আন এটি বৰগীতত-- 'নকহসি ৰাম মৰসি কতিলাগা /ছোড়ি ৰাম নাম অমিয়া উপযোগা/' শঙ্কৰদেৱৰ মতে ৰাম নামেই বেদৰ তত্ব 'ৰাম নাম মহ/নিখিল পুণ্য ৰহ / ওহি নিগম তত্ত্ববাণী।।' এনে তত্ত্বক নুবুজা শঙ্কৰে আনকি নিজকো পাপী বুলি ভাবে। 'ছিৰিৰাম /মঞি অতি পাপী পামৰু/তেৰি ভাৱনা নাই। জনম চিন্তামতি /কাহে গয়ো /যেচি কাচক লাই। গীতিকাৰজনে নিজৰ মনকো ৰামক ধিয়াই ধন্য হ'বলৈ বুজাইছে-- 'মন মেৰি ৰাম চৰণহু লাগু/ তঞি দেখ না অন্তক আগু।।' 'মন নিশ্চয় পতন কায়া/ তঞি ৰাম ভজ তেজি মায়া।' ৰামনামত একব্ৰতী শঙ্কৰদেৱৰ অন্তৰ কেৱল ৰামময় হৈ পৰিছিল। সেয়েহে ভক্ত কবিয়ে গাইছে-- 'ৰাম মেৰি হৃদয় পঙ্কজে ৰৈছে।' ৰামেই তেওঁৰ সৰ্বস্ব হৈ পৰিছে। বৰগীতত গীতিকাৰ শঙ্কৰদেৱে ইয়াকো কৈছে 'ৰাম সুহৃদ সোদৰ মাতা / জান ৰামেসে অভয় দাতা /ৰাম ভকত পৰম নিধি/ ৰাম বিনে নাহি একো সিদ্ধি / ৰাম ইহ পৰলোক গতি।। অৱশেষত কবি এনে এক সিদ্ধান্তলৈ আহিছে-- 'ৰাম বিনে নাহি গতি আন।' বৰগীতত যিদৰে প্ৰভু ৰামচন্দ্ৰৰ কৰুণাবাৰিধিত অৱগাহনৰ স্পৃহা প্ৰকট হৈ উঠিছে তেনেদৰে কীৰ্তনতো শঙ্কৰদেৱৰ ৰামভক্তিয়ে পৰকাষ্ঠা লাভ কৰিছে।

কীৰ্তনতো ৰামাৱতাৰৰ প্ৰতি শঙ্কৰদেৱৰ আনুগত্য লক্ষ্য কৰা যায়। গুণমালাৰ দৰে কীৰ্ত্তনতো অৱতাৰ বৰ্ণন প্ৰসঙ্গত কবিজনে বিষ্ণুৰ আনবোৰ অৱতাৰ একোটাকৈ পদত উল্লেখ কৰিছে কিন্তু শ্ৰীৰামাৱতাৰৰ বিষয়ে ক'বলৈ এঘাৰটা পদ ৰচনা কৰিছে। তদুপৰি কীৰ্ত্তন পুথিৰ সৰহ সংখ্যক ঘোষা ৰামৰ নামত উৎসৰ্গিত হৈছে। প্ৰথমটো ঘোষাত বিষ্ণুৰ একাধিক নামৰ জয় ঘোষণা কৰা হৈছে-- 'জয় হৰি গোৱিন্দ নাৰায়ণ ৰাম কেশৱ হৰি' ইত্যাদি। পৰৱৰ্তী ঘোষাবোৰো এনে-- 'ৰামেসে জীৱন ৰামেসে প্ৰাণ/ ৰাম বিনা নাহি বান্ধৱ আন।।' 'পদ্মপাণি জীৱন মোহন ৰাম/ সুখে দুঃখে মুখে যোনো ছাড়ে ৰাম নাম।' 'ৰাম ৰাম মুকুন্দ / ত্ৰাহি ত্ৰাহি গোৱিন্দ।।' 'কৃষ্ণ যদুপতি ৰাম মোৰে গতি' ইত্যাদি ইত্যাদি।

শ্ৰীশঙ্কৰদেৱৰ সাৰস্বত সাধনাৰ অন্যতম সিদ্ধি হৈছে শ্ৰীমদ্‌ভাগৱতপুৰাণৰ অসমীয়া ৰূপান্তৰ। যদিও এইখন গ্ৰন্থক কেৱল অনুবাদ বুলি কোৱা হয়, প্ৰকৃততে গ্ৰন্থখন ব্যাসদেৱৰ সংস্কৃত ভাগৱতৰ আক্ষৰিক আৰু সম্পূৰ্ণ অনুবাদ নহয়। শঙ্কৰদেৱৰ ভাগৱতপুৰাণক ব্যাসৰ ভাগৱতৰ পুনৰ্নিৰ্মিত বুলি ক'ব পাৰি। কিয়নো শঙ্কৰদেৱে নিজৰ নিৰ্মিতিত মূল গ্ৰন্থৰ ঘটনাক্ৰম ৰক্ষা কৰা নাই? কাহিনী বিভাজন মূলৰ দৰে ৰখা নাই। ভালেমান স্কন্ধৰ ভালেমান অধ্যায় সমুলি বৰ্জন কৰিছে। প্ৰধানকৈ নিজৰ মতাদৰ্শৰ লগত খাপ নোখোৱা অথবা মূল কৃষ্ণকথাৰ পৰা আঁতৰি যোৱা ঘটনা তেখেতে এৰি গৈছে। বহু তাত্বিক প্ৰাৰ্থনা,উপদেশ আদিও নিজৰ গ্ৰন্থৰ বাবে গ্ৰহণ কৰা নাই। যিবোৰ কথা, শ্লোক, ঘটনা, কাহিনী আদি নিজৰ ৰচনাত সন্নিবিষ্ট কৰিছে সেইসমূহ কথাবস্তুৰ চয়নত শঙ্কৰদেৱৰ

ৰুচি, বক্তব্য আৰু গ্ৰন্থ প্ৰণয়নৰ উদ্দেশ্য ধৰা পৰিছে। উদাহৰণস্বৰূপে ভাগৱতৰ দ্বিতীয় স্কন্ধৰ অন্তৰ্গত লীলাৱতাৰ কথনত বৰাহ, দত্তাত্ৰেয়, সনক, নৰ-নাৰায়ণ, পৃশ্নি, হয়গ্ৰীৱ, মৎস্য, কূৰ্ম, নৰসিংহ, বামন, হংস, ধন্বন্তৰি, ভৃগুপতি, ৰাম, লক্ষণ, ভৰত, শত্ৰুঘ্ন প্ৰমুখ্যে বিভিন্ন অৱতাৰৰ কথা ক'বলৈ যাওঁতে ৰামাৱতাৰ আৰু কৃষ্ণলীলাৰ বিষয়ে সবাতোকৈ দীঘলীয়াকৈ বৰ্ণনাইছে। ব্যাসদেৱে সংস্কৃত ভাগৱতত লীলাৱতাৰ বৰ্ণনাৰ বেলিকা ৰামাৱতাৰৰ কথা উল্লেখ কৰিছে মাত্ৰ তিনিটা শ্লোকত (২।৭।২৩-২৫)। শঙ্কৰদেৱে আনবোৰ অৱতাৰৰ উল্লেখ মাত্ৰ কৰি ৰামাৱতাৰৰ বিষয়ে আঠাইশটা ছবি ছন্দৰ পদ ৰচনা কৰিছে। ইয়ে ৰামকথাৰ প্ৰতি শঙ্কৰদেৱৰ দুৰ্বলতাৰ কথাকে সূচায়। তাত অধমচিত্তৰ ৰাৱণক সংহাৰৰ বাবে ইন্দ্ৰাদি দেৱগণৰ হৰিপদত শৰণ, কৃপাময় জগদাধাৰ হৰিৰ ভূমিভাৰ সংহাৰৰ বাবে সন্মতি আদিৰ লগতে এই কথাও কৈছে-- 'ৰামচন্দ্ৰ লক্ষ্মণ/ ভৰত আৰু শত্ৰুঘ্ন / চাৰিৰূপে হৈবা অৱতাৰ//' দেৱসমাজত ৰামাৱতাৰৰ বাবে প্ৰস্তুতি এই অংশত সামৰা হৈছে। ৰামৰ চৰিত্ৰটিৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ বাবে শঙ্কৰদেৱে উক্ত পদসমূহৰ ৰামৰ পিতৃবচন পালন, দণ্ডকাৰণ্যত বাস, খৰ-দূষণ বধ, পিছত সোণৰ হৰিণৰ ৰূপেৰে মাৰীচৰ সহায়ত শূৰ্পনখীৰ ছলনা, লঙ্কেশ্বৰৰ সীতাহৰণ, জটায়ু বৃত্তান্ত, হনুমান-সুগ্ৰীৱাদিৰ সহায়ত দক্ষিণ সাগৰৰ তীৰত ৰণ-শিবিৰ স্থাপন, সেতুবন্ধন, বানৰ ভালুকাদি সেনাবাহিনীৰ সহায় যুদ্ধাৰম্ভ, নিশাচৰ সেনা বধ, যুদ্ধত সহায় বিচাৰি ইন্দ্ৰৰ প্ৰতি ৰাৱণৰ আদেশ, ৰাৱণৰ দ্বাৰা ইন্দ্ৰৰ হস্তীবাহন, ঐৰাৱতৰ দন্ত ভঞ্জন, ৰামৰ দ্বাৰা ৰাৱণৰ দশশিৰ ছেদ, দিব্যযানেৰে সীতা সহিত ৰামৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন, ৰামৰ সিংহাসন গ্ৰহণ আৰু প্ৰজা-পালন-- এই সমগ্ৰ বৃত্তান্ত শঙ্কৰদেৱে কেৱল লীলাৱতাৰ বৰ্ণনতে আগবঢ়াইছে। মূলৰ তিনিটা শ্লোকত উক্ত বৃত্তান্তসমূহ কিঞ্চিৎ ইঙ্গিত ব্যাসে নিদিয়া নহয়, যেনে--

অস্মদ্প্ৰসাদসুমুখঃ কলয়া কলেশ
ইক্ষাকুৱংশ অৱতীৰ্য্য গুৰোৰ্নিৰ্দেশে।
তিষ্ঠন্ ৱনং সদয়িতানুজ আৱিৱেশ
য়স্মিন্ ৱিৰুধ্য দশকন্ধৰ আৰ্ত্তিমাৰ্চ্ছৎ।।
য়স্মা অদাদুদধিৰূঢ়ভয়াংগৱেপো
মাৰ্গং সপদ্যৰিপুৰংহৰৱদ্দিধক্ষো।
দূৰে সুহৃন্মথিতৰোষসুশোণদৃষ্ট্যা
তাতপ্যমানমকৰোৰগনক্ৰচক্ৰঃ।।
বক্ষঃস্থলস্পৰশৰুগ্নমহেন্দ্ৰৱাহ-
দন্তৈৰ্ৱিড়ম্বিতককুব্জু ষ উঢ়হাসম্।
সদ্যোঽহসুভিঃ সহ ৱিনেষ্যতি দাৰহৰ্তু-
ৰ্ৱিস্ফুৰ্জ্জিৰ্তৈৰ্ধনুষ উচ্চৰতোঽধিসৈন্যে।।

--২।৭।২৩-২৫

এই তিনিটি শ্লোকৰ কেৱল ইঙ্গিতত শঙ্কৰদেৱে বাল্মীকি বিৰচিত অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড আৰু লঙ্কাকাণ্ডৰ মূল বিষয় অতি চমুকৈ উপস্থাপন কৰিছে। এইখিনিতে এটা কথা অৱশ্যেই লক্ষ্যণীয় যে ইমানখিনি কৈয়ো লীলাৱতীৰ বৰ্ণনৰ সন্দৰ্ভত শঙ্কৰদেৱে ৰামায়ণৰ উত্তৰাকাণ্ডৰ কথাবস্তুৰ অৱতাৰণা কৰা নাই। বোধকৰো উত্তৰাকাণ্ডৰ পৰা ৰামচন্দ্ৰৰ পৰাক্ৰম বা মাহাত্ম্য প্ৰকাশক কোনো তথ্য উল্লেখ কৰিবলৈ নথকাৰ বাবেই শঙ্কৰদেৱে বিষ্ণুৰ লীলাৱতাৰ বৰ্ণনাত উত্তৰাকাণ্ড বৰ্জন কৰিছে।

আনহাতেদি এই কথাও লক্ষ্যণীয় যে মাধৱ কন্দলীয়ে ৰচি যোৱা ৰামায়ণ সম্পূৰ্ণ কৰাৰ দায়িত্ব ভগাই লওঁতে শঙ্কৰদেৱে মাধৱদেৱক আদিকাণ্ডটো দি নিজে উত্তৰকাণ্ডৰ দায়িত্বহে লৈছে। এই সন্দৰ্ভতো শঙ্কৰদেৱৰ ৰামায়ণৰ বিষয়বস্তু নিৰ্বাচন সম্পৰ্কে ৰুচি আৰু অভিপ্ৰায় আলোচনা কৰাৰ থল আছে।

গুৰুচৰিত কথাৰ দুশ চৌৱিশ সংখ্যক ছেদত কোৱা মতে মাধৱ কন্দলীয়ে ৰচি থৈ যোৱা ৰামায়ণক সম্পূৰ্ণ কৰিবৰ মন কৰি অনন্ত কন্দলীয়ে ৰামায়ণ ৰচিবলৈ আৰম্ভ কৰিলে। অথবা মাধৱ কন্দলীৰ প্ৰতিভাক ছেৱ পেলাব পৰাকৈ 'ঢাকি তুচকৈ গুচাবৰ মনে' অনন্ত কন্দলীয়ে নিজে ৰামায়ণ ৰচনাৰ প্ৰকল্প হাতত ল'লে। কিন্তু আগৰজন কন্দলীৰ ৰামায়ণৰ পৱিত্ৰতা আৰু সৌন্দৰ্য পিছৰজন কন্দলীৰ হাতত ৰক্ষা নহ'ব বুলি আশঙ্কা কৰি শঙ্কৰদেৱে অসমীয়া ৰামায়ণ সম্পূৰ্ণ কৰাৰ দায়িত্ব নিজে ল'লে। চৰিতত কৈছে- 'পাচে গুৰুজনে বোলে বৰাপো তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুচাবজে খোজেঃ য়ামি ধৰো গোৰত ঃ তুমি হোৱা আগে ঃ তেহে আদ্যে উত্তৰা কৰিছে ঃ।

শঙ্কৰদেৱৰ পূৰ্বৱৰতী ৰামকথাৰ প্ৰবক্তা মাধৱ কন্দলীয়ে উত্তৰ ভাৰতত পোন প্ৰথম বাৰৰ বাবে বাল্মীকি প্ৰণীত ৰামায়ণ মহাকাব্যক প্ৰান্তীয় ভাষালৈ অনুবাদ কৰিছিল আৰু তাত 'সপ্তকাণ্ড ৰামায়ণ/ পদবন্ধে নিবন্ধিলো' বুলি ঘোষণাও কৰিছিল কিন্তু মাধৱ কন্দলীৰ নামত প্ৰচলিত ৰামায়ণত প্ৰথম আৰু সপ্তম কাণ্ড দুটি সংযোগ হোৱা নাছিল। সেয়েহে শঙ্কৰদেৱে আদিকাণ্ডৰ অনুবাদৰ কাম মাধৱদেৱক দি আৰু উত্তৰাকাণ্ড দায়িত্ব নিজে লৈ কামটি শেষ কৰিলে।

শঙ্কৰদেৱৰ দ্বাৰা ৰচিত উত্তৰাকাণ্ড আৰু বাল্মীকি বিৰচিত ৰামায়ণৰ উত্তৰাকাণ্ডৰ এটি সমান্তৰাল আলোচনাৰ দ্বাৰাও ৰামায়ণ আৰু শঙ্কৰদেৱৰ মাজৰ সম্বন্ধৰ মান নিৰূপণ কৰিব পৰা যাব।

বাল্মীকি বিৰচিত সপ্তকাণ্ড ৰামায়ণৰ উত্তৰাকাণ্ড নামে আখ্যাত অন্তিম কাণ্ডটিৰ প্ৰক্ষিপ্ততা ইতিমধ্যে বিদ্বৎ সমাজে স্বীকাৰ কৰি লৈছে যদিও ভাৰতীয় সপ্তকাণ্ড ৰামায়ণৰ যি পাৰম্পৰিক বলবত্তা তাক ভাৰতীয় মানুহে উপেক্ষা কৰিব নোৱাৰে। সেয়েহে আদিকবি বাল্মীকিয়ে ৰামায়ণৰ ছয় কাণ্ড ৰচি যোৱাৰ পৰৱৰ্তী কালত উত্তৰাকাণ্ড আন কাৰোবাৰ দ্বাৰা খণ্ড খণ্ডকৈ বা সম্পূৰ্ণকৈ ৰচিত হৈ পূৰ্বৱৰতী কাণ্ড ছয়টাৰ লগত সংযোগ কৰা হৈছিল যদিও বাল্মীকিকে উত্তৰাকাণ্ডৰো পিতৃৰূপে ৰামায়ণী পৰম্পৰাই মানি লৈছে। তেনে ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা ৰাখি কোৱা যায় যে আদিকবিয়ে উত্তৰাকাণ্ড কথাবস্তু এশ এঘাৰটা সৰ্গত বিভাগ কৰি বৰ্ণাইছে। যদিও প্ৰকৃততে লঙ্কা যুদ্ধ, সীতা উদ্ধাৰ আৰু অযোধ্যা আগমনৰ পিছত ৰাম-সীতাৰ জীৱন কথাৰ পৰিসৰ নিচেই চমু তথাপি বাল্মীকিয়ে ৰামকথাৰ লগত সাঙুৰি আন বহুতো আখ্যান উপখ্যান উত্তৰাকাণ্ডত সন্নিৱিষ্ট কৰাৰ বাবে এই কাণ্ডটোৱে বহু দীৰ্ঘায়তন লাভ কৰিছে। ইয়াৰ পূৰ্বৱৰতী লঙ্কাকাণ্ডটো ৰামচন্দ্ৰৰ অভিষেক আৰু ৰামায়ণ পাঠৰ ফলশ্ৰুতিৰে সমাপ্ত হৈছে। সেয়েহে উত্তৰাকাণ্ড আৰম্ভ হৈছে এনেদৰে-- সদ্যাভিষিক্ত ৰজা ৰামচন্দ্ৰক আশিষ-উপদেশ দিবলৈ বুলি চৌদিশৰ পৰা মহাতপা, বেদবিদ্ অগস্ত্যাদি ঋষিগণৰ আগমন আৰু ৰামক অভিনন্দনেৰে উত্তৰাকাণ্ড আৰম্ভ হৈছে আৰু প্ৰথম সৰ্গৰ পৰা একচল্লিশ সংখ্যক সৰ্গলৈকে ৰামকথাক অৱলম্বন কৰি পুলস্ত্য, বিশ্ৰবা আদি মুনিৰ গুণবৰ্ণনা, কুবেৰৰ উৎপত্তি তপস্যা-বৰপ্ৰাপ্তি-লঙ্কাবাস আদি, ৰাক্ষসকুল বৰ্ণনা, মাল্যবান, মালী-সুমালীৰ বৃত্তান্ত, অসুৰৰ দ্বাৰা দেৱকুল আক্ৰমণ, ৰাৱণৰ জন্ম, গোকৰ্ণত তপস্যা, বৰপ্ৰাপ্তি, ৰাজ্যাভিষেক, কুবেৰৰ কৈলাসগমন, শূৰ্পনখাৰ বৃত্তান্ত, মেঘনাদৰ জন্ম, কুম্ভকৰ্ণৰ শয়ন, সীতা হৰণৰ কাৰণ বৰ্ণনা, হনুমন্তৰ জন্মকথা, সনৎ কুমাৰ-- ৰাৱণ সংবাদ, শ্বেতদ্বীপবৃত্তান্ত কথন ইত্যাদি বিবিধ বিষয়ৰ অৱতাৰণা পোৱা যায়। বাল্মীকিৰ উত্তৰাকাণ্ডৰ প্ৰথম একছল্লিশটা অধ্যায়ৰ মাত্ৰ পয়ত্ৰিশ আৰু ছয়ত্ৰিশ সংখ্যক অধ্যায় দুটাহে শঙ্কৰদেৱে গ্ৰহণ কৰিছে। পুনৰ ব্যাসৰ ৰচনাৰ বিয়াল্লিশৰ পৰা ঊনপঞ্চাশৰ অধ্যায়ৰ বৃত্তান্ত শঙ্কৰদেৱৰ ৰচনাত পোৱা যায়। একেদৰে পঞ্চাশৰ পৰা নৱৈলৈকে একেলেঠাৰিয়ে চল্লিশটা অধ্যায়ৰ মাজৰ পৰা মাত্ৰ দুটা অধ্যায়ৰ বিষয়বস্তুহে শঙ্কৰদেৱে গ্ৰহণ কৰিছে।

'জয় জয় জগত জনক শ্ৰীৰাম/ পাতকীয়ো তৰে যাৰ লৈলে গুণ নাম'-- বুলি প্ৰভু শ্ৰীৰামচন্দ্ৰৰ বিজয় আৰু শ্ৰীৰামৰ প্ৰসাদ ধন্য জীৱনৰ পূৰ্ণতা ঘোষণা কৰি উত্তৰাকাণ্ড শঙ্কৰদেৱে আৰম্ভ কৰিছে। পিতৃবচন পালি ৰামৰ বনগমন, সীতাহৰণ, সুগ্ৰীৱৰে মিত্ৰতা, সাগৰত সেতুবন্ধন, অগ্নি পৰীক্ষা, ৰামৰ ৰাজ্যাভিষেকলৈকে উত্তৰাকাণ্ডৰ পূৰ্বৱৰ্তী অযোধ্যা, অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰ আৰু লঙ্কাকাণ্ডৰ কথা অতি থোৰতে আগবঢ়াইছে যাতে পাঠকে বিগত ঘটনাৱলীৰ ইঙ্গিত তাতে পাব পাৰে। লক্ষ্য কৰা গ'ল বাল্মীকিৰ সমূহ পাৰ্শ্বকাহিনী শঙ্কৰদেৱে এৰি গৈছে। কিন্তু উত্তৰাকাণ্ডৰ পূৰ্বৱৰ্তী কথাৰ লগত যোগসূত্ৰ ৰাখিব পৰা ঘটনাৱলী নিজৰ ৰচনাত সামৰি লৈছে।

শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ মূল কথা সীতাৰ স্বপ্ন-দৰ্শনেৰে আৰম্ভ হৈছে। সপোনত সীতাই তপোবনৰ ঋষিপত্নীসকলৰ লগত কৌতুকেৰে সময় কটোৱা আৰু সেই সপোন সফল হোৱাৰ হাবিয়াসৰ কথা ৰামক কয়। বাল্মীকিয়ে সীতাৰ স্বপ্নদৰ্শনৰ পৰিৱৰ্তে মনোবাঞ্চাৰ কথাহে কৈছে। সীতাৰ চৰিত্ৰাপবাদৰ বাতৰি ৰামে ভদ্ৰ নামৰ এজন গুপ্তচৰৰ পৰা পাইছে বুলি বাল্মীকিয়ে কৈছে। শঙ্কৰদেৱৰ ৰচনাত 'দুৰ্মুখ দুৰ্জন' কোনো এজনে সীতাৰ অপযশ ৰতিছে বুলি পোৱা যায়। এইখিনিতে মনত পেলাব

পাৰি যে সংস্কৃত নাট্যকাৰ ভৱভূতিৰ উত্তৰ ৰামচৰিত নাটকত দুৰ্মুখ নামে চৰৰ উল্লেখ আছে। বাল্মীকিৰ ৰামে চিন্তিত মনে সীতাৰ প্ৰতি বিহিত ব্যৱস্থা ল'বলৈ আটাইকেইজন ভায়েকৰ লগত মন্ত্ৰণা কৰিছে কিন্তু শঙ্কৰদেৱৰ ৰামে 'লক্ষ্মণক বিৰলে বুলিলা গুণি গান্থি।'

ৰাজ্যৰ প্ৰান্তত থকা গঙ্গা নদী পৰা কৰাই ঋষিসকলৰ তপোবনৰ নিকটৱৰ্তী স্থানলৈকে ৰথ, নৌকা আৰু পদব্ৰজে যাবলগীয়া হোৱা যথেষ্ট দীঘল এছোৱা পথৰ বৰ্ণনা বাল্মীকিৰ ৰামায়ণত পোৱা যায়। এই দীৰ্ঘ পথ অতিক্ৰম কৰি, ৰামে লোৱা সীতা-বিসৰ্জনৰ সংকল্প ব্যক্ত কৰি লক্ষ্মণে সীতাৰ পৰা বিদায় লোৱালৈকে ক্ৰমে যাত্ৰাৰ উত্তেজনাত সীতাৰ আনন্দ আৰু লক্ষ্মণৰ অন্তৰ্দ্বন্দ্ব বাল্মীকিয়ে বৰ নিপুণতাৰে ফুটাই তুলিছে। শঙ্কৰদেৱে কিন্তু দীঘলীয়া যাত্ৰাৰ বৰ্ণনাও দিয়া নাই আৰু সীতা-লক্ষ্মণৰ বিপৰীতমুখী মানসিক অৱস্থাৰ ৰূপায়ণৰ প্ৰয়াসো কৰা নাই। তপোবন দৰ্শনৰ বাবে যাবলৈ ওলোৱা বাল্মীকিৰ ৰচনাৰ পুণ্যাৰ্থী ৰাজ মহিষীয়ে নানাবিধ অলঙ্কাৰেৰে সালংকৃতা হৈ এই বাঞ্ছা কৰিছে যে নিজৰ পৰিধেয় আভৰণ অলঙ্কাৰাদি-ঋষি মুনিযসকলক দান দি তেওঁ মনোকামনা সিদ্ধিৰ বাবে প্ৰাৰ্থনা কৰিব। শঙ্কৰদেৱৰ ৰচনাত সৰলমনা সীতাৰ তেনে দীঘল প্ৰস্তুতিও নাই, তেনে বাঞ্ছাও নাই। এনেবোৰ প্ৰসঙ্গত শঙ্কৰদেৱে সংযম অৱলম্বন কৰিছে। তদুপৰি লক্ষ্মণৰ দ্বাৰা ৰামৰ নিদাৰুণ অভিপ্ৰায় সীতাৰ আগত নিবেদন আৰু তাত সীতাৰ গাম্ভীৰ্যপূৰ্ণ প্ৰতিক্ৰিয়া প্ৰকাশৰ ক্ষেত্ৰতো শঙ্কৰদেৱে বাল্মীকিৰ দৃষ্টিভঙ্গী অনুসৰণ কৰা নাই। বৰং শঙ্কৰদেৱৰ ৰচনাত লক্ষ্মণ আৰু সীতাৰ আচৰণ সুকীয়া অনুভৱেৰে প্ৰদৰ্শন কৰা হৈছে। কোৱা হৈছে-- তপোবনৰ প্ৰান্তদেশত বিহ্বল চিত্তৰ লক্ষ্মণে 'বিনান্ত কান্দি কেৱলে বোলে-- নামিয়োক মাৰ অযোধ্যাৰ এৰি আশ / তোমাক দিলন্ত আৰে ৰাঘৱে নিৰ্বাস।।' এনে অভাৱনীয় পৰিস্থিতিত সীতাই কান্দি-কাতি ব্যাকুল হ'ল, তেওঁৰ চেতনা হেৰাল, মাটিত ঢলি পৰি মূৰ্ছা গ'ল। বাল্মীকিৰ ৰচনাত লক্ষ্মণে সকলো ৰাজকীয় মৰ্যাদা অটুট ৰাখিও বাৰে বাৰে উদ্বিগ্ন হৈ পৰিছে, অন্যমনস্ক হৈ পৰিছে আৰু তেওঁৰ চিন্তা বিকল হৈছে। লক্ষ্মণৰ তেনে অৱস্থা লক্ষ্য কৰি সীতাই লক্ষ্মণক তেওঁৰ অস্বাভাৱিক ব্যৱহাৰৰ কাৰণ বা অসুস্থতাৰ কাৰণ বাৰে বাৰে সুধিছে। ৰামৰ মঙ্গল, ৰাজমাতাসকলৰ স্বাস্থ্য বা ৰাজ্যৰ সংবাদ জানিবলৈ বৰ উদ্বিগ্ন চিত্তে বাৰে বাৰে লক্ষ্মণক প্ৰশ্ন কৰিছে। শেষত ভাগীৰথী পাৰ হৈ সীতাই ৰাজ্যৰ আৰু পৰিয়াল পৰিজনৰ মঙ্গল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে। সীতাৰ এই অধীৰ উদ্বিগ্নতা বাল্মীকিয়ে সবিস্তৰে আগবঢ়াইছে। সীতাৰ সৰলতা, বিশ্বস্ততা আৰু ৰাজ মহিষীৰ সকলো নিষ্ঠা আৰু দায়িত্ববোধ বাল্মীকিয়ে ইয়াত সীতাৰ চৰিত্ৰত আৰোপ কৰিছে।

ঋষিসকলৰ তপোবনৰ প্ৰান্তত লক্ষ্মণে কৰজোৰে, বাষ্পাকুল নয়নেৰে আৰু থোকাথুকি মাতেৰে আৰু অধোবদনেৰে ক'বলৈ আৰম্ভ কৰিলে-- 'শ্ৰুত্বা পৰিষদো' মধ্যে হ্যপৱাদং সুদাৰুণম্ / পুৰে জনপদে চৈৱ ত্বৎকৃতে জনকাত্মজে// ৰামঃ সন্তপ্তহৃদয়ো মাং নিৱেদ্য গৃহং গতঃ / ন তানি ৰচনীয়ানি ময়া দেৱি তৱাগ্ৰতঃ// য়ানি ৰাজ্ঞা হৃদি ন্যস্তান্যমৰ্ষাৎ পৃষ্ঠতঃ কৃতঃ / সা ত্বং ত্যাক্ত নৃপতিনা নিৰ্দোষা মম সন্নিধৌ// পৌৰাপৱাদ ভীতেন গ্ৰাহং দেৱি ন তেহন্যথা// আশ্ৰমান্তেষু চ ময়া ত্যক্তব্যা ত্বং ভৱিষ্যসি// -- অৰ্থাৎ 'হে জনকতনয়া, নগৰ আৰু জনপদত প্ৰচাৰিত আপোনাৰ অতি কালিমাযুক্ত অপবাদৰ কথা ৰাজসভাত শুনি নিজে অতি সন্তপ্ত হৈ ৰজাই (ৰামে) মোক সকলো কৈ নিজৰ ৰাজগৃহত প্ৰৱেশ কৰিলে। দেৱি, অতিপাত খঙত কৈ পেলোৱা তেওঁৰ সেই সকলো কথা মই আপোনক ক'ব নোৱাৰিম। দেৱি, ৰজা ৰামে আপোনাৰ নিৰ্দোষিতাৰ কথা মোৰ আগত ব্যক্ত কৰিছে। কেৱল পুৰবাসীৰ মাজত প্ৰচাৰিত অপবাদৰ ভয়তহে তেওঁ আপোনাক ত্যাগ কৰিছে, সেয়েহে আপুনি ইয়াক আনভাৱে নাভাবিব।' ৰামায়ণত লক্ষ্মণে সীতাৰ ভৱিষ্যৎ নিৰাপত্তা নিশ্চিত কৰি এই কথাও কৈছে যে, 'পিতা দশৰথৰ পৰম বন্ধু যশস্বী, বিদ্বান মুনি বাল্মীকিৰ নিকটৱৰ্তী আশ্ৰমতে সীতাই নিৰাপদ আশ্ৰয় বিচাৰি পাব।' এয়া বাল্মীকিৰ কথা। শঙ্কৰদেৱে পৰিস্থিতিৰ এনে জটিলতাৰ মাজলৈ যোৱা নাই। বাল্মীকিৰ সীতাৰ দৰে অতিশয় বিষাদগ্ৰস্ত সীতাদেৱী 'মুহূৰ্ত্তমিৰ' অথবা 'কতোক্ষণে'ৰ বাবে সংজ্ঞাহীন হৈ পৰিল কিন্তু থিতাতে আত্মসম্বৰণ কৰি যুক্তিপূৰ্ণভাৱে লক্ষ্মণক বুজনি দিছে। এইখিনিত ৰামায়ণৰ সীতৰ গাম্ভীৰ্যপূৰ্ণ উক্তি

শঙ্কৰদেৱে কিঞ্চিৎ চমুৱাইছে যদিও ব্যাসৰ কথাবস্তুৰ অৰ্থ, তাৎপৰ্য আৰু শব্দচয়নো নিষ্ঠাৰে অনুসৰণ কৰিছে। ৰামায়ণত এনে সৰু-বৰ ঘটনাৰ আধাৰত ৰাম আৰু সীতাৰ লগে লগে লক্ষ্মণৰ চৰিত্ৰৰো এক সুন্দৰ বিকাশ ঘটিছে। শঙ্কৰদেৱৰ ৰচনাত লক্ষ্মণৰ অন্তৰ্দ্বন্দ্ব উপেক্ষিত হৈ ৰৈছে। কাৰণ শঙ্কৰদেৱৰ উদ্দেশ্য আছিল ৰামায়ণৰ আধাৰত ৰাম-মাহাত্ম্য প্ৰচাৰ। সেয়েহে পাৰ্শ্ব-চৰিত্ৰসমূহৰ বিকাশৰ প্ৰতি শঙ্কৰদেৱে মনোযোগ দিয়া নাই। বৰং সীতা-পৰিত্যাগৰ পিছত ৰামচন্দ্ৰৰ মনৰ বিৰহ ব্যাকুল অৱস্থাৰ চিত্ৰৰ অন্তৰস্পৰ্শী ৰূপত ফুটাই তুলিছে। আনকি বিপদসঙ্কুল বনপ্ৰান্তত সীতাক এৰি আহি লক্ষ্মণৰ যি মানসিক সংঘাত হৈছে তাকো দেখুওৱা নাই। বাল্মীকিৰ উত্তৰাকাণ্ডৰ বাৰন্ন সংখ্যক সৰ্গৰ অনুৰূপে শঙ্কৰদেৱে ৰামচন্দ্ৰৰ মনত ওপজা সীতা-বিসৰ্জনৰ বেদনা ৰূপায়ণ কৰিছে যদিও শঙ্কৰদেৱৰ ৰচনাক বাল্মীকিৰ ৰচনাৰ অনুবাদ বুলি ক'ব নোৱাৰি। মূলত শোকাৰ্ত্ত ৰামচন্দ্ৰক লক্ষ্মণে যি প্ৰবোধবাক্যৰে সান্ত্বনা দিছে তাকো শঙ্কৰদেৱে গ্ৰহণ কৰা নাই বৰং তেখেতে নিজৰ বোধেৰে ৰামৰ বিৰহ-বিধুৰ অৱস্থা অধিক তীব্ৰ, স্পষ্ট আৰু মৰ্মস্পৰ্শীভাৱে ৰূপায়ণ কৰিছে।

সীতা বিসৰ্জনৰ ঘটনাৱলীৰ পৰা আৰম্ভ কৰি দীৰ্ঘকাল ৰামচন্দ্ৰই ৰাজ্যশাসন কৰাৰ সময়ছোৱাত অশ্বমেধ যজ্ঞৰ অনুষ্ঠান হোৱালৈকে বাল্মীকিয়ে একাধিক আখ্যান সংযোগ কৰিছে। (দ্ৰষ্টব্য সৰ্গ ৫৩-৯০) শঙ্কৰদেৱে সেই সকলোবোৰ আখ্যান বৰ্জন কৰিছে। নৃগৰজাৰ শাপবৃত্তান্ত, বশিষ্ঠ-নিমি কথা, বশিষ্ঠ-বৰুণ, পুৰূৰৱা-উৰ্বশী, যযাতিৰ অভিশাপ ভোগ, পুৰুৰ দ্বাৰা পিতৃৰ বৃদ্ধত্ব গ্ৰহণ, কাৰ্যাৰ্থী কুকুৰৰ কথা, গৃধ্ৰ-উলুক সংবাদ, চ্যবনাদি মুনিৰ আগমন, মধু, লৱনাসুৰ আদিৰ কাহিনী, শুভ নগৰত শত্ৰুঘ্নৰ অভিষেক আৰু যমুনাৰ পাৰত নতুন নগৰ আৰু জনপদ স্থাপনৰ ভাৰ অৰ্পণ, বাল্মীকিৰ দ্বাৰা সুদাস পুত্ৰ কল্মাষৰ বৃত্তান্ত কথন আদি বিষয়ত বাল্মীকিয়ে বহু সময়, শক্তি আৰু কল্পনা ব্যয় কৰিছে। যদিও কাহিনীবোৰৰ কাব্যিক তথা নৈতিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি, তথাপি এই আখ্যানসমূহে ৰামকথাৰ বিকাশত বিশেষ অৰিহণা যোগাব পৰা নাই। শঙ্কৰদেৱে যিহেতু ৰামকথাৰ উক্ত পাৰ্শ্বকাহিনী আৰু পাৰ্শ্বচৰিত্ৰসমূহ গ্ৰহণ কৰা নাই, সেয়েহে লক্ষ্মণৰ দ্বাৰা সীতাক আশ্ৰম প্ৰান্তত থৈ অহাৰ বৃত্তান্ত শেষ হোৱাৰ পিছতে বাল্মীকিৰ আশ্ৰমত সীতাৰ আশ্ৰয় আৰু লৱ কুশৰ জন্মকথা উপস্থাপন কৰিছে। ৰামৰ প্ৰতি বাল্মীকিৰ ক্ৰোধ, দুই যুঁজা কুমাৰৰ জন্ম, বাল্মীকিৰ দ্বাৰা ৰামায়ণ শিক্ষাৰ উপদেশ, লৱ-কুশৰ গীত পৰিৱেশন আৰু দুই কুমাৰৰ সৌষ্ঠৱ বৰ্ণন আদি কথা কৈ গৈছে। তাৰ পিছতহে সীতাৰ বিৰহত ৰামৰ দুখৰ বিষয়ে বৰ্ণাইছে।

ৰামৰ অশ্বমেধ যজ্ঞৰ আয়োজন, যজ্ঞশালা নিৰ্মাণ, যজ্ঞভূমিৰ সাজ-সজ্জা আৰু প্ৰস্তুতি আদিৰ বৰ্ণনাত শঙ্কৰদেৱ বাল্মীকিৰ প্ৰায় অনুগামী বুলি ক'ব পাৰি। কিন্তু যজ্ঞৰ বাবে ৰামৰ সহধৰ্মচাৰিণীৰূপে স্বৰ্ণসীতাৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ কথা শঙ্কৰদেৱে স্বকীয় ৰুচিৰে আগবঢ়াইছে। শঙ্কৰদেৱৰ কথাবস্তু নিৰ্মাণৰ এই পৰিকল্পনা অধিক সামাজিক তথা বাস্তৱানুগ হৈছে। এই বিষয়ৰ আলোচনা এই প্ৰবন্ধৰ পৰৱৰ্তী ছেদত আগবঢ়োৱা হৈছে।

বাল্মীকিৰ ৰচনাত পোৱা যায় যে-- লৱনাসুৰ বধৰ বাবে যাত্ৰা আৰম্ভ কৰি ৰাজ্যাভিষিক্ত শত্ৰুঘ্নই বাটতে এৰাতি কটালে। সেই ৰাতিয়েই বাল্মীকিৰ আশ্ৰমৰে আন এটি পৰ্ণশালাত সীতাদেৱীৰ দুই পুত্ৰৰ জন্ম হ'ল। আশ্ৰমৰ মুনিকুমাৰসকলে ৰং ৰহইচ কৰি মহামুণি বাল্মীকিক খবৰ দিলেগৈ। বৃদ্ধা তপস্বিনীসকলে বালকযুগলৰ ৰক্ষাবিধানৰ নিয়ম-নীতি পালন কৰিলে। ৰাতিয়ে বাল্মীকিয়ে দুয়োটি নৱজাতকৰ অশুভ নিবাৰণৰ বাবে লৱযুক্ত কুশমুষ্টিৰে গ্ৰহবিনাশী ৰক্ষা-বন্ধন দিলেহি। সেই আশ্ৰমতে বৃদ্ধাসকলে ৰামৰ গুণ-সংকীৰ্ত্তন কৰি বালক দুটিৰ গোত্ৰকৰ্ম আদি জাতসংস্কাৰ কৰিলে। আশ্ৰমত অৰ্দ্ধৰাত্ৰিৰ এই জন্মোৎসৱৰ ব্যস্ততাৰ মাজতে শত্ৰুঘ্নয়ো পৰ্ণশালাতে এই শুভ-সংবাদিটি শুনিলে আৰু আনন্দ-উদ্বেলিত কণ্ঠেৰে সীতাদেৱীক 'আই' সম্বোধনেৰে অভিনন্দিত কৰিলেহি। নিৰল বনপ্ৰান্তত বৰ্ষামুখৰ শাওন মাহৰ ৰাতিটোত বাল্মীকিৰ আশ্ৰম উৎসৱমুখৰ হৈ পৰিল। শত্ৰুঘ্নও এই উৎসৱৰ অংশীদাৰ হ'ল। বাল্মীকিৰ ৰচনাত পোৱা যায়-- 'অৰ্দ্ধৰাত্ৰে তু শত্ৰুঘ্নঃ শুশ্ৰাৱ সুমহৎ প্ৰিয়ম্। পৰ্ণশালাং ততো গত্বা মাতৰ্দিষ্ট্যেতি চাব্ৰবীৎ।। তদা তস্য প্ৰহৃষ্টস্য শত্ৰুঘ্নস্য মহাত্মনঃ। ব্যতীতা বাৰ্ষিকী ৰাত্ৰিঃ শ্ৰাৱণী লঘুৰিক্ৰমা।। (৭।৬৬।১২-১৩) কিন্তু আচৰিত কথা এইখিনিতে যে শত্ৰুঘ্নই অযোধ্যাৰ

ৰাজগৃহলৈ এই খবৰ পঠোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলে। নিজেও ৰাজকুলৰ পৰম্পৰা ৰক্ষা কৰাৰ কথা নাভাবিলে আৰু পিছদিনা ৰাতিপুৱাই লৱনাসুৰ বধৰ অভিযানলৈ বুলি বিদায় ল'লে। বোধকৰো সাম্ৰাজ্যৰ উচ্চতম শাসনাধিষ্ঠিত শক্তি ৰজা ৰামচন্দ্ৰৰ বিচাৰ, বিবেচনা আৰু সিদ্ধান্তৰ প্ৰতিবাদ কৰাৰ সাহস নবাভিষিক্ত শত্ৰুঘ্নৰ নাছিল অথবা লোকাপবাদৰ শংকাই শত্ৰুঘ্নৰ বাবেও সম্বন্ধৰ বান্ধোন আৰু স্নেহ-মমতাৰ শৃংখল সোলোকাই দিব পাৰিছিল। ৰাজশক্তিৰ প্ৰতি আনুগত্যবশতঃ শত্ৰুঘ্নৰ চৰিত্ৰত এই বিৰশাৰস্থাই দেখা দিছিল। সেয়েহে বাল্মীকিৰ দৰে এজন মানৱ দৰদী, স্নেহপৰায়ণ, শিষ্য-বৎসল কৱিৰ ৰচনাত লৱ আৰু কুশ পিতৃ, পিতৃব্য তথা পিতামহীসকলৰ স্নেহৰ পৰা বঞ্চিত হৈ ৰ'ল।

ৰামায়ণৰ উক্ত ঘটনাৱলীৰ আধাৰত শঙ্কৰদেৱৰ উত্তৰাকাণ্ড পঢ়ি চালে বুজিব পাৰি যে শঙ্কৰদেৱ বিষয়-গ্ৰথনৰ এনেবোৰ জটিলতালৈ যাব খোজা নাই। অথবা ইক্ষাকু কুলৰ সদস্যৰ চাৰিত্ৰিক দুৰ্বলতা ৰূপায়ণ কৰিব খোজা নাই। অথবা ৰামায়ণৰ কাহিনীৰ শিথিল বন্ধন তেখেতৰ মনঃপুত হোৱা নাই। সেয়েহে লৱ-কুশৰ জন্মৰ ৰাতি বাল্মীকিৰ আশ্ৰমত শত্ৰুঘ্নৰ উপস্থিতি শঙ্কৰদেৱে উল্লেখেই কৰা নাই।

তেনেদৰে যজ্ঞৰ বাবে স্বৰ্ণসীতা নিৰ্মাণৰ বিষয়টোকো শঙ্কৰদেৱে অধিক বাস্তৱধৰ্মী কৰি তুলিবলৈ চেষ্টা কৰিছে। সংস্কৃত উত্তৰকাণ্ডৰ একনৱতিতম সৰ্গত অশ্বমেধ যজ্ঞৰ প্ৰস্তুতিৰ বাবে ৰামচন্দ্ৰৰ আদেশ আৰু সেই বিষয়ে মন্ত্ৰণা পোৱা যায়। মন্ত্ৰণামতে নৈমিষাৰণ্যৰ মাজত গোমতী নদীৰ পৱিত্ৰ আৰু বিশাল তীৰভূমিত যজ্ঞস্থলী নিৰ্মাণৰ বাবে আদেশ দিয়া হ'ল। দেশ-বিদেশলৈ নিমন্ত্ৰণ পঠোৱা হ'ল। বিভিন্ন ঠাইৰ পৰা বিবিধ উত্তম যজ্ঞসম্ভাৰ গোটাই অনাৰ দায়িত্ব দিয়া হ'ল নিষ্ঠাবান ভৰতক। নট-নৰ্তকী, সেৱক, চাৰণ, ভাট, ভাতৃ্য, কৃতকৃত্য, কোষাধ্যক্ষ আদিৰ উপৰি ৰাজমাতৃসকল আৰু কুমাৰান্তঃপুৰ (ভৰত আদি কুমাৰৰ অন্তেষপুৰৰ ৰমণীসকল) যজ্ঞৰ ভূমিলৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল। আৰু তাৰ লগতে ৰামচন্দ্ৰই আদেশ কৰিলে-- 'কাঞ্চনীং মম পত্নীঞ্চ দীক্ষায়াজ্ঞাংশ্চ কৰ্মণি। অগ্ৰতো ভৰতঃ কৃত্বা গচ্ছত্বগ্ৰে মহাশয়াঃ'।। (৭।৯১।২৫) অৰ্থাৎ-- 'আৰু যজ্ঞকাৰ্যত দীক্ষিত হ'বৰ বাবে মোৰ পত্নীৰ স্বৰ্ণপ্ৰতিমা লৈ সাৱধানে মহাযশস্বী ভৰতো তালৈকে যাত্ৰা কৰক।'

শঙ্কৰদেৱৰ ৰচনাত স্বৰ্ণসীতাৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ প্ৰস্তুতি আৰু স্বৰ্ণসীতাৰ উপস্থিতিত ৰামচন্দ্ৰৰ মানসিক প্ৰতিক্ৰিয়া শঙ্কৰদেৱে অধিক বাস্তৱসন্মতৰূপত উপস্থাপন কৰিছে। যজ্ঞৰ আয়োজন দেখি কুলগুৰু বশিষ্ঠ মুনিৰ 'মিলিল পৰম চিন্তা'। ক'লে-- 'কেনে যজ্ঞ ভূমি/ প্ৰৱেশিবা তুমি / লগতে নাহিকে সীতা'// এনে বিশাল আয়োজনত এই গুৰুত্বপূৰ্ণ কথাটোলৈ কাৰো মনতে পৰা নাছিল। গুৰুপ্ৰতীম বয়োজ্যেষ্ঠসকলেহে সদায় ঘৰুৱা উৎসৱ পাৰ্বনত এনে প্ৰয়োজনীয় আৰু পালনীয় নিয়ম-নীতিৰ আঁত ধৰি যায়। এইবোৰো শঙ্কৰদেৱৰ ৰচনাত হিতাকাংক্ষী বেদনিধি বশিষ্ঠমুনিয়ে স্যকভাৱে উপায় উদ্ভাৱন কৰি ক'লে-- 'আৰে কি কৰিব/ সভাৰ্যে যজিব/ শাস্ত্ৰত এহিসে ন্যায়/ গুৰু বশিষ্ঠই শাস্ত্ৰনীতি আঁওৱালত ৰামচন্দ্ৰৰ মন বোধকৰো পুনৰ দোষী দোষী ভাৱেৰে আৰু বিচ্ছেদ বেদনাৰে দগ্ধ হ'ল। আৰু 'শুনি ৰঘুনাথ / চপৰাইলা মাথ / নপায় চিন্তি উপায়//' কিন্তু সুদক্ষ উদ্যোক্তা ভৰতে 'ৰাঘৱৰ চিত/ বুজিলা ইঙ্গিত/ ভকত ভৰত কাজি// প্ৰবন্ধি যতনে/ যোগাইলা তেখনে/ সুৱৰ্ণৰ সীতা সাজি// ভৰত ভাতৃক / প্ৰশংসিয়া ৰামে/ দৃষ্টি দিলা প্ৰতিমাত// সেই মুখ আখি/ সম্যকে জানকী/ কেৱলে নাহিকে মাত// সীতাক সুমৰি/ নিশ্বাস তেজিল/ লোতক বহন্তে আছে// বশিষ্ঠে বুজাইল/ ৰাঘৱ জুৰাইল/ কুশ হস্ত ভৈল পাছে//' পৰিস্থিতিক আৰু বাস্তৱমুখী কৰি তুলিবলৈ শঙ্কৰদেৱ অধিক সূক্ষ্ম বৰ্ণনালৈ আগবাঢ়ি গৈছে। কৈছে-- 'সীতাৰ প্ৰতিমা/ সমে যজ্ঞশালা/ প্ৰৱিশিলা ৰঘুপতি// শুভক্ষণে পাছে/ যজ্ঞ আৰম্ভিলা/ বশিষ্ঠৰ অনুমতি//' শঙ্কৰদেৱে সূক্ষ্ম দৃষ্টিৰে সমগ্ৰ পৰিস্থিতি গ্ৰহণযোগ্য আৰু বিশ্বাসযোগ্য কৰি তোলাৰ লগতে ৰামৰ চৰিত্ৰৰ এক নৈষ্ঠিক দিশ উদঘাটন কৰিছে। উত্তৰাকাণ্ড আৰু উত্তৰাকাণ্ডৰ যজ্ঞৰ বৰ্ণনাত সম্পূৰ্ণ মিল লক্ষ্য কৰা যায় যদিও ওপৰত তুলি দিয়া পদ কেইফাঁকিতে পৰিস্থিতি উপস্থাপনৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ সচেতনতাৰ বিষয়ে এক শুদ্ধ ধাৰণা পাব পাৰি।

শঙ্কৰদেৱৰ ৰচনাত পোৱা যায় যে বাল্মীকিৰ

আজ্ঞামৰ্মে লৱ আৰু কুশই ৰামায়ণ গীত গাই সকলোৰে মন মুহিলে। সেই গীতৰ বিষয়বস্তু আছিল কেৱল 'ৰাম জনমৰ পৰা ৰাৱণৰ বধ/ ৰামায়ণ শুনি সৱে নয়ন তবধ।।' এইখিনিলৈকেহে বৃত্তান্ত বৰ্ণোৱা হৈছিল। দুয়ো কুমাৰে গীতৰ কথাৰে ৰামচন্দ্ৰৰ সুদৰ্শন, সালংকৃত অৱয়বৰ বৰ্ণনা দীঘলীয়াকৈ দিছে। আন ৰচনাবোৰত কৃষ্ণৰ ৰূপ বৰ্ণনত শঙ্কৰদেৱৰ যি উৎসাহ তেনে এক উৎসাহ শঙ্কৰদেৱৰ মতে উত্তৰাকাণ্ডৰ পঁচাশী সংখ্যক পদৰ পৰা এশ সাত সংখ্যক পদলৈকে পৰিলক্ষিত হয়। যজ্ঞভূমিত সমবেত সমূহ দৰ্শক শ্ৰোতাৰ সমুখত ৰামচন্দ্ৰৰ আদেশ মৰ্মে লৱ-কুশে ৰামায়ণী গীত পৰিৱেশন কৰি গ'ল। ক্ৰমে ক্ৰমে আদিকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড আৰু লঙ্কাকাণ্ডৰ লগতে উত্তৰাকাণ্ডৰ কথাবস্তুৰ প্ৰথমাৰ্দ্ধ দুয়ো ভাতৃয়ে তাল-মান ৰাখি তন্ত্ৰীবাদ্যৰ সঙ্গত ৰাখি গাই গ'ল।

শঙ্কৰদেৱে ৰামায়ণৰ প্ৰতিটো কাণ্ডৰে কথাবস্তু সংক্ষেপে পুনৰবাৰ ৰচিছে আৰু লৱ-কুশৰ মুখত গীতৰূপে আগবঢ়াইছে। বাল্মীকিৰ ৰামায়ণত পূৰ্ব্বৱৰ্তী কাণ্ডবোৰৰ পুনৰাবৃত্তি লৱ-কুশৰ মুখত দিয়া নাই। তাত আদিকবিয়ে কেৱল কৈছে যে -- 'ত্বাংস শুশ্ৰাৱ কাকুৎস্থঃ পূবাচাৰ্যৱিনিৰ্মিতাম্/ অপূৰ্বাং পাঠ্যজাতীঞ্চ গেয়েন সমলংকৃতাম্// শ্ৰোতাগণৰ হৰ্ষবৰ্দ্ধনকাৰী বাল্মীকিৰ বিনিৰ্মিতি সমুদায় তেওঁলোকে গালে। কোৱা হৈছে-- 'আদি প্ৰভৃতি ৰৈ ৰাজন্ পঞ্চসৰ্গশতানি চ/ কাণ্ডানি ষট্‌কৃতানীহ সোত্তৰাণি মহাত্মনা// অৰ্থাৎ আদি প্ৰভৃতি (আদি, অযোধ্যা, অৰণ্য ইত্যাদি) ছয়টা কাণ্ড আৰু পাঁচশ সৰ্গ তাৰ লগতে মহাত্মা বাল্মীকিয়ে ৰচনা কৰা উত্তৰকাণ্ডও তেওঁলোকে গালে কিন্তু আদিপ্ৰভৃতি কাণ্ডৰ কথাবস্তু বাল্মীকিয়ে পুনৰ দোহৰা নাই।

উত্তৰাকাণ্ডৰ উত্তৰাৰ্দ্ধৰ কাহিনীৰ ক্ষেত্ৰত শঙ্কৰদেৱে প্ৰায় বাল্মীকিকে অনুসৰণ কৰিছে যদিও দুই এঠাইত শঙ্কৰদেৱৰ উদ্ভাৱন, সংযোজন আৰু বিয়োজনে পুৰাতন কাহিনীভাগত নতুন গতি দিছে। উদাহৰণ স্বৰূপে দুই এটা ঘটনা আলোচনা কৰিব পাৰি।

বাল্মীকিৰ ৰচনা মতে ৰামৰ যজ্ঞভূমিত দুয়ো কুমাৰে সীতাৰ নিৰ্বাসন, বাল্মীকিৰ আশ্ৰমত আশ্ৰয়, দুটি যঁজা পুত্ৰৰ জন্ম ইত্যাদি বৃত্তান্ত গীতেৰে নিবেদন কৰাৰ পিছত আৰু ৰামে লৱ-কুশৰ পৰিচয় পোৱাৰ পিছত সীতাক আনিবলৈ দূত পঠিয়াইছে আৰু বাল্মীকিক জনোৱা হৈছে- - 'যদিহে সীতা শুদ্ধাচাৰী, নিষ্পাপী, তেনেহ'লে মহামুনি বাল্মীকিৰ অনুমতি লৈ তেওঁ স্বীয় বিশুদ্ধতাৰ প্ৰমাণ দিবলৈ তৎপৰ হওক। তোমালোকে শীঘ্ৰে গৈ এই বিষয়ত মহৰ্ষি আৰু সীতাৰ মনোভাৱ জানি আহাঁগৈ (৭/৯৫/৪-৫) মূলৰ এনে কঠোৰ সিদ্ধান্ত হয়তো শঙ্কৰদেৱৰ মনঃপুত হোৱা নাছিল। সেয়ে উত্তৰাকাণ্ডত পোৱা যায় যে লৱ-কুশৰ প্ৰকৃত পৰিচয় জানি ৰাম বিচলিত হৈছে, নিজৰ কৃতকৰ্ম সুঁৱৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু বশিষ্ঠৰ পৰামৰ্শমতে সীতাক আনিবলৈ শত্ৰুঘ্ন, বিভীষণ, সুযেণ আৰু হনুমান এই চাৰিজনক আশ্ৰমলৈ পঠিয়াইছে। এই চাৰিওজনৰে লগত সীতাদেৱীৰ পূৰ্বাপৰ বাৎসল্য সম্পৰ্ক আছিল। সীতাদেৱীৰ বাবে অতি পৰিচিত তথা সন্তানতুল্য হনুমান আদিক দূতৰূপে নিৰ্বাচন কৰাত শঙ্কৰদেৱৰ সুযম বিবেচনা শক্তি ধৰা পৰিছে।

এনে এক জটিল মুহূৰ্তত সীতাৰ প্ৰতিক্ৰিয়া জানিবলৈ পাঠক উদ্‌গ্ৰীৱ হৈ থকাৰ সময়ত বাল্মীকিৰ ৰচনাত নিৰুত্তাপ, নিৰুদ্বেগ, অধোবদনা, অশ্ৰুনয়না সীতাদেৱীয়ে কৰজোৰে ৰাম নাম ধ্যান কৰি বাল্মীকিৰ পিছে পিছে আহি যজ্ঞভূমিত প্ৰৱেশ কৰিলেহি। কিন্তু শঙ্কৰদেৱৰ ৰচনাত সীতাৰ শক্তিশালী আৰু প্ৰতিক্ৰিয়াশীল ব্যক্তিত্ব প্ৰকাশ পাইছে। চাৰিও দূতে গৈ যেতিয়া সীতাৰ আগত ৰামৰ আহ্বান নিবেদন কৰিলে তেতিয়া-- 'শুনি জানকীৰ শোক অগনি জ্বলিল।' নিজৰ ভাগ্য, দুৰ্দশা, ৰামৰ স্বাৰ্থপৰতা আৰু নিষ্ঠুৰতাৰ কথা কৈ কৈ বহু পৰিতাপ কৰিলে। সীতাৰ এই প্ৰতিক্ৰিয়া শঙ্কৰদেৱে আঠাইশটা দুলড়ী পদত আগবঢ়াইছে। বাল্মীকিয়েহে সকলো শুনি সীতাক বহুত বুজাই বঢ়াই শেষত 'মোহোৰ শপত/ দিয়োক সন্মত /এৰিয়ো আত আক্ৰান্তি'// বুলি শপত দিহে ৰামৰ যজ্ঞভূমিলৈ সীতাক নিব পাৰিছিল।

বাল্মীকিৰক ৰচনাত পোৱা যায় সীতাৰ পৱিত্ৰতা আৰু বিশুদ্ধতাৰ সমৰ্থনত বাল্মীকিয়ে এক দীঘলীয়া বক্তব্য আগবঢ়াইছে তদুপৰি প্ৰাচেতসৰ দশম পুত্ৰ শ্ৰুতিধৰ বাল্মীকিয়ে আনকি এই শপতো লৈছে যে 'যদিহে মৈথিলী

কোনো প্ৰকাৰে দুশ্চৰিত্ৰা হয়, তেনেহ'লে মোৰ বহু সহস্ৰ বছৰৰ তপস্যাৰ ফল থিতাতে বিনাশ হ'ব-- 'বহুৱৰ্ষসহস্ৰাণিতপার্থো ময়া কৃতা। নোপাশ্নীয়াং ফলং তস্যা দুষ্টেয়ং যদি মৈথিলী (৭।৯৬।২০)। মূল ৰামায়ণত সীতাই ৰামৰ আহ্বানতো নিজৰ সমৰ্থনত কোনো প্ৰত্যুত্তৰ কৰা নাই। ৰাজকন্যা, ৰাজবধু সীতাদেৱীয়ে সকলো ৰাজকীয় মৰ্যাদাক সাৰথি কৰি ৰামৰ নিষ্ঠুৰতা আৰু অন্যায়ৰ বিৰুদ্ধে নীৰৱতাকে অস্ত্ৰ কৰি ল'লে। কেৱল তিনিটা বাক্যৰে সীতাই নিজৰ পৱিত্ৰতা প্ৰমাণ কৰিলে। অথচ ৰামৰ ওচৰত আত্মসমৰ্পণো নকৰিলে। কেৱল ক'লে--

'যথাহং ৰাঘৱাদন্যং মনসাপি ন চিন্তয়ে।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
মনসা কৰ্মণা ৱাচা যথা ৰাম সমৰ্চয়ে।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
য়থৈতৎ সত্যমুক্তং মে ৱেদ্মি ৰামাৎ পৰংন চ।
তথা মে মাধৱী দেৱী ৱিৱৰং দাতুমৰ্হতি।।
--৭।৯৭।১৪-১৬

শঙ্কৰদেৱৰ উত্তৰাকাণ্ডত কিন্তু ৰামচন্দ্ৰৰ অনুৰোধৰ উত্তৰতো সীতাই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছে। যজ্ঞমণ্ডপত বহু জনতাৰ সমুখত সীতাইপ দীঘলীয়া উক্তিৰে (৩৮টা পদত অৰ্থাৎ ১৫২টা চৰণত) সীতাই ব্যাকুল হৈ কান্দিছে, নিজৰ দুখ-দুৰ্গতিৰ কথা কৈছে আৰু ৰামক বিভিন্ন প্ৰকাৰে ককৰ্থনা কৰিছে। ৰামৰ আচৰণক এনেদৰেও মূল্যায়ণ কৰিছে-- 'স্বামী তপ জপ যজ্ঞ স্বামী যোগ ধ্যান/ স্বপনে সচিতে মই নিচিন্তিলো আন// তথাপি আমাত আন চিত্ত বিহৰিল/ চুমাতে কামোৰ যেন ওলগতে কিল//৩৬৪।। শেষত শপত কাঢ়ি কৈছে-- 'ৰামৰ পাৱত জানা মোৰ চিত্ত ডাঠ/ তেৱে বসুমতী মোক জাণ্টে দিয়া বাট।।

সীতাৰ পাতাল প্ৰৱেশৰ পিছৰ উত্তৰাকাণ্ডৰ সমস্ত ঘটনা ৰামায়ণৰ ক্ৰমানুসাৰে শঙ্কৰদেৱে গ্ৰহণ কৰিছে। ৰামচন্দ্ৰৰ জীৱনযাত্ৰা, ৰামৰাজ্যৰ স্থিতি আদি দুয়োজনে কবিয়ে গুৰুত্বসহকাৰে কৈ গৈছে। তথাপি ৰামায়ণৰ বিৰহী ৰামৰ গাম্ভীৰ্য শঙ্কৰদেৱে ৰক্ষা কৰিব খোজা নাই। বৰং সাধাৰণ মানুহৰ আৱেগ অনুভূতিৰে সমৃদ্ধিশালী এখন হৃদয়ৰ অধিকাৰীৰূপে ৰামচন্দ্ৰক শঙ্কৰদেৱৰ ৰচনাত পোৱা যায়। একেদৰে পৃথিৱীৰ প্ৰতি ৰামৰ ক্ৰোধ, ব্ৰহ্মাৰ প্ৰবোধ দান আদিৰ ক্ষেত্ৰত শঙ্কৰদেৱ বাল্মীকিৰ অনুগামী। ভৰতৰ গন্ধৰ্ব দেশ জয়, শত্ৰুঘ্নৰ মথুৰা জয় আদি বিষয়ত শঙ্কৰদেৱৰ যুদ্ধৰ বৰ্ণনা সকলো কাব্যিক সুষমাৰে মণ্ডিত। সেয়ে এই সমূহ বিষয় শঙ্কৰদেৱৰ ৰচনাত অধিক উপাদেয় হৈছে। তেনেদৰে কালৰ আগমন, দুৰ্বাসাৰ ভোজন আৰু বিশেষকৈ লক্ষ্মণৰ বিদায় বেলাৰ কৰুণ বিলাপ, ৰামৰ স্বৰ্গ-গমনৰ আয়োজনত আত্মীয়-স্বজন, প্ৰজাবৃন্দ আনকি পশু-পক্ষীসকলৰো মৃতকল্প অৱস্থাৰ বিষয়ে শঙ্কৰদেৱে অধিক বিস্তৃত আৰু হৃদয়স্পৰ্শীভাৱে ৰচনা কৰিছে। শেষত ৰামচন্দ্ৰৰ বিষ্ণুৰ ৰূপত প্ৰৱেশ দুয়োজন কৰিয়ে বিশ্বাস আৰু ভক্তি সহকাৰে উপস্থাপন কৰিছে।

উত্তৰকাণ্ড আৰু উত্তৰাকাণ্ডক সমান্তৰালভাৱে আলোচনা কৰি কিছুমান সিদ্ধান্তলৈ আহিব পাৰি। যেনে-- উত্তৰাকাণ্ড বাল্মীকিৰ চিন্তা আৰু কল্পনাৰ মহাকাব্যিক ৰূপ। ই বাল্মীকিৰ কবিসুলভ অনুভূতিৰ দ্বাৰা প্ৰণোদিত ৰচনা। শঙ্কৰদেৱৰ মৌলিক সংযোজন আৰু উদ্ভাৱনবোৰলৈ চাই ইয়াক অনুবাদ বোলাতকৈ অনুসৃষ্টি বোলাই সমীচীন হ'ব।

ওপৰত কৰা আলোচনাৰ পৰা এই কথাও সাব্যস্ত হয় যে উত্তৰাকাণ্ডৰ বহু বিষয়বস্তু শঙ্কৰদেৱে বৰ্জন কৰিছে। কিন্তু কোনো নতুন ঘটনা, বিষয় বা চৰিত্ৰ প্ৰক্ষেপ কৰা নাই। ৰামায়ণৰ ঘটনাৱলীৰ ক্ৰম দুবাৰ ভঙ্গ কৰিছে। ৰামকথাৰ জুমুঠিটোত আশ্ৰয় কৰি বিকাশ লাভ কৰা বহু আখ্যান, উপাখ্যান আৰু তাৰ লগত জড়িত পাৰ্শ্ব চৰিত্ৰসমূহো বৰ্জন কৰিছে।

শঙ্কৰদেৱৰ ৰচনাত নাটকীয়তা আছে। বহু ঘটনা সংলাপত সজোৱা হৈছে। তপোবনৰ প্ৰান্তত, যজ্ঞভূমিত, ৰামৰ আহ্বানত মানসিক স্থিতি বাল্মীকিয়ে নিজৰ ভাষাৰে কৈছে কিন্তু শঙ্কৰদেৱৰ সীতাই ব্যাকুল হৈ নিজৰ দুৰ্দশা, দুৰ্ভাগ্য, আশংকা, ক্ষোভ, অভিমান, খং আদি শক্তিশালী বাষাৰে কৈ গৈছে। কোনো কোনো উক্তি অতি তীক্ষ্ণও হৈছে।

উত্তৰকাণ্ড বাল্মীকিয়ে ৰাজতন্ত্ৰৰ পটভূমিত ৰচনা কৰিছে বাবে চৰিত্ৰবোৰৰ স্বভাৱসুলভ গাম্ভীৰ্য আৰু মৰ্যাদা ৰক্ষা কৰিবলগীয়া হৈছে। ফলত বাল্মীকিয়ে খং-ৰাগ, আনন্দ-বিষাদ আদি অনুভূতিক কম কথাতে ৰূপায়ণ

কৰিবলগীয়া হৈছে। বোধকৰোঁ তেনে পৰিমিতিবোধ কৰি বাল্মীকিৰ বৈশিষ্ট্য। তথাপি চৰিত্ৰবোৰৰ মানসিক প্ৰতিক্ৰিয়া ৰূপায়ণত বাল্মীকি সফল হৈছে। আনহাতে উত্তৰাকাণ্ড শঙ্কৰদেৱে ৰাম আৰু সীতাক নিচেই সৰলমনা, আৱেগপ্ৰৱণ, অনুভূতিশীল মানুহৰূপে চিত্ৰিত কৰিছে। আৱেগ-অনুভূতিৰ নিৰ্বাধ ৰূপায়ণ হোৱাৰ বাবেও শঙ্কৰদেৱৰ ৰচনাত নাটকীয়তা আহি পৰিছে।

তদুপৰি উত্তৰাকাণ্ডৰ সমগ্ৰ পাঠাংশ পঢ়ি যাওঁতে কথক শঙ্কৰদেৱৰ উপস্থিতি বাৰে বাৰে অনুভূত হয়। ঘটনাক্ৰমত শঙ্কৰদেৱৰ স্বকীয় উক্তিয়েও উত্তৰাকাণ্ডলৈ নাটকীয় গুণ আনি দিছে। এক বিশেষ কথন ভঙ্গীৰে বিষয়ৰ পৰা বিষয়ান্তৰলৈ কথন শঙ্কৰদেৱ আগবাঢ়িছে, যেনে-- ‘লৱ কুশৰ কথা এহিমানে থওঁ/ ৰামৰ তথাত যেন কাৰ্য তাক কওঁ (৪০, খ-ঘ)। ইটো কথা থাকোক সম্প্ৰতি এহিমতে/ শুনা ৰামে অশ্বমেধ যজিলা যিমতে (৪৪, গ-ঘ), ‘অযোধ্যাকাণ্ডৰ কথা থৈলা এহিমানে / অৰণ্যকাণ্ডক গাইবে লৈলা তালে মানে (৪৫ ক-খ), ‘এহিমানে থৈলো ৰাম-অগস্তি সংবাদ’ (২২৩ঘ) ইত্যাদি। বিবৃত কাহিনীভাগৰ পাছফালে শঙ্কৰদেৱৰ উপস্থিতি এইবোৰে বাৰে বাৰে পাঠকক সঁকিয়াই যায়। এনে কথনভঙ্গীত ওজাপালিৰ কথকতাৰ ৰীতি লক্ষ্য কৰা যায়। বাল্মীকিয়ে কিন্তু সমস্ত কথাভাগ তৃতীয় পুৰুষত বিৱৰি গৈছে। কেৱল বিভিন্ন চৰিত্ৰৰ কথোপকথনেৰে উপৰুৱা আখ্যানবোৰ আগবঢ়াইছে।

তদুপৰিৰ বাল্মীকিৰ উত্তৰাকাণ্ড সৰ্গত বিভক্ত। গতিকে বুজিব পাৰি ইয়াক শ্ৰব্য আৰু পাঠ্যৰূপে প্ৰস্তুত কৰাই বাল্মীকিৰ উদ্দেশ্য আছিল। কিন্তু শঙ্কৰদেৱে ৰুক্মিণীহৰণ বা হৰিশ্চন্দ্ৰ উপাখ্যানৰ দৰে উত্তৰাকাণ্ডতো বিষয়-বিভাগ নকৰাকৈ ধাৰাবাহিকভাৱে কৈ গৈছে। তদুপৰি ওজাপালিৰ কথকতাও উপস্থাপনত ৰক্ষা কৰি গৈছে। বুজা যায় উত্তৰাকাণ্ডক কেৱল শ্ৰব্য কাব্যৰূপেহে শঙ্কৰদেৱে পৰিকল্পনা কৰিছিল।

ৰামায়ণৰ আদিকাণ্ডৰ পঞ্চদশৰ পৰা অষ্টাদশ সৰ্গৰ ভিতৰত ৰাৱণ বধৰ বাবে দেৱতাসকলৰ উপায় উদ্ভাৱন আৰু বিষ্ণুক দশৰথৰ পুত্ৰৰূপে জন্ম ল’বলৈ ব্ৰহ্মাৰ প্ৰাৰ্থনা ইত্যাদি আখ্যানত ৰামৰ দেৱত্ব সাব্যস্ত কৰা হৈছে যদিও মাজৰ পাঁচটা কাণ্ডত বাল্মীকিয়ে ৰামৰ চৰিত্ৰৰ এই দিশটোত আলোকপাত কৰিবলৈ মুঠেই যত্ন কৰা নাই উত্তৰাকাণ্ডৰ অন্তিম সৰ্গসমূহত কালৰ আগমন, ৰামৰ সৈতে সাক্ষাৎ, ৰামৰ স্বৰ্গাৰোহণ আদিত ৰামৰ বিষ্ণুৰ পূৰ্ণৰূপ বা অৱতাৰৰূপে প্ৰতিষ্ঠা কৰা হৈছে। অন্যথা উত্তৰাকাণ্ডৰ সমগ্ৰ কথাবস্তুত ৰামচন্দ্ৰক এক কুল পৰম্পৰাৰ ৰক্ষক, কৰ্তব্যশীল, অথচ সহিষ্ণু আৰু নৈষ্ঠিক পতি আৰু গম্ভীৰ আৰু মৰ্যাদাসম্পন্ন শাসকৰূপে লগ পোৱা যায়। কিন্তু শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ আৰম্ভণিৰ পাঁচটা পদতে ৰামৰ দেৱত্ব আৰু মাহাত্ম্য ঘোষণা কৰি লোৱা হৈছে আৰু সমগ্ৰ কাণ্ডটিত বাৰে বাৰে তাক সোঁৱৰাই যোৱা হৈছে, যেনে-- ‘নমো নমো ৰঘুবংশ/ তিলক বিষ্ণুৰ অংশ / শ্ৰীৰামচন্দ্ৰ সীতাপতি//’ ‘নমো নমো ৰঘুকুল তিলক কেশৱ’ বুলি কেশৱক বা বিষ্ণুক ৰাঘৱ ৰামৰ লগত সমানাধিকৰণ কৰা হৈছে। শ্ৰীৰামৰ স্বৰ্গগমন বৃত্তান্তত দীঘলীয়াকৈ ৰামৰ ঈশ্বৰত্ব স্বীকাৰ কৰা হৈছে। আনকি ৰচনাৰ অনেক ঠাইত সীতাৰো দেৱত্ব স্বীকাৰ কৰি কোৱা হৈছে-- ‘জগতৰ প্ৰভু ৰামদেৱৰ ঘৰিণী/ যাক আচল লৱৈ অলেখ্য সেৱকিনী (২৮৫ক, খ), ‘জগত ঈশ্বৰী ৰাঘৱৰ পটেশ্বৰী (২৮৮ক), ‘অমৃত মথন্তে যেন লক্ষ্মী উপজিলা/ বিষ্ণুক বৰিবে পিতৃ সহিতে লৰিলা//(৩৩৬ক, খ) ইত্যাদি। এনেদৰে শঙ্কৰদেৱৰ উত্তৰাকাণ্ড ৰচনাৰ উদ্দেশ্য যে ৰাম অৱতাৰত বিষ্ণু মাহাত্ম্য প্ৰচাৰহে আছিল সি স্পষ্ট হৈ পৰিছে। শঙ্কৰদেৱৰ স্বকীয় আৰু কবিসুলভ প্ৰতিভাৰ প্ৰভাৱত এই ৰচনা উপাদেয় উপভোগ্য আৰু ৰসিক-চিত্ত-বিমোহক হৈ পৰিছে।

এনেদৰে শঙ্কৰদেৱৰ বিশালায়তন সাহিত্যৰাজিত ৰামকথা বাৰে বাৰে বিবৃত হৈছে। পদৰূপে, নাটৰূপে, কীৰ্তনৰূপে, অনুবাদৰূপে বা উপদেশৰূপে ৰামকথা উপস্থাপন কৰাত শঙ্কৰদেৱৰ উৎসাহ আৰু উদ্যম পৰিলক্ষিত হয়। ভাগৱত পুৰাণক প্ৰাধিকাৰী উৎস ৰূপে লৈ আৰু বাল্মীকিৰ ৰামায়ণৰ মান্যতা স্বীকাৰ কৰি লৈ মধ্যযুগৰ ভাৰতভূমিৰ ধৰ্মীয় আদৰ্শ শঙ্কৰদেৱে নিজৰ সৃষ্টিৰাজিতো সংৰক্ষণ কৰি গৈছে। সেয়েহে তদান্তীন্তন ভাৰতীয় আধ্যাত্মিক স্পন্দন শঙ্কৰদেৱৰ ৰচনাতো প্ৰতিধ্বনিত হৈছে।■ *(পুনৰ মুদ্ৰিত)*

# ৰামায়ণ কেন্দ্ৰীক অসমীয়া কাব্য

শ্ৰীদীপক কুমাৰ বৰা

আদিকবি বাল্মীকিৰ ৰামায়ণে যুগে যগে ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু সাহিত্যত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। পৃথিৱীৰ আন কোনো গ্ৰন্থই কোনো সভ্যতাৰ ইতিহাসতে ৰামায়ণৰ দৰে এনে বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাই। Winternitz ৰ মতে ক'ব পাৰি-- 'It has become the property of the whole Indian people and as scarcely any other poem in the entire literature of the world has influenced the thought and poetry of a great nation for countries.' ৰামায়ণৰ প্ৰভাৱ তথা জনপ্ৰিয়তা ভাৰতৰ বাহিৰেও চীনদেশ, ইণ্ডোনেচীয়া, ময়দ্বীপ, বালিদ্বীপ আদিতো পৰিদৃশ্যমান। সাধাৰণতে ৰামায়ণ হিন্দুৰ ধৰ্মগ্ৰন্থ বুলি পৰিচিত হ'লেও অতীজৰে পৰা ইয়াৰ বিষয়বস্তুৱে লোক সমাজত ধৰ্ম নিৰপেক্ষ স্থানহে দখল কৰি আহিছিল। ইয়াৰ প্ৰমাণ স্বৰূপে বৌদ্ধ আৰু জৈন সাহিত্যত থকা ৰাম কথালৈ আঙুলিয়াব পাৰি। মুঠতে ৰামায়ণে ভাৰতীয় সভ্যতা সংস্কৃতি, জীৱনবোধ, দৰ্শন আৰু চিন্তাৰ অভিব্যক্তি প্ৰকাশ কৰি আহিছে। ক'ব পাৰি ৰামায়ণে বৈচিত্ৰ্যৰ মাজত ঐক্য সাধন কৰিছে। ধৰ্মৰ বাহিৰেও কলা সংস্কৃতি, বিশেষকৈ চিত্ৰকলা, স্থাপত্য-ভাস্কৰ্য আদি সকলোতে ৰামায়ণ অফুৰন্ত প্ৰেৰণাৰ উৎস। এই প্ৰেৰণাৰ বাবেই বাল্মীকি ৰামায়ণৰ পিছত কেৱল সংস্কৃততেই যোগবশিষ্ঠ, অধ্যাত্ম, অদ্ভুত, আনন্দ, তত্ত্ব সংগ্ৰহ, ভুশুণ্ডি, অগ্নিবেশ্য, সপ্তৰ্ষি, মন্ত্ৰ, বেদান্ত আদি নামেৰে অনেক ৰামায়ণ ৰচিত হয়। আনহাতে প্ৰান্তীয় ভাষাৰ অনুদিত ৰামায়ণ সমূহ আছেই। তদুপৰি অষ্টাদশ পুৰাণৰো সৰহখিনিতে ৰামকথাৰ উল্লেখ আছে। গতিকে বুজা যায় কালজয়ী মহাকাব্যখনৰ বুকুতেই যেন ভাৰতীয় মহাজীৱন সোমাই আছে। মহাকাব্যত উল্লিখিত আমাৰ প্ৰাগ্‌জ্যোতিষপুৰ বা লৌহিত্য দেশো এনে মহিমামণ্ডিত প্ৰভাৱৰে অতীজৰে পৰাই বিটোৈত।

ৰামায়ণ ৰসৰ ভাণ্ডাৰ। ৰসৰ এনে প্ৰাচুৰ্যৰ বাবে মূল ৰামায়ণতেই ইয়াক কাব্য, গীত, আখ্যান, ইতিহাস আদি বোলা হৈছে। অসমীয়া সাহিত্যতো স্ৰোতস্বিনী ৰসৰ ধাৰা লোক সাহিত্য, পদানুবাদ, গীতি সাহিত্য, কাব্য, নাটক, প্ৰসঙ্গীয়া (কীৰ্তনীয়া), কথাবন্ধ আৰু আধুনিক সাহিত্যত ৰামায়ণ এই আঠটা ধাৰাৰে প্ৰৱাহিত। তদুপৰি এই ধাৰাসমূহ প্ৰতিটোৱেই ঐশ্বৰ্যশালী।

যি নহওক, আমি এতিয়া অসমীয়া ৰামায়ণী সাহিত্যৰ উপৰোক্ত ধাৰা কেইটাৰ ভিতৰতে অনুপম কাব্যধাৰাটোৰ বিষয়েহে আলোচনা দাঙি ধৰিছো। অসমীয়া সাহিত্যত যিহেতু প্ৰাক্‌শঙ্কৰ যুগৰ পৰা আধুনিক যুগলৈকে ৰামায়ণী কাব্য ৰচিত হৈছে, সেয়ে আলোচনাৰ সুবিধাৰ বাবে সাহিত্যৰ যুগানুসৰি বিষয়বস্তু সজাই ল'বলৈ চেষ্টা কৰা হৈছে। অৰ্থাৎ ৰামায়ণী কাব্যই প্ৰাক্‌শঙ্কৰ, শঙ্কৰ, শঙ্কৰোত্তৰ আৰু আধুনিক এই চাৰিটা যুগেৰে বাট বুলিছে। অৱশ্যে প্ৰাক্‌শঙ্কৰ যুগৰ পৰা শঙ্কৰোত্তৰ যুগলৈ এই সময়ছোৱাক (খ্ৰীঃ ১৩০০-১৮২৬/৩০) অসমীয়া সাহিত্যত বহলকৈ মধ্যযুগ বুলিও কোৱা হয়। গতিকে সামগ্ৰিকভাৱে ইয়াক আমি মধ্যযুগ আৰু আধুনিক যুগ বুলি দুটা ভাগতো ভগাব পাৰো।

এতিয়া মূল বিষয়লৈ আহিলে প্ৰথমে আমাৰ চকুত পৰে প্ৰাক্‌শঙ্কৰ কবি হৰিবৰ (হৰ) বিপ্ৰৰ 'লৱ-কুশৰ যুদ্ধ' কাব্যখনত। কাব্যখনৰ কাহিনী অৱশ্যে বাল্মীকিতকৈ জৈমিনিৰ মহাভাৰতৰহে কাষ চপা। জৈমিনি ভাৰতৰ ২৫-৩৬ অধ্যায়লৈকে সীতাৰ বনবাস, লৱ-কুশৰ জন্ম, ৰামৰ অশ্বমেধ যজ্ঞ, লৱ-কুশৰ সতে যুদ্ধত ৰামচন্দ্ৰকে ধৰি সমস্ত সৈন্যৰ মৃত্যু, সীতাৰ অনুৰোধত বাল্মীকিৰ ৰামাদিক প্ৰাণদান আৰু বাল্মীকিৰ মধ্যস্থতাত ৰাম-সীতাৰ পুনৰ মিলনৰ কথা আছে। অৱশ্যে বিপ্ৰৰ কাব্যখনত ৰামৰ যজ্ঞ, লৱ-কুশৰ ৰামায়ণ গান, সীতাৰ পাতাল প্ৰৱেশ আদিবোৰ কথা নাই। তেওঁ মূলৰ শ্লোকসমূহ বঢ়া-টুটা কৰি ৬০০টা

মান পদত কাব্যখন ৰচনা কৰিছে। কবিয়ে য'তেই সুৰঙা পাইছে তাতেই স্থানীয় পৰিৱেশ অঙ্কন কৰি গৈছে। বিশেষকৈ ৰাম-সীতাৰ পুংসৱন, উপবন, যুদ্ধত কথাৰ কটাকটি, নাৰীৰ বিলাপ, বিননি আদি অতি চিত্তাকৰ্ষক। অন্যহাতে ঘৰুৱা চিত্ৰৰে একোটা পৰিৱেশ দাঙি ধৰাত কবিয়ে অসামান্য প্ৰতিভা দেখুৱাইছে। মুঠতে প্ৰথম ৰামায়ণী কাব্যখনতে কবি প্ৰতিভাৰ সুন্দৰ নিদৰ্শন বিদ্যমান।

ইয়াৰ পিছৰ শঙ্কৰ যুগত শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ হাতত পদানুবাদ বা নাটৰ বাহিৰে কাব্য ৰচিত হোৱা নাই। শঙ্কৰদেৱৰ নিকট সান্নিধ্য লাভ কৰা অনন্ত কন্দলীয়ে ৰামায়ণৰ পদ কৰাৰ উপৰিও 'মহীৰাৱণ বধ' বা 'মৈৰাৱণ বধ' নামৰ কাব্য এখনো ৰচনা কৰে। কাব্যৰ কথাবস্তু বাল্মীকিৰ নহয়, পৰৱৰ্তী আনন্দ ৰামায়ণৰহে। মূলত থকা মতে মহীৰাৱণ আৰু অহীৰাৱণ ৰাৱণৰ বন্ধু। কিন্তু অসমীয়া কাব্যত এওঁলোক ৰাৱণৰ পুত্ৰ। মহীৰাৱণে ৰাম-লক্ষ্মণক মায়াৰে পাতালপুৰীলৈ নিব বুলি জানিব পাৰি জাম্বুবানে হনুমানক লঙ্কালৈ পঠায়। হনুমানে সুবেল পৰ্বতত থকা ৰামাদিক এই কথা জনাই যদিও ৰাক্ষসে নিদ্ৰাবান মাৰি সকলোকে অচেতন কৰে আৰু ৰাম-লক্ষ্মণক পাতাললৈ নি বেতালচণ্ডীৰ আগত বলি দিয়াৰ ব্যৱস্থা কৰে। ইপিনে ৰাম-লক্ষ্মণক বিচাৰি হনুমানে সাগৰৰ পাৰত এটা মাছৰোকা চৰাই লগ পায় আৰু চৰাইটোয়ে সুদৰ্শন পুৰুষ দুজনক ৰাক্ষসে পাতাললৈ হৰি নিয়াৰ কথা কয়। তেতিয়া হনুমানে মাখিৰূপে চৰাইটোৰ পিঠিত উঠি পাতাল পায়গৈ। পাতালত বামুণৰ বেশ ধৰি হনুমানে মালিনীৰ সহায়ত বেতাল চণ্ডীৰ মন্দিৰ পায় আৰু দেৱীক ৰাম-লক্ষ্মণক মুক্তি দিবলৈ অনেক কাতৰ কৰে। দেৱীয়ে হনুমানৰ কথাত সন্মত নোহোৱাত পৰম শক্তিয়ে বধ কৰি নিজে দেৱীৰূপ লয় আৰু ৰাম-লক্ষ্মণক আনি তুৰন্তে বলি দিবলৈ নিৰ্দেশ দিয়ে। ইপিনে হনুয়ে মাখিৰূপে ৰাম-লক্ষ্মণক কাণে কাণে দেৱীক অষ্টাঙ্গ প্ৰণাম কৰিবলৈ শিকায় দিবলৈ মহীৰাৱণক ক'বলৈ কয়। তেতিয়া মহীৰাৱণে খাণ্ডা লৈ প্ৰণামৰ দিহা শিকাবলৈ লওঁতেই হনুমানে নিজৰূপলৈ খাণ্ডাৰে মহীৰাৱণক কাটি ৰাম-লক্ষ্মণক লৈ ওলাই আহে। স্বামীৰ মৃত্যু শুনি পত্নীয়ে খেদি আহে। হনুমানে তাইৰ পেটত গোৰ মৰাত গৰ্ভাসুৰৰ জন্ম হয়। জন্মিয়েই যুদ্ধ কৰিবলৈ লোৱা গৰ্ভাসুৰৰ বিক্ৰমত হনু বিবুধি হয়। অৱশ্যে ৰামৰ বুদ্ধিত তাক আধামৰা কৰে। ৰামে প্ৰাণে নামাৰিবলৈ হাক দি ভৱিষ্যতে পৃথিৱীত কুকুৰা চৰাইহে 'লঙ্কাপুৰ ক'ত' বুলি ডাক দিবলৈ বৰ দিয়ে। যুদ্ধৰ শেষত পনৰ মাছৰোকা চৰাইটোৰ সহায়ত ৰাম-লক্ষ্মণক লৈ হনুমান লঙ্কালৈ ঘূৰি আহে।

এইদৰে কাব্যখনত অলৌকিকতা, বিস্ময় আৰু অতিকল্পনাৰ মাজেদি কবিয়ে ৰামচন্দ্ৰৰ মহাত্ম্য প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। কাব্যখন এক অৰ্থত বিনোদনধৰ্মীও।

অনন্ত কন্দলীৰ পিছত এই একে সময়ৰে আনজন বিদগ্ধ তথা মহাভাৰতীয় কবি ৰাম সৰস্বতীৰ কাব্যখন হৈছে 'লক্ষ্মণৰ শক্তিশেল'। পুথিখন 'ভীম চৰিত'ৰ দৰে জনপ্ৰিয়। ৰাৱণৰ পুত্ৰ ইন্দ্ৰজিতক লক্ষ্মণে বধ কৰাৰ পিছত ৰাৱণৰ ভয়ানক শক্তিশেলত লক্ষ্মণ মৃতপ্ৰায় হয়। তেতিয়া জাম্বৱন্তৰ কথামতে লক্ষ্মণক ৰক্ষা কৰিবলৈ হনুমানে গন্ধমাদন পৰ্বতৰ পৰা বিশল্যকৰণী আনিবলৈ যায়। ৰাতিৰ ভিতৰতে ঔষধ আহি নাপালে লক্ষ্মণক বচোৱা টান হ'ব। ৰাৱণে এই কথা জানিব পাৰি মহাকাল বা কালনেমি আৰু আন এটা ৰাক্ষসক ধন্বন্তৰি ৰূপে হনুমন্তক বধ কৰিবলৈ পৰ্বতলৈ পঠায়। ধন্বন্তৰিয়ে হনুমানক ঔষধীৰ অন্বেষণত অনেক বিধিপথালি দিয়ে। শেষত হনুয়ে ঔষধ থকা পৰ্বতৰ টিংটোকে ভাঙি আনে। পৰ্বতটো লৈ আহোঁতে অযোধ্যাত ছাঁয়া পৰাত ৰাক্ষসৰ মায়া বুলি ভৰতে বাধা দিয়ে যদিও হনুমানৰ পৰা সকলো কথা জানিব পাৰি বাট এৰি দিয়ে। ইপিনে বৈদ্যৰূপী ৰাক্ষসে ছল কৰি ৰাতি পুৱাবলৈ অযথা পলম কৰে আৰু ঔষধ তৈয়াৰৰ বাবে শিৱৰ বৃষভৰ গোবৰ, পঞ্চবৰণীয়া পটা, পাতালী গঙ্গাৰ পানী আদি অনোৱাই শেষত স্নান কৰিবলৈ সাগৰলৈ যায়। তাতো অনাহক পলম কৰাত হনুমানৰ ধৈৰ্যচ্যুতি ঘটে আৰু নেজেৰে পাক মাৰি চৈধ্যভুৱন দেখুৱায়। তেহে ঔষধ প্ৰস্তুত কৰি লক্ষ্মণক জীয়াই তোলে। এইদৰে কাব্য কাহিনীত থকা ধন্বন্তৰিৰ কথাখিনি কবিৰ নিজা। বাকীখিনিৰ মূল লঙ্কাকাণ্ড। ভৰতে হনুমানক বাটভেটাৰ কথা মাধৱ কন্দলীৰ ৰচনাত নাই। উড়ীয়া ৰামায়ণ, গৌড়ীয় আৰু আনন্দ ৰামায়ণতহে এই কথা পোৱা যায়। কাব্যখনৰ ভাষা সহজ সৰল আৰু হাস্যৰসাত্মক। মাজে মাজে অদ্ভুত আৰু হাস্যৰসৰো প্ৰাধান্য আছে।

শঙ্কৰোত্তৰ যুগত যি কেইগৰাকী কবিয়ে ৰামায়ণী

কাব্য ৰচনা কৰে তাৰ ভিতৰত প্ৰথমে ৰঘুনাথ মহন্তৰ নাম ল'ব পাৰি। মহন্তৰ 'কথা ৰামায়ণ'ৰ উপৰি 'শত্ৰুঞ্জয়' আৰু 'অদ্ভুত ৰামায়ণ' এই দুখনি সুকীয়া ৰামায়ণী কাব্য। 'শত্ৰুঞ্জয়' কবিৰ প্ৰথম আৰু ২১৩০টা পদৰ এক বৃহৎ কাব্য। বাল্মীকি আৰু ভৰদ্বাজৰ কথোপকথনেৰে ৰচিত হোৱা কাব্যখনৰ কথা মূলৰ লগত নিমিলা। ইয়াত ৰাৱণাদিক বধিবলৈ বিষ্ণুৱ ৰামৰূপে অৱতাৰ আৰু দেৱতাসকলৰ ভালুক বানৰ ৰূপে জন্মগ্ৰহণ, বায়ুদেৱতাৰ লগত মেৰুৰ যুদ্ধ আৰু মেৰুশৃঙ্গৰ পৰা লঙ্কাৰ উৎপত্তি, কুবেৰক খেদি ৰাৱণৰ লঙ্কা দখল, মহনুমানৰ জন্ম বৃত্তান্ত, বালীৰ দিগ্বিজয়ৰ কথা আদি বিস্তাৰিতভাৱে বৰ্ণিত হৈছে। কাব্যখনত বালীৰ সহযোগীৰূপে নৰকাসুৰৰ কথাও উল্লেখ আছে। কথাটো মনকৰিবলগীয়া। কাব্যখনত ৰাম নামৰ মহিমাৰ লগতে অতিকাল্পনিক ঘটনাৰ সংযোগ ঘটিছে যদিও নৈতিক আৰু তাত্ত্বিক কথা সুন্দৰ। ৰামকথাৰ লগত আনকি পঞ্চতন্ত্ৰ, হিতোপদেশ, চানক্যশ্লোক আদিৰ কথাও লগলগাইছে। কবিৰ মতে 'নানা শাস্ত্ৰ হন্তে আনি কৰিলো বেকত।' ভক্তিতত্ত্বৰ লগতে বীৰ, ৰৌদ্ৰ, অদ্ভুত ৰসৰ সমাহাৰে কাব্যখনক ব্যপ্তি দান কৰিছে।

কবিৰ দ্বিতীয় কাব্য 'অদ্ভুত ৰামায়ণ' সংস্কৃত অদ্ভুত ৰামায়ণৰ লগত অমিল। কাব্যখনৰ কথা মতে সীতা পাতাল প্ৰৱেশৰ পিছত পুত্ৰদ্বয়ৰ দুখত অতিকে ম্ৰিয়মান হয়। তেওঁ বাসুকী নাগক পঠাই লৱ-কুশক পাতাললৈ নিয়ে। হনুমন্তে এই কথা জানিব পাৰি যোগবলেৰে দুয়োকে উদ্ধাৰ কৰি আনে। কবিয়ে এঠাইতে 'মাৰ্কণ্ডেয় ঋষি যুধিষ্ঠিৰ আগে কৈল' বুলি কোৱাৰ পৰা ইয়াৰ কথাবস্তু মহাভাৰতৰ বনপৰ্ব যেন লাগে। বনপৰ্বত জয়দ্ৰথে দ্ৰৌপদীক হৰণ কৰি নিয়াত যুধিষ্ঠিৰক শান্তনা দিবলৈ মাৰ্কণ্ডেয়ই ৰাম কথা কৈছিল। কবিৰ আগৰ কাব্যখনৰ দৰে ইয়াতো হনুমানৰ বীৰত্ব আৰু ৰাম ভক্তি প্ৰকাশ পাইছে।

ৰঘুনাথ মহন্তৰ পিছত অদ্ভুত আচাৰ্যৰ 'শতস্কন্ধ ৰাৱণ বধ' কাব্যখনৰ কথা ক'ব পাৰি। ইয়াৰ মূল অদ্ভুত ৰামায়ণ। অদ্ভুত আচাৰ্য বোধহয় কবিৰ আচল নাম নহয়, প্ৰচাৰৰ কামনাৰে কাব্যৰ নামেৰে নিজৰো পৰিচয় দাঙি ধৰিছে। কাব্য কাহিনী মতে বনবাসৰ অন্তত অযোধ্যালৈ ঘূৰি আহি পাটত বহাৰ পিছত ৰামে সীতাক পূৰ্বৰ বীৰত্ব ব্যঞ্জক কথাবোৰ ক'বলৈ ধৰে। সীতা এনে কথাবোৰ শুনিও বৰকৈ গুৰুত্ব নিদি সিংহল আশ্ৰমত থকা শতস্কন্ধ বীৰৰ কথা কয়। তাৰ সকলোবোৰ বীৰেই অনেক হস্ত আৰু মুণ্ডযুক্ত। ৰজা মহামায়াৰ সেৱক। বীৰসকলে সীতাৰ কথামতে ৰামে শতস্কন্ধৰ লগত যুদ্ধ কৰিবলৈ অহা শুনি হাঁহিবলৈ ধৰে। অৱধাৰিত যুদ্ধত শতস্কন্ধৰ হাতত ৰাম-লক্ষ্মণৰ মৃত্যু হোৱাত সীতাদেৱীয়ে মহাকালী ৰূপ ধৰি শতস্কন্ধ আৰু আন ৰাক্ষসবোৰক দমন কৰে। শতস্কন্ধৰ কটা মূৰেৰে দেৱীয়ে মালা পিন্ধি অমৃত দৃষ্টিৰে ৰাম-লক্ষ্মণাদিক জীয়াই তোলে। এয়ে কাব্য কথা। কাব্যখন শাক্তপ্ৰধান ৰচনা যেন লাগে যদিও বৈষ্ণৱ ভাৱাদৰ্শৰ কথাও অনেক আছে। ই ধৰ্মীয় সমন্বয়ৰ কথা কয়।

এই সময়ৰ আন এজন কবি হ'ল দ্বিজ পঞ্চানন। তেওঁৰ 'পাতালী কাণ্ড ৰামায়ণ'ৰ বিষয়বস্তু ৰঘুনাথ মহন্তৰ অদ্ভুত ৰামায়ণৰ দৰেই। অৱশ্যে ৰঘুনাথ মহন্তৰ লগত কবিৰ কিছু পাৰ্থক্য আছে। ইয়াত পাতালৰ দেৱী বসুমতীহে সীতা নহয়। সেইদৰে বাসুকীয়ে লৱ-কুশক হৰণ কৰাৰ পৰিৱৰ্তে কাঞ্চকুট নাগেহে হৰণ কৰি নিছে ইত্যাদি। ইয়াত কবিয়ে বিদগ্ধ লেছাৰি আৰু খণ্ড লেছাৰি বুলি দুটা নতুন ছন্দ্ৰ প্ৰয়োগ কৰিছে। কাব্যৰ ভাষা অৱশ্যে কিছু পৰিমাণে আধুনিকতাৰ কাষ চপা।

'গণক চৰিত' বা 'মন্দোদৰীৰ মণি হৰণ' নামৰ সৰু কাব্যখনৰ কবি ধনঞ্জয়। ৰাৱণে মায়া ৰাম লক্ষ্মণ সৃষ্টি কৰি গণকবেশে সীতাৰ কাষলৈ যায় আৰু পত্নীৰূপে পাবৰ বাবে চেষ্টা চলায়। অৱশ্যে হনুমানৰ দ্বাৰা ৰাৱণৰ এই কাৰ্য ব্যৰ্থ হয়। কাব্যখনৰ এই কথা বাল্মীকি বা অন্য ৰামায়ণত নাই। হনুমানে গণক বেশ লোৱাৰ কথা কৃত্তিবাসত আছে যদিও ৰাৱণে গণক বেশ ধৰাৰ কথা পোৱা নাযায়। বাল্মীকিত স্বয়ং ৰাৱণেই অশোক বনত সীতাক প্ৰলোভন দেখুৱাৰ কথা আছে। কিন্তু হনুমান আৰু স্বয়ং মন্দোদৰীৰ চেষ্টাত সীতা ৰক্ষা পৰে। কাব্যখনত হনুমানৰ অনেক কাৰ্য কুশলতা, বিশেষকৈ ভোমোৰা, সোণৰ মেকুৰী আদি হৈ মন্দোদৰীৰ মণি হৰণ কৰি অনা ৰোমাঞ্চকৰ কথা আছে। সেইদৰে সীতাৰ যোগেদি সতীত্বৰ মহিমা প্ৰকাশ হৈছে। কাব্যখনত ভক্তিৰসৰ গভীৰতা কিছু কম যদিও হাস্য বিস্ময় আদি ৰসে সুন্দৰকৈ প্ৰকাশ লাভ কৰিছে।

ভৱদেৱ বিপ্ৰৰ 'নাগাক্ষ যুদ্ধ' নামৰ কাব্যখনৰ

কাহিনীও মূলানুগ নহয়। ইয়াৰ কাহিনী ৰামচন্দ্ৰ অযোধ্যাত ৰজা হোৱাৰ পিছৰছোৱা। কাব্যত প্ৰথমে বীৰ কেশৰী আৰু অঞ্জনাৰ কথা আছে। অঞ্জনা আৰু বায়ুদেৱতাৰ মিলনৰ ফলত হনুমানৰ জন্ম হয়। জন্মিয়েই হনুয়ে সূৰ্য আৰু ৰাহুক খোৱা বস্তু বুলি খাবলৈ যোৱা, দেৱৰাজৰ আঘাতত মৃতপ্ৰায় অৱস্থা হোৱা, পুত্ৰৰ দুখত বায়ুদেৱতাৰ জগতত বায়ু নিৰোধন আৰু দেৱতাসকলে হনুমানক শক্তি প্ৰদান কৰা আদিবোৰ কথাৰ বৰ্ণনা আছে। ইয়াৰ পিছত ৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞৰ কথা কোৱা হৈছে। বশিষ্ঠমুনিয়ে ৰামক লঙ্কাৰ পৰা অনেক দূৰৰ নাগাক্ষপুৰীত থকা এটা সৰ্ব সুলক্ষণযুক্ত ঘোঁৰা আনি যজ্ঞ কৰিবলৈ কয়। ৰামচন্দ্ৰই হনুমান আৰু লক্ষ্মণক ঘোঁৰা অনাৰ দায়িত্ব দিয়াত তেওঁলোক সেই ঠাই পায়। তাৰ মানুহবোৰ অৰ্ধ মানুহহে। অৰ্থাৎ এছোৱা মানুহ, এছোৱা সাপৰ দৰে। তেওঁলোকে ঘোঁৰাটো খোজাত নাগক্ষই দিবলৈ অমান্তি হয় আৰু যুদ্ধ ঘোষণা কৰে। যুদ্ধত নাগাক্ষৰ সেনাক কোনোমতে পৰাস্ত কৰিব নোৱাৰি হনুমানে উক্ত দ্বীপটোকে সাগৰলৈ নিক্ষেপ কৰিব খোজাত নাগাক্ষই বশ্যতা স্বীকাৰ কৰি ঘোঁৰাটো দি দিয়ে আৰু যথাৰীতি যজ্ঞ সমাপন কৰা হয়। কাব্যখনৰ এই খণ্ডৰ কথাৰ গুৰি ক'তো পোৱা নাযায়। এয়া কবিৰ নিজা সৃষ্টি। এইদৰে কাব্যখন ৰাম মাহাত্ম্যতকৈ হনুমানৰ মহিমাসূচক কাব্য যেনহে বোধহয়।

কবি গঙ্গাদাসৰ এখন সৰু কাব্য হ'ল 'সীতাৰ বনবাস'। ইয়াৰ মূল জৈমিনিৰ মহাভাৰত। গৰ্ভৱতী সীতাক ৰামে নিৰ্বাসন দিয়া, লৱ-কুশৰ জন্ম আৰু পিছত ৰামসেনাৰে যুদ্ধ আৰু অৱশেষত সীতা আৰু পুত্ৰদ্বয়ৰ লগত ৰামৰ মিলনৰ কথা এই কাব্যখনত আছে। সীতাৰ বনবাসৰ কাৰণ হিচাপে সীতাৰ ঋষি পত্নীৰ লগত থকাৰ বাসনা, ধোবাই সীতাক অপযশ দিয়া, সীতাই অন্য নাৰীৰ অনুৰোধত ৰাৱণৰ ছবি আঁকি মচিবলৈ পাহৰা আদি জনশ্ৰুতিমূলক কথাবোৰৰ ওপৰত কবিয়ে গুৰুত্ব দিছে। কাব্যখনৰ বৰ্ণনা আৰু ভাষাশৈলী সহজ-সৰল। 'সীতাৰ পাতাল প্ৰৱেশ' বা 'পাতালী কাণ্ড' নামৰ আন এখন ক্ষুদ্ৰ কাব্যও কবি গঙ্গাদাসৰ নামত প্ৰচলিত।

কৃত্তিবাস পণ্ডিতৰ 'অঙ্গদ ৰায়বাৰ' নামৰ কাব্যখন পাঁচালী কাব্য। ই ৰাগযুক্ত গীত পদত ৰচিত। ইয়াৰ মূল- বাল্মীকিৰ ৰামায়ণ। লঙ্কাত থকা অৱস্থাত এদিন ৰামে অঙ্গদক ৰাৱণৰ ওচৰলৈ পঠায়। অঙ্গদে গৈ ৰাৱণক অনেক তিৰস্কাৰ কৰি সীতাক মুকলি কৰি দিবলৈ কয়। ৰাৱণৰ নিৰ্দেশত চাৰিটা ৰাক্ষসে অঙ্গদক বন্দী কৰে যদিও সিহঁতক পৰাস্ত কৰি তেওঁ ৰামৰ ওচৰ পাইহি। এই কথাৰেই কোনো অজ্ঞাত কবিয়ে কৃত্তিবাসৰ নামত কাব্যখন ৰচনা কৰে বুলি ক'ব পাৰি। এইদৰে শঙ্কৰোত্তৰ যুগৰ ৰচিত নখন ৰামায়ণী কাব্যৰ লেখ আমি পাওঁ। এইফালৰ পৰা শঙ্কৰোত্তৰ যুগটো আগৰ দুটা যুগতকৈ বিস্তৃত আৰু প্ৰাচুৰ্যময়।

এতিয়া আমি আধুনিক যুগত ভৰি দিলো। এই যুগতে পূৰ্বৰ দৰে অনেক ৰামায়ণকেন্দ্ৰীক কাব্য, গীত-পদ ৰচিত হয়। ইয়াৰ ভিতৰত প্ৰথমেই আমি ভোলানাথ দাসৰ আমিত্ৰাক্ষৰ ছন্দত ৰচিত 'সীতা হৰণ কাব্য'ৰ কথা ক'ব পাৰো। সাতটা সৰ্গত বিভক্ত কাব্যখনত ৰামৰ বনবাসৰ পৰা সীতা হৰণলৈকে সমুদায় কথা অতি সুন্দৰকৈ বৰ্ণিত হৈছে। তীৰ্থনাথ গোস্বামীৰ 'ৰাম বনবাস' আৰু 'সীতা হৰণ' নামৰ কাব্য দুখনো ভাষা আৰু বৰ্ণনাশৈলীৰ ফালৰ পৰা উপাদেয়। তদুপৰি কাব্যদ্বয় ভক্তিতত্ত্বৰ কথাৰে পৰিপূৰ্ণ। দুৰ্গাপ্ৰসাদ দেৱশৰ্মাৰ 'লৱন দৈত্য বধ' আৰু 'লৱ-কুশৰ জন্মোপাখ্যান' নামৰ কাব্য দুখনো আকাৰত ক্ষুদ্ৰ হ'লেও ভাৱ ভাষাৰ ফালৰ পৰা শুৱনি। কাব্যকেইখনৰ মূল উত্তৰাকাণ্ড।

এইদৰে আলোচনা কৰি চালে দেখা যায় যে প্ৰাক্, শঙ্কৰ যুগৰ পৰা আধুনিক যুগলৈকে নানা ৰূপত নানাভাৱে ৰামায়ণী কাব্য ৰচিত হৈ আহিছে। এয়া অসমীয়া সাহিত্যৰ বাবে গৌৰৱৰ কথাই। ব্ৰহ্মাই বাল্মীকিক ৰামায়ণ ৰচনা কৰিবলৈ দি কৈছিল-- 'যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিশ্চ মহীতলে। তাযৎ ৰামায়ণ কথা লোকেষু প্ৰচাৰিষ্যতি।।' অৰ্থাৎ যেতিয়ালৈকে পৃথিৱীত পৰ্বত আৰু নদীসমূহ থাকিব তেতিয়ালৈকে ৰামায়ণ জনসাধাৰণৰ মাজত প্ৰচাৰিত হৈ থাকিব।

ব্ৰহ্মাৰ ভৱিষ্যতবাণী সঁচা হ'ল। নদীবোৰ যিদৰে চিৰপ্ৰৱাহমান, পৰ্বতবোৰ যিদৰে চিৰ বিদ্যমান, মহাকাব্য ৰামায়ণৰ কাহিনীও ভাৰতীয় লোক জীৱনত চিৰসেউজ আৰু চিৰন্তন। শেষত ক'ব পাৰি মহাকাব্য ৰামায়ণ এক স্ৰোতাস্ৰিনী নদী আৰু এই নদী হ'ল নিৰবধি গঙ্গা।■

# সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই

**শ্ৰীপ্ৰদীপ কুমাৰ শইকীয়া**

ৰামায়ণক আদিকাব্য বোলা হয়। আদিকাব্য ৰামায়ণ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। ৰচনাকালৰে পৰা বৰ্তমানলৈকে ৰামায়ণৰ জনপ্ৰিয়তা আৰু সাৰ্বজনীনতা অটুট আছে আৰু অনাদি কাললৈয়ো চলি থাকিব। চতুৰ্দশ শতিকাৰ অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে অসমীয়া ভাষাত বাল্মীকি ৰামায়ণখন অনুবাদ কৰাটো সৰ্বজনবিদিত। পণ্ডিত প্ৰৱৰ কন্দলীয়ে তেওঁৰ ৰামায়ণৰ 'লঙ্কাকাণ্ড'ৰ শেষৰ ফালে উল্লেখ কৰিছে যে--

'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামানিক্যৰ বোলে কাব্য ৰস কিছু দিলো
দুগ্ধক মথিলে যেন ঘৃতে।।

'সপ্তকাণ্ড' ৰামায়ণ অনুবাদ কৰিলেও আদি আৰু শেষকাণ্ড দুটা পাবলৈ নাই। পৰৱৰ্তী মহাপুৰুষ দুজনাই আদিকাণ্ড আৰু উত্তৰাকাণ্ড সম্পূৰ্ণ কৰি ভক্তি আচু ফুল তুলি কাব্যখনক ভক্তিমাৰ্গত পৰিণত কৰাৰ প্ৰচেষ্টা চলায়। ৰামায়ণৰ 'সাতোটা' কাণ্ডই নিজ নিজ গুণ আৰু বৈশিষ্ট্যৰে মহিমাময় আৰু মনোমোহা। তুলনামূলকভাৱে সপ্তকাণ্ডৰ ভিতৰত 'সুন্দৰাকাণ্ড' অধিক সুন্দৰ। আমাৰ আলোচ্য বিষয় সুন্দৰাকাণ্ডৰ কিছু কথা তলত উল্লেখ কৰিবলৈ প্ৰযত্ন কৰা হ'ল। কবি কন্দলীৰ ৰচনা অনুসৰি--

'সুন্দৰ শ্ৰীৰামচন্দ্ৰ সুন্দৰ লক্ষ্মণ।
সুন্দৰ যে সুগ্ৰীৱ সুন্দৰ কপিগণ।।
সুন্দৰী জানেকী সীতা জগতৰ আই।
সুন্দৰাকাণ্ডত কিছু অসুন্দৰ নাই।।'

কবি গৰাকীৰ এনে বৰ্ণনাই সুন্দৰাকাণ্ডটোৰ স্বকীয় বৈশিষ্টতা আৰু মধুৰতাকে প্ৰকাশ কৰিছে। কবিৰ এনে ধাৰণা অত্যন্ত তাৎপৰ্যপূৰ্ণ আৰু সুগভীৰ অৰ্থবহ। প্ৰকৃতাৰ্থত ৰাম সুন্দৰৰ সাধক আৰু সংস্কৃতিৰ দেউল প্ৰতিষ্ঠাপক। ৰামৰ সত্যতাক অনুসৰণ কৰিছে লক্ষ্মণ, সুগ্ৰীৱ আৰু অন্যান্য বানৰ সবে। দুষ্কৃতিৰূপী ৰাৱণে সীতাক হৰণ কৰিছে আৰু অন্যায়ৰ দ্বাৰা জীৱন পৰিচালিত কৰিবলৈ উদ্যত হৈছে। ৰাম, লক্ষ্মণ, হনুমানে সত্যক প্ৰতিষ্ঠা কৰিবলৈ তথা সীতাক উদ্ধাৰ কৰি সংস্কৃতিৰ জয়গান গাবলৈ সাজু হৈছে। সংস্কৃতিৰূপী ৰামৰ হাতত দুষ্কৃতিৰূপী ৰাৱণ আৰু তাৰাৰ অনুগামীসকলৰ পৰাজয় হৈছে। চৰম ত্যাগ আৰু আদৰ্শনিষ্ঠাৰে উদ্ভাসিত হৈছে সুন্দৰাকাণ্ড। সেই কাৰণেই কবি গৰাকীয়ে সগৌৰৱে ঘোষণা কৰিছে 'সুন্দৰাকাণ্ড'ত কিছু অসুন্দৰ নাই।

**সুন্দৰা কাণ্ডৰ সংক্ষেপ বিষয়বস্তু ঃ**

সুপাৰ্শ্বৰ মুখৰ পৰা বানৰসকলে গম পালে যে সীতাক ৰাৱণে লঙ্কাৰ অশাক বনত আৱদ্ধ কৰি ৰাখিছে, তেতিয়া সীতা উদ্ধাৰৰ বাবে তালৈ কোন যাব, কোনে এইকামত সিদ্ধি লাভ কৰিব পাৰিব সেই বিষয়ে আলোচনা বিলোচনা চলিল। সমস্তজনৰ আলোচনাৰ অন্তত জাম্বুবানৰ পৰামৰ্শ অনুসৰি হনুমানক লঙ্কালৈ পঠাবলৈ সিদ্ধান্ত হ'ল। বানৰসকলে মনৰ আনন্দত হনুমানক বিচিত্ৰ মালা এধাৰ পিন্ধাই বিদায় সম্ভাষণ জনালে। হনুমানে ৰাম লক্ষ্মণক সেৱা জনাই মহেন্দ্ৰগিৰিৰ পৰা লঙ্কালৈ বুলি যাত্ৰা আৰম্ভিলে।

আকাশীপথৰ যাত্ৰাত হনুমানে নানা সংঘাতৰ সন্মুখীন হ'ব লগা হ'ল। বিভিন্ন পৰীক্ষা আৰু সঙ্কট অতিক্ৰম কৰি হনুমানে লঙ্কাত প্ৰৱেশ কৰিলে। সুৰসা ৰাক্ষসী, আযাৰিকা ৰাক্ষসী আদিৰ বাধা নেওচি লঙ্কাত প্ৰৱেশ কৰা হনুমানে বিভিন্ন ঠাইত সীতাৰ অন্বেষণ কৰি, শেষত অশোকবনত শিংশপ বৃক্ষজোপাৰ গুৰিতে ৰাক্ষসীসকলৰ দ্বাৰা

পৰিৱেষ্টিতা সীতাক দেখিবলৈ পালে। অশোকবনত ৰাক্ষসীসকলে ৰাৱণৰ বীৰত্ব, ঐশ্বৰ্য, গুণ, ৰূপ, যশ, গৌৰৱৰ কথা সীতাক বৰ্ণনাই শুনাইছে আৰু ৰাৱণক স্বামীৰূপে ভজিবলৈ সীতাক নানা প্ৰকাৰৰ ছালনা কৰিছে। সীতা অলৰ-অচৰ, গহীন-গম্ভীৰ। তেওঁ বিলাকৰ কথালৈ সীতাই কৰ্ণপাত কৰা নাই। ৰাৱণেও সীতাক নানাধৰণৰ মিঠা কথাৰে মন ভুলাবলৈ চেষ্টা কৰিছে। নাই কোনো কথাৰে সীতাৰ মন টলাব নোৱাৰি তেওঁ খং, ক্ষোভ আৰু হতাশাত গৰ্জি উঠি সীতাক বলাৎকাৰ কৰিবলৈ উদ্যত হ'ল--

'বলে ধৰোঁ পাপিষ্ঠীক পৃথ্বী হুইবা সাখি।
মোক স্বামী নবৰে ফুটিল দুই আসি।।'

অৱশ্যে মন্দোদৰীয়ে পূৰ্বৰ অভিশাপৰ কথা সোঁৱৰাই দিয়াত ৰাৱণ সংযত হ'ল। পৱন পুত্ৰ হনুমানে এই আটাইবোৰ কথা সন্তৰ্পনে নিৰীক্ষণ কৰি আছিল। শেষত শান্তী সতী সীতাক হনুমানে সান্ত্বনা প্ৰদান কৰি ক'লে যে, অনতিপলমে তেওঁ উদ্ধাৰ পাব। ইয়াৰ ব্যৱস্থা সাজু হৈ উঠিছে। তুমি মাত্ৰ মোক মই তোমাক সাক্ষাৎ কৰা চিন স্বৰূপে ৰামলৈ বুলি কিবা এটা সংকেত দিয়া। সীতাই চিন স্বৰূপে চেলাউৰিত পৰিধান কৰা মহামূল্যৱান মনিটো ৰামলৈ বুলি হনুমানৰ হাতত প্ৰদান কৰিলে। বীৰ হনুমান সন্তুষ্ট হ'ল। সীতাৰ হাতেৰে ভক্ত হনুমানে মধুফল ভক্ষণ কৰি তৃপ্তি পালে আৰু অধিক ফল ভক্ষণৰ আশাৰে হনুমান অশোক বনত সোমাল। মধুফল ভক্ষণ কৰি অশোকবন ধ্বংস কৰিলে আৰু অনেক ৰাক্ষস বধ কৰাৰ উপৰি লঙ্কা ৰাজ্যত জুই লগাই দিলে। শেষত সীতাক নমস্কাৰ জনাই তেওঁ কিষ্কিন্ধ্যালৈ উভতি আহি সকলো বৃতান্ত বিৱৰি ৰামকে প্ৰমুখ্যে কৰা সকলো বানৰকে জনালে।

এনেদৰে হনুমানৰ সফল সীতা অন্বেষণ, লঙ্কাদাহ আৰু সাগৰত সেতুবান্ধি সসৈন্য লঙ্কাত অনুপ্ৰৱেশেৰে কন্দলী ৰামায়ণৰ সুন্দৰাকাণ্ডৰ সফল সমাপ্তি ঘটাইছে।

**সুন্দৰাকাণ্ডত বৰ্ণিত প্ৰকৃতি চিত্ৰণ ঃ**

কন্দলীয়ে ৰামায়ণ অনুবাদৰ মাজেৰে অসামান্য কবি প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। প্ৰাকৃতিক চিত্ৰ অঙ্কণত তেওঁৰ ক্ষমতা অতুলনীয়। আদৰ্শ জীৱন আৰু বৈচিত্ৰ্যময় কাহিনীক সুসমৃদ্ধ আৰু সৌন্দৰ্যমণ্ডিত কৰি তুলিবলৈ মহা প্ৰকৃতিৰ হাবি-বন, নৈ-নিজৰা, আকাশ-বতাহ, আদিক অঙ্গাঙ্গীৰূপে চিত্ৰিত কৰাৰো বিশেষ আৱশ্যকতা নথকা নহয়। মাধৱ কন্দলীয়ে 'সুন্দৰাকাণ্ড'ৰ বিভিন্ন অধ্যায়ত নৈসৰ্গিক বৰ্ণনা প্ৰাঞ্চল আৰু নিতোল ৰূপত বিকশিত কৰি তুলিছে। প্ৰকৃতিৰ বিচিত্ৰ বৰ্ণনাই সুন্দৰাকাণ্ডটিৰ সৌন্দৰ্য সোণত সোৱগা চৰোৱাৰ দৰে হৈ উঠিছে। সুন্দৰাকাণ্ডৰ অন্তৰ্ভুক্ত লঙ্কাৰ বিৱৰণত প্ৰকৃতিৰ মনোমোহা সজীৱ চিত্ৰলৈ দৃষ্টি নিক্ষেপ কৰিলেই কন্দলীৰ প্ৰকৃতিৰ প্ৰতি থকা আকৰ্ষণ আৰু মনোযোগ ধৰা পৰে। তলত সুন্দৰাকাণ্ডৰ দুটিমান পদৰ উদাহৰণ দাঙি ধৰিলো--

'গুঞ্জৰিত শৰদে ভ্ৰমৰা মধুপান।
পদ্মিনী দীঘী জলাশয় ৰম্য থান।।
সৰল পিয়াৰ খৰ নিখৰ খৰ্জ্জুৰ।
শাল তাল তমাল গমাৰি বিষপুৰ।।
অশ্বত্থ কপিত্থ বট নাৰঙ্গ বদৰ।
তেন্তেলি কণ্টকি আম জাম নাগেশ্বৰ।।
খাজুৰি হাৰিঠা আমলখি ডহাফল।
ছাটিয়াল গুৱা নাৰিকল যে শ্ৰীফল।।
সালঙ্গা মহৰি আৰু কমলা টেঙ্গৰা।
কৰ্দ্দৈ পিচু মৰ্দ্দক যে সোলঙ্গা অমৰা।।
কদম্ব গুলাল পাৰিজাতক আশেষ।
সেৱতী মালতী গুটিমালী যে বিশেষ।।' ইত্যাদি

হনুমানে লঙ্কাত প্ৰৱেশ কৰি যি মনোমোহা প্ৰকৃতি শোভা প্ৰত্যক্ষ কৰিলে সেয়া খুৱেই মোহনীয়। লঙ্কাত থকা বিভিন্ন ফুল, ফল, গছ-লতা, চৰাই-চিৰিকতি, পশু-পক্ষী আদি, শাল, তাল, আম, জাম, তামোল, নাৰিকল, শ্ৰীফল, জাই, যুতি, বকুল, কদম্ব, পাৰিজাত আদি বৰ্ণনাৰ মাজেৰে কবি কন্দলীয়ে অসমৰ প্ৰাকৃতিক সৌন্দৰ্যকে বৰ্ণনা কৰিছে। সুন্দৰাকাণ্ডৰ উপৰি কবি কন্দলীয়ে 'অযোধ্যাকাণ্ড'ৰ চিত্ৰকূট পৰ্বতৰ বৰ্ণনাত প্ৰকৃতিৰ মন পৰশা চিত্ৰ অঙ্কন কৰিছে। অৰণ্য কাণ্ডতো প্ৰকৃতিৰ চিত্ৰ প্ৰকাশত সিদ্ধহস্ত কবিজনাই প্ৰকৃতিৰ সৌন্দৰ্য মনোময় ৰূপত দাঙি ধৰিছে। মুঠতে কন্দলীয়ে নিজস্ব দৃষ্টিৰে প্ৰকৃতিক অনুধাৱন কৰি, তাৰ ৰূপ সুষমাক, ৰামায়ণত প্ৰয়োগ কৰি ৰামায়ণখনৰ নন্দনতাত্ত্বিক দিশতো উজ্বল কৰি তুলিছে।

**সুন্দৰাকাণ্ডত বৰ্ণিত সামাজিক চিত্ৰণ ঃ**

মাধৱ কন্দলী ৰামায়ণত চতুৰ্দশ শতিকাৰ অসমীয়া সমাজখনৰ এক প্ৰাণৱন্ত প্ৰতিচ্ছবি প্ৰতিফলন ঘটা দেখা যায়। সুন্দৰাকাণ্ডৰ আধাৰত সেই সময়ৰ সামাজিক দিশৰ কেতবোৰ প্ৰধান আলোচনা তলত দাঙি ধৰা হ'ল। অসমীয়া সমাজত কোনো শুভকাৰ্যৰ বাবে যাত্ৰা আৰম্ভ কৰাৰ প্ৰাক্‌মুহূৰ্তত পিতৃ-মাতৃ, জ্যেষ্ঠজন অথবা ইষ্টদেৱতাক স্মৰণ কৰা, সেৱা জনোৱাতো প্ৰচলিত ৰীতি। ৰামায়ণৰ সুন্দৰা কাণ্ডত এই নীতি স্পষ্টৰূপত দেখা যায়। হনুমানে লঙ্কালৈ যাত্ৰা কৰিবৰ সময়ত আশীৰ্বাদ বিচাৰি পিতৃ-মাতৃ, ৰাম-লক্ষ্মণ আৰু ইষ্ট দেৱতাক সেৱা জনাইছে--

'ৰাম লক্ষ্মণক সুগ্ৰীৱ বীৰক
কৰিয়া যেন সতকাৰ।
বায়ুযে বাপক অঞ্জনা মাৱক
প্ৰণামিলা সাতবাৰ।।'

প্ৰাচীন কালৰে পৰা অসমীয়া লোক সমাজত গ্ৰহাদিৰ প্ৰভাৱ স্বপ্নদৰ্শন শুভাশুভ, যাত্ৰাকালত মঙ্গলামঙ্গল দৰ্শনৰ ওপৰত বিশ্বাস আদি প্ৰচলিতহৈ আহিছে। লোক বিশ্বাসৰ বিৱৰণ 'সুন্দৰাকাণ্ড'ত এনেধৰণে পোৱা যায়--

'লঙ্কাৰ আপদ ভৈল ৰাক্ষসৰ ক্ষয়।
ৰাৱণ বিনাশ দেখো ৰাঘৱ জয়।।
গোসাঁইক দেখিলো মই স্বপনৰ হন্তে।
সসাগৰা পৃথিৱীক আসয় গিলন্তে।।'

নাৰী আৰু পুৰুষৰ বিভিন্ন অঙ্গ কঁপিলে বা নাচিলে বিভিন্ন সময়ত বিভিন্ন বস্তু লাভ হয় বা ক্ষয়-ক্ষতি হয় বুলি আমাৰ সমাজৰ চিৰাচৰিত নীতি। সুন্দৰাকাণ্ডতো এনে কাৰ্য দেখিবলৈ পোৱা যায়। সীতাৰ ক্ষেত্ৰত--

'বাম নয়ন উৰু বাম কলেবৰ।
প্ৰত্যক্ষে দেখয় সীতা কাম্পে বামকৰ।।
ইসব মঙ্গলে তাৰ স্বপনৰ ফলে।
অবিলম্বে স্বামীকোল পাইবে অবিকলে।।'

খাৱন-পিন্ধন, খেল-ধেমালি, আ-অলঙ্কাৰ, উৎসৱ-পাৰ্বন আদি চিত্ৰ চিত্ৰণতো কবি গৰাকীয়ে অসমীয়া সমাজৰ সজীৱ চিত্ৰ প্ৰদৰ্শিত কৰিছে। কুম্ভকৰ্ণৰ বাবে প্ৰস্তুত কৰা খাদ্য সামগ্ৰী যেনে বিভিন্ন ধৰণৰ ব্যঞ্জন, মিঠৈ, দৈ, মাছ-মাংস, মদ খৰিকাজহাৰ পিঠা, পছুৰ মাংস, কপোৰ তামোল আদি অসমীয়া সমাজৰে খাদ্যাভাস মাথোন। অশোকবন আৰু চিত্ৰকুটৰ বৰ্ণনাত যিবোৰ ফল-ফুল, গছ-গছনি, চৰাই-চিৰিকতি, পশু-পক্ষী, জন্তু-জানোৱাৰ নাম পোৱা যায় সেই আটাইতবোৰত অসমৰ মাটি পানী আৰু জলবায়ুৰ গোন্ধ পোৱা যায়। উদাহৰণ স্বৰূপে কবিগৰাকীৰ ৰচনাত ফলৰ ভিতৰত কদলি, নাৰঙ্গ, খাজুৰি, বদৰ, তেতেলি, কঁঠাল, আম, জাম, নাৰিকল, শ্ৰীফল আদি ফুলৰ ভিতৰত সেৱতী, মালতী, জাঁই, জুতি, বকুল, বন্দুলী, কাঞ্চন, তগৰ, মদাৰ, অশোক, পলাশ, বক, নাগেশ্বৰ, চম্পা ইত্যাদি। চৰাইক্ষেত্ৰত কোকিল, মৌপিয়া, চটক, হংস, চক্ৰবাক, ৰাজহংস ইত্যাদি। শাল, তাল, তমাল, গমাৰি, বট আদি গছ-গছনিও অসমৰ প্ৰকৃতিৰে।

খেল-ধেমালিৰ ক্ষেত্ৰতো কন্দলীয়ে অসমীয়া সমাজৰ চিত্ৰ নিপুণ ৰূপত অঙ্কণ কৰা দেখা যায়। লঙ্কাৰ ৰাক্ষসসকলে খেলি থকা খেলবোৰ অসমৰ প্ৰাচীন খেল।

'ভণ্টাখেৰি খেলাৱয় কতো খেলৈ ঝুণ্টি।
ঠাৱে ঠাৱে ক্ৰীড়া কৰে আকুটি ভাকুটি।।
ছৱাল মেলেক সৰে কৰে হাতাহাতি।
মালবান্ধে যুজয় দেখিতে ভাল আতি।।
ঢোপ খেড়ি খেলাৱয় কতো লুনি লুনি।
গুৱাল গুৱালী খেলে আনন্দিত শুনি।।'

বাদ্যযন্ত্ৰ, গীত-মাত, শাও-শপনি, গালি-গালাচ, মাৰ-কিল, ঘৰুৱা উপমা আদি ব্যৱহাৰৰ দিশতো স্বভাৱসিদ্ধ পণ্ডিত কবিজনাই অসমৰ গ্ৰাম্য জীৱনৰ চিত্ৰ নিখুঁতভাৱে ৰূপায়িত কৰিছে। বাদ্যযন্ত্ৰ যেনে- বীৰঢাক, ঢোল, তবল, ডগৰ, ঝাঝাৰ, ৰেমচি, ৰামতাল, কৰতাল, টোকাৰি, বীণা, বাঁশী, দোশৰী ইত্যাদি। পাপিষ্ঠ, নিলাজ, পাপী, দুৰ্জন, অধম, পামৰ, বৰ্ব, পাপিষ্ঠী, দাৰুণী, নিদাৰুণী ইত্যাদি গালি শপনি শব্দৰ ব্যৱহাৰে ৰামায়ণখনক অমৰ কৰি ৰাখিছে আৰু অনেক এনে উদাহৰণ আছে যিবোৰ সম্পূৰ্ণভাৱে অসমীয়া সমাজ জীৱনৰ সৈতে অভেদ্য। মুঠতে কবি কন্দলী এজন শ্ৰেষ্ঠ জাতীয় মৰ্যাদাসম্পৰ্ণ নিভাঁজ কবি।

**সুন্দৰাকাণ্ডৰ আধাৰত কন্দলীৰ কাব্য প্ৰতিভা ঃ**

মাধৱ কন্দলীৰ ৰামায়ণখন অসমীয়া সাহিত্যৰ এক অপূৰ্ব সম্পদ। ৰামায়ণখনত প্ৰতিফলন ঘটা সামাজিক,

ৰাজনৈতিক, ধৰ্মীয়, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশৰ বৰ্ণনাত কবিজনাৰ অপূৰ্ব দক্ষতা পূৰ্ণৰূপত প্ৰকাশ পাইছে। কবিজনাৰ কাব্য প্ৰতিভা কিমান মহান সেইকথা মহাপুৰুষ জনাই কৰা প্ৰশংসাই সৰ্বজন স্বীকৃত।

সুন্দৰাকাণ্ডৰ মাজেৰেও কবিজনাৰ অসামান্য কবি প্ৰতিভা বিগলিত হোৱা দেখা যায়। সুন্দৰাকাণ্ডত ব্যৱহৃত হোৱা ঘৰুৱা শব্দ, যোজনা-পটন্তৰ, জতুৱা ঠাঁচ, জুৰীয়া শব্দ, লৌকিকতা, পৰিৱেশ, পৰিস্থিতি বৰ্ণন, চৰিত্ৰ চিত্ৰণ, যুদ্ধ বৰ্ণন আদি বিভিন্ন ক্ষেত্ৰত কবি প্ৰতিভাই হেতালি খেলিছে। সুন্দৰা কাণ্ডত নৰ-নাৰীৰ শাৰীৰিক ৰূপ-লাৱণ্য, চাৰিত্ৰিক বিশিষ্টতা আদি বৰ্ণনাত কবি প্ৰতিভাৰ স্বাক্ষৰ আৰু নিজস্ব কল্পনাৰ চানেকি পোৱা যায়--

'শ্যামল সুন্দৰ মুখ পূৰ্ণিমাৰ শশী।
চক্ষু দুই জ্বলে যেন কমলৰ পাসি।।
কম্বুগ্ৰীৱ শোভন নাসিকা দুই কৰ্ণ।
উত্তম শৰীৰ মনোহৰ শ্যাম বৰ্ণ।।
ছয় থান উন্নত উদৰ কণ্ঠ মুখ।
দুই পান্তি দশন শুক্ল দেখিবাক সুখ।।'

সুন্দৰাকাণ্ডত লঙ্কাৰ বৰ্ণনাৰ মাজত ৰাৱণৰ মধুফলৰ বাৰীখন হনুমানে ধ্বংস কৰা কাৰ্যৰ যি আমোদজনক আৰু কৌতুহলপূৰ্ণ বৰ্ণনা দাঙি ধৰিছে তাৰ মাজেৰে কন্দলীৰ কবি প্ৰতিভা পৰিপূৰ্ণ ৰূপত প্ৰকাশ ঘটিছে--

'অনন্তৰে হনুমন্তে ব্ৰাহ্মণৰ বেশে গৈয়া
পশিলন্ত ৰাজাৰ আবাস।
.........................................
একগুটি মধু ফল ভুঞ্জিয়া তৃপিতি হুয়া
বেদ পঢ়ো ৰাজাৰ আগত।।'

সুন্দৰাকাণ্ডত লঙ্কাৰ ৰাক্ষস-ৰাক্ষসীসকলৰ আকৃতি-প্ৰকৃতি, চাল-চলন আদিৰ প্ৰসঙ্গত কবিগৰাকীয়ে দিয়া বৰ্ণনা বিস্ময় আৰু ভীতিজনক। এনে বৰ্ণনাই কাব্যৰ জেউতি চৰাইছে। যুদ্ধৰ বৰ্ণনাৰ মাজতো প্ৰসিদ্ধ কবিজনাৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ পোৱা যায়। যুদ্ধ বৰ্ণনাৰ মাজত ব্যৱহাৰ হোৱা শব্দই হাস্যৰসৰ সৃষ্টি কৰিছে।

**সুন্দৰা কাণ্ডত বৰ্ণিত ছন্দ, অলঙ্কাৰ আৰু ৰস ঃ**

কাব্য এখনৰ সৌন্দৰ্য বৃদ্ধি পায় ছন্দ, অলঙ্কাৰৰ সুপ্ৰয়োগতহে। ৰামায়ণখনত বিভিন্ন ছন্দ, অলঙ্কাৰ আৰু ৰসৰ সু-প্ৰয়োগে কাব্যত্বত অমৰত্ব প্ৰদান কৰিছে। সুন্দৰাকাণ্ডত প্ৰয়োগ কৰা দুই এটা ছন্দৰ উদাহৰণ তলত দাঙি ধৰা হ'ল--

**(১) পদছন্দৰ উদাহৰণ ঃ**

(ক) প্ৰণামিলো ৰাম তিনি ত্ৰৈলোক্যৰ নাথ।
নিশাচৰ ৰাৱণক বধিলা লঙ্কাত।।
(খ) সাগৰৰ বাণী শুনি পৰ্বতৰ ৰাজ।
সমুদ্ৰক ভেদিয়া তেখনে ভৈল বাজ।।

**(২) দুলড়ি ছন্দ ঃ**

তোমাৰ মায়াত কমন বুদ্ধিয়ে
কিমতে এৰায়া যান্ত।
তেবেসে জানিয় বায়ুৰ নন্দন
ৰাম কাৰ্য্য সাধিবন্ত।।

**(৩) ছবি ছন্দ ঃ**

শঙ্খিনী চিত্ৰিনী নাৰী পদ্মিনী হস্তিনী আদি
ত্ৰিভুবনে যতেক সুন্দৰী।
দিগ্‌বিজয়ত সাজি দেবাসুৰ ৰণে জিনি
লঙ্কেশ্বৰে আনিলেক হৰি।।

**(৪) ঝুমুৰা ছন্দ ঃ**

আশীৰ্বাদ কৰিয়োক।
ৰামসনে ধৰিয়োক।।
দুগতিত তৰিয়োক।
অচিন্তাত থাকিয়োক।।

উপৰউক্ত ছন্দসমূহে সুন্দৰাকাণ্ডৰ ছান্দসিক সৌন্দৰ্য মনোময় কৰিছে।

অলঙ্কাৰ প্ৰয়োগৰ ক্ষেত্ৰত কবিয়ে যথেষ্ট সাৰধানতা অৱলম্বন কৰা দেখা যায়। কাব্যখনক লালিত্যময় কৰি তুলিবৰ বাবে কন্দলীয়ে শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰৰ প্ৰয়োগ যৰ্থাযথ ৰূপ প্ৰয়োগ ঘটাইছে। সুন্দৰাকাণ্ডত প্ৰয়োগ ঘটা দুই এটা অলঙ্কাৰৰ উদাহৰণ দাঙি ধৰা হ'ল।

অনুপ্ৰাস অলঙ্কাৰৰ সঘন প্ৰয়োগে সুন্দৰা কাণ্ডটিক উজ্বল কৰিছে। যেনে--

(ক) কতো কুজা কতো খোৰা কতো গোট কলা।
কতোহোঁ নাৰাঙ্গা সোভা কুণ্ডলীয়া শোলা।।
(ক) লোমকৰ্ণ অশ্বকৰ্ণ সঙ্কুকৰ্ণ ৰাক্ষসৰ
বিদ্যুজিহ্ব হস্তীৰ বদন।

অৰ্ধকেতু অৰ্ধগ্ৰীৱ মণ্ডগ্ৰীৱ নিৰন্তৰ
কুম্ভৰ যে যতেক ভৱন।।

উপমা অলঙ্কাৰৰ যথাৰ্থ প্ৰয়োগ মন কৰিবলগীয়া। উপমা অলঙ্কাৰৰ সুপ্ৰয়োগেৰে সুন্দৰাকাণ্ডৰ সৌন্দৰ্যময় কৰি তুলিছে। যেনে--

তাসম্বাৰ মাজে দেৱী সংসাৰতে সাৰা।
মেঘে যেন ঢাকি আছে সৰ্ব্বোত্তম তাৰা।
কেশে যেন ঢাকি আছে চম্পক মল্লিকা।
ভস্মে যেন ঢাকি আছে অগনিৰ শিখা।।

ৰাৱণৰ দ্বাৰা অপমানিত আৰু লাঞ্ছিত বিভীষণে লঙ্কা এৰি ৰামৰ ওচৰত আশ্ৰয় বিচাৰি যাবলৈ ওলোৱা সময়ৰ সকীয়নী--

'হাতে গদা ধৰি বোলৈ বিভীষণে
থাকিয়ো পাত্ৰ সমাজ।
বিবীষণ বৈৰী লঙ্কাৰ গুচায়া
সুখে ভুঞ্জা সবে ৰাজ।।'

এয়া এক ব্যঞ্জনাময় ব্যাঙ্গাত্মক সতৰ্কবাণীহে। কবি কন্দলীৰ সুন্দৰাকাণ্ড ৰামায়ণত এনে ব্যঙ্গাত্মক ব্যঞ্জনাময় আলঙ্কাৰিক ভাষাই কাব্যখনৰ মান মৰ্যাদা অনেক বঢ়াইছে। সুন্দৰাকাণ্ডত বিষম আৰু নিদৰ্শনা অলঙ্কাৰৰ ব্যৱহাৰ চকুত লগা। লঙ্কাৰ অনেক ৰাক্ষস-ৰাক্ষসীয়ে আবৃষ্ট কৰি ৰখা সীতাদেৱীক হনুমানে ৰামৰ ওচৰলৈ লৈ যোৱা আকাঙ্খা প্ৰকাশ কৰিছে নেউলৰ আকাৰ ধাৰণ কৰি সীতাক পিঠিত তুলি লৈ যাবলৈ। এনে কাৰ্যক সীতাই ভেঙুচালিপূৰ্ণ অবিশ্বাস্য উক্তিৰে এনে ধৰণে ব্যক্ত কৰিছে--

'তুলানিবে নোৱাৰয় ভাৰ বান্ধে শিলে।
গুগুকৰি পৰুৱায়ে হাতীগোট গিলে।।
ঢোল হেন ডিমা পাৰে চুঙাৰ বাদুলি।
পিপিয়া চটকে পৰ্বতক লৰে তুলি।।'

অতিশয়োক্তি অলঙ্কাৰৰ প্ৰয়োগ তেনেই প্ৰাঞ্জল। হনুমানে লঙ্কালৈ যাত্ৰা আৰম্ভ কৰিলে। যাত্ৰা পথত দেৱতাসকলৰ আদেশ মতে নাগমাতা সুৰসাই হনুমানৰ শক্তি পৰীক্ষা কৰিবলৈ সাজু হ'ল। হনুমান আৰু সুৰসাৰ মাজত শক্তি পৰীক্ষাৰ প্ৰতিযোগিতা চলিল। এনে কাৰ্যত নিখুঁতভাৱে অতিশয়োক্তি অলঙ্কাৰ প্ৰকাশ হৈ উঠিছে এনেদৰে --

(ক) সুৰসা ৰাক্ষসী মুখ প্ৰকাশিল
ভৈগৈল যোজন ত্ৰিশ।
হনুমন্ত বীৰে কায়া বঢ়াইলন্ত
যোজন ভৈল চলিশ।।'

(খ) তৈতো খুজি লুৰি নপাই সীতাক হতাশ।
ধৌলিৰৱে পশিলন্ত দ্বিতীয় কৈলাশ।।

সুন্দৰাকাণ্ডৰ পাতে পাতে প্ৰতীয়মানা উৎপেক্ষা, সমাসোক্তি, স্বভায়োক্তি ইত্যাদি অনেক অলঙ্কাৰ প্ৰয়োগ হোৱা দেখা যায়। বিষয়বস্তুৰ মাজে মাজে য'তেই সম্ভৱ ত'তেই তেওঁ অলঙ্কাৰ প্ৰয়োগ কৰি অধ্যায়টি চমৎকাৰ পূৰ্ণ কৰি শ্ৰোতা পাঠকক আনন্দ প্ৰদান কৰিছে।

ৰসৰ ক্ষেত্ৰত কাব্যখন অনুপম। বীৰ, হাস্য, শান্ত, ৰৌদ্ৰ, অদ্ভুত, কৰুণ, বীভৎস আদি ৰসৰ সমাবেশে ৰামায়ণৰ সুন্দৰা কাণ্ডটিৰ ৰসোত্তীৰ্ণ কৰিছে। সুন্দৰাকাণ্ডৰ যুদ্ধ বৰ্ণনাবোৰত যেনে হনুমন্ত আৰু জাম্বুৱানৰ যুদ্ধ, হনুমান আৰু বিৰুপাক্ষৰ যুদ্ধ, ইন্দ্ৰজিত আৰু হনুমানৰ যুদ্ধ, হনুমান আৰু ৰাক্ষসৰ যুদ্ধ আদি বৰ্ণনাৰ সংযোগত বীৰৰসৰ উদ্ৰেক সৃষ্টি কৰিছে। ৰাক্ষস-ৰাক্ষসীবোৰৰ আকাৰ, প্ৰকাৰ, চাল-চলন, পিন্ধন-উৰণ আদি বৰ্ণনাৰ মাজত বীভৎস ৰসৰ প্ৰকাশ ঘটিছে। হনুমানক দেখি ৰাক্ষসসমূহৰ অন্তৰত সৃষ্টি হোৱা ক্ৰোধ ভাৰত ৰৌদ্ৰৰসৰ সমাৱেশ হৈছে। সীতাৰ দুখ শোকৰ বৰ্ণনাৰ মাজত কৰুণ ৰস প্ৰকাশ পায়। কবি কন্দলীয়ে অতি সচেতনভাৱে ৰস প্ৰয়োগ কৰাত কাব্যখন অভিনৱ আৰু বৈচিত্ৰময় হৈ উঠা পৰিলক্ষিত হৈছে।

**সুন্দৰাকাণ্ডৰ মৌলিকত্ব আৰু বিশেষত্ব ঃ**

কবি কন্দলী বিশিষ্ট প্ৰতিভাৰ অধিকাৰী, সেয়ে মূল বাল্মীকি ৰামায়ণক অনুবাদ কৰোতে তেওঁ স্বকীয় কল্পনাৰে স্থানীয় ৰহণেৰে ৰচনা কৰাৰ বাবে কাব্যখন মৌলিকোপম আৰু আনন্দদায়ক ৰূপে পৰিগণিত হৈছে। ভাষাজ্ঞান আৰু সৌন্দৰ্যবোধত কবি অন্যান্য। লোকসমাজৰ আৱশ্যকতালৈ লক্ষ্য কৰিয়ে তেওঁ কাব্যখন আক্ষৰিক অনুবাদ গুৰুত্ব প্ৰদান নকৰি ভাবানুবাদ বা অভিযোজনাতহে অধিক গুৰুত্ব প্ৰদান কৰিছিল। সেই বুলি তেওঁ মূলক কতো ক্ষুণ্ন হ'বলৈ দিয়া নাছিল। সুন্দৰাকাণ্ডত কবিৰ মৌলিক সৃজনী প্ৰতিভাৰ সুন্দৰ বিকাশ ঘটা দেখা যায়। এই কাণ্ডটিৰ ভিতৰত

বিশেষভাৱে হনুমানে ৰাৱণৰ মধুফলৰ বাৰীখন ধ্বংস কৰিবলৈ বুলি ধাৰণ কৰা বামুণৰ বেশত কবিৰ স্বকীয় কল্পনা শক্তিৰ উমান পোৱা যায়।

'আপোন লাঙ্গুলে তান কান্ধৰ লগুণ ভৈল
জক জক কৰে ফোট দান্ত।
থিয় নাযায় হাতভৰি বৃদ্ধ ব্ৰাহ্মণৰ বেশ
দেখি সীতা হাসি তুলিলন্ত।।'

এনেবোৰ স্বকীয় বৰ্ণনাই কিন্তু পৰিৱেশ পৰিস্থিতিৰ স্বাভাৱিকত্বহে স্পষ্ট ৰূপত তুলি ধৰিছে। ৰাৱণৰ অশোক বন লণ্ড-ভণ্ড কৰা কাৰ্যত হনুমানৰ বান্দৰামিৰ চিত্ৰত কবিৰ কল্পনা শক্তিৰ চানেকি পোৱা যায় এনেধৰণে--

'আজোৰ পিজোৰ কৰি ডাল সব ভাঙ্গি মুৰি
সমস্তে কলমৌ ফল খাইল।
গণ্ডগলিত কৰি মধুফল ভুঞ্জিবীৰে
ঠিস ঠিস কৰিলন্ত পেট।।'
গৰ্ভৰ পুৰীষ জলে খখাৰে সিঙ্গুনে বান্তি
দুৰ্গম কৰিল সবে হেঠ।।

মুঠতে সুন্দৰাকাণ্ডৰ এনে ধৰণৰ আৰু অনেক উদাহৰণ আছে য'ত কবি কন্দলীৰ মৌলিক প্ৰতিভা আৰু উদ্ভাৱনা শক্তি অনুপম নিদৰ্শন পোৱা যায়।

সুন্দৰাকাণ্ডৰ বিশেষত্ব বিশেষভাৱে আকৰ্ষণীয়। সাতকাণ্ড ৰামায়ণৰ ভিতৰত সুন্দৰাকাণ্ডৰ বৰ্ণনা যথাৰ্থতেই সুন্দৰ। কেৱল যে ঘৰ, দুৱাৰ, নগৰ, অট্টালিকা, পৰ্বত, পাহাৰ, নদ-নদী, সাগৰ-মহাসাগৰৰ বৰ্ণনাহে অনুপম এনে নহয়; ইয়াৰ নৰ-নাৰী, ঋষি-মুনি, ৰাক্ষস-ৰাক্ষসী, বানৰ-বানৰী, ৰাম লক্ষ্মণ সীতা আদিৰো বৰ্ণনা অনপুম আৰু জীৱন্ত।

সুন্দৰাকাণ্ডটি অধিক সুন্দৰ আৰু মনোমোহা হোৱাৰ অন্যতম কাৰণ হ'ল প্ৰাকৃতিক সৌন্দৰ্য আৰু অসমৰ পৰিৱেশ পৰিস্থিতি নিপুণভাৱে চিত্ৰিত কৰাটো। অযোধ্যা কাণ্ড আৰু সুন্দৰাকাণ্ডত উল্লেখ থকা চৰাই-চিৰিকতি, গছ-গছনি, ফুল-ফল আদিয়ে ভাৰতীয় সমাজতকৈ অসমৰ অসমীয়া সমাজখনকহে অধিকভাৱে প্ৰতিফলিত কৰিছে। ৰাক্ষসবোৰে খেলি থকা খেলবোৰো আমাৰ অসমৰে খেলহে। যেনে--

'ঢোপ খেড়ি খেলাৱয় কতো লুনি লুনি।
গুৱাল গুৱালী খেলে আনন্দিত শুনি।।
ফল ফুল টোকৰা আৰৰ জুৱা পাশ।
দলি যুঁজ খেলে কতো লৰৰি হতাশ।।'

কন্দলী ৰামায়ণৰ প্ৰতিটো অধ্যায়েই স্বকীয় গুণসম্পন্ন আৰু মধুৰ। সুন্দৰাকাণ্ডই ইয়াৰ জলন্ত উদাহৰণ। সমগ্ৰ ৰামায়ণৰ আভাস কেৱল মাত্ৰ এটা কাণ্ডৰ অধ্যয়নৰ যোগেদি লাভ কৰাটো বিশিষ্ট কবিজনাৰ কাব্য প্ৰতিভাৰ উৎকৃষ্টতাৰ পৰিচায়ক মাথোন।■

**সত্যতেসে আছে ৰহি মহী চৰাচৰ।**
**সত্যসম ধৰ্ম্ম আউৰ নাহি পুৰুষৰ।।**
*ৰামায়ণ, উত্তৰাকাণ্ড-৫৭৫*

# ৰামায়ণৰ ইতিকথা

**শ্ৰীমহেন্দ্ৰনাথ হাজৰিকা**

ৰামায় ৰামচন্দ্ৰায় ৰামভদ্ৰায় বেধসে।
ৰঘু নাথায় নাথায় সীতায়াঃ পতয়ে নমঃ।।'

বেদ উপনিষদৰ পিছতে ভাৰতীয় হিন্দু সমাজত ৰামায়ণ আৰু মহাভাৰত মহাকাব্য দুখনে কেৱল ধৰ্মশাস্ত্ৰ হিচাপেই নহয় বিশ্বৰ দুখন শ্ৰেষ্ঠ মহাকাব্য হিচাপে সমগ্ৰ বিশ্বৰে স্বীকৃতি লাভ কৰিছে। ৰামায়ণ মহাকাব্যৰ কাহিনী ত্ৰেতা যুগৰ। ভাৰত বাসীয়ে ৰঘুকুল তিলক শ্ৰীৰামচন্দ্ৰক ত্ৰেতা যুগৰ বিষ্ণু অৱতাৰ বুলিয়ে মানে। এই মহাকাব্যখনি মহাকবি বাল্মীকিয়ে- ৰচনা কৰিছিল। বাল্মীকি মহাকবি কেনেকৈ হ'ল তাৰ বিষয়ে এটি উপাদেয় কাহিনী এই দৰে পোৱা যায়ঃ

আদিতে বাল্মীকি ৰত্নাকৰ নামে এক দস্যুহে আছিল। ব্ৰহ্মাৰ অনুগ্ৰহত তেওঁ মহাকবিলৈ ৰূপান্তৰ হ'ল। বহ্মাৰ আদেশ মানি তেওঁ আত্ম-সংশোধনৰ বাবে বহুকাল ঘোৰ তপস্যা কৰি থাকোঁতে উঁই পোকে মাটি তুলি তেওঁক বেঢ়ি পেলাইছিল। উঁইক বল্মীক বোলে কাৰণেই তেওঁৰ নাম বাল্মীকি হ'ল। তেওঁ তপস্যাৰ অন্তত তমসা নদীৰ তীৰত এখন আশ্ৰম পাতি বহুকাল যোগ-সাধনা কৰি আছিল। তপস্যাত থাকোঁতেই এদিন মহামুনি নাৰদ বাল্মীকিৰ আগত উপস্থিত। তেওঁ নাৰদৰ উপস্থিতি গম পাই ধ্যান ভঙ্গ কৰি ওলাই আহি নাৰদক পাদ্য অৰ্ঘ দি কুশাসনত বহুৱালে। দুয়োৰো কথোপকথন হ'ল। কথা প্ৰসঙ্গতে বাল্মীকিয়ে নাৰদৰ পৰা জানিব খুজিলে-- সেই কালৰ বীৰসকলৰ ভিতৰত কোনজন ক্ষত্ৰিয় বীৰনো জ্ঞান, বুদ্ধি, দান, যশ, দম আদি গুণেৰে শ্ৰেষ্ঠ। মহৰ্ষি নাৰদে ক'লে-- 'এই ভূ-ভাৰস্তত সূৰ্যবংশী ৰঘুকুলৰ ৰজা দশৰথৰ জেষ্ঠপুত্ৰ শ্ৰীৰামচন্দ্ৰই মহাজ্ঞানী, মহাধাৰ্মিক, মহাদানী, মহামানী শ্ৰেষ্ঠ বীৰ আৰু ৰঘুকুলৰ তিলক। শ্ৰীৰামচন্দ্ৰৰ সু-শাসনত ৰামৰাজ্য অযোধ্যা যেন স্বৰ্গৰাজ্যত পৰিণত হৈছিল। শ্ৰীৰামচন্দ্ৰৰ পিতৃ ভক্তি, ভাতৃ স্নেহ, ধৰ্ম নিষ্ঠা, সত্যবাদীতা, প্ৰজা বৎসল্য জগত বিখ্যাত।' মহৰ্ষি নাৰদৰ মুখৰ পৰা শ্ৰীৰামচন্দ্ৰৰ গুণাৱলী শুনি শ্ৰীৰামচন্দ্ৰৰ ব্যক্তিত্বৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ ধ্যানস্থ হ'ল। তেওঁ ধ্যান ভঙ্গ কৰি তাৰ পিছত তমসা নদীত স্নান কৰিলেগৈ। আশ্ৰমলৈ ঘূৰি আহোতে পথৰ দাঁতিত এজোপা বৃক্ষৰ ডালত এহাল ক্ৰৌঞ্চপক্ষী মিথুনাসক্ত হৈ ৰতিক্ৰীড়াৰ আনন্দত মতলীয়া হৈ আছে। তাৰ অলপ পিছতে তেওঁ দেখা পালে হঠাতে এটা ব্যাধে তাৰে এটাক শৰবিদ্ধ কৰি ভূপতিত কৰিছে। পক্ষীটোৰে মৃত্যু যন্ত্ৰণাত ছটফটাই থাকোতেই ব্যাধে তাক বুটলি লৈ গৈছে। লগৰ আনটোৱে আহি সেই স্থানতে ইনাই-বিনাই ক্ৰন্দন কৰি ঘূৰি ফুৰিছে। সেই বিৰহ বেদনাত ছটফটাই থকা চৰাইটোৰ মৰ্মবেদনা বাল্মীকিয়ে উপলব্ধি কৰিলে আৰু তেওঁৰ অন্তৰত আঘাত কৰি এক কৰুণ ভাৰৰ সৃষ্টি হ'ল। সেই মুহূৰ্ততে সেই কৰুণ ৰসৰ অভিব্যক্তি হিচাপে তেওঁৰ অজানিতে কৰুণ ৰসৰ ছন্দায়িত কাব্য স্বতঃস্ফুটভাৱে তেওঁৰ মুখৰ পৰা নিৰ্গত হ'লঃ

'মা নিষাদ প্ৰতিষ্ঠাংত্বম্‌গমঃ শ্বাশতীঃ সমাঃ।
যৎ ক্ৰৌঞ্চ মিথুনাদেকমৱধীঃ কাম মোহিতম্‌।।'

(হে ব্যাধ! যিহেতু তুমি মৈথুনাসক্ত বিহঙ্গ দুটাৰ এটাক তোমাৰ নিৰ্দয় হাতেৰে অকাৰণতে বধ কৰিলা, তাৰ বাবে তোমাৰ মহা পাপ হ'ল। এই পাপৰ বাবে তুমি গোটেই জীৱন অঘৰী হৈ কাল কটাব লাগিব।)

ওপৰৰ শ্লোকটি আছিল বাল্মীকিৰ কোমল অন্তৰত উদ্ভৱ হোৱা কাৰুণ্যৰ অভিব্যঞ্জনা। তথাপি তেওঁ ভাবিলে যে, তেওঁ ক্ৰোধৰ বশৱৰ্তী হৈ ব্যাধক অভিশাপ দিয়াৰ

অধিকাৰ আছে জানো? কিয় এনে হ'বলৈ পালে বুলি চিন্তা কৰি তেওঁ ধ্যানস্থ হ'ল। তেতিয়া হঠাৎ, ব্ৰহ্মা আহি তেওঁৰ আগত ওলাল। তেওঁৰ ধ্যান ভঙ্গ হ'ল। ব্ৰহ্মাক তেওঁ প্ৰণিপাত কৰি পাদ্য অৰ্ঘ দি সেৱা জনালে আৰু ব্ৰহ্মাক তেওঁ নিজৰ মানসিক অৱস্থাৰ কথা ব্যক্ত কৰাত ব্ৰহ্মাই বাল্মীকিক ক'লে– 'তুমি চিন্তা বা ভয় কৰিব নালাগে। তোমাৰ প্ৰতি এয়া ভগৱন্তৰ কৰুণা। সেয়ে তোমাৰ আজি কবিত্ব লাভ হৈছে। তেতিয়া বাল্মীকিয়ে ব্ৰহ্মাক আৰু কিবা সুধিব খোজোতেই ব্ৰহ্মাই ক'লে- 'তুমি যিজন মহান ব্যক্তি শ্ৰীৰামচন্দ্ৰৰ কথা সদায় ভাৱি থাকা, সেইজনৰ বিষয়ে যি জানা লিখা। তোমাৰ কাপৰ পৰা ওলোৱা শ্ৰীৰামচন্দ্ৰৰ কাহিনীয়েই এখন মহাকাব্য হ'ব আৰু সিয়ে জগত বিখ্যাত প্ৰথম ভাৰতীয় মহাকাব্যৰূপে পৰিগণিত হ'ব।' এইদৰে কৈয়েই ব্ৰহ্মা অন্তৰ্ধ্যান হ'ল। বাল্মীকিৰ চিন্তা হ'ল-- তেওঁ কিদৰে মহাকাব্য লিখে। তাতনো কি কি ৰসৰ সমাৱেশ ঘটাব? প্ৰথমে কি বুলি আৰম্ভ কৰিব?

তথাপি বাল্মীকিয়ে কাব্য ৰচনা আৰম্ভ কৰিলে জগতৰ লোকৰ কাৰণে। সেয়ে চতুবৰ্গ (ধৰ্ম, অৰ্থ, কাম, মোক্ষ) সাধনৰ সমল হ'ল। কাব্যখনৰ নাম দিলে 'ৰামায়ণ' (ৰাম - অয়ন (গতিপথ)। অৰ্থাৎ ৰামৰ কাহিনীৰ অগ্ৰগতি। তেওঁ আশা কৰিলে পৃথিৱীত চন্দ্ৰ সূৰ্য থাকে মানেই তেওঁৰ কাব্য বিলোপ নহয়।

'যাৱৎ তিষ্টন্তিগিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱৎ ৰামায়ণ কথা লোকেষু প্ৰচাৰিষ্যতি।।'

তেওঁৰ আশা বাস্তৱত পৰিণত লগে লগে হ'ল। তেওঁ সূৰ্যবংশৰ কাহিনীৰ পৰা আৰম্ভ কৰি কাব্যৰ নায়ক শ্ৰীৰামচন্দ্ৰ আৰু নায়িকা সীতাদেৱীৰ কাহিনীৰে (পাতাল প্ৰৱেশলৈকে) আৰু শ্ৰীৰামচন্দ্ৰ স্বৰ্গাৰোহণলৈ যাৱতীয় কাহিনী অগ্ৰগতি কৰাই সাতটা কাণ্ডত (আদিকাণ্ড, অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড, লঙ্কা কাণ্ড আৰু উত্তৰা কাণ্ড) ভাগ কৰি কাব্যখন সম্পূৰ্ণ কৰিলে। কাব্যত নৱৰসৰ সমাৱেশ ঘটিলেও কৰুণ ৰসেহে বিশেষ স্থান অধিকাৰ কৰিলে। তথাপি ই মহাকাব্য ৰূপে পৰিগণিত হ'ল-- বিশেষকৈ সমগ্ৰ উত্তৰ ভাৰতত।

মহাকবি বাল্মীকিয়ে ব্ৰহ্মাৰপৰা ৰামায়ণ ৰচনাৰ আদেশ পোৱাৰ পিছতে দেৱৰ্ষি নাৰদক সুধিছিল এইদৰে-

'কেনমতে ৰামায়ণ কৰিবো আটাই।
সিসৱ কাহিনী সৱে কঁহা মোৰ ঠাই।।
কোন কুলে ৰামচন্দ্ৰ হৈব উতপন্ন।
কোন দেশে কোন কৰ্ম কৰিব শোভন।।'

ইয়াৰ উত্তৰত 'শুনিয়োক মহাঋষি ৰামৰ চৰিত্ৰ চয়' বুলি নাৰদে ক'বলৈ আৰম্ভ কৰিলে এইদৰেঃ

'হৈবন্ত ইক্ষ্বাকু নামে ৰাজা অযোধ্যাত।
দশৰথ ৰাজা সেহিকুলে হৈব জাত।।
তানপুত্ৰ বিষ্ণু ৰামৰূপে অৱতৰি।
হৰিব ভূমিৰ ভাৰ ৰাক্ষস সংহৰি।।
ৰামৰ চৰিত্ৰ চয় অমৃত সমান।
শুনা অনুক্ৰমে ঋষি কঁহো বিদ্যমান।।'

ওপৰত উদ্ধৃতি দিয়া পদখিনিৰ পৰা এইটো প্ৰণিধানযোগ্য বিষয় যে, শ্ৰীৰামচন্দ্ৰৰ কাহিনীয়ে এই ৰামায়ণ মহাকাব্যৰ গতি নিয়ন্ত্ৰণ কৰিলেনে? ব্ৰহ্মা আৰু নাৰদৰ ৰাম জন্মৰ আগৰ পৰিকল্পনাই ৰামৰ কাহিনীৰ গতিপথ নিৰ্ণিত কৰা মতে ৰামায়ণ মহাকাব্যৰ সৃষ্টি হ'ল। উল্লেখ্য যে, আমাৰ অসমৰ মহাপুৰুষ শ্ৰীশ্ৰীমাধদেৱৰ সমসাময়িক কবি তুলসী দাসে (১৫২৩খৃঃ - ১৬২৩খৃঃ) ৰচনা কৰি যোৱা ৰামায়ণৰ কাহিনীমূলক কাব্যখনৰ নাম তেওঁ 'ৰাম চৰিত মানস' দিছিল। ইয়াত 'মানস' পদটো থকাৰ বাবে ৰামায়ণৰ কাহিনী পূৰ্ব পৰিকল্পিত কাল্পনিক কাহিনী বোলাৰো অৱকাশ নোহোৱা নহয়। এই তুলসী দাসে 'তেওঁৰ ৰামচৰিত মানস'ত শ্ৰীৰামচন্দ্ৰৰ মাহাত্ম্য পাঠকৰ হৃদয়গ্ৰাহী ৰূপে বৰ্ণনা কৰিছে। তেওঁ ৰামচৰিত মানসৰ 'বালকাণ্ড'ত সগুণ আৰু নিৰ্গুণ ভক্তিৰ মাজত পাৰ্থক্য থকা নাই। সেই কাৰণেই হয়তো তেওঁ শ্ৰীৰামৰ একনিষ্ঠ সেৱক হ'লেও অন্য দেৱ-দেৱীৰ পূজা সেৱাত ক'তো বাধা আৰোপ কৰা নাই। তেওঁ কৃষ্ণকো ভগৱান বুলি মানিছিল যদিও ৰামকহে পৰম ব্ৰহ্মৰূপে মানিছিল আৰু ৰাম নামহে তেওঁৰ শ্ৰেষ্ঠ আছিল।

আনহাতে মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে তাৰাৰ ভক্তিমাৰ্গৰ প্ৰধান শাস্ত্ৰ 'নামঘোষা'ৰ আৰম্ভণিতে কৈছে-

'সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।'

এইটো বিশেষভাৱে মন কৰিবলগীয়া কথা যে, উত্তৰ ভাৰতত যিদৰে 'ৰামভক্তি'য়ে প্ৰাধান্য লাভ কৰিছিল-- কামৰূপত সেইদৰে কৰা নাছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণ কৰি ঘূৰি অহাৰ পিচতহে কামৰূপত ৰামভক্তিয়েও প্ৰাধান্য লাভ কৰিছিল। গুৰুজনাই তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈ পোন প্ৰথমে ৰামভক্তিৰ প্ৰতি আকৃষ্ট হৈ বদৰিকাশ্ৰমতে আৰম্ভ কৰিছিল ব্ৰজাৱলী ভাষাৰে সকলোৰে বুজাকৈ এটি বৰগীত 'মন মেৰি ৰাম চৰণেহি লাগু' বুলি ৰামৰ চৰণত প্ৰণতি জনাই। ইয়াৰ আগতেও গুৰুজনাই পূৰ্বৱৰ্তী কবি মাধৱ কন্দলীয়ে সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰিছিল। পিছত সেই গ্ৰন্থৰ আগে-গুৰিয়ে দুটিকাণ্ড বিনষ্ট হোৱা বাবেই পুনঃ সেই দুটিকাণ্ড (আদিকাণ্ড আৰু উত্তৰাকাণ্ড শ্ৰীশ্ৰীমাধৱদেৱে আৰু গুৰুজনাই লিখি তাত সন্নিবিষ্ট কৰিলে। সেয়েহে শ্ৰীশ্ৰীমাধৱদেৱে ৰামভক্তিৰ প্ৰতি আকৃষ্ট হৈয়ে 'নামঘোষা' শাস্ত্ৰতো মূৰ্তিশূন্য ভগৱন্তক চিন্তা কৰিবলৈ, কেৱল ৰাম বুলি চিন্তা কৰিবলৈ এইদৰে কৈছে--

'অব্যক্ত ঈশ্বৰৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।
এতাৱন্ত মূৰ্ত্তি শূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।'

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তাৰাৰ কীৰ্তন ঘোষা পুথিৰ প্ৰথমতে চৰ্তুবিংশতি অৱতাৰৰ বৰ্ণনা দিছে। তাত শ্ৰীৰামচন্দ্ৰকো নাৰায়ণ বা বিষ্ণুৰ অৱতাৰ বুলিয়ে কৈছে 'শ্ৰীৰামৰূপে কৌশল্যাত অৱতৰি।' অৰ্থাৎ শ্ৰীৰামচন্দ্ৰও চৰ্তুবিংশতি অৱতাৰৰ ত্ৰেতাযুগৰ অন্যতম অৱতাৰ। শ্ৰীশ্ৰীমাধৱদেৱেও বিষ্ণুৰ মুখ্য দশ অৱতাৰৰ ভিতৰত শ্ৰীৰামচন্দ্ৰকো অন্যতম্ এক অৱতাৰী পুৰুষ বুলি 'নামঘোষা'ৰ প্ৰথমতে ব্যক্ত কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তাৰাৰ কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডৰ প্ৰথম অধ্যায়ত কৈছে--

'কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ।।'- বুলি

কৈছে যদিও তাৰাৰ চৰ্তুবিংশতি অৱতাৰত শ্ৰীকৃষ্ণক অৱতাৰৰ লেখত নধৰি জেষ্ঠ ভাতৃ বলোৰামকহে হলিৰাম অৱতাৰ নামে নিহিত কৰিছে। কাৰণ, কৃষ্ণস্তু ভগৱান্ স্বয়মং' বুলি বিভিন্ন শাস্ত্ৰত কৈছে। গতিকে তেওঁ স্বয়ং নাৰায়ণ ৰূপী। কৃষ্ণৰ জন্ম হওঁতে বসুদেৱে 'বিদিতো অস্মি ভগৱান্ স্বয়ং' বুলিহে ব্যক্ত কৰিছিল।

আমাৰ মহাপুৰুষীয়া নামধৰ্মত শঙ্কৰ-মাধৱ দুইজনাই ৰাম আৰু কৃষ্ণক অভেদতা প্ৰতিপন্ন কৰি গৈছে। সেয়ে, মৃত্যুৰ বেলা উপস্থিত হোৱা জনক ৰামনাম লোৱা বুলি স্মৰণ কৰাই দিয়া হয়। মহাপুৰুষ মাধৱদেৱে কৈছে-- চৈতন্য শক্তিৰ দ্বাৰা ভগৱানে এই জগতক ৰমন কৰা বাবে তেওঁক নাম 'ৰাম'। ৰাম শব্দটো ব্ৰহ্ম বাচক। সেয়ে সকলো প্ৰাণীতে বিৰাজ কৰি ৰমন কৰি থকা বাবে 'ৰাম'। কেৱল মাত্ৰ দশৰথৰ পুত্ৰ হিচাপেই সীমিত হৈ থকা নাই। তেওঁ সৰ্বব্যাপ্ত হৈ সৰ্বজীৱত বিৰাজ কৰে। সেই বাবেই মানুহে সঙ্কট কালত 'ৰাম' উচ্চাৰণ কৰিলে পৰিত্ৰাণ পাই বুলি বিশ্বাস। সেই কাৰণেই মাধৱদেৱে তাৰাৰ নামঘোষাত নামছন্দত এফাঁকি ঘোষাত এনেদৰে দিছে--

'ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম
ৰামতে ৰমোহোঁ সৰ্ব্বক্ষণ অবিৰাম।

ইয়াতে ৰাম নাম আৰু কৃষ্ণ নামৰ অভেদতা প্ৰকাশ পাইছে।■

# ৰামায়ণ জাতীয় জীৱনৰ দাপোণ

**শ্ৰীমীনা নাথ**

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী যেনেকৈ অতি আদৰৰ কীৰ্তিস্তম্ভ বুলি ধৰা হয়, তেনেকৈ ৰামায়ণ আৰু মহাভাৰত-- এই মহাকাব্য দুখনিও ভাৰতীয় জাতীয় জীৱনৰ অতি আদৰৰ প্ৰেৰণালব্ধ দৰ্শন গ্ৰন্থ। এই দুখনি মহাকাব্যৰ আধাৰত ভাৰতৰ বিভিন্নজনে বিভিন্ন ভাষাত বিভিন্ন গ্ৰন্থ প্ৰণয়ন কৰি প্ৰকাশ কৰিছে। যি নেকি আদি কাব্য হ'লেও সদায় নতুনত্ব লাভ কৰি আহিছে যদিও এই দুখন জনপ্ৰিয় গ্ৰন্থ ভিতৰত ৰামায়ণৰ স্থান অতি গুৰুত্বপূৰ্ণ। কাৰণ ৰামায়ণৰ মূল নায়ক ৰাম এজন মানৱ দেহধাৰী সত্যৰ প্ৰতীক। আনহাতে মহাভাৰতৰ মূল নায়ক স্বয়ং কৃষ্ণ।

ৰামায়ণ এখন বিচিত্ৰ মনোমোহা আৰু জ্ঞান সম্বলিত অতি মূল্যবান কাব্য। বিষ্ণু, লক্ষ্মী অৱতাৰী ৰাম সীতাক আদৰ্শ মানৱ ৰূপে প্ৰতিস্থিত কৰাই সাংসাৰীক জীৱনৰ মাজেৰে অঙ্কিত কৰি কবিৰ সুৰস লালিত্যপূৰ্ণ ভাষা, ঘৰুৱা অলঙ্কাৰ জাতীয় জীৱনৰ ৰীতি-নীতি, বিষাদ আনন্দ আদি মনোৰঞ্জক বৰ্ণনাৰে পৰিপূৰ্ণ হেতু সকলোৰেই ৰামায়ণখনিক আকোঁৱালী লয়। সংসাৰৰ দুখ যান্ত্ৰণা সাহসেৰে সন্মুখীন হ'বলৈ ৰামায়ণে মনত শক্তি সঞ্চাৰ কৰায়। ৰাজনৈতিক জগতেও পালন কৰিবলগীয়া সকলো নীতি জ্ঞানো ৰামায়ণৰ চৰিত্ৰ সমূহ পদানুসৰণ কৰিলে অতি সহজে লাভ কৰিব পৰা যায়। সেই কাৰণে--

'ত্ৰিভূৱন বন্দন দৈৱকী নন্দন
যোহৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।'

জগজন তাৰণ হেতু অৱতাৰী গুৰুজনাই কীৰ্তন, দশম, ভাগৱত আদিৰ উপৰি ৰামায়ণত হাত দিছিল আৰু সংসাৰলৈ থৈ গৈছে মহান উপদেশ--

'শুনা ৰামায়ণ সৱে সভাসদ যত।
হৰি ভকতিৰ দেখা পৰম মহত্ব।।
তৃণ বন বৃক্ষ পশু পতঙ্গৰো গতি।
একোৱে নবাছে দেখা হৰিৰ ভকতি।।

*-উত্তৰা কাণ্ড ৰামায়ণ*

অসমীয়া সপ্তকাণ্ড ৰামায়ণৰ আদিকাণ্ড মাধৱদেৱ মহাপুৰুষ জনাই, উত্তৰাকাণ্ড গুৰুজনাই আৰু বাকী পাঁচ কাণ্ড পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলীদেৱে ৰচনা কৰে। মূল বাল্মীকি ৰামায়ণৰ পৰা মাধৱ কন্দলীয়ে যে ৰামায়ণ লিখিছিল সেইটো শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই থিৰাংকৈ থৈছে--

'পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
তেৱে বিৰচিলা ৰামৰ কথা।
হস্তিৰ দেখিয়া লাদ শহা যেন ফাৰে মাৰ্গ
মোৰ ভৈলা তেহ্নয় অৱস্থা।।'

শঙ্কৰদেৱ

পূৰ্ব কবিজনাক উচ্চ আসনত ৰাখি গুৰুজনাই নিজকে তুচ্ছ জ্ঞান কৰি দেখুওৱাটোও এটা মহান আদৰ্শ। ইয়াৰ উপৰি কৃৰ্তিবাসৰ বঙলা ৰামায়ণ, মহাত্মা তুলসী দাসৰ হিন্দী ৰামায়ণে বৰ্তমান ইমানেই প্ৰচাৰ আৰু প্ৰসাৰতা পাইছে যে দূৰদৰ্শনৰ জৰিয়তে ভাৰতবৰ্ষৰ বিভিন্ন দূৰদৰ্শন কেন্দ্ৰই ভাৰতৰ কোটি কোটি দৰ্শকক মুগ্ধ কৰিবলৈ সক্ষম হৈছে। কিন্তু অসমীয়া ভাষাৰ প্ৰচাৰ প্ৰসাৰৰ ক্ষেত্ৰত সিমান গুৰুত্ব লাভ কৰা দেখা পোৱা নাযায়।

আদিকাণ্ড ৰামায়ণত মাধৱদেৱে লিখিছে যে জগতৰ কল্যাণৰ হকে সংসাৰ সাগৰৰ দুৰ্গম পাৰ দেখুৱাবলৈ নাৰায়ণে ৰামৰূপে অৱতাৰ হ'ব, সেই অৱতাৰ কাহিনী

ব্ৰহ্মাই বাল্মীকিৰ হতুৱাই সৰ্বজনৰ বিদিত কৰিবলৈ ক'লে-

'অনন্তৰে ব্ৰহ্মাদেৱে সেহি সময়ত।
সৰ্ব্বলোক হিত তেৱে চিন্তিয়া মনত।।
চৰাচৰ জগতৰ কুশল কাৰণে।
ৰাম ৰূপে অৱতাৰ হৈবা নাৰায়ণে।।
বাল্মীকিৰ মুখে সেই দিব্য কথা মৃত।
শ্লোক বন্ধে কৰাও সৰ্ব্বজনত বিদিত।।
তাকে শুনি ভনি সুখে তৰোক সংসাৰ।
হেন মনে শুনি ব্ৰহ্মা কৰিলন্ত সাৰ।।

-- আদিকাণ্ড ৰামায়ণ

এতিয়া কথা হ'ল তাকে শুনি, ভনি পালন কৰিলেহে সংসাৰ সাগৰ পাৰ হ'ব পৰা যাব। বৰ্তমান সমাজ ব্যৱস্থাৰ যি নৈতিক অধঃপতন ঘটিছে এনে সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে ৰামায়ণৰ চৰিত্ৰসমূহৰ আদৰ্শ অতি প্ৰয়োজন। ইয়াৰ চৰিত্ৰসমূহে সত্ব, ৰজ, ত্বম তিনিও গুণৰে চৰিত্ৰসমূহৰ কৰ্ম জীৱন অংকিত কৰি দেখুৱাইছে। এইতিনিও গুণৰ চৰিত্ৰসমূহ যদি ভালদৰে লক্ষ্য কৰি ছোৱা যায় তেনেহ'লে স্পষ্ট কৈ তিনি গুণৰ মাপ কাঠি ওলাই পৰিব। বুজিব পৰা যায় সত্য-অসত্য, ধৰ্ম-অধৰ্ম, কৰ্ম-অকৰ্ম, পাপ-পুণ্য ইত্যাদি। ৰাম সত্য আৰু ধৰ্মৰ প্ৰতীক। ৰামে পিতৃ সত্য পালন কৰি বনবাসত নিকাৰ ভূঞ্জি মহান আদৰ্শ দাঙি ধৰিছে। মাহী মাকৰ কথাত সত্যত আবদ্ধ হৈ ৰজা দশৰথ বিমোৰত পৰি মূৰ্চ্ছা গৈছিল। তথাপি ৰামক বনলৈ যাবলৈ অনুমতি দিয়া নাছিল। তেতিয়া ৰামে এজন আদৰ্শ পুত্ৰ ৰূপে ৰজা দশৰথক কৈছিল--

'পুত্ৰ হুয়া নপালয় পিতৃৰ বচন।
চিৰ কালে নৰকত পচে সিটো জন।।

-- ৰামায়ণ, আদিকাণ্ড

বৰ্তমান সময়ত ৰামৰ এই মহান আদৰ্শ কিমান যে প্ৰয়োজন হৈ পৰিছে! ভৰতৰ ভাতৃ ভক্তি, নিস্বাৰ্থ ভাতৃস্নেহৰ অক্ষয় কীৰ্তি কিমান যে মহান! লক্ষণ-হনুমানৰ অগাধ ভক্তি, সৎসাহ স্নেহে বৰ্তমান নৱ প্ৰজন্মক ভক্তি পৰায়ণ, স্নেহশীল তথা সংযমী আৰু সৎসাহসী হ'বলৈ প্ৰেৰণা যোগায়। সীতা, তাৰা, মন্দোদৰী একোগৰাকী নিষ্কলঙ্ক মনৰ স্নেহশীলা, অতিজ্ঞানী, দূৰদৰ্শী পৰামৰ্শদাত্ৰী পতিব্ৰতা গুণবিশিষ্ট উচ্চস্তৰৰ যুক্তি বিচাৰৰ প্ৰতিভু। সেইসকলৰ আদৰ্শ লৈ মাতৃসকল ওলাই আহিলে ধৰণী ফুলে-ফলে জাতিস্কাৰ হৈ উঠিব। যিহেতু প্ৰকৃত নাৰী ৰূপ হৈছে দয়া মমতা আৰু মাঙ্গলৰ প্ৰতীক। আনহাতে মন্থৰা ৰূপী কাল সৰ্পিনী একোগৰাকী নাৰীৰ প্ৰৰোচনাত পৰি কৈকেয়ীহেন স্নেহশীলা মাতৃয়েও ইমান হঠকাৰী নীচ কাম কৰি জগতৰ নাৰী জাতিৰ প্ৰতি কলঙ্ক স্বৰূপ হৈ পৰিছে। সেই কাৰণে মাধৱ কন্দলীয়ে অযোধ্যা কাণ্ড ৰামায়ণত দুঃসঙ্গৰ পৰা আতৰি থাকিবলৈ উপদেশ দিছে এনেধৰণে--

'হেন নিষ্ঠ জানি দুঃসঙ্গ তেজিয়া
লৈয়ো সঙ্গ মহন্তৰ।
তেসম্বে সহিতে বসি এক প্ৰীতি
শুনিও কথা ৰামৰ।।'

-- অযোধ্যা কাণ্ড

আনহাতে মাধৱদেৱে নামঘোষাত লিখিছে--

'মহন্ত সবৰ সঙ্গ লৈয়া হৰিত একান্ত চিত্ত দিয়া।
পৰম আনন্দে গায়ো হৰিগুণ নাম।।

মন্থৰা অসৎ সঙ্গৰ প্ৰতীক। মন্থৰাৰ কু-মন্ত্ৰণাত কৈকেয়ীৰ শুদ্ধ মনো কলুষিত হোৱাৰ দৰে অসৎ সঙ্গত পৰি সৎ স্বভাৱৰ লোকেও বেয়া পথ ল'ব পাৰে। সেই কাৰণে শাস্ত্ৰ সন্মত বিধানবোৰ সদায় অন্তঃকৰণেৰে পালন কৰাতো অতীৱ প্ৰয়োজন।

সেইদৰে ৰাৱণো হৈছে পাপৰ প্ৰতীক। কামনাৰ বশৱৰ্তী হৈ হিংসা, লালসা আৰু অসত্য পথত আগবাঢ়ি অনৈতিক কাম কৰিবলৈ পাপীয়ে ভয় নকৰে। পৰিণাম স্বৰূপে স্বৰ্ণ লঙ্কা চাইত পৰিণত হৈছিল। আনহাতে বিভীষণ হ'ল ধৰ্মৰ প্ৰতীক। বিভীষণে পাপী ৰাৱণক সৎপথলৈ আনিবলৈ বহুতো যত্ন কৰিও বিফল হ'ল। কাৰণ মহাভাৰতৰ ভীস্মই যেনেকৈ অহঙ্কাৰী দুৰ্য্যোধনৰ আহাৰ গ্ৰহণ কৰি তেজ কলুষিত হৈ কোনো কোনো ক্ষেত্ৰত মৌনতা অৱলম্বন কৰিব লগা হৈছিল, তেনেদৰে বিভীষণৰো সেই দশা হৈছিল। তেওঁৰ ধৰ্মৰ প্ৰভাৱতকৈ ৰাৱণৰ অধৰ্মৰ প্ৰভাৱ বেছি হৈছিল। সেই কাৰণে পাপীৰ অন্ন-জল গ্ৰহণ নকৰো বুলি ভগৱন্তৰ চৰণত আত্ম সমৰ্পণ কৰি বৈষ্ণৱ দৰ্শনৰ আৰ্হি দাঙি ধৰি গৈছে। ৰাজ্য ধন পুত্ৰ

ভাৰ্যা যে সকলো অসাৰ তাকো বিভীষণৰ চৰিত্ৰৰ মাজেদি প্ৰকাশ পাইছে। অধাৰ্মিক হোৱাৰ কাৰণে ককায়েকক ত্যাগ কৰি ৰামৰ ওচৰত আশ্ৰয় লৈছে। মহাপুৰুষ মাধৱদেৱে তেনেধৰণৰ উপদেশকে নামঘোষাৰ মাজেৰে প্ৰকাশ কৰিছে। এনেদৰে--

'হে কৃষ্ণ পুত্ৰ-পত্নী সঙ্গ   ত্যেজি তযু পদ চিন্তিনিত
গৰ্ব্ব শূন্য সন্তসবৰ আশ্ৰমে যাইবো।
তাসম্বাৰ মুখ পদ্মে বাজ   হইবে তযু কথামৃত নদী
তাতে মগ্ন হয়া দেহাৰ হাত এৰাইবো।'

নামঘোষা

বিভীষণে ৰাৱণক মাৰি ৰাজ্য ভাৰ ল'বলৈ আশা কৰা নাছিল। ৰামৰ চৰণত কায় বাক্যে মনে আত্ম সমৰ্পণ কৰি তেওঁতে সকলো অৰ্পণ কৰিছিল। সেয়ে ৰামে বিভীষণক একচত্ৰী ৰজা পাতি পাপৰ বিনাশ ঘটাইছিল।

আনহাতে ৰাৱণ বিভীষণৰ চৰিত্ৰৰ মাজেৰে ৰাজনীতি জগতৰ নীতি জ্ঞানখিনি অতিকৈ গ্ৰহণীয়। সেই নীতি জ্ঞান নমনাৰ কাৰণে স্বৰ্ণলঙ্কা ধ্বংস পাইছিল। যিবোৰ নীতি জ্ঞান বৰ্তমান লোপ পোৱাৰ উপক্ৰম হৈছে, যাৰ কাৰণে দেশ তথা সমাজ অধঃপতনৰ দুৱাৰ দলি পাৰ হৈছে। সেয়ে ৰামায়ণৰ জৰিয়তে সাম নীতি, দান নীতি, ভেদ নীতি, ধৰ্ম নীতি, দণ্ড নীতি, সমৰ বিদ্যা আদিৰ শিক্ষা যুৱক-যুৱতী আৰু শিশুসকলক দিব পাৰিলেহে ভৱিষ্যৎ সোণৰ অসমৰ মুখ দেখিবলৈ পোৱা হ'ব। ৰাম ৰাজ্য গঢ়িবলৈ হ'লে ৰামায়ণ নামৰ দাপোণখন অপৰিহাৰ্য। মাধৱ পুৰুষে নাম ঘোষাত কাকুতি কৰি লিখিছে-

'জ্ঞান শূন্য আতি পশুপক্ষী জাতিএ
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।।'

-- নামঘোষা

পশু-পক্ষীক জ্ঞান শূন্য বুলি জীৱ শ্ৰেষ্ঠ মানৱে অন্যায়ভাৱে বধ কৰি উদৰ পূৰ কৰে, পূজা শালত বলি দি ইন্দ্ৰিয় সুখ কামনা কৰে। তেনে পশু-পক্ষীৰো যে একোটা আত্মা আছে, সিহঁতোযে একে জীৱ, সিহঁতৰো দয়া মমতা, ভক্তি আদি গুণেৰে সৃষ্ট ভগৱান এজনেই এই জ্ঞানো ৰামায়ণৰ পৰা পোৱা যায়। জটায়ু, সম্পাতি, সুপাৰ্শ্ব পক্ষীৰ ভক্তি প্ৰকাশ পাইছে অৰণ্য কাণ্ড ৰামায়ণত। সীতাক ৰাখিবলৈ গৈ ৰাৱণৰ হাতত মুমূৰ্ষ হৈ ৰামৰ দৰ্শনলৈ অপেক্ষা কৰি জটায়ু পক্ষীয়ে কৈছিল--

'সদ গতি ভৈল তযু আগত মৰিবো।
চটক যোনিতে মই সংসাৰ তৰিবো।।
পৰম ঈশ্বৰ তুমি ভৈলা অৱতাৰ।

-- অৰণ্যকাণ্ড

তেনেকৈ সম্পাতি পক্ষীয়েও ৰামৰ সৈন্য সাম্যন্ত দৰ্শন হ'লতে পাখি গজি পুনৰ গতি কৰিব পৰা হৈছিল। হনুমান সুগ্ৰীৱ পশু হ'লেও ভগৱন্তৰ মহিমাৰ কথা বুজি পাইছিল। ভক্তৰ শাৰীত আজিও অমৰ হৈ আছে। যি পশু-পক্ষীক বধ কৰিলে প্ৰকৃতিৰ ভাৰসাম্যও লোপ পায় তাৰ জ্ঞানো ৰামায়ণে জগতলৈ থৈ গৈছে। গৃহাশ্ৰমৰ ধৰ্ম ৰামৰ চৰিত্ৰৰ মাজেৰে ৰামায়ণে সংসাৰলৈ থৈছে--

'হেনয় পৰম   ঈশ্বৰ আপুনি
ৰাম ৰূপে অৱতৰি।
গৃহস্থৰ যত   ধৰ্ম্মক প্ৰকাশ
কৰিলন্ত দেৱ হৰি।।'

-- অৰণ্যকাণ্ড

এখন গৃহ বিষয় বাসনাৰে ভৰা। সেই বিষয় বাসনাৰ যিখিনি বৈষয়িক জ্ঞান সেইখিনি ৰামায়ণৰ জৰিয়তে লাভ কৰিব পৰা যায়। সাংসাৰিক দুখ-যান্ত্ৰণা, ধ্যান-ধাৰণা, সহজ-সৰল, সততা বিনয়ী সংস্কৃতি সম্পনা দূৰদৰ্শীতা, ৰীতি-নীতি, সদাচাৰ আদি গুণসমূহ ৰাম সীতাৰ চৰিত্ৰৰ মাজেৰে মাধৱ কন্দলীয়ে সাৱলীল ভাষাৰে সুন্দৰকৈ প্ৰকাশ কৰিছে। ভগৱৎ ভক্তি আৰু ভক্তৰ তিনিওৰে সমাহাৰ ঘটায় ৰামায়ণ মহাকাব্য ভাগীয়ে ভক্তি ৰসৰ সোঁত বোৱাবলৈ সক্ষম হৈছে। মাধৱ কন্দলীয়ে সেয়ে উপদেশত উল্লেখ কৰিছে-

'শুনিলাহা সামাজিক ৰামৰ চৰিত্ৰ।
নানা ৰসে ৰসৱন্ত পৰম পৱিত্ৰ।।'

-- কিষ্কিন্ধ্যা কাণ্ড

সকলো ৰসেই ৰসামৃত এই ৰামায়ণ কাব্য।

ভক্তিৰস, কৰুণ ৰস, শৃংগাৰ ৰস আদি কৰি সকলো ৰসৰ মাজেদি ৰামায়ণত বিচাৰি পোৱা হয়-- শান্তি, সত্য, প্ৰেম, ক্ষমা, দয়া সহনশীলতাৰ মহত্ত্বপূৰ্ণ গুণৰাজিৰ নিদৰ্শন। যিবোৰ গুণৰ অবিহনে মানৱ সমাজ পশুৰ শাৰীলৈ অৱনমিত হয়। বৰ্তমান অশান্ত মানৱৰ সমাজ ব্যৱস্থাত ৰামায়ণৰ বহু আৱশ্যক। দাপোণত নিজৰ মুখৰ অৱয়ব

দেখা পোৱাৰ দৰে ৰামায়ণৰ চৰিত্ৰসমূহৰ মাজেদি দেখা পোৱা হয় শান্তি সন্ধানৰ পথ। ইয়াৰ জৰিয়তে বৰ্তমান শিশুৰ চৰিত্ৰ গঠনত সহায়ক হয়। সত্য শুদ্ধ সদাচাৰ ভক্তি আনুগত্য আদি অৱলম্বনীয় গুণসমূহৰ অনুভূতি জগাই তোলে ৰামায়ণৰ চৰিত্ৰ সমূহে। সেয়ে ৰামায়ণ অধ্যয়ন বা পালন অতি দৰকাৰী।

‘বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহয় নিশ্চয়
জানা তত্ব এহি মানে।।’--নামঘোষা

উপৰউক্ত সকলো গ্ৰন্থই বা শাস্ত্ৰই মাত্ৰ এটা পথকেইহে দেখুৱাইছে কৃষ্ণ নাম। আনহাতে মাধৱদেৱে নামঘোষাত আৰু কৈছে--

‘শ্ৰীৰাম নাম ভকত জনৰ
মহা ধন হীৰা বিত্ত।
সংসাৰ সাগৰ তাৰ দুৰ্গ পাৰ
শ্ৰীৰাম নাম নিশ্চিত।।’
-- নামঘোষা

গতিকে ৰাম আৰু কৃষ্ণই সংসাৰ সাগৰৰ আকাৰহীন জাহাজ।■

**ৰাম নাম বিনে নাহি সংসাৰ নিস্তাৰ।**
**হেন জানি ৰামৰ চৰিত কৰা সাৰ।।**
**ৰাম নাম প্ৰমত্ত সিংহৰ মহানাদে।**
**পলায় পাপহস্তীযুথ পৰম বিষাদে।।**
*ৰামায়ণ, উত্তৰাকাণ্ডৰ মঙ্গলাচৰণ*

# শ্ৰীমন্ত শঙ্কৰদেৱৰ উত্তৰাকাণ্ড ৰামায়ণ ঃ এটি চমু আলচ

**শ্ৰীৰথীন্দ্ৰ দত্ত**

'গুৰুচৰিত কথা'ত উল্লেখ আছে, মাধৱ কন্দলিৰ ৰামায়ণ 'ঢাকি তুচকৈ গুচাবৰ মন দিলে অনন্ত কন্দলিএ ঃ তেহে গুৰুজনত বিপ্ৰে স্বপ্নতে শৰণাপন হৈ প্ৰাৰ্থিলৈ ৰবৰ হেতু।।' (ছেদ-২৩৪) তেতিয়া হেনো মাধৱ কন্দলীৰ ৰামায়ণখনৰ আদিকাণ্ড মাধৱপুৰুযে আৰু উত্তৰাকাণ্ড গুৰুজনাই ৰচনা অৰ্থাৎ অনুবাদ কৰি সপ্তকাণ্ড ৰামায়ণখন সম্পূৰ্ণ কৰি ৰাখিলে।

চৰিতপুথিৰ সপোনৰ কথা যিয়েই নহওক, এই কথা সত্য যে প্ৰাক্‌শঙ্কৰী যুগৰ 'অপ্ৰমাদী' কবি মাধৱ কন্দলীৰ বাল্মীকি ৰামায়ণৰ অসমীয়া অনুবাদ গ্ৰন্থখনৰ কালক্ৰমত প্ৰথম আৰু শেহৰ কাণ্ড দুটা নোহোৱা হোৱাত আমাৰ মহাপুৰুষ দুজনাই সেই দুটা পুনৰুদ্ধাৰ কৰি ৰামায়ণখনৰ লগতে অসমীয়া ৰামায়ণী সাহিত্যৰ ভঁৰালো হৰণ-ভগন নোহোৱাকৈ ৰক্ষা কৰিলে।

ব্ৰহ্মা, হৰি, হৰই যিজনৰ আজ্ঞা নতশিৰে বহন কৰিছে, বিভিন্ন সময়ত মৎস্য, কুৰ্ম আদি বিবিধ অৱতাৰ ধাৰণ কৰি যিজনে এই সৃষ্টি সুকলমে বৰ্তাই ৰাখিছে, যিজন ভকতৰ নৱনিধি (ভাগৱত, ১ম স্কন্ধ, পদ-৭৯৭-৯৯) সেই পৰমেশ্বৰ কৃষ্ণই মহাপুৰুষ শঙ্কৰদেৱৰ উপাস্য দেৱতা। তাৰাৰ লেখনিৰ প্ৰায় সকলো ঠাইতে গুৰুজনাই দৈৱকীনন্দন কৃষ্ণৰ বন্দনা কৰিছে, কৃষ্ণৰে গুণানুকীৰ্তন কৰিছে, নিজক কৃষ্ণৰ কিঙ্কৰ বুলিয়ে আত্ম পৰিচয় দিছে।

মহাপুৰুযে সেই ব্ৰহ্মৰূপী সনাতন, সৰ্ব অৱতাৰৰ কাৰণ (কীৰ্ত্তন-১) কৃষ্ণৰে গুণানুকীৰ্তন কৰিছে, লীলা-চৰিত বৰ্ণাইছে আৰু সংস্কৃতৰ পৰা সুললিত অসমীয়া পদ্য ছন্দত কৃষ্ণৰ কথাখিনি তাৰাৰ বিভিন্ন সাহিত্য কৃতিত অনুবাদ কৰিছে। মুঠ কথা, কৃষ্ণই শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ হৰিনাম ধৰ্মৰ, তাৰাৰ সাহিত্যকৃতিৰ আৰু জীৱনচক্ৰৰ কেন্দ্ৰবিন্দু।

পূৰ্ণ অৱতাৰ কৃষ্ণৰ কাহিনী আৰু গুণ চৰিত্ৰই মহাপুৰুষৰ ৰচনাৰ সিংহভাগ অধিকাৰ কৰি থাকিলেও কৃষ্ণৰ পিছতে অন্যান্য অৱতাৰসমূহৰ ভিতৰত ৰামৰ চৰিত্ৰই তাৰাৰ ৰচনাত গুৰুত্ব লাভ কৰিছে। 'শুন শুন ৰে সুৰ' ৰে আৰম্ভ হোৱা বৰগীতটিৰ পিছতে আমি এইক্ষেত্ৰত নাম ল'ব লাগিব বাল্মীকি ৰামায়ণৰ গুৰুজনাই কৰা অনুবাদৰ উত্তৰাকাণ্ডৰ। অৱশ্যে 'নৰসিদ্ধ সংবাদ'ৰ কলিৰ স্তুতিত মহাপুৰুষৰ বন্দনাত কৃষ্ণৰ লগতে ৰামচন্দ্ৰৰো গৰিমা বখনা হৈছে-

'হে কৃষ্ণ বন্দো হেৰা চৰণ তোমাৰ।
শ্ৰীৰামচন্দ্ৰ ৰূপে ধৰি অৱতাৰ।।
পিতৃৰ আদেশে ছাড়ি ৰাজ্য অভিলাষ।
পত্নী সীতা সহিতে খপিলা বনবাস।।' ৩৮৫-৮৬

অন্ন ৰন্ধন কৰোতে এটা মাত্ৰ চাউল পিটিকি চায়েই যেনেকৈ গোটেইখিনি সিজাৰ উমান ল'ব পাৰি, বিশাল মহাসাগৰৰ সমুদায় পানীৰ যি ৰাসায়নিক চিহ্ন $H_20$, সেই মহাসাগৰৰ পানীৰ এটা মাত্ৰ টোপালৰো সেই একে চিহ্ন আৰু একেই গুণাগুণ, তেনেদৰে মহাপুৰুষ শঙ্কৰদেৱৰ সমগ্ৰ ৰচনাৱলীত যি শিক্ষা নিহিত আছে, এটা মাত্ৰ আখ্যান, উপাখ্যান বা সাহিত্যকৃতিতো সেই একে শিক্ষা, নীতি বা আদৰ্শৰ উমান পোৱা যায়।

উত্তৰাকাণ্ড ৰামায়ণতো মহাপুৰুষৰ শিক্ষা অৰ্থাৎ হৰিনাম ধৰ্মৰ নীতি আদৰ্শৰ প্ৰতিফলন কেনেদৰে ঘটিছে, তাৰ আভাস দিবলৈ প্ৰবন্ধটোত কৰা প্ৰয়াস হ'ল।

প্ৰথম কথা, একেশ্বৰবাদেই শঙ্কৰী আদৰ্শৰ মূল

বিষয়। কায়-বাক্য-মনে এককৃষ্ণদেৱত শৰণেই মনুষ্য দেহ ধৰাৰ সাৰ্থকতা। কোনো অৱস্থাতে আনক ভজনা কৰিব নালাগে, উত্তৰাকাণ্ডত মহাপুৰুষৰ বাণী--

'পৰম পুৰুষ হৰি যাৰ নাম লৈলে তৰি
তাঙ্ক এৰি আনকেসে ভজে।
যেন অন্ধ নাৱ এৰি দুৰ্ঘোৰ সংসাৰে পৰি
কৌটি জনমক লাগি মজে।।' ৩২৪

দ্বিতীয়তে, দেৱতাৰ ক্ষেত্ৰত যেনেকৈ আনৰ সেৱা পৰিত্যাজ্য, সাধনৰ ক্ষেত্ৰতো তেওঁৰ নামৰ বাদে অন্যত্ৰ ধৰ্ম সযতনে পৰিহাৰ কৰি চলিব লাগিব। নহ'লে নামঘোষাত উল্লেখ কৰা ধৰণে ফলহীন শ্ৰমহে কৰে। ৰামায়ণত গুৰুজনাই কৈছে--

'স্বভাৱে কলিৰ লোক ভৈল মন্দমতি।
কিমতে সাধিবে আন ধৰ্ম্মে আউৰ গতি।।
কলিৰ ভয়ত ধৰ্ম্মে কৈত নপাই ঠাই।
হৰিৰ নামত ৰৈলা শৰণ সোমাই।। ৫৬-৫৭

* *

ধৰ্ম্মৰ ভাঙ্গিলে কলি চাৰিয়ো চৰণ।
হৰিৰ নামত ধৰ্ম্মে পশিল শৰণ।।
হেন হৰি নামক সততে যিটো গাৱে।
সি সি জনে সমস্ত পুণ্যৰ লাগ পাৱে।।৩০৭

* *

সত্য যুগে পূজে বিষ্ণু ধৰিয়া সমাধি।
মহা মহা যজ্ঞে ত্ৰেতা যুগত আৰাধি।।
যেন গতি দ্বাপৰত পূজি ভক্তিভাৱে।
কলিত কীৰ্ত্তন কৰি সৱে ফল পাৱে।।' ৬৭৩ ইত্যাদি

তৃতীয় কথা, একশৰণ হৰিনাম ধৰ্মত সাধ্যবস্তু যেনেকৈ এজন, অৰ্থাৎ কৃষ্ণহে সাধনো যেনেকৈ কেৱল তেওঁৰ নামহে, সাধকো ইয়াত উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্য আদি ভেদৰহিত। এনেজনকে ভকত অভিধাৰে বুজোৱা হৈছে।

'নাম সুমৰণে মাত্ৰ চণ্ডালো যজ্ঞৰ পাত্ৰ
হুইবেক উচিত কিনো দেখা।
চাৰিয়ো বেদৰ সাৰ নামৰ আগত আৰ
আন পাতকৰ কোন লেখা।।'৪৬৬

* * *

জাতি অজাতি একোৱে নবাচে
হেনসে হৰিৰ নাম।৫৩২

এনে ভকতৰ মাহাত্ম্য মহাপুৰুষৰ ৰচনাৰ প্ৰায় প্ৰতি অধ্যায়তে বৰ্ণিত হৈছে। উত্তৰাকাণ্ড ৰামায়ণৰ ৬৫৯ সংখ্যক পদত শ্ৰীৰামচন্দ্ৰই ভক্ত হনুমানক কৈছে যে য'ত ভকত থাকে, সেই ঠাই বিষ্ণুপুৰ অৰ্থাৎ বৈকুণ্ঠত পৰিণত হয়।

এই তিনিটা মূল কথাৰ উপৰি শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শৰ এটা অপৰিহাৰ্য উপাদান হ'ল মানৱীয় গুণৰ কৰ্ষণ। সত্যতা মানুহৰ ভূষণ। গুৰুজনাৰ প্ৰথম সাহিত্যকৃতি 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত যেনেকৈ 'সত্যে নেই উৰ্দ্ধক অসত্যে অধোগতি' (পদ- ২৬৫) বুলি সত্যতাৰ গুণগান কৰা হৈছে, উত্তৰাকাণ্ড ৰামায়ণতো অনুৰূপ বাণী ধ্বনিত হৈছে-

'সত্যতেসে আছে ৰহি মহী চৰাচৰ।
সত্যসম ধৰ্ম্ম আউৰ নাহি পুৰুষৰ।।' ৫৭৫

পতি-পত্নীৰ মাজৰ পাৰস্পৰিক স্নেহ সুস্থ পৰিয়ালৰ সঁচা কাঠি। এনে সুস্থ পৰিয়ালতহে গুৰুধৰ্ম সুন্দৰভাৱে ৰক্ষিত হ'ব পাৰে। স্বামীৰ কৃতকৰ্মৰ বাবে বিনা দোষত লাঞ্ছিতা হৈ প্ৰাণ উজাৰি ৰামক ধিক্কাৰ দিও সীতাদেৱীয়ে পাতাল প্ৰৱেশৰ সময়ত উপস্থিত সমস্তৰে আগত এনেদৰে কৈছে--

'একচিত্তে কৰিলোহো আহাঙ্কেসে সেৱ।
মইতো জানো স্বামীসে পৰম মোৰ দেৱ।।
স্বামী তপ জপ যজ্ঞ স্বামী যোগ ধ্যান।
স্বপনে সচিতে মই নিচিন্তিলো আন।।' ৩৬৩-৬৪

ঠিক তেনেদৰে সীতাৰ পাতাল প্ৰৱেশৰ পিছত ৰামচন্দ্ৰৰো অৱস্থা তথৈবচ হৈছে। বাতুল প্ৰায় হৈ তেওঁ বসুমতীক কৈছে--

'সীতাৰ লগতে মোক যেন যুৰাই হোক।
ফাট দিয়া দেৱী ময়ো যাওঁ পৰলোক।।' ৪১৯

গুৰুজনা অনুদিত ৰামায়ণৰ কাণ্ডটিত মানৱ জীৱনৰ ক্ষণভঙ্গুৰতাই কথাই প্ৰচ্ছন্নৰূপত আছে। সীতাক বনত এৰি থৈ অহাৰ পাছত শোকসন্তপ্ত ৰামক ভৰত প্ৰমুখ্যে

**নাম-ধৰ্ম**

ভাতৃসকলে এনেদৰে বুজনি দিয়ে--

'পুত্ৰ দাৰাৰ বান্ধৱ যতেক পৰিকৰ।
হেন জানা সৱে শোক সন্তাপৰ ঘৰ।।
ক্ষেণেকে সংযোগ হৱে ক্ষেণেকে বিয়োগ।
মিছা বিষয়ত কিছু নাহি সুখভোগ।।
যেন ফেনচয় আসি হোৱে একঠাই।
জলৰ বেগত বাজি তিলেকে মিলাই।।
বান্ধৱৰ সমাগম তেহ্নয় অথিৰ।
ধৈৰ্য্যেসে ঔষধ দদা আপদ ব্যাধিৰ।। ২৪২-৪৩

তৎসম, তদ্ভৱ, দেশী শব্দৰ সুন্দৰ সমাহাৰ, পোনপটীয়া সহজবোধ্য বাক্যবিন্যাস; সুন্দৰ উপমা, পটন্তৰ, ভাৱ আৰু ভাষাৰ অনুপম সাহচৰ্য আদিয়ে উত্তৰাকাণ্ড ৰামায়ণৰ সাহিত্যিক সৌন্দৰ্য যেনেকৈ অক্ষুণ্ণ ৰাখিছে, একশৰণ হৰি নামধৰ্মৰ তাৎপৰ্য বহনকাৰী সাহিত্যকৃতি হিচাপেও ইয়াৰ গৌৰৱ অটুট আছে।■

---


**সহায়ক গ্ৰন্থ ঃ**

১. হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাঃ) ঃ শ্ৰীশঙ্কৰ বাক্যামৃত (২য় সংস্কৰণ)

২. ড° মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰুচৰিত কথা, ১৯৮৭


হেন নিষ্ঠ জানি দুঃসঙ্গ তেজিয়া
লৈয়ো সঙ্গ মহন্তৰ।
তেসম্বে সহিতে বসি এক প্ৰীতি
শুনিও কথা ৰামৰ।।

*অযোধ্যা কাণ্ড*

# ৰাম ঃ সৰ্বকালৰ এগৰাকী আদৰ্শ নায়ক

**শ্ৰীদীপ্তি মহন্ত**

পৰম পুৰুষ ভগৱান কৃষ্ণই লীলা কৰ্মৰ উদ্দেশ্যে ধাৰণ কৰা অলেখ অৱতাৰৰ ভিতৰত শ্ৰীৰামচন্দ্ৰ বা সূৰ্যবংশীয় দাশৰথী ৰামৰ অৱতাৰেই সৰ্বোত্তম, সবাতোকৈ শক্তিশালী আৰু শ্ৰেষ্ঠ অৱতাৰ বুলি গণ্য কৰা হয়। এই অৱতাৰ হৈছে শৌৰ্য, বীৰ্য, পৌৰুষ, অনুপম শাৰীৰিক সৌন্দৰ্য, পিতৃ-মাতৃৰ প্ৰতি ভক্তি আৰু বাধ্যতা, প্ৰজা বৎসলতা, ত্যাগ আৰু উচ্চ আদৰ্শৰ জলন্ত প্ৰতিমূৰ্তি স্বৰূপ। এই সমস্ত গুণেই এগৰাকী প্ৰকৃত নায়কৰ চৰিত্ৰত বিদ্যমান থকাতো সৰ্বসাধাৰণে একান্তভাৱে বিচাৰে। সেয়ে শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ ভগৱানৰ সৰ্বশ্ৰেষ্ঠ অৱতাৰ স্বৰূপে সৰ্বজন পূজিত আৰু জনপ্ৰিয়। একে কাৰণতে সৰ্বসাধাৰণে নিজৰ সন্তান অথবা প্ৰিয়জনকো সম্পূৰ্ণ তেনেৰূপত নহ'লেও আংশিকভাৱে হ'লেও এনে গুণৰাশিৰ অধিকাৰী হোৱাতো বিচাৰে। অনাদি কালৰ পৰা আজি পৰ্যন্ত ভাৰতবৰ্ষৰ এক বুজনসংখ্যক লোকে ৰামক ঈশ্বৰ, পৰম উপাস্য দেৱতা, আদৰ্শ নায়ক আৰু পৰম প্ৰিয়জন স্বৰূপে জ্ঞান কৰি আহিছে। শ্ৰীৰামচন্দ্ৰই যিবোৰ পৰিস্থিতিত যি যি কৰ্ম আচৰণ কৰিছিল ভক্তসকলে আজিও তেনেধৰণে চলিবলৈ চেষ্টা কৰে। গীতাত ভগৱান শ্ৰীকৃষ্ণই নিজমুখে কৈছে--

'যদ যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰো জনঃ।

স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুৱৰ্ত্ততে।।২১/৩

অৰ্থাৎ, সমাজৰ শ্ৰেষ্ঠজনে যি যিবিলাক আচৰণ কৰে ঠিক তেনেধৰণে সাধাৰণসকলেও সেই সেই আচৰণকে কৰে আৰু সেই শ্ৰেষ্ঠজনাই যিটো সত্য বুলি প্ৰমাণ কৰি দেখুৱায় লোকসকলে তাকে বিনা প্ৰতিবাদে মানি লয়। ভাৰতবৰ্ষৰ অধিকাংশ জনগণৰ অন্তৰত শ্ৰীৰামচন্দ্ৰইও একে ধৰণৰ স্থান অধিকাৰ কৰি আহিছে।

অধিকন্তু পৰিয়ালত জন্ম হোৱা মৰমৰ সন্তানটোৰ নামকৰণ কৰোঁতেও ল'ৰাটিৰ নামত ৰাম শব্দটো থকাটোও একপ্ৰকাৰ নিয়ম বুলি ধৰা হয়। সেয়েহে ৰামভক্ত এইসকল লোকৰ বিশেষকৈ উত্তৰ ভাৰতীয় লোকৰ নামসমূহ ৰামবিলাস, ৰামপ্ৰসাদ, ৰামচৰণ, ৰামনাথ, ৰামকৃপাল, ৰামজনম, ৰামলক্ষণ আদি হোৱা দেখা যায়। বহুতে আকৌ ৰাম শব্দটো উপাধি স্বৰূপে ব্যৱহাৰ কৰা দেখা যায়। যেনে-- মধুসূদন ৰাম, জগজীৱন ৰাম আদি।

বাল্মীকি ৰামায়ণত শ্ৰীৰামচন্দ্ৰক সৰ্বপ্ৰকাৰ গুণেৰে বিভূষিত এজন মহানায়কৰ ৰূপত দাঙি ধৰা হৈছে আৰু মহাকাব্যখনিৰ ৰসঘন কাহিনী ভাগ বিশ্লেষণ কৰি চালে এই কথাৰ সত্যতা বা যথাৰ্থতা পৰিস্ফুট হৈ পৰে। অন্য এখনি অতি জনপ্ৰিয় কাব্য মহন্ত তুলসীদাসৰ ৰাম চৰিত মানসতো মহানায়ক ৰামক কবিয়ে একে ৰূপত দাঙি ধৰিছে যদিও দুয়োখনি কাব্যত বৰ্ণিত ৰামৰ চৰিত্ৰত এটি সূক্ষ্ম পাৰ্থক্য ধৰা পৰে। বাল্মীকি ৰামায়ণত মহানায়ক ৰামৰ চৰিত্ৰ অঙ্কণ কৰোঁতে মহাকবিজনাই ভক্তিৰস সৃষ্টিত (ৰামৰ প্ৰতি) বেছি গুৰুত্ব দিয়া যেন বোধ নহয়। ভগৱানৰ সৰ্বোত্তম অৱতাৰ ৰামৰ লীলা কৰ্ম শ্ৰৱণ-কীৰ্তন কৰি ত্ৰিতাপত সন্তাপিত মানৱে ভক্তিত আপ্লুত হৈ ৰামৰ কৃপালাভ কৰি সংসাৰ সাগৰ পাৰ হ'ব লাগে এনে উপদেশ স্থান বিশেষে কদা কাচিৎ পোৱা যায় যদিও শূৰশাৰ্দ্দূল ৰামৰ শৌৰ্য, বীৰ্য, পৰাক্ৰম আৰু মহিমা প্ৰকাশতহে বেছি গুৰুত্ব আৰোপ কৰা দেখা যায়। অন্যহাতে ৰামচৰিত মানস হৈছে ভক্তিৰসৰ নিধিস্বৰূপ। যি ভক্তিৰসৰ প্ৰেৰণাৰে অতি মধুৰ ভাষাৰে তুলসীদাসে কাব্যখনি ৰচনা কৰিছে পাঠকেও পঢ়ি যাওঁতে সেই ৰস আস্বাদন কৰি প্ৰেমানন্দও আপ্লুত হ'ব পাৰে।

দশৰথ ৰজাৰ বৃদ্ধকালত জন্ম হোৱা সকলোৰে আলাসৰ লাৰু ৰূপে গুণে শ্ৰেষ্ঠ জেষ্ঠ ৰামৰ বাল্যকাল

পাৰ হৈছিল সীমাহীন মৰম, চেনেহ, আদৰ, আশ্বাস, যত্ন আৰু প্ৰেমৰ মাজেদি। এনে পৰিস্থিতিত অবুজন বয়সৰ শিশুসকল সাধাৰণতে অবাধ্য, অহংকাৰী আৰু আকোঁৰগোজ মনোভাৱৰ হোৱা দেখা যায়। তাৰ বিপৰীতে শিশু ৰামচন্দ্ৰ আছিল পিতৃ-মাতৃ তথা জেষ্ঠসকলৰ প্ৰতি পৰম শ্ৰদ্ধালীল, বাধ্য আৰু কৰ্তব্য পৰায়ণ। তেওঁ ভাতৃসকলৰ প্ৰতিও মৰমিয়াল আৰু উচ্চ আদৰ্শৰ প্ৰতীক স্বৰূপ আছিল। সেই বয়সতে তেওঁ আছিল প্ৰজাসকলৰ প্ৰতি সহনশীল আৰু দয়াপৰৱশ। গুৰু বশিষ্ঠ তথা অন্যান্য ঋষি মুনিসকলৰ প্ৰতিও তেওঁ আছিল শ্ৰদ্ধাশীল আৰু একান্ত বাধ্য। শিশুকালতে তেওঁৰ চৰিত্ৰত প্ৰকাশ হোৱা এই গুণসমূহ তাৰাৰ দীঘলীয়া জীৱন কালৰ কোনো ক্ষণ বা পৰিস্থিতিতে স্খলন হোৱা দেখিবলৈ পোৱা নাযায়।

যুৱক ৰামৰ চৰিত্ৰও সমানেই আকৰ্ষণীয়, হৃদয়স্পৰ্শী আৰু উচ্চ আদৰ্শমূলক। যি ৰাজ্য আৰু সিংহাসনৰ আকৰ্ষণ তথা প্ৰলোভনে মানুহক অন্ধ নিৰ্মম, স্বাৰ্থপৰ আৰু নীতিহীন কৰি তোলে সেই ৰাজ্য আৰু সিংহাসন, ভোগবিলাস আৰু ক্ষমতাৰ মোহ অকাতৰে পৰিহাৰ কৰি পিতৃবাক্য পালন আৰু সত্য ৰক্ষাৰ কাৰণে চৈধ্য বছৰকাল বনবাস খটাতোকে তেওঁ শ্ৰেষ্ঠ বুলি সিদ্ধান্ত ল'লে। বনবাসৰ কঠোৰ জীৱন সীমাহীন দুখ কষ্টইও তেওঁক নীতি আদৰ্শৰ পৰা বিচলিত কৰিব পৰা নাছিল। বৰঞ্চ এইবোৰ মানৱ জীৱনৰ একোটা এৰাব নোৱাৰা পৰিঘটনা তথা বৈচিত্ৰৰ উৎস স্বৰূপে গণ্য কৰি এইবোৰক সহজভাৱে লৈছিল। তাৰ ফলত শ্ৰীৰামচন্দ্ৰই আমাক দেখুৱাই গৈছে যে আজিৰ ৰজা কালিলৈ ভিক্ষাৰীও হ'ব পাৰে আৰু আজিৰ বিলাস-বৈভৱ, ভোগ, আৰামৰ পৰিৱৰ্তে কালিলৈ হয়তো অভাৱ, দুখ-কষ্ট আৰু আশাভঙ্গৰ বেদনাহে লাভ হ'ব পাৰে। কিন্তু তাত বিচলিত নহৈ সেয়া কৰ্মফল আৰু সহনশীলতা, ধৈৰ্য তথা অভিজ্ঞতাৰ কাৰক স্বৰূপেহে আদৰি ল'ব লাগে। বন্ধুবৎসলতা, প্ৰতিজ্ঞা ৰক্ষা, মন আৰু চৰিত্ৰৰ দৃঢ়তা, ভোগ-বিলাস আৰু অলস জীৱনৰ প্ৰতি অনীহা আদিও শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰত স্পষ্টভাৱে প্ৰতীয়মান হয়। বনবাসৰ কালতেই উচ্চ আদৰ্শ সম্পন্ন মহাভক্ত হনুমানে তেওঁৰ পৰম প্ৰিয়তম আৰু যুগ যুগান্তৰৰ উপাস্য দেৱতা শ্ৰীৰামচন্দ্ৰৰ সংস্পৰ্শলৈ আহে। শ্ৰীৰামচন্দ্ৰৰ আশীৰ্বাদ আৰু অনুপ্ৰেৰণাতেই হনুমানে বহুতো অদ্ভুত কাৰ্য আচৰণ কৰি লঙ্কা জয় তথা সীতা উদ্ধাৰ পৰিঘটনাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। ৰাৱণৰ দৰে মহাশক্তিশালী প্ৰতিপক্ষক ধৰাশায়ী কৰি তেওঁৰ পৰম প্ৰিয়তমা পত্নী সীতাক উদ্ধাৰ কৰি অনাৰ পিছত ৰামে বিনাদ্বিধাই সীতাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। এই ঘটনাৰ অন্তৰালতো শ্ৰীৰামচন্দ্ৰৰ উচ্চ আদৰ্শ, শক্তিশালী নৈতিক চৰিত্ৰ আৰু লোক প্ৰবাদক আগস্থান দিয়াৰ প্ৰৱণতা দেখা যায়। কিন্তু যেতিয়া স্বয়ং সৃষ্টিকৰ্তা ব্ৰহ্মা আৰু স্বৰ্গগত পিতা দশৰথে সীতাৰ নিষ্কলুষ চৰিত্ৰৰ বিষয়ে সাক্ষ্য দি বুজনি দিলে তেতিয়া শ্ৰীৰামচন্দ্ৰই সীতাক পৰম আনন্দেৰে গ্ৰহণ কৰিছিল।

চৈধ্য বছৰ বনবাস আৰু সীমাহীন দুখ কষ্টৰ অভিজ্ঞতাৰ অন্তত সপত্নীক অযোধ্যালৈ ঘূৰি আহি সকলোৰে অনুৰোধতহে তেওঁ সিংহাসন গ্ৰহণ কৰিছিল আৰু অবিচল ন্যায় নীতিৰে প্ৰজাৰ কল্যাণৰ হেতু সৰ্বস্ব উজাৰি দি দহ হাজাৰ বছৰ ধৰি ৰাজ্য শাসন কৰিছিল। ইয়াৰ মাজত এদিনলৈও তেওঁৰ নৈতিক স্খলন, অন্যায় আচৰণ, অসত্য ভাষণ, প্ৰজাক উৎপীড়নৰ উদাহৰণ পাবলৈ নাই। তদুপৰি শ্ৰীৰামচন্দ্ৰ আছিল লোভ মোহ কাম ক্ৰোধ মদ মাৎচৰ্য এই ষড়ৰিপুৰ উৰ্দ্ধত অৱস্থান কৰি ধ্ৰুৱতৰাৰ দৰে চিৰদিন জ্যোতিষ্মান হৈ থকা এগৰাকী অতি উচ্চ আদৰ্শসম্পন্ন চক্ৰৱৰ্তী ৰাজা। তেওঁ প্ৰজাৰ মঙ্গলৰ হেতুতেই প্ৰিয়তমা পত্নী সীতাক ত্যাগ কৰিলে সত্য ৰক্ষাৰ হেতু লক্ষ্মণৰ দৰে ভাতৃক ত্যাগ কৰিলে আৰু নিজ মহিমাৰ বলেৰে সমস্ত প্ৰজাৰে সৈতে সমগ্ৰ অযোধ্যা নগৰীকে স্বৰ্গত স্থাপন কৰিলে। ইয়াৰ পৰা দেখা যায় ৰাজচক্ৰৱৰ্তী স্বৰূপেও শ্ৰীৰামচন্দ্ৰৰ চৰিত্ৰ কেনে উচ্চ আদৰ্শ যুক্ত, নিৰ্মল আৰু ধৰ্ম তথা সত্য ৰক্ষাত কেনে অবিচল আছিল।

এনেভাৱেই পৰম পুৰুষ ভগৱান কৃষ্ণই তেওঁৰ নিজৰ ছয় অংশেৰে সমৃদ্ধ সকলো অৱতাৰৰ ভিতৰত শ্ৰেষ্ঠ অৱতাৰ শ্ৰীৰামচন্দ্ৰ স্বৰূপে এই ধৰাধামত অৱতীৰ্ণ হৈ সৰ্ব সাধাৰণ মনুষ্যৰ মঙ্গলৰ আৰু আদৰ্শৰ হেতু যুগ যুগান্তৰে জিলিকি আছে আৰু থাকিব। আমি এই নীতি আৰু উচ্চ আদৰ্শ আংশিক ভাৱে হলেও অনুসৰণৰ দ্বাৰা নিজকে মহীয়ান কৰি তুলিব পাৰিলে নিজৰ তথা দেশ জাতি সমস্তৰ প্ৰতিয়েই কল্যাণ সাধন কৰা হ'ব।■

# ৰামায়ণত কপিশ্ৰেষ্ঠ হনুমান

**শ্ৰীসভাৰাম ভৰালী**

বিশ্বৰ ইতিহাসত যি দুখন মহাকাব্যই ভাৰত মাতৃৰ গৌৰৱ উজ্বল কৰি ৰাখিছে আৰু যুগ যুগ ধৰি উজ্বলাই ৰাখিব, তাৰে এখনৰ নাম হ'ল আদিকবি বাল্মীকি ৰচিত 'ৰামায়ণ'। যিখন মহাকাব্য জনসাধাৰণৰ মাজত প্ৰেৰণাৰ উৎস, যি ভাৰতীয় সংস্কৃতিৰ ধাৰক আৰু বাহক, য'ত দুষ্কৃতিক নাশ কৰি সংস্কৃতিক প্ৰতিষ্ঠা কৰাৰ কাহিনী বৰ্ণিত হৈছে, যাৰ মধ্যমণি সকলো গুণৰ অধিকাৰী দশৰথ নন্দন শ্ৰীৰাম, তেনেখন অনুপম মহাকাব্যৰ নামেই হ'ল ৰামায়ণ। ভাৰতীয় সমাজৰ মূল ভেটি হ'ল গৃহাশ্ৰম। গৃহাশ্ৰমৰ ঘাত-প্ৰতিঘাতৰ পূৰ্ণ বৰ্ণনা মহাকাব্য ৰামায়ণৰ কাহিনীৰ মাজে প্ৰকট হৈছে, সেয়ে পণ্ডিতসকলে ৰামায়ণৰ অন্য এটি অৰ্থপূৰ্ণ আপোন নাম ৰাখিছে 'গৃহাশ্ৰম কাব্য'। চমু ভাষাত ক'ব পাৰি যে নানা ৰসে ৰসৱন্ত এই পৰম পৱিত্ৰ ৰামায়ণ হৈছে-- ভাৰতীয় আদৰ্শৰ চূড়ান্ত পৰিচয় আৰু ধৰ্ম, অৰ্থ, কাম, মোক্ষ-- এই চতুবৰ্গৰ কাব্যময় প্ৰতিফলনৰ উত্তম মহাকাব্য। এই মহাকাব্যৰ মেৰুদণ্ড স্বৰূপ শ্ৰীৰামৰ জীৱনৰ অন্তিম নিদৰ্শন হ'ল-- 'সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণতেই সত্যক ত্যাগ কৰিব নোৱাৰি।' ৰঘুমণি শ্ৰীৰাম যে স্বয়ং বিষ্ণুৰ অৱতাৰ সেই সন্দেহ দূৰ কৰি আদিকাণ্ড ৰামায়ণত বাল্মীকিৰ আগত নাৰদে বৰ্ণনা কৰিছে এইদৰে--

'তান গৃহে বিষ্ণু ৰাম ৰূপে অৱতৰি।
হৰিবা ভূমিৰ ভাৰ ৰাক্ষস সংহৰি।।'

পুনৰ দশৰথ নন্দন শ্ৰীৰামৰ মহত্ব প্ৰকাশ কৰি স্বয়ং ব্ৰহ্মাই স্তুতি কৰিছে এই ভাবি--

'অমোঘ স্তুতিক কৰি ব্ৰহ্মাদেৰ বুলিলন্ত
তুমি নাৰায়ণ হৰি।
উৎপত্তি মৰণ হন্তে অসুৰক সংহৰণ
শঙ্খ চক্ৰ গদা ধৰি।।'

অন্যহাতে পৰমাৰ্থিক দিশৰ পৰা ক'ব পৰা যায় যে, শ্ৰীৰামৰ স্মৰণৰ লগে লগে সৰ্বোত্তম এটি পৱিত্ৰ নাম ভকতসকলৰ হৃদয়ত স্মৰণ হয়-- সেয়ে হ'ল 'ৰাম-নাম'। জীৱশ্ৰেষ্ঠক অন্তিম গতি প্ৰদান কৰিব পৰা আৰু ভৱৰোগৰ মহৌষধৰূপী 'ৰাম-নাম'ৰ মহত্ত্ব মহাপুৰুষ মাধৱদেৱে চূড়ান্ত ভাষাত ঘোষিলে এই বুলি--

'ৰাম শবদৰ 'ৰা' পদ ভৈল
প্ৰচণ্ড বহ্নি নিশ্চয়।
'ম' বায়ু সমে অধম অৰণ্য
দহিয়া ভস্ম কৰয়।।'

সংসাৰৰূপী মহাঅৰণ্যত পণ্ডিত হোৱা আৰু ভগৱান আশ্ৰিত জীৱশ্ৰেষ্ঠৰ কাৰণে ৰাম-নাম যে এক পৰম অমৃত তাৰ অদ্বিতীয় উপদেশ গুৰুজনাই পুনৰ ঘোষিলে এইদৰে-

'ৰাম নাম বিনা নাহি সংসাৰ নিস্তাৰ।
হেন জানি ৰামৰ চৰিত্ৰ কৰা সাৰ।।
ৰাম-নাম প্ৰমত্ত সিংহৰ মহানাদে।
পলায় পাপহস্তী যুথ পৰম বিষাদে।।'

সেয়ে নহয়, অদ্ভুত ৰামায়ণত 'কলি যুগে নাহি গতি বিনে ৰাম নাম' বুলি ৰাম নামৰ মহিমা উচ্চস্বৰে ঘোষিছে। হৰি প্ৰিয় একান্ত ভকত বা প্ৰপন্ন শিষ্যৰ বাবে অন্তিম কালত একান্ত চিত্তে ৰাম স্মৰণ অতি সহজ হ'লেও মলমতি সৰ্বসাধাৰণজনৰ কাৰণে কিন্তু নাম-স্মৰণ কৰা ভবাৰ দৰে সহজ নহয়। সেয়ে 'ৰামচৰিত মানস'ত সন্ত তুলসী দাসে অনুভৱী মনেৰে সকিয়াইছে এই বুলি--

'জনমে জনমে মুনি যতন কৰাহী।
অন্তৰাম কহি আৱত নাহী।।'

বিতোপন ফুলৰ বাগিছাত নানা ৰঙি ফুলে শোভাবৰ্দ্ধন কৰিলেও তাৰ ভিতৰত দুই এটি ফুলে দৰ্শকক অতি সহজভাৱে আকৰ্ষণ কৰাৰ দৰেই মহাকাব্য ৰামায়ণতো অনেক ত্যাগী, আদৰ্শৱান, এটি অনন্য চৰিত্ৰ হ'ল পৱন নন্দন মহাভক্ত বীৰ 'হনুমান'। শঙ্কৰ-মাধৱৰ মণিকাঞ্চন বেলিকা বঢ়াৰ-পো মাধৱদেৱৰ বৈনায়েক ৰামদাসৰ যি ভূমিকা-- কিষ্কিন্ধ্যা ৰাজ্যত ৰাম আৰু কপিৰাজ সুগ্ৰীৱৰ মাজত মিত্ৰতাৰ ক্ষেত্ৰটো ভক্ত হনুমানৰ সেই একেই ভূমিকা। দেৱী সীতাক লঙ্কাৰ পৰা উদ্ধাৰ কৰাৰ সময়ত কিষ্কিন্ধ্যাৰ কপি পৰিয়াল হনুমান, সুগ্ৰীৱ,জাম্বুবান আদিয়ে প্ৰভু ৰামচন্দ্ৰৰ পৰা মিত্ৰৰূপে ধৰা দিছিল। মিত্ৰৰ ক্ষেত্ৰৰ ক'ব পাৰি যে-- যিজনে মিত্ৰৰ দুখত দুখী নহয়, তেনেজনক দেখিলেও পাপ হয়। নিজ পৰ্বত সমান দুখক ধুলি হেন আৰু মিত্ৰৰ ধুলি হেন দুখক যি মেৰু সমান দেখে, তেওঁহে প্ৰকৃত মিত্ৰ। বনত ব্ৰহ্মাচাৰীৰ ৰূপত ৰাম লক্ষ্মণৰ লগত হনুমানৰ পৰিচয় হয় আৰু প্ৰথম দৰ্শনতে হনুমানে সেৱক হিচাপে স্বামী ৰামৰ চৰণত নিজক অৰ্পণ কৰে। ভক্তবৎসল ৰামেও হনুমানৰ প্ৰকৃত স্বভাৱ বুজিব পাৰি অনন্য গতিৰ অধিকাৰী পৰম ভকত হিচাপে আঁকোৱালি ল'লে। এইক্ষেত্ৰত ক'ব পাৰি যে, অনন্যা গতিৰ অধিকাৰী সেইজনকে ক'ব পাৰি যিজনে নিজকে প্ৰভুৰ দাস বুলি ভবাৰ লগতে চৰাচৰ জগতস্বামীক ভগৱান ৰূপত অটল বিশ্বাস কৰে। ৰাম ভক্ত হনুমানে মহাভাগৱত ধৰ্ম 'মুকুতি সুখৰ কেৱল আশ্ৰয় /জানা মাধৱৰ কৰ্ম' ৰ ওপৰত দৃঢ় বিশ্বাস প্ৰতিষ্ঠা কৰিছিল আৰু সেৱাই যে প্ৰেমৰ প্ৰকৃত বাহ্যৰূপ তাক শিৰাই শিৰাই উপলব্ধি কৰিছিল। প্ৰকৃত ভগৱানৰ সেৱকে নিজকে ভগৱানৰ অস্ত্ৰ হিচাপে উছৰ্গিত কৰিও পৰম তৃপ্তি লাভ কৰে। ঋষৰাজ জাম্বুবানে হনুমানৰ হৈ উচিত মন্তব্য কৰিছে এইদৰে-- 'হনুমান, ৰামৰ কামৰ কাৰণেই তোমাৰ অৱতাৰ।' সেয়ে নহয়, স্বয়ং ৰামচন্দ্ৰই কপিশ্ৰেষ্ঠ হনুমানক উদ্দেশ্যি ঘোষণা দিলে এইবুলি-- 'দেৱতা, মনুষ্য আৰু মুনি আদি কোনো শৰীৰধাৰীয়েই তোমাৰ সমান উপকাৰী হ'ব নোৱাৰে।' ভক্ত হনুমান প্ৰভু ৰামৰ অতি প্ৰিয় হ'ব পৰাৰ প্ৰধান কাৰণটো হ'ল তেওঁ গুৰু সেৱাৰ মহত্ব হৃদয়ঙ্গম কৰিছিল। উত্তম সেৱক হিচাপে হনুমানে এই কথাত দৃঢ় বিশ্বাস কৰিছিল যে জীৱৰ জীৱনত কৰ্মও এটাই, সেইটোৱেই হ'ল-- 'পৰমপুৰুষ বা পৰমগুৰুৰ পদ সেৱন।' অন্যহাতে ভকত ভগৱানৰ অপ্ৰতিম প্ৰেমৰ ক্ষেত্ৰত সুগম আৰু প্ৰধান উপায়টি হ'ল--

'ৰাম-কৃষ্ণ কীৰ্ত্তন স্বভাৱ ভৈল যাৰ।
সিয়ো ভৈল হৰিৰ হৰিও ভৈল তাৰ।।'

পৱন পুত্ৰ বীৰ হনুমানে হৃদয়ৰ প্ৰতি কোণে কোণে উপলব্ধি কৰিছিল যে পৰৰ হিতসাধন কৰাই জীৱৰ শ্ৰেষ্ঠ ধৰ্ম অৰ্থাৎ হনুমানে উত্তম শাস্ত্ৰ গীতাৰ সাৰ-- '*Life is for the service of others not for the enjoyment of worldly things.*' ৰ গূঢ়াৰ্থ নিজৰ জীৱনৰ প্ৰয়োগশালাত প্ৰয়োগ কৰি জীৱজগতলৈ সেৱকৰ উত্তম দৃষ্টান্ত দাঙি ধৰি গ'ল। দেহ আৰু দেহীৰ সীমাহীন দূৰত্বৰ কথা হনুমানে বাৰুকৈয়ে বুজিছিল, সেয়ে ৰঘুমণি ৰামৰ একান্ত সেৱক হোৱাত সহজ হৈ উঠিছিল। প্ৰেমাস্পদৰ কাৰণে নিজৰ বহুমূলীয়া জীৱনক উৎসৰ্গিত ভাৱনাৰে আগবঢ়াই দিয়াসকলৰ ভিতৰত হয়তো পৰম ভক্ত হমুমান অন্যতম হ'ব।

আচাৰ্য হনুমান সেৱকৰ বেলিকা জগত বিদিত হোৱাৰ মূল কাৰণ হ'ল 'দাস্য ভক্তি'। নিজৰ ক্ষুদ্ৰ সাংসাৰিক স্বাৰ্থলৈ পিঠি দি প্ৰভু ৰামৰ সেৱাৰ প্ৰতি সদায় জাগ্ৰত হৈ থকা হনুমানে জীৱনত এটি মহান প্ৰতিজ্ঞাৰ যে অধিকাৰী হৈছিল, তাৰ এটি অনুপম দৃষ্টান্ত দাঙি ধৰিলো। ভক্ত হৃদয়ৰ সেৱক হনুমানে যেতিয়া সমুদ্ৰ লঙঘন কৰি লঙ্কালৈ যাবলৈ ধৰিলে তেতিয়া সমুদ্ৰই মৈনাক পৰ্বতক সাগৰৰ মাজত হনুমানৰ জিৰণিৰ ব্যৱস্থা কৰি ওখ হৈ যোৱাৰ নিৰ্দেশ দিয়াৰ লগতে হনুমানক জিৰণিৰ বাবে নিমন্ত্ৰণ দিবলৈ ক'লে। মৈনাক পৰ্বতেও সেই নিৰ্দেশক্ৰমে হনুমানক কিছু সময় জিৰাই যাবলৈ খাটনি ধৰে। মৈনাক পৰ্বতৰ অনুৰোধৰ উত্তৰত অতন্দ্ৰ সেৱক পৱন কুমাৰে পৰ্বতক স্পৰ্শ কৰি প্ৰণাম জনাই অতি নম্ৰভাৱে ক'লে-- 'প্ৰভু ৰামৰ কাৰ্য সম্পন্ন নোহোৱা পৰ্যন্ত মোৰ বিশ্ৰামেই বা ক'ত?' কাষ্ঠাবিহীন সেৱকৰ অৰ্থই বা কি? অন্যহাতে সেই কাষ্ঠাৰ মাজত ভক্তি ৰাজ্যৰ উত্তম কাষ্ঠা হ'ল 'হনুমন্তী -কাষ্ঠা'। আকৌ মাধৱ মহাপুৰুষে 'সমস্ত ৰসৰ সাৰ' বুলি ঘোষণা দিয়া সেৱা ৰসৰ 'সেৱক'নো কেনেকুৱা হ'ব লাগে

বুলি প্ৰশ্ন অৱতাৰণা হ'লে দৃঢ় আৰু নিশ্চিতভাৱে ক'ব লাগিব যে হনুমানৰ নিচিনা, গোপীৰ নিচিনা।

ভক্ত শিৰোমণি হনুমানে দেৱী সীতাৰ অনুসন্ধানৰ হকে লঙ্কালৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত পিতা বায়ু, মাতৃ অঞ্জনা, ৰাম-লক্ষ্মণ, সুগ্ৰীৱ আদিক সাতবাৰ প্ৰণাম জনাই কোনো শুভকাৰ্য সম্পন্নৰ আগতে জেষ্ঠ বা বৃদ্ধজনৰ আশীৰ্বাদ যে অপৰিহাৰ্য সেই চিৰাচৰিত নীতিৰ পূৰ্ণ নিদৰ্শন দেখুৱাই ভাৰতীয় সংস্কৃতিৰ মৰ্যাদা ৰাখি গ'ল। অন্যহাতে জীৱশ্ৰেষ্ঠ মনুষ্যই 'সৌভাগ্য' আৰু 'দুৰ্ভাগ্য' ক পৃথকে পৃথকে চিনি পোৱাত জটিলতাৰ সৃষ্টি হয়, কিন্তু সমাজে অতি নীচজ্ঞান শূন্য পশুজাতি বুলি ভবা হাবিৰ বান্দৰ হনুমানে জীৱশ্ৰেষ্ঠ মনুষ্যক চেৰ পেলাই জীৱনৰ পৰা দুৰ্ভাগ্যৰূপী কৈতব ত্যাজি ঐকান্তিক সুখৰ সৌভাগ্যৰ চৰম শীৰ্ষত অৱস্থান কৰি দুৰ্লভ সঞ্জীৱনী প্ৰায় ৰাম-নামে অন্ত্যজাতিকো যে উদ্ধাৰ কৰে তাৰ দৃষ্টান্ত ৰাখি যোৱাই নহয়, অনন্ত ৰসৰ নিধি, ভদ্ৰতো ভদ্ৰ উত্তম আৰু শাস্ত্ৰৰ ৰহস্য ৰাম-কৃষ্ণ নাম যে জীৱজগতৰ মঙ্গলৰো সুমঙ্গল সেই কথা জীৱনৰ প্ৰতিক্ষণত উপলব্ধি কৰিছিল এইদৰে-

'হে প্ৰাণ ৰঘুপতি ৰাম ৰাম ৰাম ৰাম
তোমাত কৰিয়া তযু গুণনাম চাৰ।
বিনা সেতু বন্ধ কৰি নৰে ৰাম ৰাম ৰাম ৰাম
অপাৰ সংসাৰ সমুদ্ৰৰ হোৱে পাৰ।।'■

---

<u>সহায়ক গ্ৰন্থ</u> ঃ

১. হেমভাই ঃ ফুৰো হুয়া আমি আনন্দিত।
২. ৰামায়ণী সাহিত্যৰ অধ্যয়ন।

**শ্ৰীৰাম নাম ভকত জনৰ**
**মহা ধন হীৰা বিত্ত।**
**সংসাৰ সাগৰ তাৰ দুৰ্গ পাৰ**
**শ্ৰীৰাম নাম নিশ্চিত।।**
*নামঘোষা*

# মাধৱ কন্দলীৰ ৰামায়ণত বচনভঙ্গীৰ সুপ্ৰয়োগ

শ্ৰীমৃদুলা দাস

আদিকবি বাল্মীকিৰ অনুপম কৃতিত্বৰ স্বাক্ষৰ ‘ৰামায়ণ’খনক অপ্ৰমাদি কবি মাধৱ কন্দলীয়ে ‘লম্ভা পৰিহৰি সাৰোদ্ধৃতে’ অসমীয়ালৈ অনুবাদ কৰি এফালে যেনেদৰে ‘নব্য ভাৰতীয় আৰ্য’ ভাষাৰ প্ৰথমখনি ৰামায়ণ জন্ম দিয়াৰ গৌৰৱ অৰ্জন কৰে, আনফালে চৈধ্য শতিকাৰ মাজভাগতেই মহাকাব্য ৰচনাৰ যোগেদি অসমীয়া ভাষাটোক জাকতজিলিকা কৰি তোলাত বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। অসমীয়া ৰামায়ণী সাহিত্যৰ বাটকটীয়া মাধৱ কন্দলীৰ বাদেও বহুজনে ৰামায়ণক অসমীয়া লৈ অনুবাদ কৰিছে আৰু গীত, পদ, নাটলৈ ৰূপান্তৰ কৰি অসমীয়া ভাষাক সমৃদ্ধ কৰিছে।

কন্দলীয়ে মূলতঃ বাল্মীকিৰ ৰামায়ণখনকে আধাৰ ৰূপে গ্ৰহণ কৰিছে যদিও নিজৰ প্ৰতিভা ঠায়ে ঠায়ে বুঢ়া-টুটাও কৰিছে। মাধৱ কন্দলীয়ে নিজেই উল্লেখ কৰিছে এনেদৰে-- ‘দৈৱবাণী নুহি ইটো লৌকিক যে কথা’, সেয়ে তেওঁৰ অনুবাদ ৰীতি অতি শক্তিশালী আৰু মনোৰম। মাধৱ কন্দলীয়ে মূল ৰামায়ণৰ যদিও অনুবাদ কৰিছে, তথাপি তাত তেওঁৰ স্বতঃস্ফুৰ্ত কাব্য প্ৰতিভাৰ মনোৰম প্ৰকাশ ঘটিছে। কাৰণ, তেওঁ ৰামায়ণখন যিখন সমাজৰ কাৰণে ৰচনা কৰিছে, সেইখন সমাজৰ সকলো দিশ সুন্দৰভাৱে প্ৰতিভাত হৈ উঠিছে।’

অনুদিত ৰামায়ণত মাধৱ কন্দলীৰ বৰ্ণনা শক্তি আৰু ভাষা প্ৰয়োগত তেওঁৰ দক্ষতা স্পষ্ট হৈ পৰিছে আৰু উপমা, ৰূপক, শ্লেষ, বিৰোধ, নিদৰ্শনা, ব্যতিৰেক, প্ৰতীপ আদি নানা অলঙ্কাৰৰ সুপ্ৰয়োগৰে বিষয়বস্তুক মনোৰম কৰি তুলিছে। একো একোটা চিত্ৰ পৰিস্ফুট কৰিবৰ বাবে ধাৰাবাহিকভাৱে কিছুমান চিত্ৰ একাদিক্ৰমে প্ৰয়োগ কৰা দেখা যায়। দুই এক ৰুচি বিগৰ্হিত বৰ্ণনা পোৱা গ’লেও বৰ্ণিত বিষয়ৰ লগত পাঠক যাতে একাত্ম হ’ব পাৰে, তাৰ বাবে তেওঁ ঠায়ে ঠায়ে জাতীয় জীৱনৰ লগত খাপ খোৱা কৈ ঘৰুৱা বৰ্ণনা, যোজনা আৰু পটন্তৰ ব্যৱহাৰ কৰিছে। তদুপৰি মাধৱ কন্দলীয়ে মাজে মাজে জটুৱা ঠাঁচ, যুৰীয়া শব্দ, পুনৰুক্তি আদিৰ ৰামায়ণত কেনেদৰে ব্যৱহাৰ কৰিছে, তাৰ কেইটামান উদাহৰণ তলত উল্লেখ কৰা হ’ল--

**পুনৰুক্তি ঃ**

ভাষাই ভাৱ প্ৰকাশ কৰে। কাব্যকাৰে কাব্যৰ ভাৱ উপযুক্তভাৱে শব্দৰ যোগেদি প্ৰকাশ কৰিব নোৱাৰিলে পাঠকে ৰসাস্বাদন কৰিব নোৱাৰিব। এইকথা মনত ৰাখিয়েই ৰামায়ণখনক ৰসগ্ৰাহী কৰিবলৈ মাধৱ কন্দলীয়ে ত্ৰুটি কৰা নাই। তেওঁ সমগ্ৰতা, অবিচ্ছিন্নতা, বাৰম্বাৰতা, গভীৰতা আদি ভাবৰ প্ৰকাশৰ বাবে কোনো শব্দ দুবাৰকৈ ব্যৱহাৰ অৰ্থাৎ পুনৰুক্তি কৰা দেখা যায়। মাধৱ কন্দলী প্ৰণীত ৰামায়ণত পোৱা পুনৰুক্তিৰ কিছু উদাহৰণ দিয়া হ’ল--

‘কম্পি কম্পি, কোলে কোলে, কম্প কম্প,  
কিল কিল, কোটি কোটি, কিচ কিচ,  
কতো কতো, কেন্ত কেন্ত, কেহো কেহো,  
কল কল, খন, খন, খণ্ড খণ্ড,  
খেদি খেদি, খনো খনো, খোজন্তে খোজন্তে  
গিৰ গিৰ, গলে গলে, ঘন ঘন, ঘূৰি ঘূৰি  
চাহন্তে চাহন্তে, চিওঁ চিওঁ, চল চল,  
ছেৰে ছেৰে, জাকে জাকে, জৰ জৰ,  
জয় জয়, জন্মে জন্মে, জোটা জোটা,  
জাম্পে জাম্পে, জোলকে জোলকে, জমকে জমকে,  
ঝোকে ঝোকে, টল টল, ঠাৰে ঠাৰে,  
ঠিস ঠিস, ঠাত ঠাত, ঢপ ঢপ,

তুলি তুলি, ত্ৰাহি ত্ৰাহি, তোল তোল,
থাক থাক, থানে থানে, দেখ দেখ,
দেশে দেশে, দুৰু দুৰু, দান্তে দান্তে
খৰ খৰ, ধীৰে ধীৰে, ধিক ধিক, ধন্য ধন্য
ধুমি ধুমি, ধৰন্তে ধৰন্তে, ধুৰ ধুৰ,
নমো নমো, নযা নযা, নিতে নিতে,
নিষ্টে নিষ্টে, নিৰীক্ষি নিৰীক্ষি, নকান্দা নকান্দা,
পৰ্ব্বতে পৰ্ব্বতে, পৰি পৰি, পালে পালে,
পুনৰপি পুনৰপি, প্ৰতি প্ৰতি, পদুলি পদুলি
পথে পথে, ফুৰি ফুৰি, বৰ বৰ,
বেঢ়ি বেঢ়ি, বাছি বাছি, বাৰে বাৰে,
বহন্তে বহন্তে, বাহু বাহু, বিগুটি বিগুটি,
বীৰে বীৰে, ভালে ভালে, ভক ভক,
ভকৰ ভকৰ, ভাল ভাল, মাৰো মাৰো,
মাৰ মাৰ, মহা মহা, মনে মনে, মুখ্য মুখ্য,
মাৰি মাৰি, মৰিল মৰিল, যত যত,
যাকে যাকে, যেহি যেহি, ৰিণি ৰিণি,
লুনি লুনি, শুন শুন, শৰে শৰে,
শিখৰে শিখৰে, শুভ শুভ, শুনা শুনা,
সত্যে সত্যে, সহস্ৰ সহস্ৰ, স্বকি স্বকি,
সঘনে সঘনে, সাধু সাধু, সকলে সকলে,
সেহি সেহি, সাফল সাফল, হৈ হৈ,
হৰি হৰি, হাতে হাতে, হাযো হাযো,
হাণ্ডি হাণ্ডি, হিয়ায়ে হিয়ায়ে, হিন্দোলে হিন্দোলে,
আউৰে আউৰে, আপোন আপোন,
এৰ এৰ, এৰৈ এৰৈ, এক এক, উঠ উঠ.. ইত্যাদি।

**প্ৰতিধ্বন্যাত্মক শব্দ ঃ**

প্ৰতিধ্বন্যাত্মক শব্দৰ প্ৰথম অংশটোৰ অৰ্থ স্পষ্ট কৰি তোলে দ্বিতীয় অংশটোৰ সংযোগৰ দ্বাৰা। মাধৱ কন্দলীয়ে ঠায়ে ঠায়ে প্ৰতিধ্বন্যাত্মক শব্দ সংযোগ কৰি প্ৰকাশ কৰিব বিচৰা ভাৱকে অধিক স্পষ্ট কৰি তুলিব বিচাৰিছে। তেনে শব্দ কিছুমান হ'ল--

আকুল-ব্যাকুল, আল-জাল, আগে-পাছে,
আথে-বেথে, আজোৰ-বিজোৰ, ইকূল-সিকূল,
ইগাছে-সিগাছে, উলট-পালট, কাউ-বাউ,
খুড়ি-লুড়ি, চাৰ-খাৰ, ফটফট, চাটু-বাটু,
চিকি-মিকি, চিত্ৰ বিচিত্ৰ, টল বল, ডৰ ডৰি,
তৰঙ্গ-বৰঙ্গ, যেখন তেখন, যেন-তেন,
লাল-কাল, ললিত-বলিত, হাকলে-বিকলে.. ইত্যাদি।

**অসমীয়া জতুৱা ঠাঁচ, যোজনা, পটন্তৰৰ সুপ্ৰয়োগ ঃ**

অসমীয়া জাতীয় জীৱনত প্ৰচলিত শব্দৰাজি ব্যৱহাৰ কৰি ভাষাৰ স্বকীয়তা ৰক্ষা কৰিবলৈ মাধৱ কন্দলীয়ে সুন্দৰ প্ৰয়াস কৰিছে আৰু সফলো হৈছে। বিশেষকৈ, অসমীয়া ভাষাৰ নিজস্বতা প্ৰকাশ হয় জতুৱা ঠাঁচৰ সুপ্ৰয়োগত। অন্যহাতে যোজনা পটন্তৰ আদিৰ ব্যৱহাৰেও কন্দলীৰ ৰামায়ণক বিশেষ মাত্ৰা প্ৰদান কৰিছে। সংস্কৃতমূলীয় হোৱা বাবে কন্দলীৰ ৰামায়ণত সংস্কৃতৰ প্ৰভাৱ পৰিলেও অসমীয়া লোকোক্তি, জতুৱা-ঠাঁচ, পটন্তৰ আদি বিশেষৰূপে ব্যৱহাৰ কৰিছে। তলত কিছু উদাহৰণ দিয়া হ'ল--

'আগ পাচ চাহন্তে, কাল মেঘ,
উৰি হৈল জীউ, দিবো সেক,
কোপে জ্বলি গৈল, মন গৈল ভাগি,
হাত যোৰ কৰি, মুখ চাই,
ডেৰ দিয়া, একাদশ বৃহস্পতি,
মন কৰা, শিৰে ধৰি, হাম কুৰি খাই,
পিঠি দিলে, কূলৰ প্ৰদীপ, বাট চাই,
নয়ন ভৰি, হাতত পৰিল, মন পূৰিল,
মন কৰি থিৰ, চিৰ কাল, চক্ষু জ্বলে,
প্ৰাণ ফুটি যাই, মাথে তুলি লৈলা,

**অযোধ্যা কাণ্ড ঃ**

'আপুতিৰ পো' ৬/৯ অধ্যায়
'জানিলোহো ইটো ভৰতৰ ভাৰি খাইলে।'
১১৩/২০ অধ্যায়
'আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।'১১৮/২০"
'আমি আপুতিৰ অন্ধলাৰ লাঠি তই।' ১১৯/২০ "
'থেপেকাই বসিলা গই।' ১৬/২৪ "
'কপিলা থাকিলা যেন চণ্ডালৰ ঠাৱ।' ৬/২৭ "
'সাউৰা বৃক্ষক ৰুইল মোৰ মাৰে
উত্তম বট উভাণ্ডি।' ১৫/৩৭ "

**অৰণ্য কাণ্ড ঃ**

'চিলে যেন থাম্প দিয়া মাছক নিলেক।' ২৩/২ "

'শিয়ালত শিঙ্গ পৰ্ব্বতত মেৰু দেশ।' ৬২/২ ”
'মাৰিবাক লাগি কোনে বাঘে হাল বায়।' ২৫৫/৮”
'সকল ৰাক্ষস কূলৰ মাজত কাল
পেচী পৰি গল। ১৪/১০ ”
'ৰামৰ হাতত আটি মুটি লুইবে চুৰ।' ৩২/১২ ”
হেনয় স্বভাৱ নিদাৰুণ স্ত্ৰী জাতি।
ভাই ভাই বোলে গাৰে মাজে দিয়া কাটি।।' ৫১/১২
'বৰশীয় বাৰণৰক পুঙাতেসে দৃষ্টি।' ৫৫/১২ ”
ৰামৰ আপচু কাচু তোৰ মুণ্ড দিবো।' ৪১/১৩ ”
'পলৰৰ চাৰত দিগ্‌গজ বন্দী ভৈলা।' ২৭/১০ ”

**অৰণ্য কাণ্ড ঃ**

'কি বুলিবা চাৰ মুৰা লটক চটক।' ২৯/১৪ ”
'মই হেন স্বামী নাৰী ভৰি নগৰাৰ।' ২৮/১৬ ”
'মেলস আটাইটাই।' ২৫/১৫ ”

**সুন্দৰা কাণ্ড ঃ**

'তোহোৰ বীৰত্ব বাম পাৰে মলচোঁ
হাণ্ডি বান্ধি মৰিবে যাহা।' ২৬/১৫ ”
'তুলা নিবে নোৱাৰয় ভাৰ বান্ধ শিলে
গুণ্ডকুৰি পুৰুৱায়ে হাতী গোট গিলে।' ১১০/১৭”
'ঢোল হেন ডিমা পাৰে চুঙ্গাৰ বাদুলি।
পিপিয়া চটকে পৰ্ব্বত লৰে তুলি।।' ১১১/১৭ ”
'উজানি বাহন্তে মই বাহিলোহে ভাটি
লাভক চাহন্তে মূলক কৰিলোহো নাঠি।' ২৫/২৯ ”
'সৰমাৰ বোলে শোক গুচিল সকলে

**লঙ্কা কাণ্ড ঃ**

'খৰ লাগা ধান যেন বৰিষণ জলে।' ৯৯/৬ ”
'অলপ পানীৰ সল দদৰা দদৰি।' ৪০/৭ ”
'লোথৰা বুঢ়াৰ বোলে পাইবাহা চেঞ্জেৰি।' ৪১/৭”
'কাংস পৰি জিম গৈলা সকলে বানৰ।' ২২৯/৯”
'কিছু কিছু হুক্ হুকি কুমথোলি নাচ গীত।' ১৬/১৫”
'মুগ্ধৰ ফুৰালে গুৰালে যেন ডাঙ্গ।' ১/২১ ”
'শুকান ঘাৰত ঘষা আকণৰ আঠা।' ৪৭/৩৭ ”
'আনে চুৰি কৰিলেক আনৰ চুল কাটি।' ৪৮/৩৭”
'সবে ছপকৰে গৈয়া জপাইলেক ৰণ।' ১১/৩৮ ”
'পিছলা পৰিলা যেন বুঢ়াৰ হাতত।' ৬৮/৪৩ ”
'জালৰ সৰঙ্গা যেন ভৈলা সৰ্ব্বগাৰ।' ২০৩/৪৮ ”
'দান্ত ভাঙ্গা সাপ যেন মিছাত ফোপাহা।' ৭৫/১৯”
'নুযুজয় কুকুৰায়ে নাদয় বিস্তৰ।' ৯৮/২৯ ”
'কাচক লাগিয়া আনি হৰাইলা মানিক।' ২৩৭/৯ ”
'কাণ্ডাৰ বিহিনে যেন থিৰ নোহে নাৱ।' ৩০৫/৯”

ওপৰত উল্লেখ কৰা দিশবোৰ মাধৱ কন্দলীৰ দক্ষতা প্ৰকাশৰ এক অনুপম নিদৰ্শন। বাল্মীকিৰ ৰামায়ণৰ অনুবাদ হ'লেও আমাৰ কবিৰ হাতত মৌলিকত্ব লাভ কৰি আৰু ভাৰতীয় সাহিত্যত এক অনুপম কাব্যকৃতি ৰূপে স্বীকৃত হৈছে।■


<u>প্ৰসঙ্গ পুথি ঃ</u>

১. উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ঃ অসমীয়া ৰামায়ণী সাহিত্য
২. কৰবী ডেকা হাজৰিকা ঃ ৰামায়ণৰ চানেকি
৩. উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ব্যাকৰণ
৪. হৰেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া বচন ভঙ্গী
৫. হমেশ্বৰ নেওগ ঃ নিকা অসমীয়া ভাষা।

# জয়তু উর্মিলা

**শ্ৰীনিৰ্মলা দাস**

এহাল ক্রৌঞ্চ চৰাই; তাৰে এটি শৰবিদ্ধ হৈ মৃত্যুক আকোঁৱালি ল'লে, আনটোৰে শোকত দগ্ধ হোৱা অন্তৰ এখন লৈ ছট্‌ফটাব ধৰিলে। এই দৃশ্যটিয়ে বাল্মীকিৰ অন্তৰৰ শোক শ্লোকাকাৰে মুখেৰে ব্যক্ত হ'ল, য'ৰ পৰা শ্লোকছন্দ্ৰত আদিকবি জনাৰ দ্বাৰা ৰামায়ণ ৰচিত হ'ল। পণ্ডিতসকলৰ ধাৰণা মতে খৃঃপূঃ ৩০০ শতিকাত বাল্মীকিৰ দ্বাৰা ৰামায়ণ মহাকাব্য ৰচিত হৈছিল আৰু এইখনেই আদিকাব্য নাম পাইছিল। দণ্ডীৰ কাব্যাদৰ্শত বৰ্ণনা কৰা মহাকাব্যৰ লক্ষণসমূহ ৰামায়ণত সন্নিবিষ্ট হোৱা হেতুকেই ইয়াক মহাকাব্য বোলা হয়।

করুণ ৰসতেই ৰামায়ণৰ উৎপত্তি। সেইবাবেই নেকি বাল্মীকি ৰামায়ণত করুণৰসৰ প্ৰাধান্য বেছি অন্যান্য ৰস ইয়াৰ অনুসঙ্গীহে।

বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে ৰামায়ণ সম্পৰ্কে মতামত দাঙি ধৰিছে এইদৰে-- 'ৰামায়ণৰ অন্তৰ্নিহিত কথা এইখিনিয়ে যে ইয়াত ঘৰৰ কথাকে বহলাই দেখুওৱা হৈছে। পিতা-পুত্ৰ, ভাই-ভাই, স্বামী-স্ত্ৰীৰ মাজত যি ধৰ্মৰ বান্ধোন, যি প্ৰীতি ভক্তিৰ সম্বন্ধ, ৰামায়ণে তাক ইমান মহৎ কৰি তুলিছে যে সি অতি সহজেই মানুহৰ অন্তৰ জয় কৰিব পাৰিছে।'

গৃহাশ্ৰম ভাৰতীয় আৰ্য সমাজৰ ভিত্তি। ৰামায়ণ সেই গৃহাশ্ৰমৰ কাব্য-- সেইবাবে এই মহাকাব্যখন আজিও আদৰণীয় হৈ আছে আৰু থাকিবও। ৰামায়ণত আছে এহাতে মানৱ অন্তৰৰ গভীৰ আনন্দৰ মূহুৰ্তবোৰৰ চিত্ৰ আৰু আনহাতে মানৱ জীৱনত সংঘটিত হোৱা মৰ্মস্পৰ্শী বেদনাবোৰৰ নিখুত বৰ্ণনা।

প্ৰবন্ধটিৰ বিষয়বস্তু ৰামায়ণৰ এটি বিশেষ চৰিত্ৰ- উৰ্মিলা। বাল্মীকিৰ ৰামায়ণ তথা অন্যান্য প্ৰাদেশিক ৰামায়ণসমূহত আমি মাত্ৰ উৰ্মিলাক ভুমুকি মৰাহে দেখিবলৈ পাওঁ। আমাৰ মনত উৰ্মিলা আইটি 'আধো আলো আধো ছায়া' হৈয়েই থাকিল। মহান কবিসকলে তেওঁলোকৰ কাব্যৰ মাজেৰে মাথোঁ উৰ্মিলাক আনিলে মিথিলা ৰাজ্যৰ পৰা অযোধ্যা ৰাজ্যলৈ 'বধূ' হিচাপেহে। ৰামে হৰধনু ভাঙি সীতাক লাভ কৰাৰ লগতে বশিষ্ঠ মুনিৰ ইচ্ছানুসাৰে মিথিলা ৰাজ্যৰ কন্যা উৰ্মিলা, মাণ্ডৱী আৰু শ্ৰুতিকীৰ্তিক লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নই জীৱনসঙ্গিনী ৰূপে লাভ কৰে। তাৰ পিছত বাল্মীকি, তুলসীদাসৰ পৰা মাধৱ কন্দলীদেৱলৈকে সকলো কবিয়ে উৰ্মিলা সম্পৰ্কে নিমাত হৈয়েই ৰ'ল। ৰামায়ণৰ কোনো এটা কাণ্ডতো উৰ্মিলা ভনীত্ৰয়ৰ বাতৰি বিতংকৈ নোলাল। মাণ্ডৱী, শ্ৰুতিকীৰ্তি নিজ নিজ স্বামীৰ লগত থাকিলে, কিন্তু বনবাস চাৰি স্বামী অবিহনে উৰ্মিলাই দুৰ্বিসহ জীৱন কিদৰে অতিবাহিত কৰিলে তাৰ সম্ভেদ ৰামায়ণত নাই। ৰামৰ বিচ্ছেদত অযোধ্যাবাসীৰ ক্রন্দনৰ ধ্বনিত উৰ্মিলাৰো হিয়াধ্বনি একে কৰি দিলে নেকি বাৰু মহাকবি বাল্মীকিয়ে?

অযোধ্যাবাসী স্বস্থ হোৱাৰ পিছতো উৰ্মিলা বৈ গ'ল ৰাজপ্ৰাসাদৰ এটি কোণত একাকিনী হৈ। আজিৰ প্ৰবন্ধত বিচাৰি যাওঁ স্বামী বিৰহিনী উৰ্মিলাই কিদৰে জীৱন কটালে।

অসমীয়া সাহিত্যত পদ্মনাথ গোহাঞি বৰুৱাদেৱৰ উৰ্মিলা আৰু ৰত্নকান্ত বৰকাকতীদেৱৰ 'উৰ্মিলা' নামৰ কবিতা দুটি পোৱা যায়। একে নামৰ দুয়োটি কবিতাতে অসমীয়া কবি দুজনাই উৰ্মিলাৰ অৱস্থাৰ কথা দাঙি ধৰিব বিচাৰিছে। বৰকাকতীদেৱ কবিগুৰুৰ 'কাব্যেৰ উপেক্ষিতা' প্ৰবন্ধৰ দ্বাৰা অনুপ্ৰাণিত। মহাকবি বাল্মীকিয়ে কিয় উৰ্মিলাক অব্যক্ত কৰি ৰাখিলে, তাৰ কাৰণ দেখুৱাবলৈ গৈ কাকতীদেৱে উৰ্মিলা কবিতাত লিখিছে ঃ

'সিদিনাৰ অযোধ্যাৰ ক্রন্দন ধূমত,
দেখিলেনে কোনোবাই তোমাৰ প্ৰাণত,
জ্বলিল কি বহ্নি বাৰু ল'লে নে খবৰ?
জ্বলি পুৰি শেষ হ'ল এখনি অন্তৰ!'

উৰ্মিলাৰ হৃদয়ৰ তাপ অনুভৱ কৰিবলৈ মহাকবি বাল্মীকিৰ অন্তৰো উদ্‌বাউল নহ'ল।

পদ্মনাথ গোহাঞিবৰুৱাদেৱে তেওঁৰ 'উৰ্মিলা'ত বৰ্ণনা কৰিলে কাব্যকাননৰ 'এচুকত মুখ আমোলাই' থকা উৰ্মিলা। বৰুৱাদেৱে আক্ষেপ কৰিছে মহাকবিজনাই সীতা-মন্দোদৰী, অহল্যা-শবৰীকে আদি কৰি বহুতো নাৰী চৰিত্ৰক

প্ৰস্ফুটিত কৰি তুলিছিল-- মাথোঁ বাদ পৰিছিল উৰ্মিলা। গোহাঞি বৰুৱাদেৱৰ কল্পনাত 'উৰ্ম্মিলা পাহিটি থলে অৰ্দ্ধেক গোপনে।'

হিন্দী সাহিত্য জগতৰ যুগ-প্ৰতিনিধি কবি শ্ৰীমৈথিলীশৰণ গুপ্তদেৱে 'সাকেত' নামৰ কাব্যত উৰ্মিলাক বিৰহ-বিধুৰা নায়িকাৰ ৰূপত অঙ্কিত কৰিছে যদিও উৰ্মিলাক গোপনে নাৰাখি পূৰ্ণভাৱে প্ৰস্ফুটিত কৰি তুলিবলৈ প্ৰয়াস কৰিছে।

'সাকেত'ৰ অৰ্থ অযোধ্যানগৰী। বাল্মীকি, তুলসী দাস আদি কবিসকলে অযোধ্যা নগৰীত ঘটা চিৰন্তন ঘটনা প্ৰবাহ বৰ্ণনা কৰিছে। বৰ্তমান যুগত মানুহৰ বিচাৰ ধাৰাৰ পৰিবৰ্তন ঘটিছে। এই পৰিৱৰ্তনক লক্ষ্য কৰি মূল আধাৰ একে ৰাখিও কবি গুপ্তদেৱে তেওঁৰ কাব্যত উৰ্মিলাৰ চৰিত্ৰক প্ৰাধান্য দিছে। উৰ্মিলাৰ পতি লক্ষ্মণে নিজ কৰ্তব্য পালন কৰি জেষ্ঠ ভাতৃৰ লগত চৈধ্য বছৰৰ বাবে বনবাসলৈ গ'ল। ইপিনে উৰ্মিলাই পত্নী ধৰ্ম ৰক্ষা কৰি অযোধ্যাৰ ৰাজপ্ৰাসাদত থাকি ভগৱানে দিয়া ভাগ্যৰ লগত মোকাবিলা কৰি হাঁহি হাঁহি প্ৰকৃতিৰ ফুলৰ দৰে বিকশিত হ'বলৈ অভিলাষ কৰিলে। বিৰহিনী উৰ্মিলাই নিজৰ অশ্ৰুবন্যাৰে জীৱনটোক সজীৱ কৰি তুলিবলৈ প্ৰয়াস কৰিলে।

মৈথিলীশৰণ গুপ্তদেৱ কবিগুৰু ৰবীন্দ্ৰনাথৰ কাব্যৰ দ্বাৰাও প্ৰভাৱিত হোৱা দেখা যায়। বাল্মীকি, মাধৱ কন্দলী, তুলসীদাস আদি কবিসকলৰ দ্বাৰা ৰচিত ৰামায়ণ বৰ্ণনাত অযোধ্যা বধূ উপেক্ষিতা হ'লেও তেওঁক নাৰীৰ মৰ্যাদা দি স্বকীয় স্থানত বহুৱাবৰ বাবে কবি গুপ্তদেৱে প্ৰচেষ্টা চলাইছে তেওঁৰ 'সাকেত' কাব্যৰ মাজেৰে। কবিৰ একমাত্ৰ উদ্দেশ্য- যুগে যুগে উপেক্ষিতা বিৰহ অনলত তাপিত উৰ্মিলা চৰিত্ৰক এক স্বৰ্ণময় ৰূপত প্ৰকাশ কৰা। ৰবি ঠাকুৰে তেওঁৰ 'কাব্যের উপেক্ষিতা'ত বিৰহৰ মহত্ব বৰ্ণনা কৰিবলৈ গৈ কৈছে যে, কবিৰ মনৰ কোঠাত এজনী বিৰহিনী নাৰীয়ে বিৰহৰ গীত শুনাই আছিল। গুপ্তদেৱৰ মতে অকল কবি গুৰুৱেই নহয়, কালিদাসে 'শকুন্তলা'ত, ভৱভূতিয়ে 'উত্তৰ ৰাম চৰিত'ত বিৰহ বৰ্ণনা কৰাৰ দৰে তেৰোঁ বিৰহিনী উৰ্মিলাৰ হৃদয়ত একাকাৰ হৈ গ'ল।

অযোধ্যাৰ ৰাজপ্ৰাসাদৰ উৰ্মিলা আছিল আটাইতকৈ নিৰাশ্ৰিত জীৱ। সীতা ৰামৰ লগত অনুগামী হোৱাত মাণ্ডৱী আৰু শ্ৰুতিকীৰ্তিয়ে ভৰত আৰু শত্ৰুঘ্নৰ লগত থাকিবলৈ পালে। কিন্তু উৰ্মিলা! উৰ্মিলা ক্লান্তা বিৰহিনী, তেওঁক শান্ত কৰিবলৈ কাৰো সাধ্য নাই। উৰ্মিলাৰ এই অসহায় দশা দেখি পাষাণ হৃদয়ৰ কৈকেয়ীৰো হৃদয় বিগলিত হৈ পৰিল। কবিৰ ভাষাত 'মেৰী সৰসে অধিক দুঃখিনী' বুলি উৰ্মিলাক আকোঁৱালি ল'লে।

উৰ্মিলাৰ প্ৰতি কবিয়ে উচিত আৰু ন্যায়সঙ্গত দৃষ্টিভঙ্গী আৰোপ কৰিব বিচাৰিছে। নাৰীয়ে যে নাৰীৰ বেদনা বুজিব পাৰে তাকে দেখুৱাবলৈ গৈ কবিয়ে কৈকেয়ীৰ দ্বাৰাও উৰ্মিলাক আদৰিলে। সীতাই নিজৰ ভাগ্যক ধিয়াই উৰ্মিলাৰ দুখত দুখী হ'ল।

বিয়াৰ পিছত অযোধ্যাৰ বোৱাৰী হৈ উৰ্মিলাই বাৰ বছৰ লক্ষ্মণৰ লগত দাম্পত্য জীৱন কটালে, তাৰ পিছতেই আহিল চৈধ্য বছৰৰ বাবে বিয়োগান্ত কাল। সীতা ৰামৰ লগত বনবাসলৈ যাব বুলি জানি উৰ্মিলা বিবশ হৈ পৰিল যদিও সকলো ব্যৱস্থাকে মানি ল'লে। দুৰ্ভাগ্যক প্ৰশ্ৰয় দি ব্যাকুল হৈ পতিৰ বাধা নহ'ল। ইয়াতেই উৰ্মিলাৰ সহনশীলতা আৰু মহানতা উজ্বল হৈ প্ৰকাশ পাইছে। উমিলাই কৈছে, 'হে মন, তু প্ৰিয় পথ কা বিঘ্ন ন বন' (সাকেত)

'বন মে তনিক তপস্যা কৰকে
বননে দো মুঝকো নিজ যোগ্য
ভাবী কে ভগিনী তুম মেৰে
অৰ্থ নহী কেবল উপভোগ্য।' (সাকেত)

ৰাম ভাতৃয়ে কৈছে যে সীতা-ভগ্নি উৰ্মিলা মাথোঁ পত্নীৰ দাবিত নিজকে উপভোগ্যৰ বস্তু বুলি ভাবিলেই নহ'ব। ত্যাগৰ মহানতা দেখুৱাই লক্ষ্মণৰ বনবাসী জীৱন যোগ্য অৰ্থাৎ ধন্য কৰি তুলিবলৈ পত্নীৰ ওচৰত আবেদন জনাইছে। নিজৰ প্ৰিয় জায়াৰ প্ৰতি বিশ্বাস আৰু সন্মানজনক দৃষ্টিভঙ্গী লক্ষ্মণৰ ওপৰ উক্ত উক্তিত উচিতভাৱে প্ৰকাশ পাইছে।

ৰামক উভতাই আনিবৰ বাবে ৰাজপ্ৰাসাদ আৰু ৰাজ্যৰ প্ৰায় ভাগেই বনলৈ গ'ল। 'সাকেত' কাব্যত কবিয়ে চিত্ৰকূট পৰ্বতত ভায়েকহঁতৰ মিলনথলীত মাকহঁতৰ লগত উৰ্মিলাকো সেই ঠাইত উপস্থিত থকা দেখুৱাইছে। সীতাৰ মধ্যস্থতাত ইয়াতে লক্ষ্মণৰ লগত উৰ্মিলাৰ ক্ষণিকৰ বাবে মিলন হ'ল সঁচা, কিন্তু লক্ষ্মণৰ বিবশতা দেখি উৰ্মিলাই বিচলিত হোৱা নেদেখুৱালে। ইয়াৰ পৰিৱৰ্তে পত্নীয়ে পতিক ক'লে যে, 'মোৰ উপবনৰ হৰিণ আজি বনচাৰী-

ভয় নাই, মই তোমাক মায়াৰে বান্ধি নথও।' কৰ্তব্য পৰায়ণ উৰ্মিলা এই বিষম পৰিস্থিতিতো নিজৰ স্বাৰ্থ লৈ অন্ধ হৈয়ে থাকিল। উৰ্মিলাৰ প্ৰেম-প্ৰীতি পূৰ্ণ এখনি

অন্তৰ আছে। চিত্ৰকূটৰ পৰা অযোধ্যা নগৰীলৈ আহি তেওঁ বাস্তৱক্ষেত্ৰত পতি-বিৰহত উন্মনা হ'ল সঁচা, কিন্তু নিজকে হেৰুৱাই নেপেলালে। ৰাজকাৰেঙত সখীসকলৰ সৈতে ভাগ্যক ধিয়াই, অতীত ৰোমন্থন কৰি দিন কটাবলৈ ধৰিলে, কিন্তু এবাৰৰ বাবেও পাহৰি নগ'ল যে-- 'ভাগ্য, ভগৱানৰ দান।' বিৰহ ব্যথাক ভগৱানৰ দান বুলিয়াই স্বীকাৰ কৰি ল'লে, প্ৰিয়জনৰ বাবে প্ৰতীক্ষাৰত হৈ থাকি দৈনন্দিন কৰ্মত ব্যস্ত হৈ পৰিল উৰ্মিলা।

মৈথিলী শৰণ গুপ্তদেৱে উৰ্মিলাৰ অন্তৰৰ বেদনাৰ সমভাগি হৈ বৰ্ণনা কৰিছে যে ভগৱানে যি ব্যথা উৰ্মিলাক দিছে, তেনেদৰে আকৌ সহ্য কৰাৰ ক্ষমতাও দিছে। উৰ্মিলাই কামনা কৰিছে--

'সিৰ মাথে তেৰা য়হ দান
হে মোৰ প্ৰেৰক ভগৱান'
'তুঝে ন ভুলে উনকা ধ্যান..'

আমাৰ পৰমগুৰু শ্ৰীমন্ত শঙ্কৰদেৱেও সেই আদৰ্শ আমাৰ আগত দি গৈছে যে, ভগৱন্তৰ ওচৰত শৰণাপন্ন হ'লে সকলো দুখ সুখৰ কাৰণ হৈ পৰে। ভগৱন্তৰ প্ৰতি নিবিড় বিশ্বাসেই আছিল উৰ্মিলাৰ জীৱন নিৰ্বাহৰ মূলধন। তেওঁৰ সন্দেহ হ'ল-- জানোচা বিৰহ বেদনা তেওঁৰ শিল্পী মনক আন্ধাৰেৰে ঢাকি দিয়ে--

'খান পান তো ঠিক হ্যায়, পৰ তদনন্তৰ হায়।
আৱশ্যক বিশ্ৰাম জো, উস্‌কা জৈন উপায়।।'সাকেত

কবি গুপ্তদেৱৰ ভাৰত এই বিশ্ৰামৰ বাবে উৰ্মিলা ললিত কলা আৰু সঙ্গীতৰ আশ্ৰয় ল'লে। শিল্প-সংস্কৃতিৰ আনন্দই মনত আধ্যাত্মিক ভাৱ জগাই তুলি ভগৱন্তৰ প্ৰতি বিশ্বাস আৰু প্ৰেম আনে। প্ৰভাতৰ পিছত সন্ধ্যা আৰু সন্ধ্যাৰ পিছত আকৌ প্ৰভাত হোৱাৰ দৰে মানুহৰ জীৱনতো এই প্ৰক্ৰিয়া ঘটে। কবিয়ে উৰ্মিলাৰ চিন্তাধাৰা এই প্ৰক্ৰিয়াৰে প্ৰতিফলন বুলি ব্যক্ত কৰিছে। কবিৰ ভাৰত উৰ্মিলা নিজেও ললিত কলা আৰু সঙ্গীত চৰ্চা কৰি থাকিল আৰু ৰাজপ্ৰাসাদৰ নাৰীসকলকো সেই চৰ্চা কৰিবলৈ উদ্‌গনি দিবলৈ ধৰিলে। দুখৰ লগত সুখ আৰু বিয়োগৰ লগত অভিসাৰৰ অনুভৱ কৰিয়েই উৰ্মিলাই দিনবোৰ পাৰ কৰিব ধৰিলে। কাৰেঙৰ পোহনীয়া চৰাই, জীৱ-জন্তুবোৰৰ লগতো উৰ্মিলাই সখীত্ব কৰিলে। সজাৰ পৰা মুকলি কৰি এৰি দিলেও অভ্যাসবশতঃ যিবোৰে উৰিব নোৱাৰা হ'ল, যিবোৰৰ দুখত দুখী হৈ বেদনাৰ সমভাগী হ'ল।

উৰ্মিলাৰ বিৰহী জীৱন গৃহস্থী জীৱনৰ দায়িত্বৰ পৰা আঁতৰ কৰি লোৱা নাছিল। গুপ্তদেৱে তেখেতৰ কাব্যত দেখুৱাইছে যে উৰ্মিলাৰ এক এক পল, এক এক বছৰৰ দৰে ধাবমান হ'ল। প্ৰাকৃতিক নিয়মৰ দৰে উৰ্মিলাৰ জীৱনৰ নিয়মো ঠিকেই ৰাখিছিল। কাৰণ, তেওঁ জানিছিল চৈধ্যবছৰ এই নিয়মৰ মাজেদিয়েই প্ৰতীক্ষা কৰিব লাগিব।

কবিৰ সৃষ্টিত নাৰীয়ে উচ্চস্থান পাই আহিছে। যুগে যুগে কবিসকলৰ প্ৰেৰণাৰ উৎস, নাৰীকেই পোৱা যায় মাতৃৰ ৰূপতেই হওক বা প্ৰেয়সীৰ ৰূপতেই হওক। 'সাকেত' কাব্যত গুপ্তদেৱে উৰ্মিলাক সীতা, কৈশল্যা, কৈকেয়ীতকৈ উচ্চ আসনত বহুৱাইছে। বিৰহিনী উৰ্মিলাৰ পতি প্ৰেম, বিশ্বপ্ৰেমত ৰূপান্তৰিত হোৱা বুলি কবিজনাই স্পষ্টকৈ দাঙি ধৰিছে তেওঁৰ কাব্যৰ মাজেৰে। উৰ্মিলাৰ অনুৰাগ ব্যাপ্ত হৈ পৰিল লোক কল্যাণত তৃণ-তৃৰু, পশু-পক্ষী, এনেকি কাৰেঙৰ নাৰীসকলৰ মৰম ব্যথাৰ মাজেৰে। উৰ্মিলাৰ অন্তৰ লক্ষ্মণৰ ভাতৃ-প্ৰেমৰ বাবে গৌৰবান্বিত। সেই কথাও কাব্যত উল্লেখ আছে এইদৰেঃ

'ভাতৃ-প্ৰেম সুধা বৰসে,
ভূ পৰ স্বৰ্গ ভাব সৰসে।'
'য়হ ভাতৃ স্নেহ ন উনাহো,
লোগোকে লিয়ে নমুনা হো।' (সাকেত)

প্ৰিয় বিৰহত বিৰহিনী উৰ্মিলাই সখীসকলৰ সহানুভূতিত আকৌ প্ৰাণ পাই উঠিল। উৰ্মিলাই ব্যক্ত কৰিলে--

'হায়, সব কুছ গয়া
আশা ন গই।' (সাকেত)

সকলো গ'ল, মাথো আশা ৰৈ গ'ল। বিৰহৰ পৰশমনিয়েই হ'ল প্ৰেম। অবলা নাৰীয়ে প্ৰকৃত প্ৰেমৰ এই পৰশমণিৰে সবলালৈ ৰূপান্তৰিত হয়। উৰ্মিলাৰ চৰিত্ৰ চিত্ৰণৰ দ্বাৰা এইকথা প্ৰমাণিত হয়। উজ্বলতাৰ দ্বাৰা উৰ্মিলাৰ চৰিত্ৰ, 'সাকেত' কাব্যত সোণৰ দৰে জিলিকি আছে। বনৰ পৰা প্ৰত্যাগমনৰ পিছত উৰ্মিলাৰ কষ্ট সহিষ্ণুতা, সহৃদয়তা আৰু নাৰীসুলভ স্বভাৱৰ পৰিচয় পাই স্বয়ং ৰামচন্দ্ৰৰ হিয়াও আনন্দত উথলি উঠিল, উৰ্মিলাক প্ৰশংসা কৰি ৰামচন্দ্ৰই ক'লে--

'তুনে তো সহধৰ্ম্মচাৰিণী কে ভী উপৰ
ধৰ্ম্ম স্থাপনা কি ভাগ্যশালিনী ইম ভূ পৰ।'- সাকেত

সহৃদয়তা আৰু বিষাদে একেলগে উৰ্মিলাক মহিয়সী কৰি তুলিছে। জয়তু উমিলা- আমাৰ বাবে তুমি চিৰ আদৰণীয়।■

# পক্ষী সংবাদ

**শ্ৰীভবেন দুৰৰী**

গোস্বামী তুলসী দাসে ১৬ শতিকাত 'ৰাম চৰিত মানস' ৰচনা কৰি ভগৱান শ্ৰীৰামৰ অনন্য সুন্দৰ ভক্তিভাৱৰ অভিব্যক্তি প্ৰকাশ কৰিছিল। অনুপম উপমা, যোজনা মিশ্ৰিত সাৰলীল ৰচনা শৈলীয়ে পাঠকক বিমল আনন্দ দিয়াত যথেষ্ট সফলতা লাভ কৰিছে। ৰাম চৰিত মানসে সৰ্বভাৰতীয় স্তৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ৰাম চৰিতৰ গীত-মাত, প্ৰবচন আদি ভাৰতৰ বিভিন্ন প্ৰান্তত চলি আছে। ঈশ্বৰ ভক্তি প্ৰচাৰ আৰু প্ৰসাৰত ৰাম চৰিত মানসে এক সৰল ভূমিকা গ্ৰহণ কৰি আহিছে।

ভগৱদ ভক্তি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত একশৰণ হৰি নামধৰ্মৰ লগত কিছু ভাৱৰ মিল থকা দেখা যায়। মহাপুৰুষে ১৫ শতিকাতে নামধৰ্ম প্ৰৱৰ্তন কৰি ভক্তি সাধনাৰ পাতনি মেলিছিল। মহাপুৰুষ গুৰুজনাই কীৰ্তন, দশম আদি শাস্ত্ৰ ৰচনা কৰি ভক্তি ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত মনোনিৱেশ কৰিছিল।

দুয়োজনা কবিৰ লেখনিত ভক্তি ভাৱৰ প্ৰাবল্য, হৰি নামৰ প্ৰভাৱ আৰু সৎসঙ্গৰ মাহাত্ম্যৰ বৰ্ণন আছে। তুলসী দাসে ৰাম ভক্তি মন-বচন-কৰ্মৰে কৰাৰ কথা বাৰম্বাৰ উল্লেখ কৰিছে। আনহাতে মহাপুৰুষ শঙ্কৰদেৱে 'কায়-বাক্য-মনে' হৰি ভক্তি কৰাৰ কথা দোহাৰিছে। শঙ্কৰদেৱৰ নামধৰ্মৰ বিশেষত্ব হ'ল 'এক শৰণ', কিন্তু তুলসী দাসৰ ৰচনাত এক শৰণৰ বিশেষত্ব নাই।

তুলসী দাসে ১৬ শতিকাত যি ভক্তিৰ ভাৱৰ প্লাৱন আনিবলৈ চেষ্টা কৰিছিল, মহাপুৰুষ শঙ্কৰদেৱে ১৫ শতিকাতে অসম ভূমিত নামধৰ্ম প্ৰৱৰ্তন কৰি প্ৰচাৰ কৰিছিল। তুলসী দাসে কোনো বিশেষ ধৰ্মৰ পোষকতা কৰা নাছিল ; কেৱল মাত্ৰ প্ৰভু শ্ৰীৰামৰ চৰিতামৃত কথা প্ৰচাৰ কৰাই আছিল মূল উদ্দেশ্য।

তুলসী দাসৰ ৰচনা কৌশল আৰু প্ৰকাশ ভঙ্গীত এটা বিশেষ ধৰণৰ আমেজ আছে। তাৰে এটা আভাস দিয়াৰ আলচ কৰি ৰাম চৰিত মানসৰ আধাৰত দুই পক্ষীৰ (কাক ভূশুণ্ডি আৰু গৰুড়) মাজত হোৱা বাৰ্তালাপৰ কিয়দাংশ উল্লেখ কৰা হ'ল।

প্ৰভু শ্ৰীৰামচন্দ্ৰই সীতা উদ্ধাৰৰ নিমিত্তে ৰণ লীলা কৰি থাকোতে মেঘনাদৰ হাতত নিজে বান্ধ খাইছিল। তেতিয়া নাৰদে গৰুড়ক পঠাই দিলে। সৰ্পভক্ষক গৰুড় বন্ধন মোকোলাই দি গুচি গ'ল। প্ৰভুৰ বন্ধনৰ কথা সুঁৱৰি গৰুড়ে ভাবিবলৈ ধৰিলে ; সৰ্বব্যাপী, বিকাৰ ৰহিত, মায়া মোহৰ অতীত পৰমেশ্বৰে জগতত অৱতাৰ লৈছে বুলি শুনিছো, কিন্তু মই তেওঁৰ একো প্ৰভাৱ দেখিবলৈ পোৱা নাই। তেওঁৰ মনলৈ ভাৱ আহিল, যাৰ নাম জপি মানুহে ভৱ বন্ধনৰ পৰা মুক্তি পায়, সেই ৰামকে এটা তুচ্ছ ৰাক্ষকে নাগ পাশেৰে বান্ধি পেলালে। তেওঁৰ মনত ভ্ৰম উপজিল। খেদ ভাৱত মন বিষন্ন হ'ল। ব্যাকুল হৈ নাৰদৰ ওচৰ পালেগৈ আৰু মনৰ কথা নাৰদক বিৱৰি ক'লে। মহৰ্ষি নাৰদে ক'লে-- 'শুনা গৰুড়, ৰামৰ মায়া অতি প্ৰৱল। ই জ্ঞানীজনৰ চিত্তও হৰণ কৰে আৰু মনত অতিশয় মোহ উৎপন্ন কৰে। এই মায়াই মোকো বহুৱাৰ নচুৱাইছে। হে পক্ষীৰাজ! সেই মায়াই এতিয়া তোমাৰ ওপৰতো বিস্তাৰ হৈছে। তোমাৰ মনত মহামোহ জন্মিছে। মোৰ কথাতে সেই মোহৰ অন্ত নপৰে। গতিকে তুমি ব্ৰহ্মাৰ ওচৰলৈ যোৱা। তাত তেওঁ যি কৰিবলৈ কয় তাকে কৰিবা।'

পক্ষীৰাজে ব্ৰহ্মাৰ ওচৰলৈ গৈ নিজৰ মনৰ সন্দেহৰ কথা ক'লেগৈ। এইকথা শুনি ব্ৰহ্মাই ৰামৰ প্ৰতি প্ৰণাম জনালে আৰু মনতে বিচাৰ কৰি চাই ক'লে-- কবি, জ্ঞানী সকলোৱেই মায়াৰ বশ। হৰিৰ মায়াৰ অমৃত প্ৰভাৱ, ই মোক বহুবাৰ নচুৱাইছে। গতিকে এটি পক্ষীৰ মনলৈ এনেভাৱ অহাটো একো আচৰিত কথা নহয়। এইবুলি ব্ৰহ্মাই ক'লে-- 'ৰামৰ প্ৰভাৱৰ কথা মহাদেৱে জানে, তুমি

তেওঁৰ ওচৰলৈ যোৱা। তেওঁহে তোমাৰ মনৰ সন্দেহ দূৰ কৰিব পাৰিব।'

অতি আতুৰ হৈ গৰুড় মহাদেৱৰ ওচৰলৈ গৈ প্ৰণাম জনাই মনৰ সন্দেহ দূৰ কৰিবলৈ প্ৰাৰ্থনা জনালে। মহাদেৱে ক'লে-- 'সৎসঙ্গত থাকিলেহে সন্দেহ দূৰ হয়। সৎসঙ্গতহে সুন্দৰ হৰি কথা শুনিবলৈ পোৱা যায়। বোপা গৰুড়! য'ত প্ৰতিদিনেই হৰি কথাৰ চৰ্চা হয়, তোমাক তালৈকে পঠাইছোঁ। তুমি তাত হৰি কথা শুনাগৈ। তাকে কৰিলে তোমাৰ সমস্ত সন্দেহ দূৰ হ'ব আৰু প্ৰভু ৰামৰ প্ৰতি ভক্তি আৰু দৃঢ় অনুৰাগ ওপজিব। প্ৰভুৰ প্ৰতি অনুৰাগ নহ'লে যোগ, জ্ঞান আৰু বৈৰাগ্যৰ বলেৰে ৰঘুপতিক পাব নোৱাৰি। উত্তৰ দিশত এটা সুন্দৰ নীলা পৰ্বত আছে, তাতে পৰম সুশীল কাক পক্ষী বাস কৰে। তেওঁ ৰাম ভক্তিৰ পথত পৰম প্ৰবীণ আৰু জ্ঞানী। তেওঁ নিৰন্তৰ ৰাম কথা কীৰ্তন কৰি থাকে। তুমি তালৈ গৈ হৰি কথা শ্ৰৱণ কৰাগৈ। তেতিয়া তোমাৰ মোহজনিত দুখ দূৰ হ'ব।'

মহাদেৱৰ কথা মতে, য'ত অকুণ্ঠ মতি আৰু অখণ্ড ভক্তিৰ অধিকাৰী কাক ভূশুণ্ডি থাকে, গৰুড় সেই ঠাইলৈকে গ'ল। সেই পৰ্বতটো দেখিয়ে তেওঁৰ মন প্ৰসন্ন হৈ আহিল আৰু দুঃশ্চিন্তাও দূৰ হ'ল। ভূশুণ্ডিয়ে ৰাম কথা আৰম্ভ কৰিব খোজোতেই গৰুড় সেইখিনি পালেগৈ। পক্ষীৰাজক দেখি কাক ভূশুণ্ডি সহিত সকলো আনন্দিত হ'ল। তেওঁলোকে পক্ষীৰাজক অনেক আদৰ সৎকাৰ কৰিলে আৰু অহাৰ কাৰণ সুধিলে।

পক্ষীৰাজে মিহি মাতেৰে ক'লে-- 'আপুনি সদায় কৃতাৰ্থ ৰূপ। আপোনাৰ মহিমাৰ কথা স্বয়ং মহাদেৱেও নিজ মুখে প্ৰকাশ কৰিছে। হে প্ৰভু! শুনক। মই যি কাৰণে ইয়ালৈ আহিছিলো, সেই সকলো কাৰ্য ইয়াত উপস্থিত হোৱা মাত্ৰেই সিদ্ধ হ'ল আৰু আপোনাকো দেখা পালো। আপোনাৰ এই পৱিত্ৰ আশ্ৰয় দেখিয়েই মোৰ মনৰ মোহ, সন্দেহ আৰু না না প্ৰকাৰৰ ভ্ৰম ভাৱ দূৰ হ'ল। এতিয়া আপুনি শ্ৰীৰামৰ পৱিত্ৰ, সুখদায়ক আৰু বিনাশক কথা শ্ৰদ্ধাৰে শুনাওক। আপোনাৰ ওচৰত মোৰ বিনম্ৰ প্ৰাৰ্থনা।

গৰুড়ৰ এনে সৰল, বিনীত, প্ৰেমপূৰ্ণ বিনয়সূচক নিৱেদন শুনি কাকভুশুণ্ডি পৰম আহ্লাদিত হ'ল। তেওঁ ৰঘুপতিৰ পৰম পৱিত্ৰ আৰু মঙ্গলময় চৰণ বন্দনা কৰি প্ৰভু শ্ৰীৰামচন্দ্ৰৰ গুণনাৱলীৰ কীৰ্ত্তন কৰি শুনালে।

প্ৰভু শ্ৰীৰামৰ অমৃতোপম কথা শুনি পক্ষীৰাজ গৰুড় পৰম উৎসাহিত হৈ ক'বলৈ ধৰিলে 'ৰঘুপতিৰ সমস্ত চৰিত মই শুনিলো আৰু সকলো সন্দেহ মোৰ মনৰ পৰা আঁতৰিল। আপোনাৰ অনুগ্ৰহত ৰামৰ চৰণত মোৰ ভক্তি উপজিছে। যুদ্ধত প্ৰভুৰ বন্ধন হোৱা দেখি মোৰ অতিশয় মোহ উৎপন্ন হৈছিল-- চিদানন্দঘন ৰাম কি কাৰণে ব্যাকুল হৈ পৰিছে, এই বুলি ভাবিছিলো। ৰামৰ এনে মনুষ্য সুলভ চৰিত্ৰ দেখি মোৰ মনত ডাঙৰ সন্দেহ হৈছিল, সিও মোৰ কাৰণে হিতকৰ বুলি ভাবিছোঁ। কৃপানিধিয়ে মোক অনুগ্ৰহ কৰিলে। যি ৰ'দত কষ্ট পায়, সেইজনেহে গছৰ ছাঁৰ সুখ উপলব্ধি কৰিব পাৰে। যদি মোৰ সেই দুৰ্ঘোৰ মোহ নহ'লহেঁতেন, তেনেহ'লে আপোনাকেইনো ক'ত দেখা পালোহিহেঁতেন আৰু এই বিচিত্ৰ হৰি কথা তেতিয়ানো ক'ত শুনিলোহেঁতেন? নিগম, আগম, পুৰাণৰো এয়ে মত; সিদ্ধ মুনিসকলেও কয় যে প্ৰভু ৰাম যাৰ প্ৰতি কৃপাদৃষ্টি দিয়ে, তেওঁহে শুদ্ধ সঙ্গ লাভ কৰে। এই বিষয়ত কোনো সন্দেহ নাই। ৰামৰ কৃপাতে যি আপোনাক দৰ্শন কৰিবলৈ পালো আৰু আপোনাৰ অনুগ্ৰহতহে মোৰ মনৰ সন্দেহ দূৰ হ'ল, লগতে ৰাম ভক্তি বিষয়ক জ্ঞান লাভ কৰিলো।

পক্ষীৰাজৰ এই বিনীত আৰু অনুৰাগপূৰ্ণ বচন শুনি কাক পক্ষী পৰম আনন্দিত হ'ল আৰু ক'লে-- 'হে নাথ! আপুনি মোৰ পূজনীয় আৰু ৰঘুনাথৰ কৃপাৰ পাত্ৰ। আপোনাৰ সন্দেহ, মোহ আৰু মায়া একো নাই। আপুনি মোকহে দয়া কৰিলে। হে পক্ষীৰাজ, মোহৰ চলেৰে ৰামে আপোনাক ইয়ালৈ পঠিয়াই মোক বৰ কৰি দেখুৱাইছে। হে স্বামী! আপুনি যে নিজৰ মোহ হোৱা বুলি ক'লে, তাত আচৰিত হ'বলগীয়া একো কথা নাই। নাৰদ, শিৱ, ব্ৰহ্মা, সনক আদি আত্মতত্ত্ব বেত্তা আৰু উপদেশক শ্ৰেষ্ঠ মুনি আছে, তেওঁলোকৰ ভিতৰত কাকনো মোহে অন্ধ নকৰাকৈ আছে? জগতত এনে এজন কোন আছে, যাক কাম ভাৱে নচুৱাব পৰা নাই। তৃষ্ণাই যাক বাউল কৰা নাই। ক্ৰোধে যাৰ অন্তৰ নজ্বলোৱাকৈ আছে? এই সংসাৰৰ এনেকুৱা কোন জ্ঞানী আছে-- তপস্বী, কবি, বীৰ, বিদ্যান আৰু গুণীলোক আছে, লোভত পৰি যাৰ লটিঘটি হোৱা নাই? সম্পত্তিৰ দৰ্পই কাক কুটিল কৰা নাই আৰু প্ৰভুত্বই কাক কলা নকৰাকৈ আছে? এনে কোন পুৰুষ আছে যাক মৃগনয়নী ৰমণীৰ নেত্ৰবাণে নিবিন্ধাকৈ আছে? সত্ত, ৰজ

আদি গুণসমূহৰ ক্ৰিয়াই কাৰ পতন ঘটোৱা নাই? গৰ্ব আৰু অভিমানে কাক স্পৰ্শ নকৰাকৈ এৰিছে? যৌৱনৰ জ্বৰত কোনজন উন্মত্ত নোহোৱাকৈ সাৰিব পাৰিছে? মমতাই কাৰ যশস্যা নাশ কৰা নাই? পৰশ্ৰীকাতৰতাই কাক কলঙ্কিত নকৰাকৈ থৈছে? শোকৰ ধুমুহাই কাক অস্থিৰ কৰা নাই? চিন্তাৰূপিনী সৰ্পিনীয়ে কাক দংশন কৰা নাই? জগতত এনে কোন ব্যক্তি আছে, যি মায়াৰ বশৱৰ্তী হোৱা নাই?'

শৰীৰটো এডাল কাঠ, মনোৰথ এবিধ পোক। এনেকুৱা কোনজন ধীসম্পন্ন লোক আছে, যাৰ শৰীৰত এই মনোৰথৰ পোকে ছিদ্ৰ উলিওৱা নাই? পুত্ৰ, ধন, লোক প্ৰতিষ্ঠা-- এই তিনিটাৰ কামনাই কাৰ মতি বুদ্ধি মলিন নকৰাকৈ থৈছে? এই সকলোটিয়েই মায়াৰ পৰিয়ালৰ বস্তু। এইসকলৰ অপৰিমিত শক্তিশালী, তাৰ শক্তিৰ বৰ্ণনা দি শেষ কৰিব নোৱাৰি। শিৱ, ব্ৰহ্মা আদিয়েও যালৈ ভয় কৰে, সেই মায়াৰ ওচৰত আন সাধাৰণ জীৱ কি লেখৰ বস্তু।

মায়াৰ প্ৰচণ্ড সৈন্য বাহিনীয়ে এই জগতখন জুৰি আছে। কাম-ক্ৰোধ আদি ইয়াৰ সেনাপতি। দম্ভ, কপট আৰু পাষণ্ড বুদ্ধি এই বাহিনীৰ ভিতৰত নিপুণ যোদ্ধা। যি মায়াও ৰঘুপতিৰ দাসী, কিন্তু স্বৰূপ জ্ঞান হোৱাজনৰ কাৰণে এই মায়া মিথ্যা ভ্ৰমহে। তথাপি ৰামৰ কৃপা নহ'লে যে মায়াৰ হাত কোনেও সাৰিব নোৱাৰে, মই এইকথা ন দি কৈছোঁ। যি মায়াই সমস্ত জগতকে নচুৱাই আছে, যাৰ চৰিত্ৰ কোনেও নাজানে, বুজিব নোৱাৰে। হে পক্ষীৰাজ! সেই মায়াই প্ৰভু ভ্ৰূকুটি এক ইঙ্গিততেই সপৰিয়ালে নটীৰ দৰে নাচিবলৈ ধৰে।

প্ৰভু শ্ৰীৰামচন্দ্ৰই ভক্তৰ কাৰণে ৰজাৰ ৰূপ ধাৰণ কৰিছে আৰু তেওঁ সাধাৰণ মানুহৰ দৰে পৰম পৱিত্ৰ চৰিত্ৰ দেখুৱাইছে। কোনোবা এজন নৰ্তকে যেনেকৈ অনেক বেশ ধৰি নৃত্য কৰে আৰু বেশৰ অনুৰূপে ভাৱ প্ৰদৰ্শনো কৰে, তথাপি তেওঁৰ স্বৰূপ সলনি নহয়। হে পক্ষীৰাজ গৰুড়! ৰাক্ষক বিমোহনকাৰী আৰু ভক্তজনৰ সুখদাতা ৰঘুপতিৰ লীলাও তেনেকুৱাই। যিজন লোক মলিন বুদ্ধিৰ, বিষয়ৰ বশ আৰু কামনাসক্ত, তেওঁহে প্ৰভু শ্ৰীৰাম ওপৰত এনে মোহ আৰোপ কৰিব পাৰে। যেতিয়া কাৰোবাৰ চকুৰ দোষ ঘটে, তেতিয়া তেওঁ চন্দ্ৰটোকো হালধীয়া বুলি কয়। হে পক্ষীৰাজ! যেতিয়া কাৰোবাৰ দিক্ ভ্ৰম হয়, তেওঁ তেতিয়া সূৰ্যটোও পশ্চিম ফালে ওলাইছে বুলি ভাৱে। নাৱত উঠি যোৱা মানুহে পৃথিৱীখনেই চলি যোৱা দেখে আৰু মোহবশতঃ নিজকে অচল বুলি ভাৱে। সৰু ল'ৰাবোৰে নিজেহে ঘূৰে, ঘৰ-দুৱাৰবোৰ নুঘূৰে; কিন্তু সিহঁতে ইটোৱে সিটোক মিচলীয়া বুলি কয়। হে পক্ষীৰাজ! হৰিৰ মোহ হোৱা বুলি কৰা কল্পনাও এনে ধৰণৰে। ঈশ্বৰৰ ক্ষেত্ৰত স্বপ্নতো অজ্ঞানৰ প্ৰসঙ্গ আহিব নোৱাৰে। তথাপি যিজন মায়াৰ বশ, মন্দ, বুদ্ধি, ভাগ্যহীন আৰু যাৰ হৃদয় ভ্ৰমৰ আৱৰণে ঢাকি পেলাইছে, সেই মূৰ্খইহে জিদ ধৰি এনে সন্দেহ কৰি নিজৰ অজ্ঞতা ৰামত আৰোপ কৰে। যিজন কাম, ক্ৰোধ, মদ আৰু লোভত ৰত আৰু দুখময় গৃহত আসক্ত, তেওঁ ৰামক কেনেকৈ বুজিব পৰিব? সেই মূৰ্খই অন্ধকাৰময় কুঁৱাত পৰি আছে।

প্ৰভুৰ নিৰ্গুণ ৰূপটো সহজবোধ্য, কিন্তু সগুণ ৰূপটো বুজিব নোৱাৰা বিধৰ। সেই কাৰণে সগুণ ভগৱানৰ, সুগম, দুৰ্গম নানা প্ৰকাৰৰ চৰিত্ৰ শুনি মুনি সকলৰো মনত বিভ্ৰম হয়। হে পক্ষীৰাজ! ৰঘুপতিৰ প্ৰভাৱৰ কথা শুনক। মই নিজৰ বুদ্ধি অনুসৰি সেই মনোৰম কথা কওঁ। হে প্ৰভু! মোৰ মনত কেনেকৈ মোহ উৎপন্ন হৈছিল, সেই কথাও আপোনাক কওঁ। আপুনি ৰামৰ কৃপাৰ পাত্ৰ। হৰিগুণত আপোনাৰ প্ৰীতি আছে আৰু আপুনি সেই কাৰণে মোৰ সুখদাতা। গতিকে মই আপোনাৰ ওচৰত মই কোনো কথা নুকলুকুৱাও।

ৰামৰ সহজ স্বভাৱ শুনক। তেওঁ কেতিয়াও ভকতত অভিমান থাকিবলৈ নিদিয়ে। কাৰণ অভিমানেই সংসাৰ চক্ৰৰ মূল আৰু বিবিধ ক্লেষদায়ক তথা শোকপ্ৰদ। সেই কৃপা নিধিয়ে কৃপা কৰি ভকতৰ দুখ দূৰ কৰে। সেৱকৰ প্ৰতি তেওঁৰ মমতা বৰ বেছি। হে স্বামী! শিশুৰ শৰীৰত ফোঁহা হ'লে মাকে কঠোৰ হৈ ফুটুৱাই দিয়াৰ দৰেই প্ৰভুৱেও এই কাম কৰে। যদিও শিশুটিয়ে প্ৰথমতে দুখ পাই কান্দে, তথাপি মাকে ৰোগ নাশ হ'বৰ বাবে শিশুৰ কষ্ট গণিতা নকৰে। ৰঘুপতিয়েও নিজ ভৃত্যৰ অভিমান তেওঁ কল্যাণৰ উদ্দেশ্যই হৰণ কৰে।

গোস্বামী তুলসী দাসে কৈছে-- 'ভ্ৰম ত্যাগ কৰি এই হেন প্ৰভুৰ ভক্তি কিয় নকৰা?'■

# ৰামায়ণৰ পটভূমিত অসমীয়া নাটক

ড° প্ৰদীপ হাজৰিকা

অসমৰ সামাজিক আৰু ধৰ্মীয় জীৱনত ৰামায়ণ আৰু মহাভাৰতৰ প্ৰভাৱ অপৰিসীম। সাংস্কৃতিক জীৱনতো এই দুই মহাকাব্যৰ গভীৰ প্ৰভাৱ যুগে যুগে অসমীয়া মানুহে উপলব্ধি কৰি আহিছে। অৱশ্যে নাট্য সাহিত্যৰ সৃষ্টিৰ ক্ষেত্ৰত মহাভাৰতত‌কৈ ৰামায়ণৰ বিষয়বস্তুৰ আধাৰত ৰচিত নাটক তুলনামূলকভাৱে কম। গুৰুজনাই 'ৰাম বিজয়' নাটকৰ মাজেদি ৰামায়ণৰ বিষয়-বস্তুক মঞ্চৰ পাদ-প্ৰদীপৰ সন্মুখলৈ আনিলেও পৰৱৰ্তীকালত ৰামায়ণক লৈ অতি কম সংখ্যক নাটক ৰচিত হোৱাটো লক্ষণীয় বিষয়। ইয়াৰ মূল কাৰণ আছিল মহাভাৰতৰ বুকুত থকা বৈচিত্ৰ্যময় বিষয়বস্তুৰ লগতে নাটকীয় চৰিত্ৰৰ চিত্ত-চমৎকাৰীত্ব গুণৰ উপাদান। দ্বিতীয়তে, অসমীয়া মানুহৰ যি চাৰিত্ৰিক বৈশিষ্ট্য, সেই বৈশিষ্ট্যৰ যথাযথ প্ৰতিফলন ঘটিছে বিশাল মহাকাব্য মহাভাৰতত। তদুপৰি ৰামায়ণৰ ৰাক্ষস, বান্দৰ আদিৰ বিপৰীতে মানৱ মনৰ বৈশিষ্ট্যময় দিশ উন্মোচন কৰা মহাভাৰতৰ বিষয়বস্তুৱে জনমনক সততেই আকৰ্ষণ কৰি অহা কাৰ্য এক চিৰাচৰিত ঘটনা। সেইবাবেই হয়তো গুৰুজনাই মহাভাৰত আৰু ভাগৱত পুৰাণৰ বিষয়বস্তুক লৈ পাঁচখন নাটক ৰচনা কৰাৰ বিপৰীতে ৰামায়ণৰ বিষয়বস্তুক লৈ এখনহে নাটক ৰচনা কৰিছিল। গুৰুজনাৰ প্ৰিয়শিষ্য মাধৱদেৱে গুৰুক অনুসৰণ কৰি গীত পদ নাট ৰচনা কৰিলেও ৰামায়ণৰ বিষয়বস্তুক লৈ এখনো নাটক ৰচনা নকৰাটো এই প্ৰসংগত প্ৰণিধানযোগ্য বিষয়। মাধৱদেৱৰ পিছৰ কালতো মহাপুৰুষসকলে ৰামায়ণৰ বিষয়বস্তুক লৈ নাটক ৰচনা নকৰাটো তাৎপৰ্যপূৰ্ণ দিশৰূপে বিবেচিত হৈ আহিছে।

যোৱা পাঁচশ বছৰত মুষ্টিমেয় যি কেইজনমান নাট্যকাৰে ৰামায়ণৰ বিষয়বস্তুক লৈ নাট ৰচনাত আত্মনিয়োগ কৰিছিল-- সেইসকলৰ কেইবাজনৰো সোণসেৰীয়া সৃষ্টিয়ে জনমানসক বিপুলভাৱে আকৃষ্ট কৰিবলৈ সমৰ্থ হৈছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত মঞ্চস্থ হোৱা 'ৰাৱণ বধ' ভাওনাই মণিপুৰৰ পৰা অহা শিল্পী আৰু বিষয়াৰ চকুত চমক সৃষ্টি কৰিছিল। 'তুংখুঙীয়া বুৰঞ্জী'ৰ মতে এই নাট্যাভিনয়ৰ পিছতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহক মণিপুৰী দলটিয়ে অসমৰ এটি শিল্পীদলক তেওঁলোকৰ ৰাজ্যলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছিল আৰু সেই অনুৰোধ মৰ্মে স্বৰ্গদেৱেও মণিপুৰলৈ প্ৰেৰণ কৰিছিল এটি বাচকবনীয়া শিল্পীদল। সময়ৰ গতিত মণিপুৰৰ শিল্পীয়ে মহাপুৰুষৰ কালজয়ী অৱদানক নিজৰ ভাষা সংস্কৃতিৰ অনুকূলে স্বকীয় ৰূপ দি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বুনিয়াদ গঢ়ি তুলিছিল।

অন্য এক বৈশিষ্ট্যময় দিশ হ'ল যে, নাট্যকাৰসকলে সাতকাণ্ড ৰামায়ণৰ ভিতৰৰে মাথোন কেইটিমান বিষয়কহে নাটকৰ বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছিল আৰু একাধিক নাট্যকাৰে একেবোৰ বিষয়বস্তুকে লৈ নাট ৰচনাত প্ৰবৃত্ত হৈছিল। সাধাৰণতে, ৰামৰ হৰধনুভঙ্গ, ৰামৰ বনবাস, সীতা হৰণ, সীতাৰ অগ্নিপৰীক্ষা, বালী-মেঘনাদ-ৰাৱণ বধ আৰু লৱ-কুশ সম্পৰ্কীয় ঘটনাক লৈ নাটকৰ বিষয়বস্তু প্ৰোথিত হৈছে। প্ৰায়বোৰ ৰামায়ণৰ নাটকেই ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত আৰু বিংশ শতিকাৰ প্ৰথম দশক দুটাত ৰচিত হৈছিল। স্বাধীনোত্তৰ কালত ৰামায়ণৰ বিষয়বস্তুক লৈ দুখনমান নাটকহে ৰচিত হৈছিল। অৱশ্যে স্বাধীনোত্তৰ কালতো সেই প্ৰচেষ্টা অব্যাহত আছে আৰু কেইবাজনো নাট্যকাৰে ন ন আঙ্গিক আৰু ৰচনাশৈলীৰে নাটক ৰচনাত আত্মনিয়োগ কৰিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছত প্ৰায় দুশ বছৰ ধৰি ৰামায়ণৰ বিষয়বস্তুক লৈ নাটক ৰচনা কৰা পৰিলক্ষিত নহয়। আহোমৰ ৰাজত্ব কালত, অষ্টাদশ শতিকাত স্বৰ্গদেউ প্ৰমত্তসিংহৰ দিনত দিহিংসত্ৰৰ ভকত ৰঞ্জনদেৱে 'লক্ষ্মণ শক্তিশেল' নামৰ ৰামায়ণৰ বিষয়বস্তুক লৈ এখন নাটক ৰচনা কৰিছিল। নাটকখনৰ ভাষা আছিল-- সংস্কৃত আৰু গীতসমূহ ব্ৰজাৱলী ভাষাত ৰচিত হৈছিল বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে। ওঠৰ আৰু ঊনৈছ শতিকাত গোপাল নামৰ এজন অবাৰ্চীন নাট্যকাৰে 'শতস্কন্ধ ৰাৱণ বধ' আৰু 'সীতা হৰণ' নামৰ দুখন নাটক ৰচনা কৰিছিল। তদুপৰি গোপীকান্তৰ 'লৱ-কুশৰ যুদ্ধ'

(খণ্ডিত) লক্ষ্মীনাথৰ অসম্পূৰ্ণ নাট 'সীতা বিসৰ্জনো' সেই সময়ৰ ৰচনা বুলি ড° শৰ্মাই উল্লেখ কৰিছে। কেউখন নাটেই গুৱাহাটী বিশ্ববিদ্যালয়ত সংৰক্ষিত হৈ আছে। আনহাতে, অসমৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সঞ্চিত হৈ থকা সেই সময়ত ৰচিত ৰামায়ণী নাটক কেইখন হ'ল-- গোপালদেৱৰ 'সীতাহৰণ' আৰু ৰমাকান্তৰ 'ৰাৱণবধ'। প্ৰথমখনত সীতাই ভয়ঙ্কৰী মূৰ্তি ধাৰণ কৰি শতস্কন্ধক বধ কৰা কাৰ্য দেখুওৱাৰ লগতে দ্বিতীয়খনত ৰাৱণৰ দ্বাৰা সীতাক হৰণ কৰা কাৰ্য অৱতাৰণা কৰা হৈছে। তৃতীয়খনতো প্ৰায় একেই বিষয় অৱতাৰণা কৰাৰ বিপৰীতে চতুৰ্থখনত ৰাৱণক বধ কৰা কাৰ্য প্ৰদৰ্শন কৰা হৈছে।

ঊনবিংশ শতিকাত সত্ৰ আৰু নামঘৰ সমূহত এনে নাটক ৰচনা কৰা হৈছিল যদিও নাটকসমূহৰ উল্লেখ ইতিহাসত পোৱা নাযায়। ১৮৭০ চন মানত আধুনিক যুগৰ প্ৰথম পৌৰাণিক নাটক 'সীতাহৰণ নাটক' ৰমাকান্ত চৌধুৰীৰ কাপৰ পৰা নিঃসৃত হয়। অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক ডিম্বেশ্বৰ নেওগদেৱে এইখনক আধুনিক যুগৰ প্ৰথম পৌৰাণিক নাটক বুলি অভিহিত কৰিছে। ১৯৩৫ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলঙ্কৃত কৰা আনন্দ চন্দ্ৰ আগৰৱালাৰ অভিভাষণত 'সীতা স্বয়ম্বৰ নাট' নামৰ এখন নাটক অসমৰ পুথি প্ৰকাশক হৰিবিলাস আগৰৱালাই ১৮৮১ খ্ৰীষ্টাব্দত প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰিছে। ইয়াৰ পিছত শেষৰ দশকটোতহে পূৰ্ণকান্ত শৰ্মাৰ দ্বাৰা ৰচিত 'হৰধনুভঙ্গ' (সীতা সয়ম্বৰ) শতিকাটোত ৰচিত এখন উল্লেখযোগ্য পৌৰাণিক নাটক। ৰামায়ণৰ আদিকাণ্ডৰ বিষয়বস্তুক লৈ ৰচনা কৰা পঞ্চ অঙ্কযুক্ত নাটকখনত শ্ৰীৰামচন্দ্ৰই জনকৰজাৰ কন্যা সীতাক হৰধনু ভঙ্গ কৰি পত্নীৰূপে লাভ কৰা কাৰ্যৰ অৱতাৰণা কৰা হৈছে। নাট্যকাৰে মূল ৰামায়ণতকৈ শঙ্কৰদেৱৰ 'ৰাম বিজয়' নাটকহে অনুসৰণ কৰিছে। আনকি ৰামবিজয় নাটকত উল্লেখ থকা এটি নাৰী চৰিত্ৰ কনকাৱতীক দেৱশৰ্মাইও যথাযথভাৱে অনুসৰণ কৰিছে। নাটকখনৰ মাজেদি সমকালীন অসমীয়া সমাজৰ চিত্ৰণো লক্ষণীয় দিশ। অঙ্কীয়া নাটকৰ প্ৰভাৱো নাটকখনত পৰিলক্ষিত হয়।

বিংশ শতিকাৰ প্ৰথম বৰ্ষতে দেৱনাথ বৰদলৈৰ হাতত ৰচিত হয় 'বৈদেহী বিচ্ছেদ'। ৰামায়ণৰ উত্তৰাকাণ্ডৰ বিষয়বস্তুৰ আধাৰত এই নাটক ৰচিত হৈছে আৰু সীতাৰ পাতাল প্ৰৱেশৰ লগে লগে নাট্য কাহিনীৰো যৱনিকা পাৰিছে। বৰদলৈৰ 'বৈদেহী বিচ্ছেদ'ত ভঙা অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ আৰু বিলাপ গীতৰ প্ৰাচুৰ্য নাটকখনৰ অন্যতম বৈশিষ্ট্য বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। নাটকখনত ২৫টা গীতৰ ভিতৰৰে ১৮টা বিলাপ গীতৰ সন্নিৱেশ ঘটিছে।

অসমীয়া পৌৰাণিক নাটকক এক বিশিষ্ট স্থানলৈ উত্তৰণ ঘটোৱা নাট্যকাৰজন হ'ল কবি চন্দ্ৰধৰ বৰুৱা। বৰুৱাৰ কাপৰ পৰা নিঃসৃত 'মেঘনাদ বধ' ৰামায়ণৰ লঙ্কা কাণ্ডৰ বিষয়বস্তুক লৈ ৰচিত এখন উল্লেখযোগ্য নাটক। ১৯০৪ চনত ৰচিত এই নাটকৰ ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত নাট্যকাৰে গতানুগতিকতাক বিসৰ্জন দি বঙ্গদেশৰ শক্তিশালী কাব্যকাৰ মাইকেল মধুসুদন দত্তৰ 'মেঘনাদ বধ কাব্য'ৰ পৰা বিষয় বস্তু গ্ৰহণ কৰি নতুনত্ব প্ৰদান কৰিছে। নাটকখনৰ অধিকাংশ বিষয়বস্তুৱেই ৰামায়ণত পোৱা নাযায়। বঙ্গীয় কবি দত্তই তেওঁৰ কাব্যৰ বিষয়বস্তু 'ইলিয়াড' মহাকাব্যৰ পৰা আংশিকভাৱে গ্ৰহণ কৰিছে। নাটকখনৰ সম্পৰ্কে মন্তব্য দি মহেশ্বৰ নেওগে লিখিছে-- 'চন্দ্ৰধৰ বৰুৱাই গৈৰিশ ছন্দত মেঘনাদ বধ নাটক (১৯০৪) ৰচনা কৰে। এই ছন্দত অসমীয়া নাট এয়ে প্ৰথম। নাটখনৰ সংলাপ আৰু বিষয়বস্তুৱে অসমৰ দৰ্শকক প্ৰভূতভাৱে আকৰ্ষণ কৰিছিল। নাটকখনৰ বিষয়ে সত্যেন্দ্ৰনাথ শৰ্মাই দিয়া মন্তব্যও তাৎপৰ্যপূৰ্ণ। 'পৌৰাণিক নাটককেইখনৰ ভিতৰত 'মেঘনাদ বধ' নাটকীয় গুণেৰে সমৃদ্ধ। এই নাট অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন ৰঙ্গমঞ্চত বহুবাৰ অভিনীত আৰু পৌৰাণিক নাটক ৰচনাৰ এটা আৰ্হি দাঙি ধৰে।'

চন্দ্ৰধৰ বৰুৱাৰ পিছতে পৌৰাণিক নাটক ৰচনাত প্ৰবৃত্ত হোৱা আন এজন খ্যাতিমান নাট্যকাৰ হ'ল-- দাৰ্শনিক কবি দুৰ্গেশ্বৰ শৰ্মা। গীতিকাৰ ৰূপেও পৰিচিত নাট্যকাৰ শৰ্মাৰ কাপৰ পৰা সৃষ্টি হোৱা ৰামায়ণৰ নাটক হ'ল 'বালীবধ'। ১৯১২ চনত প্ৰকাশ পোৱা নাটকখনত নাট্যকাৰে গৈৰিশ ছন্দকেই ব্যৱহাৰ কৰিছে আৰু বিষয়বস্তু ৰচনাৰ ক্ষেত্ৰত মৌলিকতাৰ স্বাক্ষৰ বহন কৰিছে। ৰামায়ণৰ বিষয়বস্তুক অনুসৰণ কৰিলেও স্থান বিশেষে নাট্যকাৰে কল্পনাৰ প্ৰলেপ দি বিষয়বস্তুক বৈচিত্ৰ্য প্ৰদান কৰিছে। নাটকখনৰ বিষয়ে মন্তব্য দি সমালোচক ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে-- 'ব্ৰহ্মাৰ পৰা বাণীৰ বৰ লাভ, ৰুমাৰ শাপ, লক্ষ্মণৰ দেৱী আৰাধনা, ময় দুন্দুভিৰ প্ৰেতাত্মাই ৰামক দেখা দিয়া, সুগ্ৰীৱে বালীপত্নী তাৰাক পত্নীৰূপে গ্ৰহণ নকৰি মাতৃবৎ ব্যৱহাৰ কৰা-- এইখিনি কথা নাট্যকাৰে স্বকীয়ভাৱে উত্থাপন কৰিছে আৰু নাটকীয় সৌন্দৰ্য বৃদ্ধিত

এইবোৰে সহায় কৰিছে। নাটকখনৰ ঠায়ে ঠায়ে সুন্দৰ বৰ্ণনাত্মক বিৱৰণ সন্নিবিষ্ট হৈছে।' নাটকখনৰ তৃতীয় অঙ্কতে বালীক বধ কৰা কাৰ্য দেখুওৱা হৈছে যদিও নাটকখনৰ তাতেই পৰিসমাপ্তি নঘটাই অতিৰিক্ত দুটা অঙ্ক সন্নিবিষ্ট কৰাত নাটকীয় সৌন্দৰ্য ব্যাহত হৈছে আৰু নাটকখনৰ মাজেদি বিষাদাত্মক সুৰৰ অনুৰণন ঘটিছে।

১৯০৯ চনত দুৰ্গানাথ খাউণ্ডৰ দ্বাৰা সংগৃহীত 'সীতাহৰণ' নাটক প্ৰকাশ পায়। ইতিমধ্যে 'গোপাল' নামৰ অবাৰ্চীন লেখকৰ উপৰিও 'গোপালদেৱ' নামৰ নাট্যকাৰেও 'সীতাহৰণ' নামৰ দুখন নাটক ৰচনা কৰাৰ কথা পূৰ্বতে উল্লেখ কৰা হৈছে। দুৰ্গানাথৰ 'সীতাহৰণ'ত শূৰ্পনখাৰ নাক, কাণ কাটি শাস্তি দিয়াৰ কাৰ্যৰে আৰম্ভণি আৰু ৰামে পৰ্ণ কুটীৰলৈ উভতি অহা ঘটনাত বিষয়বস্তুৰ পৰিসমাপ্তি ঘটোৱা হৈছে। অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা এই নাটকত নিম্ন শ্ৰেণীৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত নাট্যকাৰে প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। ৰামায়ণৰ উত্তৰাকাণ্ডৰ বিষয়বস্তুক লৈ অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা পঞ্চ অংকবিশিষ্ট বলৰাম পাঠকৰ 'লৱ-কুশ' নাটক ১৯১৪ চনত প্ৰকাশ হয়। পাঠকে শঙ্কৰদেৱৰ উত্তৰাখণ্ডৰ বিষয়বস্তুৰ লগত জৈমিনীৰ ৰামায়ণৰ অশ্বমেধ পৰ্বৰ বিষয়বস্তুৰ মধুৰ সংমিশ্ৰণ ঘটাই নাট্যবস্তুৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। অৱশ্যে গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ পৰা আঁতৰি আহি নাট্যকাৰে কীৰ্তিবাসী বঙালী ৰামায়ণৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিছে। কিয়নো গুৰুজনাৰ অনুদিত উত্তৰাকাণ্ড ৰামায়ণত ভগৱতীক ৰামে স্মৰণ কৰা কাৰ্য সমৰ্থনযোগ্য নহয়। সেই একে সময়তে অপূৰ্ব কুমাৰ ভূঞাই 'লৱকুশ' (১৯১৮) নামৰ একে বিষয়কে লৈ আন এখন নাটক ৰচনা কৰি অসমীয়া নাট্য সাহিত্যৰ বেদীলৈ অৰ্ঘ যাচি গৈছে।

১৯৩০ চনত ৰচনা কৰি প্ৰকাশৰ বাবে কুৰি বছৰ অপেক্ষা কৰা নাট্যজগতৰ বিশিষ্ট ব্যক্তি মিত্ৰদেৱ মহন্তৰ 'বৈদেহী বিচ্ছেদ' অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা আন এখন পৌৰাণিক নাটক। ৰামায়ণৰ উত্তৰাকাণ্ডৰ বিষয়বস্তুক লৈ ৰচনা কৰা নাটখনৰ চৰিত্ৰাঙ্কণত নাট্যকাৰে প্ৰতিভাৰে পৰিচয় দিবলৈ সমৰ্থ হৈছে। নাটকখনৰ সম্পৰ্কে মন্তব্য দি হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই লিখিছে-- 'লৱ-কুশৰ যুদ্ধ মূল ৰামায়ণৰ ঘটনা নহয়। অথচ প্ৰাচীন কালৰে পৰাই অসমীয়া সমাজত ইয়াৰ বৰ সমাদৰ। সেয়েহে 'থিয়েটাৰ' আৰু 'ভাওনা' দুয়োৰকমেই যাতে এই জনপ্ৰিয় কাহিনী দৃশ্যকাব্যৰূপে প্ৰদৰ্শন কৰিব পৰা যায়, এই উদ্দেশ্যেই কলা-কুশলী অধিকাৰদেৱে ইয়াত দুয়োবিধ শৈলীৰ সন্নিৱেশ কৰিছে।'

কথাশিল্পী দণ্ডিনাথ কলিতাৰ 'অগ্নিপৰীক্ষা'ৰ বিষয়বস্তু ৰামায়ণৰ উপৰিও তৃতীয় অংকৰ চতুৰ্থ দৃশ্য ভক্তিকাব্য আৰু কৃতিবাসী ৰামায়ণৰ শুক সাৰণে ৰাৱণক ৰামৰ সৈন্যশক্তি প্ৰদৰ্শন কৰা বিৱৰণৰ ওপৰত প্ৰতিস্থিত বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। জনক ৰজাৰ ঘৰত সম্পাদন হোৱা স্বয়ম্বৰৰ ঘটনাৰে আৰম্ভ হোৱা নাট্যবস্তুৰ সামৰণি পৰিছে সীতাক অগ্নি পৰীক্ষা কৰি অযোধ্যালৈ কৰা প্ৰত্যাৱৰ্তনত। নাটকখনৰ প্ৰতিটো দৃশ্যৰ প্ৰাৰম্ভতে সংবাদ বাহকে পাৰ হৈ যোৱা ঘটনাংশৰ লগত দৰ্শকক পৰিচয় কৰি দিয়াৰ ৰীতি-নাট্যকাৰে সংস্কৃত নাটকৰ পৰা গ্ৰহণ কৰিছে। ১৯৩৭ চনত ৰচনা কৰা এই নাটকতো নাট্যকাৰে ছন্দোৱদ্ধ সংলাপৰ সু-প্ৰয়োগ ঘটাইছে।

অসমীয়া সাহিত্যত ব্যাসৰূপে স্বীকৃত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ 'শ্ৰীৰামচন্দ্ৰ' বৃহৎ কলেৱৰৰ পৌৰাণিক নাটক। প্ৰায় কুৰিখন নাটক ৰচনা কৰি অসমীয়া সাহিত্যত অভিলেষ স্থাপন কৰা হাজৰিকাৰ এই নাটক ১৯০৭চনত প্ৰকাশ হয়। নাটকখনৰ নামকৰণ 'শ্ৰীৰামচন্দ্ৰ' কৰিলেও ৰামৰ পৰিৱৰ্তে ৰাৱণৰ চৰিত্ৰহে অধিক সমুজ্জ্বল হৈ ধৰা দিছে। 'শ্ৰীৰামচন্দ্ৰ'ত ৰামায়ণৰ বিশাল বিষয়বস্তুৰ সমাৱেশ হোৱাৰ ফলত ঘটনাই দ্ৰুতগতিত পৰিণতিলৈ ঢাপলি মেলিছে। নাটকখনত কাব্যগন্ধী সংলাপৰ সুপ্ৰয়োগ নাট্যকাৰ হাজৰিকাৰ অন্যতম বৈশিষ্ট্য। আনকি গুহক চণ্ডাল, ৰাক্ষস কন্যা সৰমা আৰু যুৱক তৰণীসেনেও অলঙ্কাৰপূৰ্ণ কাব্যগন্ধী সংলাপৰ বচন হৈছে। স্মৰ্তব্য যে, তৃতীয় সংকলনখনত নাটকখনক দুটা ভাগত বিভক্ত কৰা হয়। ৰামচন্দ্ৰৰ বনবাসলৈকে 'শ্ৰীৰামচন্দ্ৰ' নামেৰে আৰু পৰৱৰ্তী অংশ 'স্বৰ্ণলঙ্কা' নামেৰে নামকৰণ কৰা হৈছে। বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ 'বিসৰ্জন' নাটকত ৰামচন্দ্ৰই লক্ষ্মণ বৰ্জন কৰা আৰু আত্মবিসৰ্জনৰ ঘটনা বৰ্ণিত হৈছে। নাট্যকাৰৰ যৌৱন কালত ৰচনা কৰা এই নাটকৰ বিষয়বস্তু শিল্পমণ্ডিত ভাৱে ৰূপায়ণ কৰা হোৱা নাই। ১৯৩৩ চনত প্ৰকাশ পোৱা নাটকখনৰ মাজেদি কৰুণ ৰসৰো অনুৰণন ঘটা নাই।

স্বাধীনোত্তৰ কালত পৌৰাণিক নাটক ৰচনা কৰা প্ৰযত্ন ক্ৰমান্বয়ে হ্ৰাস পাই আহে। নতুন ধ্যান-ধাৰণা,

মূল্যবোধৰ দ্ৰুত পৰিৱৰ্তন, যন্ত্ৰযুগৰ আগমন, আৰু নব্য স্বাধীনতাই সাহিত্যৰ ব্যাপক পৰিৱৰ্তনত ইন্ধন যোগায়। নাট্যকাৰ সকলেও পৌৰাণিক বিষয়বস্তুৰ পৰিৱৰ্তে আধুনিক আৰু প্ৰাত্যাহিত জীৱনত ঘটি থকা বিষয়বস্তুক লৈ নাট ৰচনা কৰাৰ প্ৰযত্নত ব্ৰতী হ'ল। ফলস্বৰূপে স্বাধীনোত্তৰ কালত পৌৰাণিক নাটকৰ সুঁতিটো নিশ্চিহ্নপ্ৰায় হৈ পৰিল। ইয়াৰ মাজতো দুজনমান নাট্যকাৰে ৰামায়ণৰ বিষয়বস্তুক লৈ নাটক ৰচনাত মনোনিৱেশ কৰা পৰিলক্ষিত হয়। এই নাট্যকাৰ দুজন হ'ল সুৰেন্দ্ৰনাথ শইকীয়া আৰু লক্ষ্যধৰ চৌধুৰী।

নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী প্ৰণীত স্বাধীনোত্তৰ কালৰ দ্বিতীয়খন নাটক হ'ল 'ৰক্ষকুমাৰ'। ১৯৫২চনত প্ৰকাশ পোৱা 'ৰক্ষকুমাৰ' নাটকত অসমীয়া ৰামায়ণৰ পৰিৱৰ্তে বঙ্গদেশৰ কীৰ্তিবাসী ৰামায়ণৰ বিষয়বস্তুৱেহে আত্মপ্ৰকাশ কৰিছে। বিভীষণ পুত্ৰ তৰণীসেনৰ বীৰত্ব আৰু আত্মবলিদানক লৈ 'ৰক্ষকুমাৰ' নাটকৰ বিষয়বস্তু সূচীত হৈছে আৰু তৰণীসেনৰ মৃত্যুৰ লগে লগে নাটকৰ যৱনিকা পৰিছে। অতুলচন্দ্ৰ হাজৰিকাৰ 'শ্ৰীৰামচন্দ্ৰ' নাটকৰ লগত ৰামচন্দ্ৰ চৰিত্ৰৰ সাদৃশ্য পৰিলক্ষিত হয়। অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা ৰক্ষকুমাৰ নাটকত অধিক বিষয়বস্তু সন্নিৱেশ কৰি নাটকখন দীঘলীয়া কৰা হৈছে। ১৯১৪ চনত ৰচনা কৰা সুৰেন্দ্ৰনাথ শইকীয়াৰ 'লক্ষ্মণ'ক নাট্যকাৰে নামভূমিকাৰ চৰিত্ৰটিৰ ভাতৃপ্ৰেম আৰু আত্মত্যাগৰ চানেকি প্ৰদৰ্শন কৰিছে যদিও কোনো ক্ষেত্ৰতেই চৰিত্ৰটি স্বকীয়ভাৱে সমুজ্জ্বল হোৱা নাই। প্ৰতিটো ক্ষেত্ৰতে ৰামৰ সহযোগী ৰূপে আত্মপ্ৰকাশ কৰা লক্ষ্মণ এক ছাঁয়া সদৃশ ব্যক্তিলৈহে ৰূপান্তৰিত হৈছে।

সাম্প্ৰতিক কালতো ৰামায়ণী বিষয়বস্তুক লৈ ন ন পৰীক্ষা আৰু আংগিকেৰে নাট্য ৰচনাৰ প্ৰযত্ন অব্যাহত থকাটো এই প্ৰসঙ্গত প্ৰণিধানযোগ্য। বিশেষকৈ, প্ৰমোদ দাসৰ 'হনুমান সাগৰ বান্ধা চাও, পৰমানন্দ ৰাজবংশীৰ 'জনক নন্দিনী' আৰু গুণাকৰদেৱ গোস্বামীৰ 'ৰত্নাকৰ' নাটকৰ নাম স্মৰণযোগ্য।

ৰামায়ণৰ বিষয়বস্তুক লৈ প্ৰায় কুৰিজন নাট্যকাৰে নাটক ৰচনাত প্ৰবৃত্ত হৈছে যদিও কোনোজন অসমীয়া নাট্যকাৰেই এখনতকৈ অধিক নাটক ৰচনাত আত্মনিয়োগ কৰা দেখা নাযায়। ইয়াৰ বিপৰীতে মহাভাৰত বা পুৰাণৰ বিষয়বস্তুক লৈ এজন নাট্যকাৰে কেইবাখনো নাটক ৰচনা কৰা কাৰ্য এই প্ৰসঙ্গত প্ৰণিধানযোগ্য। সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ নাম শ্ৰদ্ধাৰে এইক্ষেত্ৰত স্মৰণ কৰি পাৰি। দ্বিতীয়তে, পৌৰাণিক জগতখনক নাটকৰ মঞ্চলৈ আদৰি অনাৰ প্ৰথম চৰ্ত ৰূপে নাট্যকাৰসকলে ছন্দোবদ্ধ সংলাপকেই নাটকসমূহত সু-প্ৰয়োগ ঘটাইছে। তৃতীয়তে, যুদ্ধ-বিগ্ৰহ সম্বলিত বীৰত্বব্যঞ্জক ক্ৰিয়াপ্ৰধান বিষয়বস্তুকেই নাটকৰ বহিঃসংঘাতৰ বিষয়ৰূপে গ্ৰহণ কৰিছে।

অসমীয়া পৌৰাণিক নাটকৰ আলোচনাত সাহিত্য সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই নাট্যকাৰসকলৰ প্ৰতিভাৰ ওপৰত আলোকপাত কৰি লিখিছে-- 'অসমীয়া পৌৰাণিক নাটকৰ ক্ষেত্ৰত বিশেষ সৃজনী প্ৰতিভাৰ পৰিচয় পোৱা নাযায়। বহু ক্ষেত্ৰত বাহ্যিক ক্ৰিয়াৰ হুলস্থূলে আৰু ঘটনাৰ বহুলতাই নাটকৰ কেন্দ্ৰস্থভাৱ আচ্ছন্ন কৰি নাটকীয় সংহতি নষ্ট কৰে আৰু বক্তৃতাপ্ৰধান বা বৰ্ণনা বহুল উক্তিয়ে সংলাপৰ নাটকীয়ত্ব খৰ্ব কৰে। আমি ভাবোঁ, অসমীয়া পৌৰাণিক নাটকৰ ক্ষেত্ৰত শৰ্মাৰ মন্তব্য একেবাৰে শেষ কথা। সময়ৰ দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত পৌৰাণিক নাটকৰ ৰচনা হ্ৰাস পালেও, নতুন চিন্তা আৰু ন ন উপস্থাপন পদ্ধতিৰে উপস্থাপন কৰাৰ সময় সমাগত হৈছে। ভাৰতৰ অন্য প্ৰান্তত এনে উপস্থাপনৰ বাবে চিন্তা-ভাৱনাৰ শুভাৰম্ভ ইতিমধ্যে আৰম্ভ হৈছেই। ■


<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ

১. ড° সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া নাট্য সাহিত্য। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।
২. অতুল চন্দ্ৰ হাজৰিকা ঃ মঞ্চলেখা।
৩. ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা।
৪. ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি।
৫. যতীন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী।
৬. সূৰ্যকুমাৰ ভূঞা (সম্পা) ঃ তুংখুঙীয়া বুৰঞ্জী।
৭. ডিম্বেশ্বৰ নেওগ ঃ 7New Light on History of Assamese Literature.
৮. ড° পোনা মহন্ত ঃ নাটক আৰু নাট্যকাৰ